# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ৩০/৮/২০২৪ শুকুৰবাৰ

---

**পূৰ্ব নিৰ্ধাৰিত সময়সূচীমতে সদনৰ কৰ্য্যসূচী ৩০ আগষ্ট ২০২৪ তাৰিখে পুৱা ০৯ঃ০০ বজাৰ পৰা আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ৮১। শ্ৰী সুৰেন ফুকন।

মাননীয় মন্ত্ৰী।

**শ্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, (মন্ত্ৰী, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী সুৰেন ফুকন (ডিগবৈ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ডিগবৈ সমষ্টিৰ টিংৰাইত, যি মোৰ ঘৰৰ নিচেই কাষত, একেটা ৱাৰ্ডতে, ৩৮৭ বিঘা মাটিকালি জুৰি কেছেৰু, নুনি আৰু চুমনিৰ তিনিখন ফাৰ্ম আছে। আজি কেইবা দশক ধৰি তাত এড়ি, নুনি উৎপাদিত হৈ আহিছে। কিন্তু আমি দেখিবলৈ পাইছো, কিছু সংখ্যক লোকে তাত বেদখল কৰি আছে। গতিকে সেই বেদখলখিনি উচ্ছেদ কৰিব লাগে বুলি ভাৱো। ইয়াত লাভজনক দিশটো যেনেধৰণে উন্মোচিত হৈছে আৰু যিধৰণে এড়ি, নুনি বা চুমনি অঞ্চলত প্ৰতি বছৰে লাখ লাখ টকা খৰচ কৰা হৈছে, কিন্তু আমি সদায় লোকচানৰ ঘৰতে আছো। তাৰ কৰ্মচাৰী শ্ৰমিকসকলে আন্তৰিকতাৰে ভালদৰে কাম নকৰাৰ ফলত তাত অটব্য অৰণ্য হৈ পৰিছে। গতিকে এইখিনিৰ এটা তদন্ত হ'ব লাগে আৰু পাৰিলে এই ৩৮৭ বিঘা মাটিত চৰকাৰী উদ্যোগ নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিব লাগে বুলি মই ভাৱো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, মন্ত্ৰী, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম ইত্যাদিঃ** অধ্যক্ষ মহোদয়, আজি আমাৰ সন্মানীয় বিধায়কে যি প্ৰশ্ন আনিছে, সেইটো টিংৰাইত অৱস্থিত ৰেচম বিভাগৰ কেছেৰু, নুনি আৰু চুমনি এই তিনিখন ফাৰ্মত বেদখল হোৱা সম্পৰ্কত। কিন্তু আমাৰ বিভাগৰ হাতত এনেকুৱা বেদখল হোৱাৰ কোনো তথ্য নাই। টিংৰাইৰ মুঠ মাটিকালি ১৩.৩৮ হেক্টৰৰ ভিতৰত plantation area হ'ল ৭.১০ হেক্টৰ। তেনেকৈ mulberry nursery ৰ কাম আছে। Chawki Rearing Centre, Tingrai ত ৫ হেক্টৰ মাটি আছে, তাৰে ৪.৫০ হেক্টৰত plantation আছে। ***RBGI Tingrai,*** বাকীখিনি ***VGR,*** মুঠ ৩৩.৩ হেক্টৰ মাটিৰ গোটেইখিনিতে plantation আছে। Vacant area বুলি যদি কয়, ৬.৭৮ হেক্টৰ মাটি খালী আছে। ইয়াত বেদখল হোৱা বুলি আজি বিধায়ক গৰাকীয়ে যি কৈছে সেই সম্পৰ্কে মই একে মুখে নাই হোৱা বুলি ক'ব বিচৰা নাই। কিন্তু বৰ্তমান বিভাগৰ হাতত বেদখল হোৱাৰ কোনো খবৰ নাই। প্ৰমাণ সহ বেদখল হোৱাৰ তথ্য যদি আছে, তাক বেদখলমুক্ত কৰাৰ দায়িত্ব আমাৰ জিলা আয়ুক্তই ল'ব। এই বিষয়টো আমাৰ দৃষ্টিত অনাৰ বাবে আমি নিশ্চয় তদন্তৰ ব্যৱস্থা ল'ম । আমাৰ সন্মানীয় বিধায়কৰ জ্ঞাতাৰ্থে টিংৰাই অঞ্চলত কি কি আঁচনি লোৱা হৈছে মই জনাব বিচাৰিছো। আজি প্ৰায় ৪০.৯৩ হেক্টৰ মাটিত পলুৰ উপযোগী গছ-গছনি, ১৭.২১৯ জোপা চোম আৰু কেছেৰু গছ আছে। লগতে, ৭৯১০ জোপা গছ পুলি নাৰ্চাৰীখনত উপলব্ধ হৈ আছে। আনহাতে, বিভাগে ৩ কোটি ব্যয় সাপেক্ষে

৩০ খন নাৰ্চাৰী বৃহৎ ফাৰ্মসমূহত স্থাপন কৰিবলৈ চলিত বিত্তীয় বৰ্ষত পদক্ষেপ গ্ৰহণ কৰিছে। আজি যি বিষয়ত আপোনাৰ অভিযোগ আহিছে, সেইটো আমি নিশ্চয় চাম আৰু আপোনাক অনুৰোধ জনাব বিচাৰিছো যে আপুনিও যদি প্ৰমাণ সহ বিষয়টো মোৰ ওচৰলৈ আনিব পাৰে, তেতিয়া মই নিশ্চয় ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী সুৰেন ফুকন (ডিগবৈ)ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াক আৰু এটা কথা মই অৱগত কৰিব বিচাৰিছো যে তিনিখন ফাৰ্মত আজি ৩০ বছৰ ধৰি জগৎ বৰা নামৰ এজন পৰিচালকে পৰিচালনা কৰি আহিছে, তেওঁ আন ক'তো বদলিও নহয়। তেওঁৰ ওপৰত ৰাইজৰ যথেষ্ট অভিযোগ আছে কাৰণ তেওঁ তাত তেওঁৰ খেয়াল-সূচীমতে কাম কৰি লুণ্ঠন কৰি আছে । গতিকে তেওঁক অতিশীঘ্ৰে তাৰ পৰা বদলি কৰাৰ ব্যৱস্থা কৰিব লাগে তাৰ বাবে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

**শ্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, মন্ত্ৰী, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম ইত্যাদিঃ** অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়কগৰাকীৰ এই কথাটো মই নিশ্চয় নজৰত ৰাখিম আৰু তাৰ কাৰণে ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং ৮২। শ্ৰী নিজানুৰ ৰহমান।

মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী যোগেন মহন, মন্ত্ৰী, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী নিজানুৰ ৰহমান (গৌৰীপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে ধুবুৰী জিলাত এতিয়ালৈক ২০১৭ চনৰ পৰা ধৰ্মীয় সংখ্যালঘু মানুহখিনিয়ে পট্টা নোপোৱাৰ কাৰণ কি? তাত বহুতো খিলঞ্জীয়া মানুহে বসবাস কৰে। বসুন্ধৰা-১ আৰু বসুন্ধৰা-২ ত এজনো মানুহ বিবেচনাৰ বাবে নাহিল। আনহাতে বহুত নদী ভংগৰ সমস্যা আছে। নদী ভংগত থকা মানুহখিনিয়েও পট্টা পোৱা নাই। PMAY ৰ ঘৰ বাচনি হৈ থকা মানুহখিনিয়েও পট্টা পোৱা নাই। এনেকুৱা হোৱাৰ ক্ষেত্ৰত বিভগীয়ভাৱেও কোনো নিৰ্দেশনা নাই, কিন্তু আমাৰ যিসকল হিতাধিকাৰীয়ে আবেদন-নিবেদন কৰে তেওঁলোকৰ এজনো বিবেচনাত নহাৰ কাৰণ কি মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী যোগেন মহন, মন্ত্ৰী, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মিছন বসুন্ধৰাৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ জৰিয়তে ভূমিৰ নথি upgrdation, correction ইত্যাদিৰ কাম ইতিমধ্যে সমাপ্ত কৰিছো। আপোনালোকে নিশ্চয় জানে যে অসমত আমি ১,২৯,০০০ খিলঞ্জীয়া মানুহক ভূমি পট্টা দিছো। অহা ২ অক্টোবৰৰ তাৰিখৰ পৰা আমি বসুন্ধৰা-৩ আৰম্ভ কৰিম। বসুন্ধৰা-২ ত যিসকলৰ নথি-পত্ৰত কিবা গণ্ডগোল আছিল, নথি-পত্ৰ শুদ্ধভাৱে নাছিল, তেওঁলোকক reject কৰা হৈছে। আমি ২ তাৰিখৰ পৰা যেতিয়া বসুন্ধৰা-৩ launch কৰিম, তাৰ পিছত এই reject কৰা কেচবোৰ চক্ৰ বিষয়াৰ কাৰ্য্যালয় বা জিলা আয়ুক্তৰ কাৰ্য্যালয়ত re-verify কৰা হ'ব। তাত সন্মানীয় বিধায়কসকলো সদস্য হিচাপে থাকিব । সেই লোকসকলে নতুনকৈ কোনো ধৰণৰ আবেদন কৰিব নালাগে। তেওঁলোকে কি নথি জমা দিব নোৱাৰাৰ বাবে তেওঁলোকৰ reject হ'ল সেয়া সদস্যসকলে ভালদৰে চাব পাৰিব। ধুবুৰী ৰাজহ চক্ৰ, আগমণি, গোলকগঞ্জ, দক্ষিণ শালমাৰা, গৌৰীপুৰ, বিলাসীপুৰ, আঠানী, চাপৰৰ কথা উত্তৰত দিছো। মুঠ কিমান ৰাজহ

গাওঁ আছে আৰু চৰকাৰী মাটি কিমান আছে তাৰ প্ৰশ্নৰ উত্তৰ মই গোটেইখিনি দিছো। মূল কথাটো হৈছে চৰকাৰী ভূমিত যিসকলে দীৰ্ঘদিন ধৰি বসবাস কৰি আছে আৰু যিসকলে শুদ্ধকৈ নথি-পত্ৰ জমা দিছে তেওঁলোকে বসুন্ধৰা-২.০ ত মাটিৰ পট্টা পাইছে। আমি বসুন্ধৰা-৩.০ ত চৰকাৰী ভূমি খিলঞ্জীয়া লোক আৰু প্ৰতিষ্ঠানসমূহক দিয়াৰ বাবে পৰিৱৰ্তী পৰ্যায়ত বিবেচনা কৰি আছো। ধুবুৰী জিলাত ২০১৭ বৰ্ষৰ পৰা বৰ্তমানলৈকে ৬৩৫ টা পট্টা ব্যক্তিৰ নামত আৰু ১৬২টা প্ৰতিষ্ঠানৰ নামত পট্টা আৱণ্টন দিয়া হৈছে। যিসকলক পট্টা দিয়া হৈছে, তেওঁলোকে শুদ্ধকৈ কাগজ-পত্ৰবোৰ দিয়াৰ বাবে পট্টা পাবলৈ সক্ষম হৈছে। ইয়াৰ সবিশেষ আমি পৰিশিষ্ট (ক)ত উল্লেখ কৰিছো। গতিকে, আপুনি তথ্যখিনি চাব পাৰিব। বৰ্তমানলৈকে ধুবুৰী জিলাত অন্তৰ্গত ৰাজহ চক্ৰসমূহৰ মুঠ মাটি ৯৫১ বিঘা ৩ কঠা ৬.৭৩ লেছা আৱণ্টন দিয়া হৈছে। ৯৫১ বিঘা ইতিমধ্যে allot কৰিছো। ধুবুৰী জিলাত মুঠ গাঁৱৰ সংখ্যা ৯৫১ খন আৰু ৰাজহ চক্ৰৰ অন্তৰ্গত চৰকাৰী মাটিৰ পৰিমাণ ২,৬২,৪৮৭ বিঘা ২.২৩ কঠা। আমি চৰকাৰী নিয়মমতে ১৮৮৬ৰ Land and Revenue Act অনুসৰি আৰু ২০১৯ ৰ পলিচি অনুসৰি মাটিৰ পট্টা দিয়াৰ কামটো continuously চলাই থাকিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে , ধন্যবাদ।

**শ্ৰী নিজানুৰ ৰহমান,** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ existing policy ৰ ভিতৰত আমাৰ দেশীয় মানুহখিনিয়েও আবেদন কৰিছিল, তাৰে এজনো মানুহৰ নাম বিবেচনাত নাহিল নে, মই জনাত complete documentaly যিখিন আবেদনৰ condition ful fill-up কৰিছিল।

দ্বিতীয়তে, মাজে মাজে উচ্ছেদিত হোৱা মানুহখিনি, landless মানুহখিনিৰ পট্টা দিয়া ব্যৱস্থা কৰা নাই। আমাৰ তাত নদীৰ গৰাখহনীয়াৰ বাবে বহুতো মানুহ landless হৈছে, সেই মানুহখিনি আইনৰ আধাৰত অহাৰ পিছতো আমি কেইবাবাৰো জিলা প্ৰশাসনৰ লগত যোগাযোগ কৰাৰ পিছতো কোনো ধৰণৰ ব্যৱস্থা লোৱা হোৱা নাই। গতিকে মৌখিকভাৱে বন্ধ কৰি থোৱা হৈছে নেকি, সেই কাৰণে এই বন্ধটো খুলি দিব লাগে, কাৰণে তেওঁলোকে PMAY ঘৰ বনাব পৰা নাই, উচ্ছেদিত মানুহখিনিয়ে সংস্থাপন পোৱা নাই। এইখিনি ব্যৱস্থা কৰাৰ কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীযোগেন মোহন, ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীৰ কথাটো আমি গুৰুত্বসহকাৰে বিবেচনা কৰিম। যিহেতু এতিয়া SDLAC বিলাক আৰম্ভ হ'ব, তেতিয়া ক'ত নথি পত্ৰ গণ্ডগোল আছে, সেইখিনি চাব আৰু যিহেতু বসুন্ধৰা ২.০ খিলঞ্জীয়াক ভূমি পট্টা দিয়াৰ কাৰণে আছিল, তাত তেওঁলোকৰ যিখিনি documents, ক'ত ২০ বছৰ থাকিব লাগে, ক'ত land holding দিব পৰা নাই, এনেকুৱা ধৰণৰ বহুখিনি থাকে। গতিকে সন্মানীয় সদস্য গৰাকীয়ে যিহেতু এজন SDLAC ৰ সদস্য, তেখেতে এইখিনি শুধৰণি কৰি দিয়াত জিলা আয়ুক্তৰ লগত ভালকৈ কথা পতি কামখিনি কৰি ল'ব।

**শ্ৰী নিজানুৰ ৰহমান,** ঃ মাননীয় অধ্যক্ষ মহোদয়, কথা পতাত কোনো অসুবিধা নাই। একচনীয়া পট্টাৰ ব্যৱস্থাও চৰকাৰে লোৱা নাই। যুগে যুগে বসবাস কৰি থকা মানুহ। ধুবুৰীৰ প্ৰতি এটা ভুল ধাৰণা আছে।

**মাননীয় অধ্যক্ষ** ঃ হ'ব, আপোনাৰ কি আছে, লিখিত ভাৱে দিব।

এতিয়া সন্মানীয় সদস্য ড° ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম, (মন্দিয়া) ঃ** माননীয় অধ্যক্ষ মহোদয়, বৰপেটা জিলাৰ মন্দিয়া ৰাজহ চাৰ্কোলৰ অধীনত sub-register officer বিলাক আছে, তেওঁলোক দলিলৰ certified copy বিচাৰি গ'লে নিদিয়ে। বহুত মানুহৰ দলিলৰ কপিসমূহ ঘৰ জ্বলি যোৱা বা তেনেকুৱা অঘটন হোৱাৰ ফলত হেৰাই যায়। তেতিয়া দলিলৰ কপি বিচাৰি গ'লে, কপি নিদিয়ে। এইটো আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক চোৱাৰ কাৰণে অনুৰোধ কৰিলো।

বৰপেটাত বসুন্ধৰাত কোনেও মাটি নাপালে। গতিকে এইবাৰ বসুন্ধৰা আৰম্ভ হলে যাতে বৰপেটা, গোৱালপাৰা জিলাত মানুহখিনিয়ে মাটি পায়, সেইখিনি আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক চোৱাৰ কাৰণে অনুৰোধ কৰিলো।

**माननীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীযোগেন মহন, ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগ মন্ত্ৰী** ঃ माননীয় অধ্যক্ষ মহোদয়, Sub-Register officer সকলে যিহেতু দলিলৰ certified কপি দিয়ে আৰু এইটো এটা গণতান্ত্ৰিক নিয়ম চৰকাৰী বিষয়া সকলৰ। গতিকে এইখিনিৰ মই ব্যৱস্থা গ্ৰহণ কৰিম।

**माननীয় অধ্যক্ষ** ঃ এতিয়া সন্মানীয় সদস্য শ্ৰী চামছুল হুডা।

**শ্ৰী চামছুল হুডা, (বিলাসীপাৰা পূৰ) ঃ** माননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাৰ বিলাসীপাৰা পূৰ সমষ্টিতে নহয় বিলাসীপাৰা মহমকুমাত আজিৰ পৰা ২০,২৫ বছৰ আগৰ পৰা settlement and allotment হৈ আহিছে। কিন্তু বহুত ভূমিহীন মানুহে দৰ্খাস্ত দিয়াৰ পিছতো আচল certificate আৰু পট্টা তেওঁলোকে পোৱা নাই। তেওঁলোকে premium দিয়াৰ কাৰণেও দৰ্খাস্ত কৰিছে। যেনেকুৱা চৰুৱাবাক্ৰা, ছাগৰখুটি, ৰঙামাটি, খলিমাৰী, এইবিলাক অঞ্চলত premium দিয়াৰ কাৰণে লিখিছে যে আমি premium দিম, premium লৈ পট্টা দিয়ক। কিন্তু আজিলৈকে তেওঁলোকক পট্টা দিয়া নাই। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে তেখেতে যাতে এই ব্যৱস্থাটো কৰি দিয়ে।

**শ্ৰীযোগেন মহন, ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগ মন্ত্ৰী** ঃ माননীয় অধ্যক্ষ মহোদয়, যেতিয়া মাটি তেখেতৰ নামত settlement আহিব, তাৰ পিছতহে premium লয়। premium টো পাচঁ বছৰলৈকে দিব পাৰিব। গাঁও অঞ্চলত মাত্ৰ ৫০০ টকা পাৰ বিঘা। তাত মুঠ ১১৬ টা প্ৰতিষ্ঠানক মাটি দিয়া হৈছে আৰু ৩ জন ব্যক্তিৰ নামত মাটি বসুন্ধৰা ২ দিয়া হৈছিল। তেওঁলোকে premium টো online দিব পাৰে। গতিকে বিলাসীপাৰা আৰু চাপৰ ৰাজহ চক্ৰত কিয় premium লোৱা নাই, সেইটো কেনেকৈ থাকি গৈছে, কি হৈ আছে, মই খবৰ লম।

**माननীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া প্ৰশ্ন নং ৮৩, সন্মানীয় সদস্য শ্ৰীনিজাম উদ্দিন চৌধুৰী।

তেখেত অনুপস্থিত।

এতিয়া প্ৰশ্ন নং ৮৪, সন্মানীয় সদস্য শ্ৰী ভূৱন গাম।

**শ্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম, হস্তঁতাত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী** ঃ माননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ভূৱন গাম, (মাজুলী) ঃ** माননীয় অধ্যক্ষ মহোদয়, ২০১৯ চনতে অসমৰ চৰকাৰৰ দ্বাৰা মাজুলীৰ চিতাদাৰ চুক গাঁৱক handloom model village হিচাপে ঘোষণা কৰিছিল। চৰকাৰৰ এই মডে'ল ভিলেজ এক অভিনৱ পদক্ষেপ। কাৰণ এই মডে'ল ভিলেজত ১০০ গৰাকী শিপিনীয়ে

তাঁত ব'ব পৰাকৈ ঘৰ বনাই দিয়া হৈছিল। সেই ঘৰবোৰত আজি পৰ্য্যান্ত কোনো বিভাগে একো দায়িত্ব নোলোৱাৰ বাবে গাওঁৰ মানুহবোৰৰ কিছুমানে সেই ঘৰবোৰত গাহৰি, ছাগলী, মূৰ্গী আদিৰ ফাৰ্ম খুলিছে আৰু কিছুমানে ধান ভৰাই থৈছে। তেনেকুৱা এটা অৱস্থা হৈ আছে। সেই পদক্ষেপ যদি লয় তেতিয়া হলে আমাৰ মহিলাসকলৰ কাৰণে বিশেষকৈ মিচিং মহিলাসকল যথেষ্ট উপকৃত হ'ব। কাৰণ বহুতো মিচিং মহিলাই তাত বুই জীৱন নিৰ্বাহ কৰি থাকে। এই প্ৰকল্পটোত কাৰণ সোনকালে পদক্ষেপ ললে ভাল হ'ব।

মই মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ২০১৯ চনত অসম চৰকাৰৰ দ্বাৰা মাজুলীৰ চিতাদাৰ চুক গাওঁত প্ৰদান handloom model village প্ৰকল্পটোৰ বাবে চৰকাৰে কিমান টকা আৱন্টন দিছে। এই প্ৰকল্পটো সম্পূৰ্ণ কৰিবলৈ কিমান সময়সীমা নিৰ্ধাৰণ কৰা হৈছে আৰু নিৰ্ধাৰণ কৰা সময়ৰ ভিতৰত কিয় প্ৰকল্পটোৰ কাম সম্পূৰ্ণ হৈ নুঠিল।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য, আপোনাক ইতিমধ্যে উত্তৰ লিখিত ভাৱে দিছে। তাৰ উপৰিও যদি কিবা supplementary আছে, সেইটো সুধিব পাৰে।

**শ্ৰী ভূৱন গাম, (মাজুলী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰকল্পটো কেতিয়া সম্পূৰ্ণ কৰিব পৰা যাব, সেইটো মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম, হস্তঁতাত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় সদস্য গৰাকীয়ে মাজুলীৰ চিতাদাৰ চুক গাঁৰৰ handloom model village প্ৰকল্পটোৰ ওপৰত এটা প্ৰশ্ন আনিছে। ২০১৯ চনত এই প্ৰকল্পটোৰ আধাৰশিলা স্থাপন কৰা হৈছিল। এই প্ৰকল্পটোৰ বাবে ৮৩২.৬৫ লাখ টকাৰ administrative approval ইতিমধ্যে দিয়া হৈছে আৰু তাৰ মাজুলীৰ চিতাদাৰ গাঁৰৰ বাবে ২৯০,৫৭,৮৩৮ টকা, মৰাণৰ টেলীয়া পথাৰৰ বাবে ৫৯.৪১৫ লাখ টকা মঞ্জুৰী দিয়া হৈছে। এই handloom model village টো আজিলৈকে ৰূপায়ণ নোহোৱাৰ কেইবাটাও কাৰণ আছে। এটা হ'ল যে ইয়াত semi - automatic তাঁতশাল দিয়া হৈছিল আৰু তাত কাৰিকৰী বহুতখিনি অসুবিধা আহিছে। অসমত সেই automatic শালসমূহ চলাবৰ বাবে যোগ্য মানুহৰ অভাৱ।

দ্বিতীয় কথাটো হ'ল যে আৰ্টফেডৰ কিছু বিত্তীয় খেলিমেলি সেই সময়ত আছিল। বহুত এটা বিত্তীয় সংকটত আৰ্টফেড ভুগিছিল আৰু সেই বিত্তীয় খেলিমেলিৰ কাৰণে এটা তদন্তও দিয়া হৈছিল। আজি বিভাগৰ পৰা expert committee এটা দি আমি report এটা তৈয়াৰ কৰিব দিছো। আপোনালোকক জনাব পাই মই সুখী হম যে expert committee য়ে handloom model village টো অতিসোনকালে ৰূপায়ণ কৰিবৰ কাৰণে এটা প্ৰতিবেদন দিছে। সেই মৰ্মে বিভাগে handloom model village টো সোনকালে সম্পূৰ্ণ কৰিবৰ কাৰণে হাতত লৈছো। এইটো বিভাগৰ ফালৰ পৰা প্ৰতিশ্ৰুতি আপোনাক আজি দিছো লগতে আজি handloom model village ৰ এৰিয়াতে মাজুলী সাংস্কৃতিক মহাবিদ্যালয়ৰ তেজস্বিতা শিল্পশালা নামৰ সামুহিক সুবিধা পাঠ্য কেন্দ্ৰ, এইটো সাংস্কৃতিক মহাবিদ্যালয়ে ব্যৱহাৰ কৰি আছে। তেখেতসকলে প্ৰয়োজনত সেইটো আমাক এৰি দিব বুলি জনাইছে। মাজুলীৰ বাবে এটা ভাল খবৰ যে কেন্দ্ৰীয় চৰকাৰ অধীনস্থ আৰু অসম চৰকাৰৰ প্ৰচেষ্টাত cluster development programme ৰূপায়িত কৰিবলৈ লোৱা হৈছে। এই প্ৰকল্পৰ অধীনত ৩৪৩ গৰাকী শিপিনীক সামৰি ১.৯৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰ অংশ ১ কোটি ৮৩ লাখ ৯৬ হাজাৰ টকা আৰু হিতাধিকাৰীৰ

অংশ ১১.০৪ লাখ। এই আঁচনিৰ জৰিয়তে ৩৪ গৰাকী শিপিনীক Jacquard Machine ৩৪৩ গৰাকীক frame loom ৮ গৰাকীক Working Machine ৩৩ গৰাকীক wardset দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু এইটো মাজুলীবাসীৰ শিপিনী সকলক কাৰণে খুব ভাল খবৰ। বিধায়ক মহোদয় নিশ্চয় তাৰ কাৰণে বিভাগক ধন্যবাদ দিব যে আমি cluster development programme ৰূপায়ণ কৰিবলৈ গৈ আছো। আপুনি যিটো প্ৰশ্ন কৰিছে এই প্ৰশ্নৰ উত্তৰটো কেৱল বিভাগে এতিয়া Model Village খন স ম্পূৰ্ণ কৰিবৰ কাৰণে সিদ্ধান্ত লৈছো আমি তাৰ কাৰণে কাম কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীপ্ৰশান্ত ফুকন, (ডিব্ৰুগড়) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাজুলী আৰু মাটি দুয়োটা মিলাই কৈছো। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে আমাৰ গোটেই অসমত Handloom Taxtile ৰ নামত বিভিন্ন ঠাইত হাজাৰবিঘা মাটি আছে। আপুনি চাব, যেতিয়া ৰাস্তা এটাৰে গৈ থাকে তেতিয়া এখন ঠাইৰ নাম থাকে বাছ আস্থানটোৰ নাম থাকে চুমনি। নহ'লে কৰবাত project. আগতে কি হৈছিল যে তাত এখন fancing আছিল। সেই fancing সমূহ এতিয়া নাইকিয়া হ'ল আৰু এই মাটিবিলাক প্ৰায় মানুহে বে-দখল কৰিছে। সেই কাৰণে মই আজি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আপোনালোকৰ asset register আছে নে নাই? এই মাটিবিলাকৰ আপোনালোকৰ হিচাপ আছে নে নাই। যদি হিচাপেই নাই তেতিয়াহ'লে আপোনালোকে এটা হিচাপ উলিয়াওক আৰু আপোনালোকে মাটিখিনি সম্ভালিব পৰা নাই মই ভাবিছো চৰকাৰক surrender কৰক। Revenue Department য়ে relinquish কৰি সেই মাটিখিনি অন্য কাৰোবাক কৰিব পৰা ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিব নেকি এইটোৱে হ'ল মোৰ প্ৰশ্ন।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী উৰ্খাওগৌড়া ব্ৰহ্মা, হস্তত঳াঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো পৰিপূৰক প্ৰশ্ন সন্মানীয় বিধায়কে আনিছে সেইক্ষেত্ৰত মই ভাল পাইছো যিহেতু ক'বলৈ সুযোগ পাইছো। আপুনি কোৱাৰ দৰে বিভাগৰ অধীনত থকা এডোখৰো মাটি কাৰোবাক surrender কৰা ইচ্ছা নাই। এই গোটেইখিনি মানুহ আমি recover কৰো। অসমৰ মুঠ ২ শ ৪ খন ৰেচম বিভাগৰ নিজা farm আছে। এই ২ শ ৪ খন ৰেচম বিভাগৰ মাটিকালি হ'ল ২ হাজাৰ ৪ শ ৯৫.৪৪ হেক্টৰ। খালী মাটি আছিল ইয়াৰ ভিতৰত আমাৰ যিটো plantation area ১ হাজাৰ ৪ শ ২৪.২১ হেক্টৰ আছিল। তেতিয়া প্ৰায় ১ হাজাৰতকৈ অধিক মাটি খালী আছিল। তেতিয়া মই যিসময়ৰ পৰা বিভাগৰ দায়িত্ব লৈছো ইয়াৰ ওপৰত যথেষ্ট পৰ্য্যালোচনা কৰি আজি আৰু সেইটো কেনেকৈ re-plantation ত যাব। চৰকাৰে যদি কিবা কাৰণত আমাৰ পৰা মাটি বিচাৰে আমি না কৰা নাই। আজি বিশ্ববিদ্যালয়ৰ কাৰণে মাটি দিছো কিন্তু মাটিতো surrender কৰাৰ প্ৰশ্ন নাহে। এতিয়া এই তিনি বছৰ আমি চেষ্টা কৰিম MGNREGA convergence ত কাম কৰি প্ৰায় ৪ শ ৩২. ২৯ হেক্টৰ মাটিত ৰেচম ফুলৰ খাদ্য উপযোগী গছ-গছনি ৰোপন কৰিবলৈ সক্ষম হৈছো। এইটো পৰ্য্যায়ক্ৰমে আগবাঢ়ি যাম আৰু এইক্ষেত্ৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে MGNREGA আঁচনিৰ জৰিয়তে প্ৰত্যেকখন জিলাৰ মহকুমাত ৰেচম বিভাগৰ কাম কৰিবলৈ নিৰ্বাচিত কৰিছে। আনহাতে ৩ কোটি ব্যয় সাপেক্ষে ৩০ খন নাৰ্চাৰীৰ বৃহৎ ফাৰ্ম সমূহ স্থাপন কৰিবলৈ আমি বিভাগে বৰ্তমান পদক্ষেপ লৈছে। এই নাৰ্চাৰীৰ পৰা চৰকাৰী বে-চৰকাৰী ফাৰ্ম সমূহত নিম্নতম মূল্যত পুলি যোগান ধৰা হ'ব। এইখিনি পদক্ষেপ আমি লৈছো। Fancing যিটো

সমস্যা অৱশ্যে মই ক'ব লাগিব যে যিটো এটা complete fancing বা boundary সেইটো দিবৰ কাৰণে বিভাগৰ হাতত ইমান পইচা নাই। কিন্তু green fancing ৰ ব্যৱস্থা বহুখিনি ফাৰ্মত আমি প্ৰচেষ্টা চলাই আছো আৰু এই বিভাগটো যেনেকৈ আমাৰ ফাৰ্ম বিলাকক পুনৰুজ্জীৱিত কৰিবৰ কাৰণে যি ব্যৱস্থা আমি বিভাগত আলোচনা কৰি লৈ আছো, মই ভাবো যে আমাৰ sericulture farm যিমানখিনি খালী মাটি আছে, আমি কেইটামান বছৰত পুনৰ এইখিনি area ত আমি গছ-গছনি ৰুবলৈ সক্ষম হম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীপ্ৰশান্ত ফুকন, (ডিব্ৰুগড়) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ সম্পত্তিৰ হিচাপ এটা থাকিব লাগে প্ৰত্যেক বিভাগত। যদি নাই, বনোৱাৰ কাৰণে ব্যৱস্থা ল'ব লাগে।

**শ্ৰী উৰ্খাওগৌড়া ব্ৰহ্ম, হস্তত াঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Asset Register ইতিমধ্যে আছে তাৰ কাৰণে প্ৰক্ৰিয়া চলি আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং- ৮৫ ডাঃ আচিফ মহম্মদ নাজাৰ। মাননীয় মন্ত্ৰী।

**শ্ৰী যোগেন মোহন, মাননীয় ৰাজহ মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দাখিল কৰা আছে।

**মাননীয় অধ্যক্ষ ঃ** Supplementary.

**শ্ৰী আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো পাইছো কিন্তু মই সুবিধ বিচাৰিছো যে মেঘালয়ৰ পৰা বা নাগালেণ্ডৰ পৰা যিবোৰ গাড়ী অসমলৈ প্ৰবেশ কৰে, সেই কয়লাৰ গাড়ী সমূহে কি কি নথি-পত্ৰ দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী যোগেন মহন, ৰাজহ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি জানো যে Mines and Mineral Deparment টো আমাৰ এটা দ্বিতীয় ৰাজহ দিয়া বিভাগ। এই বিভাগটোত আমি এতিয়া সম্পূৰ্ণ legalise কৰিছো। কোনো illigal trasporting mining আমি বন্ধ কৰিছো তাৰ কাৰণে আমি delears ক লাইচেঞ্চো দিছো আৰু লগতে task force ৰ যোগেদি আমাৰ বিভিন্ন জিলাত আমাৰ বিভাগৰ ফালৰ পৰা আৰু আৰক্ষীৰ যোগেদি এই সমূহ তদন্ত হৈ থাকে। বিশেষকৈ মেঘালয় আৰু নাগালেণ্ডৰ পৰা সৰবৰাহ হয় আমি এখন তথ্যও দিছো ইয়াত। তাত transporting road tax বা তেওঁলোকৰ গাড়ীৰ যি নথি-পত্ৰ থাকিব লাগে সেইবিলাক DTO ই চায় আৰু কোনো ধৰণৰ বেলেগ দিব নালাগে। কিন্তু আমি IGST যেতিয়া বেলেগ এখন State পৰা অন্য এখন State লৈ আহে, আমি সেই tax টো দিব লাগে। সেইটো supreme court ৰ order. প্ৰতিখন ৰাজ্যই পায়। IGST যিটো দিব লাগে, সেইটো কেৱল তেওঁলোকে দিব লাগিব ইয়াত আমি সেই IGST ৰ জৰিয়তে Intregated goods and service tax সেইটো দিব লাগে। তাৰ জৰিয়তে বৰ্তমানলৈকে ১ শ ৩ কোটি ৯৭ লাখ ৭৫ হাজাৰ ৮ শ ৮২ টকা আমি সংগ্ৰহ কৰিছো। গতিকে এইটো সম্পূৰ্ণ legal হৈছে। মোৰ ইয়াত যদি তথ্য চাই ইয়াত যোৱা বৰ্ষ সমূহত যেনেধৰণে transporting হৈছে ২০২১-২২ চনত মেঘালয়ৰ পৰা ১ লাখ ৬১ হাজাৰ ৯১০ মেট্ৰিকটন আৰু নাগালেণ্ডৰ পৰা ২ লাখ ৯১ হাজাৰ ৪৬৭ মেট্ৰিকটন আৰু ২০২২-২৩ চনত ৩ লাখ ৪১ হাজাৰ ৮০৬ মেট্ৰিকটন আৰু নাগালেণ্ডৰ পৰা ২ লাখ ৩৪ হাজাৰ ২৩৮ মেট্ৰিকটন। কিন্তু যোৱা ২০২৩-২৪ বৰ্ষত মেঘালয়ৰ পৰা শূণ্য। ১ টনো কয়লা সৰবৰাহ হোৱা নাই আৰু নাগালেণ্ডৰ পৰা একেবাৰে কমি গ'ল।

**শ্ৰী আব্দুৰ ৰছিদ আলম চৌধুৰী, (পূব গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিখন গাড়ী ১ লাখ ১৫ হাজাৰ টকা লয়।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীয়ে কৈ আছে।

**শ্ৰী যোগেন মহন, ৰাজহ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কোনো এনেকুৱাধৰণৰ নাই। । যি IGST দিব লাগে, ইয়াত লাইচেঞ্চ হল্ডাৰ সকলে legaly stock কৰিব পাৰিব আৰু stock ৰ seal কৰিব পাৰিব। আমি অসমত এতিয়ালৈকে এনেকুৱা ধৰণৰ ১৩২ জনক আমি লাইচেঞ্চ দিছো। আৰু এই ১৩২ জনৰ লাইচেঞ্চ ফীজ আৰ renewal ৰ বাবদ আমি ১৯ লাখ ১৫ হাজাৰ ২০০ বিভাগে লাইচেঞ্চ ফীজ সংগ্ৰহ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, অসমত এতিয়ালৈকে ১৩২ জনক এনেকুৱা লাইচেঞ্চ দিয়া আছে। তেওঁলোক লাইচেঞ্চচ ফীজ আৰু ৰিনুৰেলৰ বাবদ আমি ১৯,১৫,২০০ টকা আমাৰ বিভাগে সংগ্ৰহ কৰিছে গতিকে কোনো ধৰণৰ ইলিগেল নাই।

**মাননীয় অধ্যক্ষ ঃ** তেওঁৰ প্ৰশ্ন আছিল বাহিৰৰ পৰা অহা গাড়ীৰ বিষয়ে। আপোনাৰ আৰু কিবা সুধিবলগা আছে নেকি ?

**শ্ৰী আছিফ মহম্মদ নজৰ, বিধায়ক (লাহৰীঘাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আৰু একো সুধিবলগীয়া নাই। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শিৰামণি বৰা ডাঙৰীয়াণীয়ে কওঁক।

**শ্ৰী আবুল কালাম ৰছিদ আলম, (পূব গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গাড়ী সমূহৰ পৰা অবৈধ ভাৱে পইচা লোৱা হয়।ইয়াৰ ওপৰত এটা তদন্ত কৰক।

**শ্ৰী যোগেন মোহন, মন্ত্ৰী, খনি আৰু খনিজাত সামগ্ৰী ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, Legal Procedure **এটা কোনো ধৰণৰ তদন্তৰ কথা আহিব নোৱাৰে।**

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ হাতত যদি কিবা তথ্য আছে, তেন্তে মন্ত্ৰী মহোদয়ক ভালকৈ সোধক বা লিখিতভাৱে অভিযোগ দিয়ক।

**শ্ৰীমতী শিৰামণি বৰা, (বটদ্ৰৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নটো সোধাৰ আগতে মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে Rat-Hole Mining National Green Tribunal এ ২০১৪ চনতে বেণ্ড কৰিছিল। কিন্তু পি এ চি কমিটীৰ সদস্যা হিচাপে মই অলপতে মাৰ্ঘেৰিটা, লিডু লৈ গৈছিলো। সেই অঞ্চলত যি হাৰত Rat-Hole Mining সেইটো দেখিলে চকু কপালত উঠিব। এই বছৰৰ মে' মাহতো তিনি জন শ্ৰমিকৰ মৃত্যু হৈছে আৰু আগতেও বহুত শ্ৰমিকৰ মৃত্যু হৈছে। কিন্তু গোটেই কথাবিলাক গাপ দিয়া হৈছে। মই প্ৰশাসন, নেতা-পালিনেতা, মাফিয়াৰ নেক্সাত চলি থকা সম্পূৰ্ণ অবৈধ Rat-Hole Mining বন্ধ কৰিবলৈ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হ'ব নে ?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী যোগেন মোহন, মন্ত্ৰী, খনি আৰু খনিজাত সামগ্ৰী ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, কোনো ইলিগেল মাইনিং চলি থকা নাই বুলি মই পূৰ্বতেও কৈছো। আমাৰ বিভাগে এইবোৰৰ সম্পূৰ্ণ তদন্ত কৰি আছে। আপুনি এতিয়াওঁ যদি তিনিচুকীয়া থানাত যায় তাত দেখিবলৈ পাব যে তিনি হাজাৰ মেট্ৰিকটনতকৈ অধিক কয়লা জব্দ কৰা হৈছে। এনেধৰণৰ বহু থানাত ট্ৰাকেৰে সৈতে বহু কয়লা জব্দ কৰা হৈছে। এনেকৈ জব্দ কৰা ট্ৰাক সমূহৰ যিহেতু মালিক ওলোৱা নাই, সেয়েহে কোৰ্টে এইবোৰ নিলাম কৰিবলৈ নিৰ্দ্দেশ দিছে। য'তে ইলিগেল কয়লাৰ খবৰ পোৱা গৈছে, লগে লগে সেইবোৰ চীজ কৰিছে। পুলিচ, প্ৰশাসন আৰু আমাৰ বিভাগৰ বিষয়া সকলে নিজে

সেইবোৰ পৰিদৰ্শন কৰিছে। আমি পাঁচখন জিলাত মাইনচ এণ্ড মিনাৰেলৰ ডিষ্ট্ৰিক অফিচ বনাই দিছো। তাত ডিষ্ট্ৰিক অফিচাৰ সকলে পুলিচ, প্ৰশাসনৰ সহায় লৈ ইলিগেল মাইনিঙৰ ওপৰত কাম কৰি আছে। আপোনাৰ কিবা তথ্য থাকিলে মই সেইখিনি চাম।

**শ্ৰীমতী শিৰামণি বৰা,(বটদ্ৰৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যেতিয়া সমিতিৰ ফালৰ পৰা তালৈ গৈছিলো তাত আমাক দেখি অবৈধ মাইনিংত জড়িত থকা লোকসকলে দৌৰি দৌৰি ওৱাল পাৰ হৈ পলাইছিল। আমি নিজ চকুৰে দেখিছিলো। তেতিয়া সমিতিয়ে ইয়াৰ ওপৰত তদন্ত কৰিবলৈ ডি চিক নিৰ্দ্দেশনা দিছিল। এতিয়া হয়তো আপোনালোকে কিবা কৰিবলৈ চেষ্ট কৰিছে। কিন্তু আমি যোৱাৰ সময়ত সম্পূৰ্ণ ৰূপে ইলিগেল মাইনিং চলি আছে। ধন্যবাদ।

**শ্ৰী যোগেন মোহন, মন্ত্ৰী, খনি আৰু খনিজাত সামগ্ৰী ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এছেম্বলী কমিটিক দেখি পলাইছে, সেইটোত মই কি কৰিব পাৰিম?

**মাননীয় অধ্যক্ষ ঃ** সমিতিয়ে ৰিপোৰ্ট দিছে। সেই মৰ্ম্মে আপুনি ব্যৱস্থা গ্ৰহণ কৰিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৈধ্য দিন বিচৰাৰ পিছত মেঘালয়ৰ দুজন Rat-Hole Minner ৰ মৃতদেহ পোৱা গৈছিল। তেতিয়া এচ পি অভিজিৎ গোয়েলে অসমৰ দুজন Rat-Hole Minner পোৱা বুলি কৈছিল। যদি ইলিগেল হোৱাই নাই তেন্তে এচ পিয়ে কিয় ক'লে? সেয়েহে ইলিগেল মাইনিং হৈ থকাটো সঁচা কথা। Director Geology Mining এ ও কিছুমান কেচ লৈছে। এই কথাটো অস্বীকাৰ কৰিলে নহ'ব আমি এইটো বন্ধ কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং-৮৬। চৰণ বড়ো ডাঙৰীয়াই কওঁক।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী, জলসিঞ্চন, নগৰ পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী চৰণ বড়ো, (মাজবাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰটো পাই ভালেই লাগিছে। আমাৰ মাজবাট সমষ্ঠিত ৩৫ অঞ্চলত Flow Irrigation Scheme (FIS) আছে। গোটেই বি টি এ ডিত চাবলৈ গ'লে প্ৰায় ৫০০ ৰ পৰা ১০০০ ৰ মাজত FIS আছে। তাৰে ভিতৰত ৩২ টা কাৰ্য্যক্ষম বুলি কৈ আছে। তাৰ মানে প্ৰায় ৯১ শতাংশ। মই আজি গৌৰৱ অনুভৱ কৰিছো কাৰণ আজিৰ পৰা ১০ বছৰ আগত হাগ্ৰামা মহিলাৰী ডাঙৰীয়াৰ যি বি টি চি চৰকাৰ আছিল সেই চৰকাৰৰ দিনত সেই কামখিনি হৈছিল। মাজে মাজে জলসিঞ্চন বিভাগত কেলেংকাৰী হোৱা বুলি ওলায়। তেনেক্ষেত্ৰত ১০ বছৰ পিছতো ৯১ শতাংশ এতিয়াও কাৰ্য্যক্ষম হৈ আছে। ইয়াত অলপ তথ্য ভুল হ'ব পাৰে। ৩২ কাৰ্য্যক্ষম আঁচনিৰ ভিতৰত কেইটামান হয়তো কোনোমতে চলি থকা আঁচনিও থাকিব পাৰে। ৩ টা বেয়া হৈ থকা বুলি কৈছে। মোৰ কথাটো হৈছে এইখিনি কৃষক সকলৰ বাবে কৰা হৈছিল। কিন্তু ইয়াত কেইটামান দৰকাৰী আঁচনি আছিল, যিকেইটা যোৱা ৪-৫ বছৰৰ পৰা মেৰামতি কৰিব পৰা নাই। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত দিছে যে M&R ৰ জৰিয়তে কিছু কাম কৰা হৈছে। তাৰোপৰি যোৱা তিনি বছৰত সৰু সৰু দুটা স্কীম দিছে। তাৰে এটাত ৮৬ হাজাৰ টকা চেংচন কৰা হৈছে বুলি কৈছে। কিন্তু বিভাগে M&R ৰ কামসমূহ কেনেকৈ কৰে আমি গম নাপাওঁ। মেৰামতি কৰিবৰ বাবে ৯.৮৬ লাখ টকা দিয়া বুলি কৈছে। কিন্তু মই এইটো ক'ব বিচাৰো যে জলসিঞ্চনটো ৰাইজৰ বাবে খুব দৰকাৰী। সিদিনাখন আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে অহা বছৰটো জলসিঞ্চন বছৰ হিচাপে ঘোষণা কৰিব বুলি কৈছিল। মোৰ এটা অনুৰোধ যে নতুনকৈ বনোৱাৰ আগতে যিখিনি স্কীম আছে, সেইবিলাক যদি মেৰামতি কৰি ৰাইজক

পানী দিয়াৰ ব্যৱস্থা কৰে তেন্তে খুব ভাল হ'ব। বিশেষকৈ মোৰ সমষ্টিত দুটা স্কীম আছে। এটা হৈছে আমাৰ মন্ত্ৰী ডাঙৰীয়া সীমাত থকা কাৰ্লা FIS আৰু আনটো হৈছে ফুলগুৰি স্কীম। এই স্কীম দুটাত মন্ত্ৰী মহোদয়ে নিজে গৈ মেৰামতিৰ কাৰণে যদি কিবা চেংচশ্যন কৰি দিয়ে তেন্তে মই ভাৱো যে সেইটো অকল মোৰ কাৰণে নহয় সেই অঞ্চলৰ গোটেই কৃষক ৰাইজ উপকৃত হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই  উত্তৰ দিয়াক।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী, জলসিঞ্চন, নগৰ পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাজবাট সমষ্টিটো মোৰ সমষ্টিৰ ওচৰতে। তাত কেইবাটাও স্কীম ভালকৈ চলি আছে। কৃষক ৰাইজো উপকৃত হৈছে। প্ৰায় ৭৬০০ হেক্টৰ মাটিত পানী যোগান দিয়াৰ বাবে যি কাম কৰা হৈছিল তাৰ ২৩ টা স্কীম সম্পূৰ্ণভাৱে কাৰ্য্যক্ষম হৈ আছে, ১০ টা স্কীম আংশিকভাৱে কাৰ্য্যক্ষম আৰু ৩ টা ongoing scheme আছে। ৭৬০০ হেক্টৰ মাটিৰ ভিতৰত ৬৬০০ হেক্টৰ মাটিত পানী উপলব্ধ আৰু কৃষক ৰাইজেও পানী পাই আছে। এটা কথা ঠিক যে অসমৰ গ্ৰামীন অৰ্থনীতি টনকিয়াল কৰিবলৈ হ'লে আমি খেতিয়ক ৰাইজক বাৰ মাহে পানী যোগান ধৰিব লাগিব। খেতিয়কে বছৰত দুবাৰ-তিনিবাৰ কৈ খেতি কৰিব পাৰে গ্ৰমানী অৰ্থনীতিৰ উন্নয়ণ হ'ব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্ব আৰু প্ৰেৰণাত গোটেই অসমৰ প্ৰত্যেকখন জিলাত জলসিঞ্চনৰ মাষ্টাৰ প্ল্যান বনোৱা হৈছে আৰু ৬ মাহ চাৰ্ভে কৰাৰ পিছত এই  প্ল্যানসমূহ বনোৱা হৈছে। ইয়াৰ জৰিয়তে আমি ষ্টেট মাষ্টাৰ প্ল্যান বনাই আছো। অসুবিধাটো হৈছে যে আগতে FIS স্কীম, LIS স্কীম লোৱা হৈছিল। যিখিনি নদীত এই স্কীমসমূহ কৰা হৈছিল তাত খৰালি মাহত কিমান পানী থাকে তাৰ তথ্য আমাৰ হাতত নাথাকে। জলসম্পদ বিভাগে তথ্য সংগ্ৰহ কৰে যদিও বৰিষাৰহে কৰে। কাৰণ তেওঁলোকৰ প্ৰধান দায়িত্ব হৈছে বান নিয়ন্ত্ৰণ কৰা। সেয়েহে খৰালি মাহত পানীৰ তথ্য কাৰো হাতত নাছিল আৰু যোৱা তিনি বছৰত তথ্যখিনি সংগ্ৰহ কৰা হৈছে। জলসিঞ্চনৰ মাষ্টাৰ প্ল্যানত এইখিনি আহিছে। ইয়াত দুটা প্ৰকল্পৰ কথা কৈছে। আমি পুঁজি সাপেক্ষে এই প্ৰকল্প দুটা কনচিডাৰ কৰিম। তেখেতে যদি বিচাৰে মই তেখেতৰ সমষ্টিত নিজে গৈ এবাৰ পৰিদৰ্শন কৰি আহিম। লগতে আপোনাৰ মাধ্যমেৰে এটা কথা সদনক জনাব বিচাৰিছো যে জলসিঞ্চন বিভাগে কৃষক, বিধায়ক আৰু জনসাধাৰণৰ কাৰণে এপ্ এটা বনাইছে । বিভাগেও এই এপ্ টো ব্যৱহাৰ কৰি আছে। আমাৰ যিমান চৰকাৰী সম্পত্তি আছে,যিমান আঁচনি আছে সমষ্টি আৰু আঁচনি ভিত্তিক তাত অন্তৰ্ভুক্ত কৰা আছে । পোন্ধৰ দিন, বিশ দিনৰ মূৰে মূৰে আপডেট হয় । ডিপ টিউবেল সমূহহো আপডেট কৰি কলচেন্টাৰ বনাই কৃষক ৰাইজে পানী পাইছে নে নাই, কৰবাত যদি বিকল হৈছে তাকো মেৰামতিৰ ব্যৱস্থা কৰি দিয়া হৈছে । ইনো' এপৰ সম্পৰ্কে মই এখন ডিটেইল নোট পত্ৰযোগে আপোনালোকক দিম আৰু আপোনালোকে এই এপটো যদি মোবাইলট ইনসটল কৰি লয় বিধান সভাত প্ৰশ্ন কৰাৰ প্ৰয়োজনেই নহ'ব। ক'ত কিমান আঁচনি চলি আছে কি অৱস্থাত আছে এইটোও পাই থাকিব। বিভাগে আপোনাৰ তাত কি কৰিব লৈছে ভৱিষ্যতৰ আঁচনিৰ কথা জানি থাকিব আৰু গোটেই যিটো ডিষ্ট্ৰিক্ট মাষ্টাৰ প্লেনৰ ব্যৱস্থা আছে আমি গোটেই ডিজিটেলাইজ কৰি  অনলাইন চফটৱেৰৰ জৰিয়তে গোটেই আধুনিক প্ৰক্ৰিয়া  আৰম্ভ কৰিছো আৰু নিজকে তৈয়াৰ কৰিছো আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো সপোন যে অসমৰ কৃষিক ভাল কৰিবলৈ উন্নত মানদণ্ডৰ জলসিঞ্চন লাগিব । তাৰ কাৰণে আমি সাজু হৈ আছো । অহা তিনি মাহৰ ভিতৰত আমি এই পৰিকল্পনাটো সম্পূৰ্ণ কৰি মুখ্যমন্ত্ৰী ডাঙৰীয়াক প্ৰতিবেদন দিম । তাত মাজবাটকো ভালকৈ বিবেচনা কৰি আৰু মই এইটো আস্বাস দিছো । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । প্ৰশ্ন নং - ৮৭ শ্ৰী প্ৰদীপ হাজৰিকা ।

**শ্ৰী অশোক সিংহাল, মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে ।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমুগুৰি) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া মই যদিও মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰ সমূহ পাইছো তাত অলপ খেলিমেলি হৈ আহিছে । মন্ত্ৰী মহোদয়ৰ লগত কথা পাতিছিলো এই ক্ষেত্ৰ্ত যে চেল' টিউবৱেল প্ৰায় সমষ্টিতে আশিটা মানকৈ দিছে । মই প্ৰশ্নটো অনাৰ কাৰণটো হ'ল আমাৰ ঘৰৰ সন্মুখৰ যিখন পথাৰ আছে তাত এটা তেনেকুৱা টিউবৱেল দিছে এতিয়া দেখিছো যে সেই টিউবৱেলটো এতিয়ালৈকে হোৱা নাই । সেই কাৰণে মই প্ৰশ্নটো আনিছো যে তাত যিহেতু ৮৫ টা টিউবৱেল দিছে মন্ত্ৰী মহোদয়ে এইটো অলপ চাব লাগে এই আঁচনি সমূহ দিয়া হ'ল যদি এই আঁচনি বিলাক ভালদৰে ৰূপায়ণ নহয় তেতিয়াহ'লে কিন্তু আমাৰ কৃষক বিলাকো উপকৃত নহ'ব । সেই কাৰণে তেখেতক চাবৰ বাবে অনুৰোধ জনাইছো । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।মাননীয় মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী অশোক সিংহাল, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, প্ৰায় ৮৫ টা ডিপ টিউবৱেল দিয়া হৈছিলে তাৰে ৪০ টা চ'লাৰ আৰু ৪৫ টা ইলেক্ট্ৰিকেল আৰু তাৰ পিছত এই আঁচনিবোৰ চলি আছে নে নাই এই গোটেইবোৰ চাবৰ কাৰণে আমাৰ বিভাগৰ অভিযন্তা বিলাকে চাই আছে । লগতে গুৱাহাটীত আমি এটা কল চেন্টাৰ বনাইছো । এই কল চেন্টাৰৰ যোগেদি হিতাধীকাৰিৰ লগত যোগাযোগ কৰা হয় । জানুৱাৰী ২০২৪ চনৰ পৰা ৮ জুলাই ২০২৪ লৈ ২৯,৮৪০ জন হিতাধিকাৰীৰ লগত যোগাযোগ কৰা হৈছে । আমাৰ কলচেন্টাৰত প্ৰায় ৪,৬৬০ জন হিতাধিকাৰীয়ে ফোন কৰি অভিযোগ দিছে । এই অভিযোগ দিয়াৰ পিছত মই কোৱা ইন' এপটো অভিযোগবোৰ আপলোড কৰা যায় । ইয়াৰ পিছত যেতিয়া ভাল কৰা ফটোতো দি আপলোড কৰা হয় তেতিয়াহে অভিযোগটো ক্লিয়াৰ হয় । নিৰ্দিষ্ট কিবা অভিযোগ থাকিলে আমি তাত ঠিক কৰি দিম ।

**শ্ৰী প্ৰশান্ত ফুকণ, (ডিব্ৰুগড়) ঃ** অধ্যক্ষ ডাঙৰীয়া, মাননীয় মন্ত্ৰী মহোদয়ক মই এটা কথা সুধিব বিচাৰিছো যিটো এম ডি টি ডব্লিউ মিডিয়াম ডিপটিউবৱেল চ'লাৰ এইটো এটা খুৱ ভাল আঁচনি অসমত যিখিনি কৰিছে । এতিয়া মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে গোটেই অমসৰ প্ৰত্যেক জন বিধায়কৰ তাত যেতিয়া এগ্ৰিকালচাৰ লেণ্ড বিলাকৰ কাৰণে চ'লাৰ ডিপটিউবৱেল দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অশোক সিংহাল, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ ডিব্ৰুগড়ৰ সন্মানীয় বিধায়কে খুব ভাল প্ৰশ্ন এটা সদনৰ মজিয়াত উত্থাপন কৰিলে আৰু মই উত্তৰ দিয়াৰ সুযোগ পাম এই আঁচনিবোৰ সফল হৈছে, অধ্যক্ষ মহোদয়। এই আঁচনিৰ জৰিয়তে কৃষক উপকৃত হৈছে । কিন্তু কেন্দ্ৰীয় চৰকাৰে এটা সিদ্ধান্ত ল'লে যে ভূগৰ্বৰ পৰা পানী আমি আনিব নালাগে, তেনেকুৱা এটা কথা ক'লে । কিন্তু আমি লাগি আছো আমাৰ ক্ষুদ্ৰ চাহ খেতিয়কক, আমাৰ যুৱকে ক্ষুদ্ৰ চাহ খেতি কৰি স্বাৱলম্বী হৈছে অসমৰ অৰ্থনীতিত নিজৰ অৱদান আগবঢ়াইছে আনকি বেলেগকো সংস্থাপন দিছে । এই আঁচনিটো অসমৰ ক্ষেত্ৰত প্ৰয়োজন বুলি আজি ৰাতিপুৱাও মই বিভাগৰ স্পেচিয়েল চিফ চেক্ৰেটাৰীৰ লগত কথা পাতিছো । মই দিল্লীত যাওতেও কেন্দ্ৰীয় মন্ত্ৰী চি আৰ পাটিল ডাঙৰীয়াৰ লগতো বৈঠক হ'ল তাতও মই এই প্ৰতিবেদনটো দিছো যে অসমত ডিপটিউবৱেলটো দিওঁক কৃষক ৰাইজৰ কাৰণেও দিওঁক আৰু ক্ষুদ্ৰ চাহ খেতিয়কৰ কাৰণেও দিওঁক । আমাৰ গ্ৰাউণ্ড ৱাটাৰ উইটিলাইজেশ্যন মাত্ৰ

তেৰ শতাংশ আছে । বাহিৰত যিটো ৪৫-৫০ শতাংশ তাৰ তুলনাত আমাৰ অসমত ১৩ শতাংশ আছে । আমাৰ তাত লিফ্‌ট ইৰিগেশ্যন আৰু ফ্ল' ইৰিগেশ্যন সফল নহয় । কাৰণটো হ'ল খৰালি মাহত নদীত পানী নাথাকে আৰু বাৰিষাৰ সময়ত বানপানী হয়, নদীৰ গতিপথ সলনি হয় আৰু নহলে এই আঁচনিটো ডেমেজ হৈ যায় নহ'লে বালিচৰ উঠি যায়। আমাৰ কেতবোৰ পিকুলিয়াৰ প্ৰব্লেম আছে আৰু ইয়াৰ পৰা কেনেকৈ ওলাই আহিব পাৰো তাৰ কাৰণে আমি আই আই টিকো আমি কামটো দিছো যে আপোনালোকে অনুসন্ধান কৰি কওঁক যে কোনতো পদ্ধতি বা প্ৰক্ৰিয়াত অসমৰ ডাঙৰ আঁচনিবোৰ সফলতা লাভ কৰিব পাৰিম। ইৰিগেশ্যনৰ কাৰণে ডিপটিউবৱেল উত্তৰ নহয়। ডাঙৰ প্ৰকল্প আমাক লাগিব ডাঙৰ প্ৰকল্প ক'ত হ'ব পাৰে কেনেকৈ হ'ব পাৰে মুখ্যমন্ত্ৰী ডাঙৰীয়াইও সিদিনা কলে যে ভূটানৰ পৰা অহা নদীবোৰ যদি আমি ভালকৈ ব্যৱহাৰ কৰিব পাৰো জলসিঞ্চনৰ কাৰণে বান নিয়ন্ত্ৰণৰো কাম হ'ব আৰু জলসিঞ্চনৰো কাম হ'ব। গোটেই প্ৰক্ৰিয়াৰ ওপৰত আমি কাম কৰি আছো আৰু মই ভাবো ডিচেম্বৰ মাহৰ ভিতৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াক এটা ভাল প্ৰতিবেদন দিব পাৰিম । এই আঁচনিৰ কাৰণে মই লাগি আছো আমাৰ সন্মানীয় বিধায়ক ডাঙৰীয়াক আশ্বাস দিছো এই সদনৰ জৰিয়তে, লগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াইও কথা পাতি আছে এই ক্ষেত্ৰত আৰু যদি এই আঁচনি আহে ডিব্ৰুগড়ত ভালকৈ দিয়াৰ চেষ্টা কৰিম । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । প্ৰশ্ন নং - ৮৮ শ্ৰী আব্দুৰ ৰহিম আহমেদ ।

**শ্ৰী যোগেন মোহন, মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে ।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (বৰপেটা ) ঃ** মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰটো দিছে মই শুধিছিলো ২০২১ চনৰ পৰা ২০২৪ চনলৈকে আমাৰ বৰপেটা জিলাত ৰাস্তা-ঘাট, পশুধন বা অন্যান্য বা সম্পত্তিৰ ক্ষয়-ক্ষতি হৈছে আৰু ইয়াৰ প্ৰতিকাৰৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে । আপুনি নিজেই তথ্য দিছে যে ২০২১-২২ চনত মোৰ বৰপেটা সমষ্টিত ওঠৰ টা ৰাস্তা ক্ষতি হোৱা বুলি দেখুৱাইছে আৰু এনেকৈ যদি বৰপেটা জিলাত প্ৰত্যেকটো সমষ্টিত মুঠ হিচাপ কৰো ১৬০ টা ৰাস্তা আপুনি দিয়া তথ্যত প্ৰকাশ পাইছে । আৰু পৰিতাপৰ বিষয় যে চেনচন কৰিছে মাত্ৰ ৪৬ টা। গতিকে মোৰ প্ৰশ্ন হ'ল যে চাৰ এইবাৰ বৰপেটা জিলাত বেছি বানপানী হৈছে । আমাৰ প্ৰত্যেকটো সমষ্টিতে প্ৰত্যেকটো ৰাস্তাৰে বিস্তৰ ক্ষতি হৈছে । মোৰ সমষ্টিতে ৫১ ৰাস্তা ক্ষতি হৈছে আপোনা তথ্য মতে । য'তনেকি এইটো সংখ্যাটো প্ৰায় এশ হৈছে । মই চাৰ বহুটো কষ্ট কৰি গাওঁ গোটেই বিলাকৰ ৰাস্তাবোৰৰ নাম লৈ এচ ডি চি ক দি পেলাই জিঅ'টেগ কৰাই আমাৰ জিলা আয়ুক্তৰ তাত জমা কৰাৰ পিছত আধাখিনি নাই । মই ভাবো আমাৰ অন্যান্য সমষ্টিবোৰতো বৰপেটা জিলাত একেই কথা হৈছে । মোৰ প্ৰশ্নটো হৈছে চাৰ ২০২১-২২ চনত যি ১৬০ টাৰ ভিতৰত মাত্ৰ আপুনি ৪৬ টা চেনচন কৰিলে । কিন্তু পৰিতাপৰ বিষয় ২০২২-২৩ চনত আমাৰ বৰপেটা জিলাত কোনো এটা ৰাস্তাও চেনচন কৰা নহল । এইটো কিয় নহ'ল চাৰ? ২০২২-২৩ চনৰ ক্ষতিগ্ৰস্ত ৰাস্তা সমূহ বিভাগে চেনচন কৰিবনে নাই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ প্ৰথম চাপ্লিমেন্টৰী হিচাপে উত্তৰটো বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । মাননীয় মন্ত্ৰী মহোদয় ।

**শ্ৰী যোগেন মহন, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষত যি ভয়াবহ বানপানী হ'ল, সমগ্ৰ অসমৰ ৩৫ জিলাতেই ক্ষয়-ক্ষতি হয়। আমাৰ বিভাগে SDRF বা NDRF ৰ norms মতেই যিখিনি দিব পাৰে, এটা ৰাস্তা ১ কিঃ মিঃ repairing ৰ কাৰণে ৬০,০০০ টকা পায় আৰু যোৱাবাৰৰ পৰা যিমানখিনি proposal আহিছে, সেই নিৰিখত আমি দি আছো।

DC ৰ পৰা proposal বিলাক অহাৰ লগে লগে আমি আমাৰ বিভাগৰ ফালৰ পৰা এই পইচা দি আছো। আমি আপোনালোকক জনাব বিচাৰিছো যে ২০২২-২৩ চনৰো যিটো মেগা DBT কৰিম, তাৰবাবে প্ৰায় ৩৫০ কোটি টকা খৰচ হ'ব। যি ঘৰ-দুৱাৰ ভাঙিলে সেইখিনিৰ কাম প্ৰথমতে 1st phase ত কৰিম আৰু Assembly শেষ হোৱাৰ লগে লগে আমি দিম। আমি আগষ্ট মাহতে দিম বুলি ভাবিছিলো কিন্তু re-verification ৰ কাৰণে পঠাব লগা হ'ল। লগতে ৰাস্তা পদূলি যিবিলাক PWD য়ে proposal দিয়ে, সেইখিনি survey কৰি যেতিয়া গড়কাপ্তানী বিভাগ আহিব তেতিয়া as per norms আমি দিব পাৰিম। ইতিমধ্যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে এইবাৰ বহুত ৰাস্তা পদূলিৰ ক্ষয় ক্ষতি হৈছে। গতিকে মুখ্যমন্ত্ৰীৰ যি পকীপথ নিৰ্মাণ, মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ বা পুনৰনিৰ্মাণ আঁচনিৰ জৰিয়তে তেখেতসকলে এই কামখিনি কৰিব। ইয়াৰ উপৰিও বিভিন্ন শিতান আছে যেনেকৈ MGNREGA য়ে হওক বা পঞ্চায়তৰ tied untied fund য়েই হওক, তাৰ জৰিয়তেও আমি minor repairing বিলাক কৰিব পাৰো। কিন্তু যিহেতু আমাৰ এটা huge loss হৈছে গতিকে ---interruption----

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া হ'ব। এতিয়া 2nd supplementary.

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (বৰপেটা) ঃ** মাননীয় অধক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ দিছে, সেইটো মানিবলৈ কিছু অসুবিধা। বাস্তৱটো আমি সকলোৱে জানো। মই উদাহৰণটো দিলো যে ২০২১-২২ ত ১৬০ টাৰ ভিতৰত মাত্ৰ ৪০ টা ৰাস্তা sanction কৰিছে আৰু এতিয়া আপুনি যিটো তথ্য দিলে যে এইখিনিৰ ভিতৰত যিখিনি ৰাস্তা PWD ৰ under ত পৰে, তেওঁলোকে survey কৰি কামখিনি কৰিব। কিন্তু ইয়াৰ ৯০ শতাংশতকৈও বেছি ৰাস্তা গাৱঁৰ ৰাস্তা, DRDA ৰ ৰাস্তা আৰু এইটো পৰিতাপৰ বিষয় যে MGNREGA ৰ পৰাও এই ৰাস্তাবোৰ আমি কৰিব নোৱাৰো কাৰণ মাটিৰ কাম কৰিব নিদিয়ে। Ongoing দেখুৱায় ২০ টাতকৈ বেছি প্ৰত্যেকটো পঞ্চায়তে। সেইটো ongoing দেখুৱাৰো এটা কাহিনী আছে। আপোনালোকে জানে যে physically কাম complete,চৰকাৰে materials পইচা দিয়া নাই আৰু ongoing দেখুৱায় থাকে। সেইকাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে কেন্দ্ৰীয় চৰকাৰে এইবাৰ খহনীয়া প্ৰতিৰোধৰ কাৰেণ বা বানপানী নিয়ন্ত্ৰণৰ কাৰণে ৫০০ কোটি টকা অনুদান আগবঢ়াইছে বুলি আপুনি জনাইছে। গতিকে কি নীতিৰে এই টকাখিনি ব্যয় কৰাৰ কাৰণে নিৰ্দেশনা দিছে সেইটো আমাক ক'ব লাগে। মই কেবল আমাৰ বৰপেটা জিলা কোৱা নাই, গোটেই অসমৰে বানপানীত ক্ষয় -ক্ষতি হোৱা ৰাস্তা ঘাট সমূহ DRDA হওক বা PWD য়ে হওক, এই কামখিনি অতি সোনকালে কৰিব লাগে।

**শ্ৰী যোগেন মহন, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, যি ৫০০ কোটি টকাৰ proposal আহিছে, এইখিনি erosion ৰ কাৰণে। গৰাখহনীয়াত যিসকল লোকৰ ঘৰ-দুৱাৰ হেৰুৱাইছে আৰু যতে ততে থাকিবলগীয়া হৈছে তেওঁলোকৰ কাৰণে ইতিমধ্যে আপুনি DC বিলাকৰ পৰা report বিচাৰিছো যে কিমান এনেকুৱা মানুহ আছে। তাৰ ওপৰত আমি এটা proposal কেন্দ্ৰীয় চৰকাৰক দিম আৰু যদি approve কৰে তেতিয়া আমি লগে লগে District wise allot কৰিব পাৰিম। DC সমূহৰ পৰা যিমান সোনকালে এই তথ্যসমূহ আমালৈ আহে, আমি সিমান সোনকালে proposal কেন্দ্ৰীয় চৰকাৰলৈ পঠাব পাৰিম। এই ৫০০ কোটি টকা specially erosion affected মানুহ খিনিৰ কাৰণেহে কেন্দ্ৰীয় ৰাজ্য চৰকাৰক দিছে।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (বৰপেটা)** ঃ ৰাস্তাসমূহ কি কৰিব? আমি এইখিনি পঞ্চায়তৰ পৰা কৰিব নোৱাৰা হৈছো।

**শ্ৰী যোগেন মহন, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি SDRF ৰ norms মতে কিমান ৰাস্তা damage হৈছে, DC বিলাকৰ পৰা বিচাৰিছো। আমি minor repairing ৰ কাৰণেহে টকা দিব পাৰো। Complete construction ৰ কাৰণে টকা দিয়াটো আমাৰ SDRF ৰ norms ত নাই। Minor repairing ৰ কাৰণে যেনেধৰণে টকা আছে আমি তেনেদৰে দি দিম।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (বৰপেটা)** ঃ ছাৰ, তেতিয়াহ'লে repairing ৰ কাৰণে পইচাটো দি দিয়ক।

**শ্ৰী যোগেন মহন, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, repairing ৰ কাৰণে পইচা আমি ২০২১-২২, ২০২২-২৩ ত দি আছো।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (বৰপেটা)** ঃ ছাৰ, ২০২২-২৩ ত আমি এটা scheme ও sanction পোৱা নাই।

**শ্ৰী যোগেন মহন, মন্ত্ৰীঃ** হয়তো অহা নাই। Sanction DC য়ে দিয়ে। আমি অকল টকাটোহে দিওঁ। আমি অকল fund টোহে release কৰো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ড০ ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ক্ষতিগ্ৰস্ত ৰাস্তাৰ যিটো list দিছে, যোৱা দুটা বছৰ মোৰ জনীয়া সমষ্টিতে ৫৫ টা ৰাস্তা আছে আৰু এইবছৰ দিয়া নাই। জনীয়াৰ পৰা লেঙটিছিঙালৈকে State Highway ৰ দুয়োফালে rain cut ৰ কাৰণে ডাঙৰ ডাঙৰ গাঁত হৈ গৈছে যাৰবাবে বহুত দুৰ্ঘটনা হৈছে। তথাপিও শূণ্য ৰিপোৰ্ট দিছে আৰু এইবাৰ ক্ষতি হোৱা নাই বুলি কৈছে। অথচ rain cut কাৰণে গোটেই ৰাস্তাটো বিধ্বস্ত হৈ গৈছে আৰু বহু ৰাস্তা ক্ষতি হৈছে। ২০২২-২৩ ৰ ৫৫ টা ৰাস্তাৰ ভিতৰত দুই চাৰিটা ৰাস্তা sanction দেখুৱালে। কিন্তু administrative approval নিদিলে আৰু tender তো নগ'ল। সেইখিনি কাম তেনেকৈয়ে পৰি আছে। দ্বিতীয়তে, যিটো ৬০,০০০ টকা দিয়ে, এক ডাম্পাৰ গিটিৰ দামেই ৩০,০০০ টকা। তেনেক্ষেত্ৰত ৬০,০০০ টকাৰে বানপানীত বিধ্বস্ত হোৱা ১ কিঃ মিঃ ৰাস্তা কোনোপধ্যেই repairing কৰিব নোৱাৰে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে proposal দি আপুনি এইটো বঢ়াওক। বছৰৰ কাম যদি বছৰত কৰা নহয় আৰু বছৰে বছৰে যদি টো সমষ্টিত ৫০-৬০ টা ৰাস্তা ক্ষতি হয়, কিমান ক্ষতি হ'ব পাৰে? গতিকে প্ৰত্যেক বছৰে যাতে এই কামখিনি কৰা হয় আৰু পইচা বঢ়াই এই কামখিনি কৰাৰ ব্যৱস্থা কৰিবনে নাই মন্ত্ৰী ডাঙৰীয়াই।

**माननीय अध्यक्ष ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী যোগেন মহন, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কেন্দ্ৰীয় চৰকাৰক proposal বাৰে বাৰে দি থাকো। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ যিটো NDRF ৰ guideline, যোৱা ২০২২ চনত এখন নতুনকৈ তেওঁলোকে sanction দিলে। তেওঁলোকে ক'ৰবাত কমাই দিছে, ক'ৰবাত বঢ়াই দিছে। কিন্তু ২০২৬ লৈকে এতিয়া আৰু amendment কৰাৰ কোনো policy Central Government য়ে লোৱা নাই বুলি কৈছে। কিন্তু আমি State Government ৰ পৰা আমি এইখিনি proposal পঠাইছো, যাতে অলপ টকাটো বঢ়াই দিয়ে। ৬০,০০০ টকাটো minor repairing ৰ কাৰণেহে norms ত আছে আৰু যিবিলাক ৰাস্তা major defect হৈছে সেইবিলাক PWD য়ে repairing কৰিব। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে PWD ৰ পৰা ৰাস্তা বিলাকৰ নাম লৈ আছে আৰু যিকেইটা ৰাস্তাৰ major defect হৈছে,সেইকেইটা তেখেতে specially sanction দি কৰিম বুলি কৈছে। কিন্তু SDRF norms টো আমি এতিয়া ইয়াৰ পৰা সলনি কৰিব নোৱাৰো। DC বিলাকৰ পৰা যেনেকৈ আহে,SDRF norms মতে যেনেকৈ দিব লাগে আমি তেনেকৈ লগে লগে দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই জিলা আয়ুক্তৰ কথা কৈছে যে DC সকলে sanction দিয়ে, সেয়েহে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ প্ৰত্যেক বছৰ বানপানীৰ পাছত DC ৰ ফালৰ পৰা বিভিন্ন বিভাগৰ যেনে- Water Resource, PWD আদিয়ে এখন তালিকা প্ৰস্তুত কৰি মন্ত্ৰী ডাঙৰীয়ালৈ পঠিয়াই দিয়ে। কিন্তু তালিকা পঠিয়াই দিয়াৰ পাছত যিধৰণে ফাণ্ড পাব লাগে সেয়া নাপায়। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে বানপানীৰ ক্ষয়-ক্ষতিৰ কাৰণে যিমান ফাণ্ডৰ দৰকাৰ এই বিভাগৰ ওচৰত আছে নে নাই বা ৰাজ্য চৰকাৰৰ ওচৰত আছে নে নাই ? আৰু বানপানীৰ ক্ষয়-ক্ষতিৰ কাৰণে অসম চৰকাৰ বা ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা যিমান ফাণ্ড বিচাৰে সেয়া তেওঁলোকে অসমক দিয়ে নে নাই, এই কথাখিনি মাননীয় মন্ত্ৰী ডাঙৰীয়াই আমাক জনাব লাগে।

মাননীয় অধ্যক্ষ ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীয়ুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Water Resource বিভাগটো মোৰ হয় কাৰণে মই উঠিলো। তেখেতলোকে কৈ আছে যে বানপানীত ক্ষতিগ্ৰস্ত হোৱা লোকৰ কথা। SDRF ৰ টকাখিনিতো আছেই লগতে অসম চৰকাৰৰ পৰা আমি কোনো কাম ৰখাই থৈ দিয়া নাই। পৰহিদিনা খন মই Details ত গৈছিলো আৰু কোনেও ক'ব পৰা নাই যে কোনো District ত পইচা দিয়া নাই বুলি। PWD বিভাগেও সোনকালে ৰাস্তা বনাই দিয়ে। আমাৰ Water Resource বিভাগেও erosion affected area বিলাকত কাম কৰোৱেই। গতিকে অকল SDRF বুলি নহয়, আমি ৰাজ্য চৰকাৰেও SOPD পুঁজিৰ পৰা ৰাস্তা repairing কৰাই হওক বা গড়াখহনীয়া প্ৰতিৰোধ কৰাই হওক, এই কামখিনি আমি কৰি আছো। কিন্তু এটা কথা মই ক'ব পাৰো ছাৰ, যে আজিকালি relief ৰ নামত কতো দূৰ্নীতিৰ বাতৰি অহা নাই। আগতে আমি শুনো যে সন্মুখত চাউল হৰলুকী হ'ল।

**আমিষ্টেট গৰ্ভমেন্টেও এচ ও পি ডি পুঁজিৰ পৰা ৰাস্তা ৰিপিয়াৰিং হওঁক, গৰাখহনীয়া প্ৰতিৰোধ**

কৰাই হওঁক চাৰ কাম খিনি কৰিয়েই আছো । এটা কথা ক'ব পাৰো মই চাৰ, আজিকালি ৰিলিফ ডিষ্ট্ৰিবিউশ্যনত কোনো দুৰ্নীতিৰ বাতৰি নাহে । আগতে আমি শুনো তাত চাউল হৰলুকি হ'ল , ইয়াত অমুক নিদিলে ইত্যাদি ইত্যাদি । আজিকালি এনেকুৱা নহয় ছাৰ ।

- হুলস্থুল প্ৰতিবাদ –

শ্ৰীআশ্ৰাফুল হুছেইন, চেঙা ঃ চাৰ , পইন্ট অব অৰ্ডাৰ আছে ।

শ্ৰীশ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অব অৰ্ডাৰ এটা মোকো দিয়ক ।

মাননীয় অধ্যক্ষ ঃ দুইজনে বহক , ভালকৈ কওঁকছোন- । ইমান ইনডিচিপ্লিন হ'লে কেনেকৈ হ'ব ? এতিয়া পইন্ট অৱ অৰ্ডাৰ , কি ক'ব বিচাৰে কওক ?

শ্ৰীআশ্ৰাফুল হুছেইন, চেঙা ঃ ছাৰ, অন দি ৰুল ৩০০, প্ৰশ্ন নং ৮৮ৰ উত্তৰত কৈছে - ২০২০-২১, ২০২১-২২,২০২৩-২৪ এই তিনি বছৰত বৰপেটা জিলাত ৪৯৭.৯৭১ হেক্টৰ মাটি গৰাখহনীয়াত জাহ গৈছে । কিন্তু তাৰ তলৰ উত্তৰত কৈছে গৃহহীন হোৱা পৰিয়ালৰ সংখ্যা মাত্ৰ ১৫০ - ছাৰ এই উত্তৰটো সত্যৰ আধাৰত নহয় , এইটো তথ্য বিকৃত কৰিছে , বিভাগে সঠিক তথ্য দিয়া নাই যাৰ বাবে মই এই কথাটো সদনত উত্থাপন কৰিলো । আপুনি বিহীত ব্যৱস্থা ল'ব লাগে । ধন্যবাদ

শ্ৰীশ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ ছাৰ, আমাৰ সদনখন পবিত্ৰ , ইয়াক ভুল পথে পৰিচালিত কৰিব নালাগে । যোৱা ক'ভিদৰ সময়ত ২০২০ চনত যিসকলে ক'ভিডত মৰিছিলে আমি সকলোৰ জানো ৪ লাখকৈ টকা তেওঁলোৰ পৰিয়ালক দিছে ।

মাননীয় অধ্যক্ষ ঃ ক'ভিদ ক'ৰ পৰা আহিল আকৌ, বিসংগতি ক'ত আছে সেইটো কওক । পইন্টচটো মাত্ৰ কওক । এইটো পইন্ট অৱ অৰ্ডাৰ।

শ্ৰীশ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ এইটো এচ ও পি ডি ৰিলেটেড ছাৰ। মোৰ আনষ্টাৰড কোৱেশ্বন নং ২০৪ ৰ এনচাৰত দিছে , যে ক'ভিদত মৃত্যু হ'লে পঞ্চাশ হাজাৰকৈ দিয়াহে নৰ্মচ। মোৰ তাতে ক'ভিডত মৰা ব্যক্তিৰ পৰিয়ালক ৫০ হাজাৰ দিছে । কিন্তু এনেকুৱা প্ৰশ্নউত্তৰ দিবলৈ কেনেকৈ সাহস পালে ছাৰ ।

মাননীয় অধ্যক্ষ ঃ যিটো নিয়ম সেই মতে দিছে ।

শ্ৰীশ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ ছাৰ , নিয়মমতে ৪ লাখকৈ দিব লাগে । এই সদনত কেনেকৈ লিখিতভাবে জনালে যে এচ ডি আৰ এফৰ পৰা মাত্ৰ ৫০ হাজাৰ দিয়া হয় ।

মাননীয় অধ্যক্ষ ঃ ঠিক আছে, আপুনি লিখিত এটা দিয়ক, আমি ডিপাৰ্টমেন্টত পঠিয়াম । ইয়াত মই কেনেকৈ ডিচিশ্যন দিব পাৰো ।

শ্ৰীশ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ আমিতো লিখিয়ে আছো ছাৰ , কিন্তু এনেকুৱা উত্তৰ দিবলৈ কেনেকৈ বিভাগে সাহস পালে ছাৰ ।

মাননীয় অধ্যক্ষ ঃ আপোনাক ইতিমধ্যে কৈছো .... হ'ব ... হ'ব... নিয়মমতে যাব। কোৱেশ্বন আৱাৰ ইজ অভাৰ - চৰ্ট নোটিছ কোৱেশ্বন - অনাৰেবল এম এল এ- আমিনুল ইছলাম । মিনিষ্টাৰ প্লীজ।

শ্ৰীদেবব্ৰত শইকীয়া (মাননীয় বিৰোধী দলৰ দলপতি ) ঃ- ছাৰ , এটা পইন্ট অৱ অৰ্ডাৰ - আমি এখন নোটিছ দিছিলো প্ৰিভিলেইজ মোশ্যনৰ - এইটো আপুনি জনালে ভাল পাম ।

মাননীয় অধ্যক্ষ ঃ হয়, প্ৰিভিলেইজ মোশ্যনৰ যিটো আপুনি নোটিছ দিছিলে তাত বিষয়টো দিয়া নাই - অকল ৰুলটোহে উনুকিয়াইছে । বিষয়টো মোক দিয়া নাই নহয়, মোক দিলেহে চাব পাৰিম । বিষয়টো দিব আপুনি ।

শ্ৰীদেবব্ৰত শইকীয়া (মাননীয় বিৰোধী দলৰ দলপতি ) ঃ তেতিয়াহ'লে বিষয়টো ৰিটেন দিম ছাৰ।
শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ), ধিং ঃ অধ্যক্ষ মহোদয়, মোৰ ৮ টা চৰ্ট নোটিচ কোৱেশ্বনৰ ৰিপ্লাই পাইছো - লে কৰি দিলে । এটা কথাত মই স্পষ্টিকৰণ বিচাৰিছো যোৱা ১৫ আগষ্ট তাৰিখে অসমৰ ১৫ টা স্থানত বোমা স্থাপন কৰা হৈছিল । ইয়াত উত্তৰত দিছে যে, ইয়াত দহটামান কেচ ৰেজিষ্টাৰ হৈছে তদন্ত চলি আছে , যেতিয়ালৈকে এজনো অপৰাধীক চিনাক্ত কৰিব পৰা নাই । ১৫ আগষ্টৰ পৰা প্ৰায় ১৫ দিন গ'ল - কোনে কোনে বোমাটো সংস্থাপন কৰিছে - এই কথাটো কিন্তু উত্তৰত নাহিল । এই কথাটোৰ স্পষ্টীকৰণ বিচাৰিছো ।
শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ অধ্যক্ষ মহোদয়, যিহেতু তদন্ত চলি আছে, তদন্তৰ খাতিৰত গোটেই কথাখিনি হয়তো কোৱা নাই । নিশ্চয় দোষীক কৰায়ত্ব কৰা হ'ব ।
মানীয় অধ্যক্ষ ঃ ঠিক আছে । জিৰো আৱাৰ- ভূৱন পেগু ডাঙৰীয়া ।
শ্ৰীভূবন পেগু, জোনাই ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা বিষয় বাতৰি কাকতত খুব চৰ্চিত হৈ আছে। ' জোনাই পবা ৰিজাৰ্ভ ফৰেষ্ট ' ধেমাজী জিলাৰ মোৰ সমষ্টিৰ জোনাইত । এই ৰজিাৰ্ভ ফৰেষ্ট কোবা ৱাইল্ড লাইফ চেংচুৰী হিচাপে আণ্ডাৰ চেকশ্যন্ ১৮ ৰ ৱাইল্ড লাইফ প্ৰটেকশ্যন এক্ট ১৯৭২ ৰ অধিনত আপগ্ৰেড কৰিবনে নাই বুলি বাৰে বাৰে ৰাজহুৱা পিটিশ্যনবিলাক আহি থাকে । আৰু বাতৰি কাকততো ওলাই থকাৰ বাবে মই এই বিষয়টো সদনত আগতেও উত্থাপন কৰিছিলো । অধ্যক্ষ মহোদয়, বৃটিছে ১৯২৪ চনৰ মে মাহত প্ৰথম বাৰৰ বাবে এই ৱাইল্ড লাইফ চেংচ্যুৰেৰী এক্টখন নোটিফাই কৰিছিল । আজি এশ বছৰ হৈ গ'ল । এই টো জোনাইৰ য'ত অসমৰ নৰ্থ বেংক শেষ হয় আৰু অৰুণাচল আৰম্ভ হয় , এই পবা ৰিজাৰ্ভ ফৰেষ্ট নোটিফাই হোৱাৰ পিচত তাৰ যিটো অঞ্চল এইটো ইন্টাৰেষ্টিং অঞ্চল হৈ পৰিল । তাৰ অলপ আগত গ'লে অৰুণাচলৰ ডাইৰিং ৱাইল্ড লাইফ চেংচ্যুৰী পাব । ঠিক তাৰ কাষতে ব্ৰহ্মপুত্ৰৰ চাপৰিটো পাৰ হ'লেই ডিব্ৰু চৈখোৱা নেশ্যনেল পাৰ্কখন পোৱা যায় । সেইখিনি এখন ত্ৰিভূজ আকাৰৰ ঠাই । সেই ঠাইত লালি নৈ, ব্ৰহ্মপুত্ৰ নৈ , লোহিত নৈ, ডিবাং নৈ , বেণী নৈ ইত্যাদি বিভিন্ন নৈ সমূহক সামৰি লৈ খুৰ সুন্দৰ বাইঅ'ডাইভাৰচিটি হট স্পট এটা হৈ আছে । অধ্যক্ষ মহোদয়, ইয়াত বিভিন্ন ধৰণে সময়ে সময়ে আমাৰ তাত এটা পুৰনি ডিমাণ্ড আছিলে যে, এই পোবা ৰিজাৰ্ভ ফৰেষ্ট যদি ধ্বংস হৈ যায় তেন্তে আমাৰ জোনাই মহকুমা শেষ হৈ যাব । এই ফৰেষ্টখন আমাৰ ৰক্ষা কবচ । মই আজি আপোনাৰ মাধ্যমেৰে সদনত অসম চৰকাৰৰ জলসম্পদ বিভাগক ধন্যবাদ জ্ঞাপন কৰিম মই । আমাৰ দহ হাজাৰ হেক্টৰ মাটি আছিল ইয়াৰে তিনি হাজাৰ হেক্টৰ মাটি লালি নদীত জাহ হৈ গৈছে , ৭ হাজাৰ হেক্টৰ মাটি আছে। কিন্তু যোৱা তিনি বছৰে জল সম্পদ বিভাগৰ তৎপৰতাত এতিয়া সমগ্ৰ লালি নদীৰ বেংকসমূহ ষ্টেবিলাইজড হৈছে । অধ্যক্ষ মহোদয় তাত এতিয়া চাপৰি ওলাইছেগৈ । গতিকে অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ নদী, লালি নদী আৰু চিয়াং নদীৰ কেনেকৈ বেংক ষ্টেবিলাইজড কৰিব পাৰি , গৰাখহনীয়া কেনেকৈ ৰোধ কৰিব পাৰি , কোনোবাই যদি কেচ ষ্টাডি কৰিবলৈ আহে ক'ৰবাৰ পৰা , মই অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই এপিল কৰিছো যে আমাৰ জোনাইত আহক, ইমান সুন্দৰভাৱে বেংক ষ্টেবিলাইজড হৈ গৈছে । তাত এতিয়া চাপৰি ওলাইছে তাৰ ওপৰি তাত যিটো সংলগ্ন 'পবু' চাপৰি আছে তাত ৯ হাজাৰ হেক্টৰ মাটি আছিলে , আগতে এনকোৰ্ছমেন্ট আছিলে , এতিয়া এভিকশ্যন হৈ গ'ল এতিয়া যদি আমি লগ লগাই দিও তাত মুঠ ১৬ হাজাৰ হেক্টৰ মাটি আছে । এইটো আমি আপগ্ৰেড কৰিব পাৰো অধ্যক্ষ মহোদয়, এই ৰিজাৰ্ভটো কিয় ৱাইল্ডলাইফ চেংচ্যুৰেৰী কৰিব লাগে ইয়াৰে মাত্ৰ এটা উদাৰহণ দিব খুজিছো । ফৰেষ্ট

**ডিপাৰ্টমেন্ট আৰু প্ৰকৃতি সংগঠন ' নেচাৰ্চ বেকনে' যেতিয়া এটা ফৰেষ্ট চাৰ্ভে কৰিছিল । তাত তেওঁলোকে পাইছে-টু হাণ্ড্ৰেট স্পেচিচ অব বাৰ্ড, থাৰ্টি চেভেন স্পেচিচ অব মামেলচ এণ্ড ৰেপটাইল্চ , ফি ফ্টিন স্পেচিচ অব নন হিউমেন পেৰেটচ , আচামিচ মেকাও, পিগ টেইল মংকী, শ্লহৰিচ লিভিং ইন পবা । আৰু বিভিন্ন জন্তু তাত আছে । এতিয়া সকলোৱে দেখিছে কেনেকুৱা ক্লাইমেট চেঞ্জ, গ্ল'বেল ৱাৰ্মিং -এতিয়া আমি যিটো সময়ত গছ ৰুবলৈ চেষ্টা কৰিছো- ৩ কোটি গছ ৰুইছো তাৰ বাবে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো - যিখিনি আমাৰ এতিয়াও ফৰেষ্ট বিভিন্ন ঠাইত বাছি আছে সেইখিনি সংৰক্ষন কৰিব লাগে । জীৱ জন্তু বিলাক প্ৰটেকশ্যন কৰা আমাৰ দায়িত্ব আছে । গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো পবা ৰিৰ্জাভখন ৱাইল্ড লাইভ চেংচ্যুৱেৰী হিচাপে সোনকালে আপগ্ৰেড কৰাৰ ব্যৱস্থা কৰিব লাগে । এইটো জোনাইৰ ৰাইজ আৰু বিভিন্ন সংগঠন সমূহৰ ডিমাণ্ড । চৰকাৰে সোনকালে ব্যৱস্থা ল'ব লাগে ।**

**মাননীয় অধ্যক্ষ ঃ ঠিক আছে — অনাৰেবল মিনিষ্টাৰ প্লীজ ।**

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী,পৰিবেশ বন ইত্যাদি ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য ভূবন পেগু ডাঙৰীয়াই দিয়া নোটিচখন যোৱাকালি মই পাইছো । নোটিচ পোৱাৰ পিচত এই বিষয়ে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিছিলো আৰু পবাৰ যিখিনি কথা আছে অৱগত কৰিছিলো । পোৱা যিখন বনাঞ্চাল , এই বনাঞ্চখন ৰক্ষা কৰাটো চৰকাৰৰ এটা নৈতিক কৰ্ত্তব্য হ'ব । এই পবা ৰিজাৰ্ভৰ মুঠ মাটিকালি আছে ২৫৭. ২৯ বৰ্গ কি.মি - ইয়াৰ পৰা সংৰক্ষিত বনাঞ্চলৰ মাটি ৫৩.৩৯ বৰ্গ কি.মি । পভু চাপৰিৰ প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ মাটি ২.৮ বৰ্গ কি. মি আৰু নদী অঞ্চলৰ মাটি কালি ২০১.৪২ বৰ্গ কি.মি ।** ২.৪ বৰ্গ কি. মিটাৰ আৰু নদী অঞ্চলৰ মাটিকালি ২০১.৪২ বৰ্গ কি. মিটাৰ। প্ৰস্তাৱিত অঞ্চলটোৰ ভূখণ্ড তিনিখন প্ৰধান নদী চিয়াং, লুহিত আৰু দিবাংৰ সমস্থলত অৱস্থিত এক অত্যান্ত fragile পৰিলেখ তন্ত্ৰ য'ত ৰাজ্যই নিম্নমূখী অঞ্চল সমূহৰ সামাজিক, ৰাজনৈতিক আৰু পৰিৰেশ সুৰক্ষাৰ বাবে সৰ্বস্থ স্তৰত সুৰক্ষাৰ প্ৰয়োজন। পহু চাপৰিত প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল খনত পলসুৱা ঘাঁহনি আছে আৰু নদীৰ পাৰত থকা বনাঞ্চল খন দিব্ৰুছৈখোৱা ৰাষ্ট্ৰিয় উদ্যান আৰু জৈৱ মণ্ডল সংৰক্ষিত অঞ্চলৰ সৈতে সংলগ্ন। ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ আৰু দক্ষিণ পাৰৰ পৰা হাতী ইত্যাদি প্ৰজাতি পৰম্পৰাগত ভাৱে প্ৰব্ৰজন সুৰক্ষিত কৰাৰ বাবে এই ভূখণ্ড সংৰক্ষণ অতি গুৰুত্বপূৰ্ণ। অৰুণাচল প্ৰদেশৰ দিৱাৰিং অভয়াৰণ্যৰ চিয়াং নদী উত্তৰ পূৱ দিশত ১০ কি.মিটাৰ দূৰত্বত অৱস্থিত। প্ৰভা সংৰক্ষিত বনাঞ্চল অসমৰ উত্তৰ পূৱ প্ৰান্তত অৱস্থিত বন্যজীৱ জন্তুৰ সমৃদ্ধ এই জৈৱ বৈচিত্ৰ পূৰ্ণ বৰ্ষা অৰণ্য। অধ্যক্ষ মহোদয়, এই খন আমাৰ অসমৰ ভাল rainforest. গতিকে এইখনক ৰক্ষণাবেক্ষণ দিয়াতো আমাৰ কৰ্তব্য নিশ্চয় আছে। দিয়ৰীবন্যপ্ৰাণী অভয়াৰণ্যৰ পহু চাপৰি প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল আৰু দিব্ৰুছৈখোৱা ৰাষ্ট্ৰীয় উদ্যাণৰ সৈতে ইয়াৰ সংযোগৰ বাবে ই জীৱজন্তু বিশেষকৈ হাতী পৰিভ্ৰমি পথত এই গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে। ৰাজ্যখনৰ প্ৰাণপুৰ কাজিৰঙাৰ পিছত ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পৰা দক্ষিণ পাৰলৈ হাতীৰ এইটো দ্বিতীয় পথ। হাতী দিয়ৰী অভয়াৰণ্যৰ পৰা পহু চাপৰিলৈ আৰু দিব্ৰুছৈখোৱা ৰাষ্ট্ৰীয় উদ্যাণলৈ পৰিভ্ৰমণ কৰে। প্ৰায় ৭০/৮০ টা হাতীৰ জাক বিভিন্ন সময়ত নদী পাৰ হৈ উত্তৰৰ পৰা দক্ষিণলৈ প্ৰ ব্ৰজন কৰে। কিন্তু এই প্ৰব্ৰজন কৰা হাতী বিলাকে প্ৰায় গোটেই বছৰ জুৰি এই পথটো ব্যৱহাৰ কৰে। বিভিন্ন প্ৰজাতিৰ পৰা অহা সংৰক্ষিত বনাঞ্চলৰ পৰা পোৱা যায়। ইয়াৰ প্ৰধান প্ৰজাতি হৈছে লাজুকী বান্দৰ, টুপীমুৰীয়া বান্দৰ প্ৰধানকৈ পোৱা যায় স্তন্যপ্ৰাণী

প্ৰজাতিৰ ভিতৰত বন গাহৰী অন্যতম। ইয়াৰ প্ৰায় ৪৫ টা প্ৰজাতিৰ চৰাই আৰু সৰিস্ৰীপ পোৱা যায়। চিয়াং আৰু লুহিত নদীৰ সংগমস্থলত ইয়াত কেইবাটাও প্ৰজাতিৰ মূল্যবান মাছো পোৱা যায়। প্ৰভা সংৰক্ষিত বনাঞ্চলত নিম্ন প্ৰজাতিত অৰ্কিদৰ কাৰণে আকৰ্ষনীয়। গতিকে অধ্যক্ষ মহোদয়, মই এতিয়া মাননীয় মুখ্যমন্ত্ৰীৰ লগত এই কথাটো কালি পাতিছিলো আৰু মাননীয় মুখ্যমন্ত্ৰীয়ে এই কথাটো এগ্ৰি কৰিছে। গতিকে ভূৱন পেগু ডাঙৰীয়াই শুনি সুখ পাব আপুনিও শুনি সুখ পাব যে এইখন আমি wildlife sanctuary হিচাপে আমি কাম কৰিম। গতিকে এইটো মুখ্যমন্ত্ৰী মহোদয়ে এগ্ৰী কৰিছে আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো কথা তেওঁৰ যিটো সিদ্ধান্ত সেই সিদ্ধান্ত মৰ্মে প্ৰভা অৰণ্যক আমি wildlife sanctuary হিচাপে ঘোষণা কৰিম আৰু ইয়াৰ পিছতে কাম আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, ঠিক আছে।

**শ্ৰীভূৱন পেগু ঃ** অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু senior most মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াক হিয়া উজাৰী ধন্যবাদ দিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া আশিফ মহম্মদ নাজাৰ।

**ড° আশিফ মহম্মদ নাজাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা দুদিন আগতে বাতৰি কাকতত মৰিগাঁও জিলাৰ এটা নিউজ প্ৰকাশ হৈছে, তাত লিখিছে মৰিগাঁও জিলা পৰিষদে পূৰ্বৰ বিত্তীয় অনিয়ম উদঙালে বৰ্তমানৰ মুখ্যকাৰ্যবাহী বিষয়াই। মাননীয় অধ্যক্ষ মহোদয়, মৰিগাঁও জিলা পৰিষদৰ এক সুত্ৰই প্ৰকাশ কৰা অনুসৰি মৰিগাঁও জিলা পৰিষদৰ কাৰ্যলয়ত ২০১৪ চনৰ ডি ডি পি ফাণ্ডৰ সুত পুঁজিত ৩৫ লাখ আঢ়ৈ হাজাৰ টকাৰ ক্ষেত্ৰত এই বিত্তীয় অনিয়ম সংগঠিত হৈছে। সুত্ৰটোৱে প্ৰকাশ কৰা অনুসৰি উক্ত পুঁজি ২০২৩ বৰ্ষৰ। মৰিগাঁও জিলা পৰিষদৰ কাৰ্যলয়ৰ তলৰ মহলাৰ সভাকক্ষ মেৰামতি আৰু উন্নতিকৰণত ব্যায় হোৱা বুলি সংশ্লিষ্ট মহলে প্ৰকাশ কৰিছে যদিও কোনো ধৰণৰ প্ৰাক্কলন নোহোৱাকৈ উক্ত পুঁজি ব্যায় কৰা হৈছে। সাধৰণ নিৰ্বাচনৰ পূৰ্বে মৰিগাঁও জিলা পৰিষদত যোগদান কৰা মুখ্যকাৰ্যবাহী বিষয়া মুঠলিয়াংথাঙে উন্নয়নমূলক আৰু বিভাগীয় আঁচনিৰ ঠাইত চকু ফুৰাওতে উক্ত পুঁজিৰ বিষয়ে তেখেতে গম পালে আৰু তেখেতে দিয়া তথ্য অনুসৰি উক্ত পুঁজিৰে ৭ টা এ চি, ১১৩ খন চকীৰ মেৰামতি বাথৰুমৰ টাইল্চ আৰু দুখন বেৰত কাঠৰ পেনেল সংস্থাপনৰ আৰু ইলেক্‌ট্ৰিকেলৰ মেৰামতিৰ মাত্ৰ ৩০ শতাংশ পুঁজিৰহে খৰচ হ'ল। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ জৰিয়তে মই কিছুমান তথ্য আনিছো এই তথ্য মতে বদন শৰ্মা নামৰ এজন ব্যক্তিয়ে যোৱা জুলাই,২০২৪ মাহত আৰ টি আই কৰিছিল, এই আৰ টি আইৰ তেখেতে আচামী দিছিল চি অ' মৰিগাঁও জিলা পৰিষদ, জে ই মৰিগাঁও জিলা পৰিষদ, একাউন্টেন মৰিগাঁও জিলা পৰিষদ, অভিযন্তা আৰু কম্পিউটাৰ সহায়কক। এই আৰ টি আইৰ যিটো তথ্য ওলাইছে তথ্য মতে ৩৪ লাখ টকাৰ চতুৰ্থদশ বিত্তীয় বৰ্ষৰ যিটো পুঁজি আছিল পুঁজিত কোনো প্ৰাক্কলন নোহোৱাকৈ কোনো এষ্টিমেট নৰোনোৱাকৈ এই পুঁজি নীতি বহিৰ্ভূত ভাৱে খৰচ কৰিছে। আৰু যিটো মাষ্টাৰৰুল আছিল তাত কোনো ধৰণৰ বৰ্ষ বা মাহ লিখা নাই। যিটো চেক আছে সেই চেকখনত ইচ্ছু দেটো নাই। তাৰ পিছত তেখেতে যি কেইজন আচামী দিছিল তাৰ ভিতৰত এজন আচামী ৰামপ্ৰসাদ শইকীয়া। তেখেত হ'ল কনিষ্ঠ অভিযন্তা জে ই মৰিগাঁও জিলা পৰিষদ। তেখেতে মৰিগাঁও থানাত গৈ এটা এজাহাৰ দিলে এই এজাহাৰত তেখেতে লিখিলে যে তেখেতে নজনাকৈ জালি চহী কৰি সেই খিনি পইচা এষ্টিমেট নবনাই ব্যৱহাৰ কৰা হৈছে। এই কথাটো ৰাম প্ৰসাদ শইকীয়াই মৰিগাঁও থানাত এজাহাৰো দিলে আৰু জিলা পৰিষদৰ খৱৰ দিলে। তাৰ পিছত যেতিয়া কেছ দিলে পুলিচ

তিনিবাৰ মান গ'ল। যোৱাৰ পিছত কিছুমান বস্তু জিলা পৰিষদৰ পৰা চিজ কৰিলে। তাৰ ভিতৰত আছিল No. of Bill Voucher of BM Enterprise, 3 no. of Bill Voucher of Nivedik Enterprise, 3 copies of Payment register, 1 Resolution copy and 5 numbers of Master-rule, 1 complain copy of Ramprasad Saikia and 1 RTI copy. এইখিনি পোৱাৰ পিছত আৰু সবতকৈ ডাঙৰ কথা হ'ল যিটো construction committee বনাইছিল, সেই সমিতি বনিছিল ২৩ মাৰ্চ, ২০২৩ তাৰিখত। তাত সভাপতি দিছে শ্ৰীবকুল মহন্ত, যিজন জিলা পৰিষদৰ ওচৰত থকা এটা গেলামাল দোকানীক। ছাৰ, মৰিগাঁৱত আৰু মানুহ নাছিল নেকি, তেনেকুৱা এজন মানুহক গেলামালৰ দোকানী এজনক জিলা পৰিষদৰ ওচৰতে থকা তেখেতক সেই কমিটী খনৰ সভাপতি বনাই থয়। গতিকে মই যিখিনি তথ্য জানো এখন এখন চকীত ৩২০ টকাকৈ লিখা আছে ভাওচাৰত, যিটো ৫০০ টকাও নহয়। এই ৩৫ লাখ ৪০ হাজাৰ টকাৰ যিটো বিত্তীয় আৱন্টন কৰা হৈছে তাৰ ভিতৰত মাত্ৰ ৭/৮ লাখ টকাহে খৰচ হৈছে। ইয়াৰ ওপৰত এতিয়াও কিয় তদন্ত হোৱা নাই সেইটো কথা মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। মাননীয় মন্ত্ৰী।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক গৰাকীয়ে যিখিনি কথা কৈছে, হয় বাস্তৱ সন্মত কথা আৰু এইটো যিটো বাতৰি কাকতৰ শীৰোনমা তাত লিখা আছে মৰিগাঁও জিলা পৰিষদৰ পূৰ্বৰ বিত্তীয় অনিয়ম উদঙালে বৰ্তমানৰ মুখ্যকাৰ্যবাহী বিষয়াই। তাৰ মানে বিভাগৰ মানুহে অনিয়ম কৰিছে আৰু বিভাগৰ মানুহেই ধৰিছে। যি কি নহওক, বিভাগে যে কাম কৰা নাই সেইটো নহয় । আপুনি কোৱা শিৰোনামাত লিখা আছে " উদঙালে বৰ্তমানৰ মুখ্য কাৰ্য্যবাহী বিষয়া" ইয়াৰ অৰ্থ হ'ল, এই কথাটো seriously বিভাগে লৈছে। কিহৰ কাৰণে বিভাগে লৈছে; বাতৰি কাকতত ওলোৱাৰ আগতে এই বিষয় লৈ তদন্ত কৰা হৈছিল। কেৱল তদন্ত কৰাই নহয়, এই বিষয়লৈ আমাৰ প্ৰধান সচিব ডাঙৰীয়াই আমাৰ DC লৈ চিঠি লিখিছিল, DC য়ে জিলা পৰিষদক দিছিল। আৰু জিলা পৰিষদে যেতিয়া আপুনি কোৱা যি গৰাকী জীয়ৰীৰ কথা কলে, জীয়ৰীগৰাকীয়ে নিজেই কলে যে তেখেতৰ signature নহয়। signature নহয় বুলি কোৱাৰ পাছত, জিলা আয়ুক্ত ডাঙৰীয়া আৰু জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়াই ইতিমধ্যে গোচৰ ৰুজু কৰিছে আৰু কেৱল গোচৰ ৰুজু কৰাই নহয়, বিভাগীয়াভাৱে জিলাৰ পৰা এখন ৪ জনীয়া কমিটিও গঠন কৰি দিছে আৰু সেই ৪ জনীয়া কমিটিয়ে এতিয়ালৈকে তদন্ত কৰি আছে। এই বিষয়টো লৈ মই ও ইতিমধ্যে কথা পাতিছিলো আমাৰ বিভাগৰ লগত আৰু মই নিজে সম্ভৱত ৭ তাৰিখ বা চেপ্তেম্বৰৰ ৬-৭ তাৰিখে মৰিগাওঁ জিলালৈ যাম লগতে আমি এটা সিদ্ধান্ত লৈছো যে জিলা পৰিষদৰ, আজি কিছুদিন আগতে কৰিমগঞ্জত, আমাৰ কৰিমগঞ্জৰ বিধায়ক আছে, জিলা পৰিষদ যিমানবোৰ আছে অসমত মই ইয়াৰ পৰাই বিভাগৰ হৈ আয়ুক্ত সকলক নিৰ্দেশ দিছো, জিলা পৰিষদৰ যিমান scheme, আয়ুক্তসকলে নিজে verification কৰি তদন্ত দিয়াৰ কাৰণে আজিয়েই নিৰ্দেশ দিছো, কেৱল মৰিগাঁও নহয়, সমগ্ৰ অসমত য'ত য'ত আছে, জিলা পৰিষদৰ scheme সমূহ, তদন্ত কৰি আমাক report দিব লাগে বুলি আমি আজি আয়ুক্ত সকলক নিৰ্দেশ প্ৰদান কৰিছো আপোনাৰ জৰিয়তে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী আচিফ মহম্মদ নাঝাৰ, (নাজাৰ ) ঃ**অধ্যক্ষ মহোদয়, যিমান সোনকালে পাৰে তদন্ত যাতে কৰে।

**माननीय অধ্যক্ষ ঃ**ঠিক আছে । কৰি আছে বুলি কৈছে।

**শ্ৰীৰণজিৎ কুমাৰ দাস, মন্ত্ৰী (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) ঃ** এই সম্পৰ্কত FIR দিয়া হৈছে। বিভাগীয়ভাৱে কথা চলি আছে। আমি প্ৰেচাৰ দি আছো, যিমানখিনি কৰিব লাগে। আমি এইটো কৰিছো কাৰণে আজি কিমান গৰাকী বিষয়া জেলত আছে। ৮০ গৰাকীক suspension কৰা হৈছে, বিভাগৰ পৰা।

**माननीय অধ্যক্ষ ঃ** ঠিক আছে। শ্ৰী প্ৰদীপ হাজৰিকা।

**প্ৰদীপ হাজৰিকা, (আমগুৰি) ঃ-** অধ্যক্ষ মহোদয়, Act East Policy Affairs এই যিটো বিভাগ, সেই বিভাগটো 2017 তে খুলিছে আৰু Act East Policy ৰ under ৰত এতিয়ালৈকে যিবিলাককাম হৈছে, এই কামবিলাকৰ বিষয়ে আমাৰ সদনে জনাৰ প্ৰয়োজন আছে। Act East Policy ৰ জৰিয়তেদি, ইয়াৰ মূল কথাটো আছিল যে Act East Policy is to promote economic cooperation, cultural ties and developing strategic relationship with countries in Asia- pacific region. ছাৰ, এই policy ৰ অধীনত আমাৰ connectivity with the neighboring countries. এইখিনি policy এই বিভাগত লোৱা হৈছিল। এইটো সংক্ৰান্তত কিমান কাম হৈছে আমি জানিব বিছাৰো। ইয়াত যিটো stillwell পথ, যিটো পথ লেখাপানীৰ পৰা আৰম্ভ হৈছে আৰু সেইটো ৰাস্তাৰ কাম Govt. of India ই আমাৰ যিটো part আছে , সেইটো part ৰ কিছু কাম কৰিছে। কিন্তু এই ৰাস্তাটো Yunan Province লৈকে আছে। এইটোৱে ৩ খন country চুই গৈছে। সেইকাৰণে এইটোৰ ক্ষেত্ৰত কিবা হৈছে নেকি ? Connectivity with Bhutan .

ভূটানৰ লগত connectivity ৰ ক্ষেত্ৰত কিমান আগবাঢ়িছে আৰু connectivity to Bangladesh, বাংলাদেশৰ লগত কেনেকুৱা ধৰণৰ কাম হৈছে? ৩ টা ৰাস্তাইদি বাংলাদেশৰ লগত সংযোগ কৰিছে। এটা হৈছে সুতাৰকান্দি হৈ ইয়াৰ পৰা বাংলাদেশৰ চিলেটৰ লগত সংযোগ হৈছে এটা ডাউকী হৈ চিলেটৰ লগত সংযোগ হৈছে। আৰু এটা ৰান্তা আছে যিটো ৰাস্তাই সংযোগ কৰিছে। গতিকে এই ৰাস্তাখিনি ভূটানৰ লগত সংযোগ কৰা বা চীনৰ লগত সংযোগ কৰা , আনকি আমাৰ অৰুণাচল হৈ তাৱাংৰেদি চীনৰ লগত সংযোগ কৰিব পাৰি। এই সংক্ৰান্ত কিমানখিনি আগবাঢ়িছে? এতিয়া Road commectivity, water connectivity, Air connectivity এই গোটেই connectivity ৰ ক্ষেত্ৰত আৰু এইটো আমাৰ Act East Policy Affairs Department খোলাৰ পাছত, এই কামখিনি কিমান দ্ৰুতগতিত আগবাঢ়িছে, সেইটো আমাৰ সদনে জানিলে ভাল হয় বুলি মই ভাবো। সেইকাৰণে এই is to promtoe economic cooperation, cultural ties এইবিলাকৰ ক্ষেত্ৰত কি খিনি কাম কৰিছে আমি এই কথাখিনি অলপ জানিব বিচাৰিছিলো। এইকাৰণে এই বিষয়টো মই ইয়াত উত্থাপন কৰিলো আৰু মই আশা ৰাখিম যে আমাৰ মন্ত্ৰী মহোদয়ে এই কথাখিনিৰ ক্ষেত্ৰত কিছু হ'লেও আমাক আভাস দিলে আমি নথৈ আনন্দিত হম। আৰু missing link **কেইটামান আছিল, এই** missing link **কেইটাৰ ক্ষেত্ৰত, যেনেকৈ শ্ৰী ৰামপুৰ, ধুবুৰী, ফুলবাৰী তুৰা,** newly declared NH1278, **ঢলা-শদিয়া** bridge extension, NH to Roing, Arunachal Highway, National Highway to Bhutan, numoligarh including bridge over river

**Brahmaputra আৰু এটা ৰাস্তা অধক্ষ্য মহোদয়, Trans Asian Highway, যিটো Trans Asian Highway সৰু হৈ India ত সোমাইছে, মণিপুৰৰ সৰু হৈ । তাৰপাছত কহিমা আহিছে। কহিমা ডিমাপুৰ তাৰপাছত নুমলীগড়ত আহি 37 ত যোগ হৈছে। আৰু সেই একেটো Trans Asian Highway, সেইটো শিলচৰ হৈ, বাংলাদেশহৈ সেইটো India ত সোমাই গৈছে। সেইকাৰণে এই গোটেইখিনি ক্ষেত্ৰত কেনেধৰণৰ চৰকাৰে পদক্ষেপ লৈছে, সেই কথাটো আমি অকনমান জানিব বিচাৰিছো আৰু সেইটো কথা মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।**

**মাননীয় অধ্যক্ষ ঃ ধন্যবাদ । মাননীয় মন্ত্ৰী।**

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ- মাননীয় অধক্ষ্য মহোদয়, মাননীয় সদস্য প্ৰদীপ হাজৰিকা ডাঙৰীয়াই Act East Policy Affairs ৰ ওপৰত যিটো প্ৰশ্ন আনিছে, মই তেখেতক ধন্যবাদ দিছো এই কাৰণে যে এই বিষয়টো আমাৰ কাৰণে গুৰুত্বপূৰ্ণ । অধক্ষ্য মহোদয়, স্বাধীনতাৰ আগত আমাৰ ৰাজ্যখন ধনী ৰাজ্য আছিল কাৰণ আমাৰ সাগৰৰ সৈতে সংযোজিত হৈ আছিলো। আৰু সেইকাৰণে পৃথিৱীৰ বিভিন্ন ঠাইলৈকে আমাৰ চাহপাত, তেল, কয়লা, কাঠ এইবিলাক গৈছিল আৰু সেইকাৰণে আমাৰ ভাৰতবৰ্ষ ধনী আছিল। মহোদয়, আনকি ভাৰতবৰ্ষৰ per capita যি income, National per capita income, তাতকৈ বেছি per capita income অসমৰ ভাৰতৰ স্বাধীনতাৰ আগত আছিল। কিন্তু ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পাছত যি কি কাৰণেই নহওক, political কাৰণত মই কাকো সমালোচনা নকৰো। বা কাকো একো নকওঁ।**

কিন্তু আমি সাগৰৰ লগত বিচ্ছিন্ন হৈ গলো কাৰণ বাংলাদেশে মংলা আৰু চিটাভুং পৰ্টৰ access আমাৰ অসমৰ কাৰণে বন্ধ কৰি দিলে,আৰু মংলা আৰু চটাভুং পৰ্টৰ access বন্ধ কৰি দিয়াৰ কাৰণে আমি সাগৰৰ পৰা disconnect হৈ গ'লো আৰু আমি ৰাজ্যখন হিচাপে ৰৈ গ'লো। কিন্তু আজি অধ্যক্ষ ডাঙৰীয়া, আপুনি শুনি ভাল পাব, মই অপোনাৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু সদনত জনাব বিচাৰিছো, আপোনাৰ জৰিয়তেদি, যে ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া অহাৰ পাছত বাংলাদেশত আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ কাৰণে বা ভাৰতবৰ্ষৰ উন্নয়নৰ কাৰণে আজি বাংলাদেশৰ লগত প্ৰট'কল চাই মই , নেপালৰ লগত ভূটানৰ লগত গতিকে তাৰ ফলত আজি আমি মংলা আৰু চিটাভুং পৰ্টৰ আমি access পালো Again we are connected with the ocean . গতিকে আমি সাগৰৰ লগত সংযোজিত হ'লো আৰু তাৰ কাৰণে আমাৰ বৰাক river ইতিমধ্যে dragging কৰা হৈ গৈছে আৰু বৰাক river ৰৰ জাকিগঞ্জৰ পৰা , বাংলাদেশৰ যি টো part সেইটো বাংলাদেশৰ চৰকাৰেকৰিব আৰু ভাৰত চৰকাৰে তাৰ কাৰণে ২৫০ কোটি টকা Asia Development Bank ৰ যোগেদি বাংলাদেশক দিছে। আৰু ব্ৰহ্মপুত্ৰৰো dragging যিটো আমাৰ dragging মানে বুজা যায় যে বালিচৰ যিবিলাক দেখা যায়, বালিচৰ বিলাক থকাৰ কাৰণে আমি ভাবো যে dragging এইটো কিন্তু In Land Water Transport ৰ dragging মানে এইটো অধ্যক্ষ মহোদয় যে ৫ ফুট depth ত মানে এটা navigable পথ লাগে , সেইটো হ'ল dragging গতিকে ব্ৰহ্মপুত্ৰয়ো dragging ৰ কাম আৰম্ভ কৰিছে । IWAI আৰু তাৰোপৰি আমাৰ ধুবুৰী দেহখোৱাৰ পৰা বাংলাদেশলৈ সেই অংশটো বাংলাদেশৰ ব্ৰহ্মপুত্ৰত পৰিছে। তেওঁলোকে dragging কৰিব। সেইকথাখিনি আমাক Indu Bangladesh ৰ meet ত আমি বাংলাদেশ চৰকাৰক সুধিছিলো। এই কামতো কেনেকুৱা হ'ব? কাম আৰম্ভ হৈছেনে নাই? তেওঁলোকে কৈছে যে এই কামটো আৰম্ভ হৈছে। গতিকে আমাৰ জলপথতো আজিৰ দিনত সুচল আছে অধ্যক্ষ মহোদয়। প্ৰদিপ হাজৰিকা ডাঙৰীয়াই কৈছে যে এইটো এটা ভাল কাম হৈছে।

দ্বিতীয় কথাতো হৈছে, অধ্যক্ষ মহোদয় আমাৰ স্থলপথ আৰু জলপথৰ ক্ষেত্ৰত আৰু এটা কথা আছে। কাৰ্ৰ্দন project এটা হৈছিল কাৰ্ৰদন নদীৰ ওপৰত, সেইটো এটা cily port. ভাৰতবৰ্ষ চৰকাৰে নিৰ্মাণ কৰিছিল আমাৰ ম্যানমাৰত আৰু সেইটো আমাৰ আগৰ মুখ্যমন্ত্ৰী বৰ্তমান পৰ্ট মন্ত্ৰী তেখেতে সেইটো মুকলি কৰিছে। গতিকে সেইটো city port ম্যানমাৰ আৰু city port টো connect হৈছে মিজোৰামৰ ল'গত। গতিকে এতিয়া মিজোৰামৰ আমাৰ এই port টোৰ পৰা ৰাস্তাটো বনাইছে, আৰু শেষতীয়াকৈ মই জনামতে এই ৰাস্তাতো জুৰিতি নামৰ এটা জেগাত ৰাস্তাতো ৰৈ গৈছে। বাকী ৰাস্তাখিনি বনাই আছে। গতিকে city port ৰ জড়িয়তে water connectivity টো আমাৰ বাঢ়িছে। দ্বিতীয় কথা হ'ল যে স্থলপথ, স্থলপথৰ ক্ষেত্ৰত অধ্যক্ষ ডাঙৰীয়া এইটো হৈছে যে আমাৰ trial letter ৰৰ যিটো Highwayএই Highway টো হৈছে আমাৰ মনিপুৰৰ ম'ৰে | মই এই Highway টোৰ ওপৰেদি গৈছো।

আৰু মোৰ লগত এটা Deligation মই lead কৰিছিলো, Act East Policy advance ৰ পৰা লগত আমাৰ শিক্ষা মন্ত্ৰী শ্ৰী ৰনোজ পেগু ডাঙৰীয়া আছিল, গতিকে আমি এই High-way টোৰে মেগুেলৰ পৰা যাত্ৰা কৰিছিলো By road, গৈছিলো। গোটেই High-way টো Thailand ৰ লৈকে প্ৰায় Complete হৈ গৈছে। তৃতীয় কথাটো হ'ল যে, আমাৰ যি আকাশী পথ আছে তাৰ জৰিয়তে আমাৰ South East এচিয়াৰ country সমূহৰ লগত আমাৰ direct flight Guwahati ৰ পৰা নাই । গতিকে আগতে আমাৰ চৰকাৰ থকাৰ অৱস্থাত আমি ভাৰত চৰকাৰক অনুৰোধ কৰিছিলো যে যি টো আমাৰ (RCS) policy আছে Resonal connectivity Scheme ৰ জৰিয়তে Neighbouring State সমূহৰ লগত এই Scheme টো তেওঁলোকে আৰাম্ভ কৰিছিল। কিন্তু আমি ভাৰত চৰকাৰক অনুৰোধ কৰিলো যে Internationally one Scheme এটা আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ বাবে Specially দিব লাগে। এই Scheme টো ভাৰত চৰকাৰে দিলে, আমি এতিয়া ৬ খন দেশৰ লগত আমাৰ গুৱাহাটী Airport ৰ পৰা Direct Flight connection হ'ব আৰু ইতিমধ্যে আমাৰ Thailand লৈকে প্ৰথমখন Flight হৈছে । এইটোৰ Tender কেতিয়াবাই হৈ গৈছিল, কিন্তু Covid ৰ কাৰণে এইটো Delay হৈছে। গতিকে ৬ খন এছিয়ান Country ৰ লগত আমাৰ তেতিয়াৰ Flight এচিয়ান Country আৰু BBN Country, Bhutan,Nepal আৰু India. গতিকে এই Country সমূহৰ লগত ৬ টা destination ৰ লগত আমাৰ Direct Flight ইয়াৰ পৰা হ'ব। গতিকে এই ধৰণৰ কাম আমাৰ Act East policy ৰ জৰিয়তে হৈছে, আৰু সময়ে সময়ে আমাক Pradip Hazarika ডাঙৰীয়াই আমাক Cultural Exchange কৰাৰ কথা কৈছে। আমি Cultural Exchang ও কৰিছো India Foundation ৰ লগত South East এচিয়াৰ সকলো দেশ ইয়াত আমি আহি বিভিন্ন Cultural Exchange কৰা হৈছে আৰু সময়ে সময়ে Indu, ভূটান আৰু India ,Bangladesh ৰ লগত meet ও পাতিছো আৰু ভূটানৰও Economic Aftairs Minister বা অন্যান্য যিসকল ইয়াত আহিছিল আমি তেনেকুৰাধৰণৰ কথা পাতিছিলো। আধ্যক্ষ ডাঙৰীয়া, মই দুটামান Schme ৰ বিষয়ে ক'ব খুজিছো। এই Act East Policy য়ে উত্তৰ পূৰ্বাঞ্চলৰ ভাৰতক এটা নতুন অৰ্থনৈতিক মাত্ৰা দিব বুলি মই আশা ৰাখিলো, যিটো গতিত প্ৰধান মন্ত্ৰী মোদী ডাঙৰীয়াই কাম কৰিছে। আনকি অধ্যক্ষ ডাঙৰীয়া India,আৰু Bangladesh ৰ যেতিয়া যুদ্ধ হৈছিল, যুদ্ধ হোৱাৰ সময়ত আমাৰ Karimganj ৰ Mahisasan station ৰ পৰা যি খিনি ৰেল লাইন উঠাই দিছিল সেইখিনি আমি Indian

Railway Port blair নতুন বনাই দিছো বাংলাদেশৰ লগত যাতে Direct Flight বাংলাদেশলৈকে যাব পাৰে। গতিকে এই ধৰণৰ কামবোৰ আমি ইতিমধ্যে কৰিছো । আমাৰ সম্পৰ্ক বহুত ভাল হৈছে south east এচিয়ান Country ৰ লগত। গতিকে আমাৰ ইয়াত হ'ল কালা'গন multi project ৰ কথা ক'লো, ভাৰত ম্যানমাৰ Thailand ত্ৰিপাক্ষিক পথৰ কথা মই ক'লো। Re - tamwang ঘাইপথ নেপাল, তাৰ পিছত আগৰৱালা আ'খোৰা ৰে'ল পথ বাংলাদেশ, তাৰ পিছত ভাৰতৰ এছিয়ান powergreed, মেকংৰ ভাৰত অৰ্থনৈতিক কৰি'ডৰ, তাৰোপৰি BCIM বাংলাদেশ, ভাৰত, চীন ম্যানমাৰ অৰ্থনৈতিক কৰি'ডৰ তাৰ পিছত ভাৰত ভিয়েতনাম উপকুলীয় জাহাজ চলোৱা চুক্তি। City port মই ইতিমধ্যে ক'লো অধ্যক্ষ মহোদয়, ভাৰত ম্যানমাৰ ত্ৰিপাক্ষিক সীমা অতিক্ৰমৰ প্ৰস্তাৱ । এই প্ৰকল্প সমূহৰ লক্ষ্য হৈছে ভাৰতৰ Act East Policy ৰ লগত মিলাই আৰু উত্তৰ আৰু দক্ষিন পূৱ এচিয়া দেশ সমূহৰ লগত সংযোগ বানিজ্য আৰু অৰ্থনৈতিক সহযোগীতা কৰা। Act East Policy ৰ অধীনত চুবুৰীয়া দেশ সমূহৰ মাজত যাতে আমাৰ সংযোগ স্থাপন হয় তাৰ বাবে এই ব্যৱস্থাখিনি কৰা হৈছে। গতিকে এই খিনি মই ইয়াত Place কৰি দিলো। অধ্যক্ষ ডাঙৰীয়া , আমি আজিৰ দিনাটোত Act East through North East,No.1. No.2 আগতে আমি অসম বুলি কলে উত্তৰ পূৰ্বাঞ্চল ভাবিছিলো, আৰু ভাৰতবৰ্ষৰ একেবাৰে শেষৰ ফালে থকা এখন ৰাজ্য। আজি Assam is not the পৰিশেৰি, But the center of South East Asian Country এইটো কথা মই আপোনাক জনালো।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** ধন্যবাদ

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া ভাৰতৰ নিয়ন্ত্ৰক আৰু মহা হিচাপ পৰিক্ষকৰ ৰাজহ খণ্ডৰ ওপৰত ২০২৪ বৰ্ষৰ প্ৰতিবেদন নং ৩ অসম চৰকাৰৰ ২০২২ বৰ্ষৰ ৩১ মাৰ্চত সমাপ্ত হোৱা বছৰতোৰ প্ৰতিবেদন খন দাখিল কৰিলো ।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** Item No. 4, Hon'ble Minister.

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ সামাজিক অৰ্থনৈতিক আৰু সাধাৰণ খণ্ডৰ ওপৰত ২০২৪ বৰ্ষৰ প্ৰতিবেদন নং ২ অসম চৰকাৰৰ ২০২২ বৰ্ষৰ ৩১ মাৰ্চত সমাপ্ত হোৱা বছৰটো প্ৰতিবেদনখন সদনত দাখিল কৰিলো

**মাননীয় অধ্যক্ষ ঃ** Item No 5, Hon'ble Minister

**শ্ৰী পিযুষ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ৰাজ্যিক বিত্তৰ হিচাপ পৰীক্ষকৰ ৰাজ্যিক বিত্তৰ হিচাপ পৰীক্ষাৰ ওপৰত ২০২৪ বৰ্ষৰ প্ৰতিবেদন Act খন অসম চৰকাৰৰ ২০২৩ চনৰ ৩১ মাৰ্চত সমাপ্ত বছৰটোৰ প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** ধন্যবাদ Item No.6 , Hon'ble Minister

**শ্ৰী পিযুষ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ চাহ জনজাতি কল্যাণ মূলক আঁচনি ৰূপায়নৰ সৰ্ন্দভত ২০২৪ বৰ্ষৰ প্ৰতিবেদন No. 5 অসম চৰকাৰৰ প্ৰতিবেদন খন সদনত দাখিল কৰিলো ।

**অধ্যক্ষ মহোদয় ঃ** Item No. 7, Hon'ble Finance Minister

**শ্ৰীমতী অজন্তা নেওঁগ ঃ** ( বিত্ত মন্ত্ৰী) Hon'ble Speaker Sir, I beg to lay the report of the Consolidated Audit Reports to the PRI and other local bodies for the year 2022-23 relating to the Government of Assam.

**অধ্যক্ষ মহোদয় ঃ** ধন্যবাদ Item No 8, Hon’ble Agriculture Minister.Shri Atul Bora, Minister:- Assam Rural Infrustracture and Agricultural Services (ARIAS) Society ৰ separate report খন মই সদনত দখিল কৰিলো ।

**াননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ৯, মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষামন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষা বিভাগৰ সমগ্ৰ শিক্ষা অসমৰ ২০২২-২৩ বৰ্ষৰ বাৰ্ষিক হিচাপ পৰীক্ষণৰ প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ১০, মাননীয় সমবায় বিভাগৰ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীমতী নন্দিতা গাৰ্লোচা, মাননীয় সমবায় মন্ত্ৰী ঃ** Hon'ble Speaker Sir, with permission I beg to lay the Annual Report of the Assam State Warehoushing Corporation for the the financial year 2017-18.

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ১১, মাননীয় Soil Conservation বিভাগৰ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম, ভূমি সংৰক্ষণ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০২৩-২৪ বৰ্ষৰ Soil Conservation বিভাগৰ বাৰ্ষিক প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ১২, মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), (ধিং) ঃ** Hon'ble Speaker Sir, I rise to moved that notwithstanding any thing in the rules of the Assembly this House approves the 2nd report of Rules Committee laid on the table of the House on 28th August,2024 subject to the conditions that division procedure may also inclub voting using NeVA and that all amendments proposed in the appendix to this report shall come into force to publication in gazzate accept the amendment providing fron number of Members of the standing Committees which shall come into force on a date to be notified by the Speaker. মাননীয় অধ্যক্ষ মহোদয়, মই শেষৰ বাক্যটো মাননীয় সদস্য সকলৰ কাৰণে বুজাব বিচাৰিছো। আমাৰ এতিয়ালৈকে চাৰিখন Standing Committee আছিল Development A, Development B, Works Committee and Education. ইয়াত ২৫ জন মানকৈ সদস্য আছিল। আমাৰ Rules Committee য়ে এটা সিদ্ধান্ত লৈছে যে যিহেতু সদস্য অলপ বেছি হৈ যায় গতিকে DRSC সমিতি বিলাকত ১৫ জনৰ ভিতৰত সদস্য থাকিব আৰু কেইখন মান সমিতি বঢ়াব।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ১৩, মাননীয় সদস্য শ্ৰী নুৰুল হুদা ।

**শ্ৰী নুৰুল হুদা (ৰুপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ৰাজহুৱা হিচাপ সমূহৰ সমিতিৰ ১৮৭ আৰু ১৮৮ তম্ প্ৰতিবেদন দুখন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ১৪, মাননীয় সদস্য শ্ৰী পোনাকন বৰুৱা।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী পোনাকন বৰুৱা সদনত অনুপস্থিত।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ১৫, মাননীয় সদস্য শ্ৰী সুশান্ত বৰগোহাঁই ।

**শ্ৰী সুশান্ত বৰগোঁহাই, (থাওৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ চৰকাৰী আশ্বাস সমূহৰ সমিতিৰ ৫৮ তম্ প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ১৬, মাননীয় মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে অসম বিধান সভাৰ বিশেষাধিকাৰ সমিতিৰ ৫১ তম্ প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আছে Calling Attention. মাননীয় সদস্য শ্ৰী সুৰেন ফুকন।

**শ্ৰী সুৰেন ফুকন, (ডিগবৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rules 54 ত মোক নতুনকৈ ডিগবৈ সমষ্টিত অন্তৰ্ভুক্ত হোৱা বুঢ়ীদিহিং গাওঁ পঞ্চায়তৰ মৌজাৰ ৬ খন গাওঁ পঞ্চায়তৰ ৰাইজৰ মনৰ কথা আৰু সমস্যাৰ কিছু এই পবিত্ৰ সদনত ক'বলৈ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত ডিগবৈ সমষ্টিটোত ৬ খন গাওঁ পঞ্চায়ত নতুনকৈ মাৰ্ঘেৰিটা সমষ্টিৰ পৰা অন্তৰ্ভুক্ত হৈছে। বুঢ়ীদিহিং, ব্ৰহ্মাজান, বিজুলীবন, দুৱাৰমাৰা, কৈলাশপুৰ আৰু ডুমডুমা সমষ্টিৰ পৰা টঙনা পঞ্চায়ত। ১ লক্ষ জনসাধাৰণৰে ভৰপূৰ সুন্দৰ এলেকা আৰু প্ৰায় ৬০ হাজাৰ ভোটাৰেৰে গঠিত এই মৌজাটো। বৰ্তমান হয়তো অসমৰ ডাঙৰ সমষ্টি সমূহৰ ভিতৰত নতুনকৈ যিটো আমাৰ delimitation হ'ল, তাৰ ফলত ডিগবৈ সমষ্টিটো এটা ডাঙৰ সমষ্টিৰূপে পৰিগণিত হৈছে। আমি জৰীপ কৰা মতে প্ৰায় ১৫৩ কিলোমিটাৰ ব্যাসাৰ্ধৰ আৰু ইতিমধ্যে যোৱা কাৰ্য্যকালত ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰখনে আৰু মাননীয় মাৰ্ঘেৰিটা সমষ্টিৰ বিধায়ক শ্ৰী ভাস্কৰ শৰ্মা ডাঙৰীয়াই বুঢ়ীদিহিং বা টঙনা গাওঁ পঞ্চায়ত এলেকাত যথেষ্টখিনি কাম কৰিছে। ডুমডুমা সমষ্টিৰ বিধায়ক মাননীয় শ্ৰী ৰূপেশ গোৱালা ডাঙৰীয়াই টঙনা পঞ্চায়তত খুব কম সময় পাইছে । তথাপিটো এই বৃহৎ এটা অঞ্চলত তেখেত সকলে যিমানখিনি পাৰে, আজি জল জীৱন মিশ্যনেই হওঁক, অঙ্গনবাড়ীয়েই হওঁক বা ৰাস্তা পদূলিয়েই হওঁক যথেষ্ট কৰণীয় কাম আছে বুলি ৰাইজে আমাক ব্যক্ত কৰিছে। এইখিনি কথাকে আপোনাক জনাব বিচাৰিছো। ইতিপূৰ্ব্বে অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই সেই অঞ্চলৰ বুঢ়ীদিহিং অঞ্চলত কোনো কালেই নোহোৱা ডিগ্ৰী কলেজ দিছে আৰু ইয়াৰ ৮০ শতাংশ কাম সম্পন্ন হৈছে। ২০২৫ বৰ্ষৰ পৰা ইয়াৰ শিক্ষা বৰ্ষ আৰম্ভ হ'ব বুলি জানিব পাৰিছো। বাকী অঞ্চল সমূহৰ ৰাস্তা-পদূলিক কাৰণে ইতিমধ্যে পুঁজিৰ আবন্টন দিছে। জৰাজীৰ্ণ ৰাস্তা-পদূলিৰ বাবে অসম মালাৰ অধীনত ডিৰাক গেটৰ পৰা বিজুলীবনলৈ প্ৰায় ২৮ কিলোমিটাৰৰ ৰাস্তা ১৬২ কোটি টকাৰে নিৰ্মাণৰ কাম চলি আছে। ডিগবৈ, পেঙেৰী, বৰডোমচা, মহন গাওঁলৈ ১৩৩ কোটি টকাৰে ৪০ কিলোমিটাৰৰ ৰাস্তাৰ কাম চলি আছে। গতিকে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই অঞ্চলবোৰৰ কাৰণে যথেষ্ঠখিনি কাম কৰিছে তাৰ বাবে মই তেখেতক এই পবিত্ৰ সদনৰ পৰাই ধন্যবাদ দিছো। পূৰ্ব্বৰ জনপ্ৰতিনিধি জনৰ বাবে এই অঞ্চল সমূহৰ কাম পিছপৰি আছিল। অসমৰ অন্যতম ভূমিপুত্ৰ মৰাণ, মটক, সোনোৱাল কছাৰী, টাই আহোম, চিংফৌ, মিচিং, চাহ জনজাতি, নেপালী, বঙালী, বিহাৰী, কৈৱৰ্ত আদি সকলোৰে মিলি এই সমষ্টিখন গঢ় লৈছে। গতিকে ১০০ শতাংশ কৃষি প্ৰধান এই অঞ্চল সমূহত যথেষ্ট কৰণীয় কাম এতিয়া ও আছে। এতিয়া নতুনকৈ সমষ্টি নিৰ্ধাৰণৰ ফলত সেই অঞ্চল সমূহলৈ মই ৬০ বাৰতকৈ অধিক গৈছো। বিভিন্ন জাতি-জনগোষ্ঠীৰ লগত কথা পাতিছো আৰু সেই অঞ্চল সমূহত এতিয়াও যথেষ্ট সমস্যা আছে। গতিকে সেই অঞ্চলৰ মানুহবোৰে তাৰ পৰাই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ দিছে। ইয়াৰ উপৰিও এই চৰকাৰখনৰ পৰা সেই অঞ্চলৰ ৰাইজে আৰু যথেষ্ট কামৰ আশা কৰিছে। সেই অঞ্চলৰ শিক্ষা, যাতায়াত, স্বাস্থ্য বা ভৌগোলিক পৰিসীমাৰ কিছু সমস্যা আছে। ১ লাখ জনবসতি থকা এই অঞ্চলটোত মাত্ৰ ৫ খন চৰকাৰী হাইস্কুল আছে, হাইয়াৰ চেকেণ্ডাৰী এখনো নাই। গতিকে সেই অঞ্চলৰ ৰাইজে কিছু হাইয়াৰ চেকেণ্ডাৰী বিচাৰিছে। বিশেষকৈ বিজুলীবন আৰু দুৱাৰমাৰা এই দুখন গাওঁ পঞ্চায়তত এখনো হাইস্কুল নাই। তাত বসবাস কৰা ভূমিপুত্ৰ মৰাণ,

মটক, সোনোৱাল কছাৰী, টাই আহোম, চিংফৌ, মিচিং, চাহ জনজাতি, নেপালী, বঙালী, বিহাৰী লোক সকলৰ বাবে অতি কমেও এখন হাইস্কুল দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাত এখন ভেঞ্চাৰ হাইস্কুল আছে। জ্ঞনোদয় নামৰ ভেঞ্চাৰ হাইস্কুলখনক কিবা প্ৰক্ৰিয়াৰে যদি চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰিলে ভাল হয়। তাত স্বাস্থ্য খণ্ডৰ ব্যৱস্থাটো খুব ভাল নহয়। তাত যিখন কঠালগুৰি ৰাজ্যিক স্বাস্থ্যকেন্দ্ৰ আছে, সেই স্বাস্থ্যকেন্দ্ৰ খনক কিছু উন্নত মাণদণ্ডৰ ব্যৱস্থা কৰিলে ভাল হ'ব বুলি মই ভাবো। বসুন্ধৰা ১, বসুন্ধৰা ২ ত সেই অঞ্চলৰ ভূমিপুত্ৰ খিলঞ্জীয়া লোক সকলক যথেষ্ঠ পৰিমাণে মাটিৰ ম্যাদী পট্টা দিয়া হৈছে যদিও বসুন্ধৰা ৩ ত যিসকলে আবেদন কৰিছে তেওঁলোককো পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে বুলি মই আপোনাৰ জৰিয়তে চৰকাৰলৈ অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই মাননীয় সদস্য শ্ৰী ভাস্কৰজ্যোতি বৰুৱাক গড়কাপ্তানী বিভাগৰ ৩০১ ৰ ক্ষেত্ৰত যিখিনি ক'ব লগীয়া কথা আছে সেইখিনি একেলগে ক'লে ভাল হয় আৰু এইক্ষেত্ৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াই ও একেলগে উত্তৰখিনি দিব।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, তিতাবৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়ত মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যিটো বিষয় আমাৰ দৈনন্দিন জীৱনত সকলোৰে এইটো face কৰি আহিছে, আমি দেখিছো যে আমাৰ যিবিলাক গাওঁৰ ৰাস্তা PMGSY, RIDF, CRIF সেইবোৰ যে ৰাস্তা আমাৰ বিভিন্ন আঁচনিৰ অধীনত হয় সেই ৰাস্তাবোৰ বনাবলৈ যাওঁতে সদায় একে ধৰণৰ একে method standardize কৰে, কৰি পেলাই আমাৰ এই ৰাস্তাবিলাক PWD বিভাগে নিৰ্মাণ ক ৰে। এতিয়া ধৰক আপোনাৰ কোকৰাঝাৰৰ মাটিৰ যি structure, শদিয়াৰ মাটিৰ যি structure , মাজুলীৰ মাটিৰ যি structure, পাহাৰৰ মাটিৰ যি structure এইটো সকলো একে নহয়। আপোনালোকে সকলোৰে জানে কিন্তু আমি দেখিবলৈ পাওঁ একেটা ধৰণে একেখিনি specification ত কামখিনি বিভাগে কৰে। মই সদায় ভাবি থাকো যে ৰাস্তাবোৰ বনাই থাকে, ভাঙি থাকে। কোনোদিন আমি সুখেৰে কতো যাব নোৱাৰো। আপোনালোকে দেখিছে চৰকাৰে কিমান ৰাস্তা বনাইছে। শ শ, হাজাৰ হাজাৰ কৌটি টকা দিছে। কিন্তু ৰাস্তাত আপুনি শান্তি নাপায়। ইয়াত মই আগতেও বহুতবাৰ কৈছো, এইবাৰ specially আপুনি মোক সময় দিব, কথাখিনি মই কৈছো এই বিষয়টো আমাৰ ৰাজহুৱা interest. আমাৰ ইয়াৰ পৰা মানুহ আহিছিলে যিটো national highway নহয়, NHIDCL এটা নতুন নাম দিছিল। তাৰো মানুহ আহিলে ইয়াত সোমালে এতিয়া ডেৰগাওঁৰ ৰাস্তাৰ কথা কওঁ নতুনকৈ বনোৱা আমাৰ জখলাবন্ধাৰ পৰা নুমলীগড়লৈকে যিটো পথ বনালে আৰু নুমলীগড়ৰ পৰা যোৰহাটলৈ যিটো বনালে আৰু যোৰহাটৰ পৰা যিটো ongoing আপাৰ অসমলৈ গৈ আছে এই গোটেই ৰাস্তাবোৰ বনোৱৈ শেষে হোৱা নাই কিন্তু ভাঙিবলৈ আৰম্ভ কৰিলে। মই ভাবো যে এতিয়া কি কৰা যায়, ভাবি থাকোতে মই এটা কথা চিন্তা কৰিলো যে আমাৰ দলং বিলাক যেতিয়া বনায়, দলং বিলাক বনাওতে যেতিয়া পাইল বিলাক বনাই, খুটাবোৰ বনাই তাত পাইল ড্ৰাইভিং কৰে, বহুত তললৈকে যিটো ইঞ্জিনিয়াৰিং requirement মতে তেওঁলোকে তাৰ পৰা soil বিলাক উলিয়াই তেওঁলোকে test কৰে। তাত load bearing capacity কিমান হ'ব, কিমান weight দিলে সেই ফুটাটোৰে ল'ব লাগিব, কিমান ডাঙৰকৈ বনাব লাগিব কিমান strength ৰ লোহা দিব লাগিব, এনেকুৱা ধৰণৰ কথা । load কেনেকৈ distribution হ'ব এই গোটেই thorough এটা analysis হয়। মই ভাবো আমাৰ এই ৰাস্তাবিলাক যদি thorough এটা analysis হয় য'ত যিটো base, sub-base, surface এই বিলাকৰ load bearing capacity সেই ৰাস্তটোৰ কেনেকুৱা

হ'ব তাৰ proper excel load কিমান হ'ব এইবিলাক যদি আমি ৰাস্তাটো বনোৱাৰ আগতে, টকা নিৰ্ধাৰণ কৰাৰ আগতে আমি যদি analysis নকৰো তেতিয়াহ'লে একেধৰণে এক কিল'মিটাৰ ৰাস্তাত ডেৰ কৌটি টকা । এনেকুৱাকে কৰা কাৰণে আমাৰ কি হৈছে আমি asset বিলাক ৰাখিব পৰা নাই। আমাৰ ৰাস্তা বনাই গৈছে, ভাঙি গৈ আছে, আমাৰ এই চৰকাৰ খনে দেশখনে ক'ৰ পৰা ইমান ৰেভিনিউ জেনেৰেট কৰিব। মই ভাবো আজি এই সদনত মই এই কথাটো উপস্থাপন কৰিছো আৰু মই মুখ্যমন্ত্ৰীৰ দৃষ্টি আক ৰ্ষণ কৰিব বিচাৰিছো যে আমাৰ ভৱিষ্যতে য'তে আপোনালোকে ৰাস্তা বনা য়, এতিয়া বহুত ৰাস্তা বনাব, ধেৰ পইচা চৰাকৰে আমাক ইফালৰ পৰা সিফালৰ পৰা দিব, দিলে হ'ব কি, ৰাস্তা যাব কেইবছৰ , তিনি বছৰ বা চাৰি বছৰ মূৰত ৰাস্তাবোৰ ফুটা ওলায়, এতিয়া এনেকুৱা হৈছে যিবোৰ আলকাট্ৰা বোৰ আনিছে সেয়েহে মই কৈছো যে আমাক R&D department এটা লাগে। Research and Development, PWD ৰ এটা R&D department থাকিব লাগে। Mobile Laboratory কিছুমান থাকে বুলি কয়, এতিয়া R&D department যদি হয় তেতিয়া প্ৰত্যকটো ৰাস্তা ওপৰত এটা টিম গৈ সেই ৰাস্তাবিলাক প্ৰথমতে তেওঁলোকে scientific evaluation কৰি তাৰ পিছত যদি project টো দিয়ে তেতিয়া মই ভাবো যে ভৱিষ্যতে আমাৰ নতুন প্ৰজুক্তিৰে যদি ৰাস্তাবিলাক বনাও তেতিয়াহ'লে আমাৰ ৰাস্তাবিলাক লাষ্টিং কৰিব। এই কথাখিনি .....

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, তিতাবৰঃ** অধ্যক্ষ মহোদয় আৰু অকণমান সময় লাগিছিল।

**মাননীয় অধ্যক্ষঃ** আৰু মাত্ৰ এক মিনিট।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, তিতাবৰঃ** অধ্যক্ষ মহোদয়, কথাটো এক মিনিটত শেষ নহ'ব।

**মাননীয় অধ্যক্ষঃ** আপুনি কওঁক।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, তিতাবৰঃ** অধ্যক্ষ মহোদয়, আৰু এটা কথা কওঁ এই বিষয়টো PWD ৰ কথা নহয়। মই আগতেও কৈছিলো যে ২০২১ চনত সন্মানীয় সদনত মই সকলো সদস্যকে কৈছিলো, আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিছিলো, সেইদিনা আপোনাৰ ঘৰতো গৈছিলো যে চৰাকৰে আমাক যিমানবোৰ স্কীম আমাৰ সমষ্টিলৈ দিয়ে, কিন্তু আমি বিধায়ক বিলাক অৱগত নহয়। কোনটো বিভাগত আমাৰ কি কাম গৈছে আমি নাজানো। বহুতকেইটা বিভাগ থাকে, পইচা ঘূৰি যায় আৰু আমি বিধায়কবোৰে গম নাপাও ক'ত কি হৈছে। সকলোৰে মোক টেবুলত থপ থপাই দিলে, সমৰ্থন দিলে কিন্তু সকলোৰে পাহৰি গ'ল। আপোনালোকে সকলোৰে একে স্বৰে মোৰ কথাখিনি সমৰ্থন দিলে ভাল হয়।

**মাননীয় অধ্যক্ষঃ** হ'ব ঠিক আছে এতিয়া আপোনাৰ subject টো PWD, মন্ত্ৰীয়ে ক'ব Hon'ble Minister.

**শ্ৰী পিয়ুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা.. ইত্যাদিমন্ত্ৰীঃ** অধ্যক্ষ মহোদয় ডাঙৰীয়া, সন্মানীয় সদস্য শ্ৰী সুৰেণ ফুকন যাঙৰীয়াই এটা বাতৰি সম্পৰ্কে যি ইয়াত বুঢ়িদিহিং মৌজাত develop কৰিবলৈ বা ৰাস্তা-পথ বনাবলৈ যি আমাৰ প্ৰশ্ন উপস্থাপন কৰিছে তাৰ উত্তৰ অধ্যক্ষ ডাঙৰীয়াই অসম বিধান সভাই সমষ্টি শেহতীয়া সীমা নিৰ্ধাৰণৰ আগতে ১২৪ মাৰ্ঘেৰিটা সমষ্টি অসমৰ অন্যান্য চাৰৈ সমষ্টি অঞ্চলতকৈ তুলনামূলক ভাৱে ডাঙৰ আছিল। অধ্যক্ষ মহোদয় ডাঙৰীয়া, geographically status টো ডাঙৰ আছিল যিটো সকলো সমষ্টিত পথ নিৰ্ধাৰণৰ নিৰ্মাণৰ বাবে আৰন্তনটো কম বেছি পৰিমাণে সমান। কিছুমান অঞ্চলত গাওঁ পকী পথৰ দ্বাৰা সংযোগ কৰা

নহ'ল। আমাৰ সাধাৰণতে কি হয় সৰু সমষ্টিটো যিমান আমাৰ পুজি যায় আমাৰ ডাঙৰ সমষ্টিটো সিমানেই পুজি যায়। গতিকে মাৰ্ঘেৰিটা সমষ্টিটো ডাঙৰ হোৱা কাৰণে কিছু তাৰতম্য হোৱাটো মই অস্বীকাৰ নকৰো। সাম্প্ৰতিক সময়ত সীমা নিৰ্ধাৰণৰ আগত আৰু পিছত এই ক্ষেত্ৰত SOPD, RIDF, MMPPNA মানে মুখ্যমন্ত্ৰী পকী পথ নিৰ্মাণ আঁচনি আদি আঁচনিত সকলো বতৰৰ উপযোগী পথৰ দৈৰ্ঘ্য অধিক প্ৰদান কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে । গতিকে গ্ৰাম্য অঞ্চলৰ উচ্চ মানদণ্ড পথ বনোৱাৰ বাবে অসম চৰকাৰৰ উদ্যোগ অনুসৰি বিৰাদ গেটৰ পৰা ২৮-৪০ কিঃ মিঃ দৈৰ্ঘ্য বীজুলি বললৈ এটৈ অসমমালা পথ ডিগবৈ আৰু মাৰ্ঘেৰিটা সমষ্টিত দুয়ো পাৰে মাজেৰে পাৰ হৈ গৈছে যিটো সম্পুৰ্ণৰূপে বিৰোধী এলেকাত নিৰ্মণআধীন আৰু ১০ বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব অধ্যক্ষ ডাঙৰীয়া। এইটো এটা খুব ডাঙৰ  ৰাস্তা ইতিমধ্যে বনাই থকা হৈছে। তদুপৰি  ডিগবৈ, পানেৰী, বৰডুমচা, ৪০ কিঃমিঃ দৈৰ্ঘ্যৰ মোহন চাৰিআলি সংযোগী আন এটা অসমমালা, মানে আমাৰ প্ৰথমটো আছিল অসমমালা ১.০ আৰু এইটো ২.০ অনুমোদিত হৈছে আৰু ইয়াৰ ১৬ কিঃমিঃ দৈৰ্ঘ্যৰ বিভুদি এলেকাত আছে। অধ্যক্ষ মহোদয় এই দুটা ৰাস্তা হৈ গ'লে বিভূদি মৌজাতে প্ৰায় ২৮ কিঃমিঃ আৰু ১৬ কিঃমিঃ মুঠতে ৪৪ কিঃমিঃ ৰাস্তা সম্পূৰ্ণ হ'ব। সীমা নিৰ্ধাৰণৰ পাছত বিভূদী এলেকাত মুখ্য অংশ ডিগবৈ সমষ্টিত অন্তৰ্গত আৰু ২০২৩-২৪ বৰ্ষৰ মুখ্যমন্ত্ৰী প্ৰকৃত আঁচনি অধীনত ২০২৪-২৫ বৰ্ষৰ বাবে  RIDF য়ে ১৫ দিনত অধিক পথ প্ৰদাল কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।  উত্তৰ অঞ্চল মাৰ্ঘৰিটাৰ কাকপথাৰ উন্নয়ন খণ্ডৰ অধীনত পৰে। এই উন্নয়ন খণ্ডৰ ২০০১ বৰ্ষৰ পৰা ২০১৯-২০বৰ্ষলৈ PMGSY first, PMGSY 2nd, PMGSY3rd ৰ অধীনত বৰ্তমানলৈ ৫৫৬ কিঃমিঃ পকী পথ নিৰ্মাণ কৰা হৈছে আৰু ১২ খন দলং নিৰ্মাণ কৰা হৈছে। তদুপৰি Ministry of Rural Development ৰ নিৰ্দেশমৰ্মে  ২৫০ ৰ ওপৰৰ unconnected habitation ৰ চিনাক্তকৰণৰ আৰম্ভ হৈছে আৰু এই unconnected habitation ৰ পথ সমূহৰ বৰ্তমান অৱস্থাৰ নিৰূপণৰ কাম চলি আছে যাতে নতুনকৈ আহিবলগীয়া PMGSY কো সেই আঁচনিত অন্তৰ্ভূক্ত কৰিব পাৰি। অধ্যক্ষ ডাঙৰীয়া মানে মই ক'ব বিচাৰিছো যে য'ত ২৫০ ৰ ওপৰৰ unconnected habitation আছে সেইসমূহ PMGSY ৪ৰ্থ ৰ অধীনত কৰিবলৈ চিনাক্তকৰণ চলি আছে আৰু ৪০ কিঃমিঃ অসমমালা১ আৰু  অসমমালা ২ এই বিভূদী অঞ্চলত ৰাস্তা নিৰ্মাণ হৈছে বা হ'বলৈ গৈ আছে আৰু আমাৰ MLA সকলক যথেষ্ট গুৰুত্ব দিয়া হয় গড়কাপ্তানী বিভাগৰ পথ নিৰ্মাণ কৰিবলৈ। তেখেতে আগন্তুক সময়ত  চৰকাৰৰ পৰা কিমান পুজি পাব বা তেখেতৰ সমষ্টিত গড়কাপ্তানী বিভাগে কিমান পুজি পাব মই অনুৰোধ কৰিম যাতে তেখেতে বুঢ়িদিহিং অঞ্চলত বেছিকৈ গুৰুত্ব দিয়ে আৰু তেখেতে মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিছে তাত কলেজ বনোৱা কাৰণে আমাৰ এখন  হাইস্কুলৰ কথা ক'লে  শিক্ষমন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ কৰিম যদি পাৰে সেইটো চাবলৈ। স্বাস্থ্যমন্ত্ৰী হিচাপে  মুখ্যমন্ত্ৰী ডাঙৰীয়া আছে, এখন হস্পিতালৰো কথা কৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াকো মই এই বিষয়ে অৱগত কৰিম।

অধ্যক্ষ ডাঙৰীয়া, দ্বিতীয় প্ৰশ্নটো ভাস্কৰ বৰুৱা ডাঙৰীয়াই উত্থাপন কৰিছে। তেখেতে এটা খুব ভাল কথা কৈছে। অসম চৰকাৰে বৰ্তমান শ শ হাজাৰ হাজাৰ কোটি টকা খৰচ কৰি ৰাস্তা নিৰ্মাণৰ বাবে প্ৰচেষ্টা চলাইছে। ড'হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনে যথেষ্ট টকা গড়কাপ্তানিক দিয়াটো তেওঁলোকে স্বীকাৰ কৰিছে, তাৰ বাবে তেখেতক মই ধন্যবাদ দিছো। তেখেতে quality ৰ কথা কৈছে, সেইটো মই অস্বীকাৰ নকৰো কিন্তু অসমত কিছু সমস্যাও আছে। মোৰ যিখিনি সাধাৰণ জ্ঞান তাৰ ভিত্তিত মই ক'ব বিচাৰিছো যে আমাৰ কিছুমান soil কেন্দ্ৰিক সমস্যা আছে। আমাৰ

কোনোবা কোনোবা ঠাইত soil খুব strong নহয়। আনহাতে, অসমত বহুত বেছি বাৰিষাও হয়। অধ্যক্ষ মহোদয়, অজন্তা নেওঁগ বাইদেউ বহুদিন গড়কাপ্তানি মন্ত্ৰী আছিল। তেখেতে মোতকৈ বেছি ভালকৈ জানে। কিন্তু, মোৰ অভিজ্ঞতাৰ পৰা মই কওঁ যে উত্তৰ ভাৰতত যিমান বৰষুণ হয়, উত্তৰ-পূৰ্বাঞ্চলত তাতকৈ বহুত বেছি বৰষুণ হয়। আপুনি কোৱা ধৰণে PMGSYৰ criteria নিশ্চয়কৈ change হ'ব লাগে। আপোনাৰ কথাটো মই মানিছো। কিন্তু উত্তৰ ভাৰতৰ যি criteria, সেইটো criteria যদি উত্তৰ-পূৰ্বাঞ্চলত হয় তেন্তে আমি ৰাস্তাটো বহুদিন ভালকৈ ৰাখিব নোৱাৰিম। মই আকৌ কৈছো আমাৰ ৰাস্তা বেয়া হোৱাৰ মূলতঃ কাৰণ হ'ল বৰষুণ। তথাপিও ভাস্কৰ জ্যোতি বৰুৱা ডাঙৰীয়াৰ পৰামৰ্শকেইটা গ্ৰহণ কৰিম। আমাৰ বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিছে সেই বিষয়ে মই অৱগত কৰিব বিচাৰিছো। অসম চৰকাৰৰ বিভিন্ন শিতানৰ অধীনত পথসমূহ বনোৱাৰ সময়ত গুণগত দিশবোৰ চোৱাৰ বাবে তলত দিয়া ব্যৱস্থা গ্ৰহণ কৰা হয়ঃ

ক)- PMGSY works তিনি তৰপীয়া ব্যৱস্থা, বিভাগীয়, SQM আৰু NQM।

খ) মুখ্যমন্ত্ৰী পকী পথ আঁচনিসমূহত দুই তৰপীয়া ব্যৱস্থা আছে- বিভাগীয় আৰু SQM।

ইয়াৰোপৰি বহু আঁচনিৰ অধীনত ৩ বছৰৰ পৰা ৫ বছৰলৈ routine maintenance প্ৰক্ৰিয়া থাকে। আমাৰ বহুত আঁচনিত যেনে-PMGSY, CRF, অসম চৰকাৰত payment টো গোটেই দি দিয়া নহয়, certain percentage maintenance ৰ বাবে ৰাখি থোৱা যায়। তথাপিও কিছুমান পথ ৩-৪ বছৰৰ পিছত ভাঙি যোৱা পৰিলক্ষিত হয়। সাধাৰণতে বাৰিষাৰ দিনকেইটাত বৰষুণৰ তাৰতম্যতাৰ বাবে ৰাস্তা ভঙা আমি বেছিকৈ দেখিবলৈ পাওঁ। মই জলসম্পদ বিভাগৰ মন্ত্ৰী হিচাপে rainfall চাই থাকো। যোৱা বছৰত এই সময়খিনিলৈ যিমান বৰষুণ হৈছিল, এইবাৰ তাৰ সমান বৰষুণ এতিয়ালৈ হৈ গ'ল আৰু দুমাহ বৰষুণ হ'বলৈ আছেই। বৰষুণ বেছিকৈ হোৱাৰ বাবেই ৰাস্তা বেয়া হয়। মোৰ যোৱা বছৰৰ অভিজ্ঞতা এটা ক'ম। ডিমা-হাচাও ষ্টেচনটো বৰষুণত ভাঙি গৈছিল। কিন্তু এই বছৰ মাত্ৰ দুদিনতে ডিমা-হাচাওত ১০০০ মিঃমিঃ বৰষুণ হৈ গোটেই ৰাস্তা, পথ, ষ্টেচন ধ্বংস হৈ গৈছিল। সমস্যাটো এইটোৱেই যে কোনোবা বছৰত বৰষুণ বেছি হয় আৰু কোনোবা বছৰত কম হয়। বৰষুণ কম হ'লে ৰাস্তাবোৰ ভালে থাকে। কিন্তু unprecedented বৰষুণ হ'লে ৰাস্তাও বেয়া হয়, বানপানীও বেছিকৈ হয়। যি কি নহওঁক, আকৌ ক'ব বিচাৰিছো বানপানীৰ সময়ত হোৱা খহনীয়া আৰু বানপানীৰ সময়ত ৰাস্তাবোৰত গাড়ী চলাচল হৈ থাকি ৰাস্তাবোৰ নষ্ট হয়। ৰাস্তা এটা পকীকৰণ কৰাৰ পিছত সেই ৰাস্তাৰে গধূৰ যান-বাহন চলালে ৰাস্তাৰ ক্ষতি হয়। বিশেষকৈ খনিজ পদাৰ্থ নিৰ্মাণত ব্যৱহাৰ হোৱা সামগ্ৰীৰ চলাচল। মোৰ সমষ্টিতে কিছু সমস্যা হয়। বালিৰ মহল নহ'লে আমি কোনো উন্নয়নৰ কাম কৰিব নোৱাৰো, কিন্তু য'ত বালিৰ মহল থাকে তাত ৰাস্তা বেয়া হয়। এইটো ডাঙৰ সমস্যা। এই সমস্যাবোৰ সমাধান আমি নিশ্চয়কৈ কৰিব লাগিব। আমি ৰাস্তা আৰু ভালকৈ নিৰ্মাণ কৰিবলৈ প্ৰচেষ্টা চলাম। মাননীয় বিধায়কৰ পৰামৰ্শখিনি গুৰুত্ব সহকাৰে লোৱা হৈছে। এই সংক্ৰান্তত মাননীয় বিধায়কগৰাকীক অৱগত কৰিব বিচাৰো যে মাটিৰে নিৰ্মাণ সামগ্ৰীৰ গুণগত মানদণ্ডৰ পৰীক্ষাৰ বাবে গুৱাহাটীত কেন্দ্ৰীয় ভাৱে The Assam Road Research and Training Institute আৰু জিলাভিত্তিক Rural Road Metro Management স্থাপন কৰা হৈছে। এই প্ৰতিষ্ঠানসমূহত অসমৰ পৰিৱেশৰ ওপৰত উপযোগী পথ নিৰ্মাণৰ অধ্যয়ন কৰোৱা হ'ব আৰু বৰ্তমানতকৈ অধিক পৰিমাণৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। প্ৰশিক্ষণ সমূহত উচ্চ পৰ্যায়ৰ কাৰিকৰী শিক্ষানুষ্ঠান আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিষ্ঠানৰ পৰা সহায় লোৱা হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, (তিতাবৰ)ঃ** অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো। মোৰ কথা এটা ক'বলৈ থাকি গ'ল। জীৱনত মই একেবাৰে শূন্য অৱস্থাৰ পৰা এইটো অৱস্থালৈ আহিলো। বহুত ধৰণৰ ব্যৱসায় কৰিলো। মোৰ অৱস্থা ভাল কাৰণে এটা সময়ত মোৰ ঘৰৰ ২ কিঃমিঃ ৰাস্তা ঠিক কৰি লৈছিলো। আমাৰ বিভিন্ন ঠাইৰ পৰা Bitumen procurement হয়। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে International bidding process ত Bitumen বোৰ কিনে। কিন্তু আমি গুণগত মানদণ্ড নথকা Bitumen যদি কিনো, তেন্তে ৰাস্তা বনোৱাৰ ২ বছৰ পিছত বৰষুণৰ পানীত সি ফুটা ওলাব। দ্বিতীয়তে, আমি ৰাস্তাবোৰ যদি চিমেণ্টেৰে কৰোঁ তেন্তে বৰষুণৰ বতৰত আমাৰ ৰাস্তাবোৰ ....interruptions...

**মাননীয় অধ্যক্ষ ঃ**ঠিক আছে।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, জলসম্পদ ইত্যাদিঃ** ঃ অধ্যক্ষ মহোদয়, তেখেতৰ পৰামৰ্শ মই গ্ৰহণ কৰিছো কিন্তু গুণগত মানদণ্ড নথকা Bitumen ক্ৰয় কৰা কথাটো মই নস্যাৎ কৰিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। কাৰ্য্যসূচী নং ১৪ টো থাকি গৈছিল। পোনাকন বৰুৱা।

**শ্ৰী পোনাকন বৰুৱা (চাবুৱা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ অধীনস্থ বিধায়ন সমিতিৰ ২৮ তম প্ৰতিবেদনখন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া শ্ৰী ৰূপক শৰ্মাই এটা কৃতজ্ঞতা জ্ঞাপন প্ৰস্তাৱ দাঙি ধৰিব।

**শ্ৰী ৰূপক শৰ্মা, (নগাওঁ)ঃ** অধ্যক্ষ মহোদয়, যোৱা সময়ছোৱাত প্ৰায় ৫ বছৰ ধৰি অসমৰ ১০ লাখ মানুহৰ আধাৰ কাৰ্ড বনোৱা বন্ধ হৈ আছিল। আমি সকলোৱে গম পাওঁ যে আধাৰ কাৰ্ডখনেই হৈছে মূল পৰিচয় পত্ৰ যাৰ অবিহনে ৰেচন কাৰ্ডৰ পৰা আৰম্ভ কৰি বেংকৰ একাউণ্ট খোলালৈকে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আছিল। এইটো কিয় বন্ধ হৈ আছিল আমি সকলোৱে জানো, ৰাজনৈতিক কাৰণত, এন.আৰ.চিৰ সময়ত। আগতে সমষ্টিত গ'লে আমাৰ প্ৰত্যেকগৰাকী বিধায়কৰ ওচৰত ৰাইজে আপত্তি কৰে। আমি জনাবলৈ পাই সুখী হৈছো যে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এই বিষয়টো কেন্দ্ৰীয় চৰকাৰক ধাৰাবাহিক ভাৱে অৱগত কৰি আছিল আৰু এই অসুবিধাবিলাক জনাইছিল, তাৰ ফলত কেন্দ্ৰীয় চৰকাৰে, ইয়াত যি biometric লোৱা কাম বন্ধ হৈ আছিল, সেইখিনি খুলি দি আৰম্ভ কৰাৰ ব্যৱস্থা কৰিছে। তাৰ বাবে অসমত এতিয়া লাখ লাখ মানুহৰ সুবিধা হ'ব। সেয়েহে, এই ছেগতে মই ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া, গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়া, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক ধন্যবাদ জনালো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

এটা কাৰ্য্যসূচী থাকি গৈছিল। এতিয়া মই কাৰ্য্যসূচী নং ১২টো লৈছো-

I now put the motion moved by Shri Aminul Islam at Item No. 12 to the vote of the House.

The question is that,

The motion be adopted.

Those in favour of, may say ‘Ayes’, those against, may say ‘No’

I think the ‘Ayes’ have it, the ‘Ayes’ have it, the ‘Ayes’ have it the motion is adopted.

এতিয়া পৰৱৰ্তী কাৰ্য্যসূচী -৩০১। শ্ৰীমতী সুমন হৰিপ্ৰিয়া।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া (হাজো)ঃ** শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, আজি গ্ৰাম্য অৰ্থনীতি আৰু পশুধনৰ ওপৰত বক্তব্য ৰাখিবলৈ গৈ মোৰ গাঁৱৰ এখন ছবি মনত পৰিছে, য'ত আমি গাইছিলো- 'শুৱনি আমাৰ গাওঁখন অতি, শুৱনি গছেৰে ভৰা, ডাল ভৰি ভৰি ফল ফুল লাগে, ক'ত পাওঁ তল সৰা'। গাঁৱৰ এই যিটো অৰ্থনৈতিক ব্যৱস্থা আছিল, সোণোৱালী ধান আছিল, গৰু-ছাগলী আছিল, বাৰীত শাক-পাচলি আছিল, গোহালিত গৰু, নদীপাৰত ম'হৰ খুঁটি, গৰুখুঁটি আছিল, এনেধৰণৰ টনকিয়াল গাঁওহে সাধাৰণতে অৰ্থনৈতিকভাৱে সবল হয় আৰু দেশৰ অৰ্থনীতিত greatly contribute কৰে। সেয়েহে, আজি আমাৰ চৰকাৰে কৃষকৰ কাৰণে ইমানখিনি কাম কৰিছে, উন্নত বীজ প্ৰদানৰ পৰা ধানৰ উচিত মূল্য প্ৰদান কৰিছে, advance technology ব্যৱহাৰ কৰিছে আৰু infrastructurally সহায় কৰিছে, যেনে জলসিঞ্চন পদ্ধতি আজি কালি বহুত ভাল হৈ পৰিছে। জলসিঞ্চন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই নিজে তদাৰক কৰি solar pump set দি আহিছে, বানপানী ৰোধৰ কাৰণে আমাৰ চৰকাৰে বহুত কেইটা মথাউৰিও বনাইছে। গতিকে ইমানখিনি আমাৰ হৈছে। আৰু এটা নতুন central scheme ঘোষণা কৰিছে, যে কেন্দ্ৰীয় চৰকাৰে infrastructural fund দি আছে। গতিকে ইমানখিনি সুবিধা দিয়াৰ পিছতো, advance technology ৰে খেতি বাতি কৰাৰ সুবিধা দিয়াৰ পিছতো মূল উদ্বেগৰ কাৰণ হৈছে আমাৰ কৃষক সকলৰ কৃষি কৰ্মৰ প্ৰতি অনিহা কিয় আহিছে। আজি কালি কৃষকে কৃষি কামৰ কাৰণে বহুত হাজিৰা দিব লাগে, সেই হিচাপ কৃষকৰ income নহয়, খেতিত লাভ নহয়। গতিকে খেতি মাটি বিক্ৰী কৰি চহৰলৈ ধাৱমান হৈছে। যি আগতকে খেতি কৰি মালিক আছিল, আজি কালি তেওঁলোকে কোম্পানীসমূহ বা অন্য ঠাইত শ্ৰমিক হৈছে, চকিদাৰ হৈছে আৰু চহৰত আহি কঠিন জীৱন যাপন কৰিছে। এয়া হ'ল মোৰ উদ্বেগৰ কাৰণ।

আৰু আগত গাঁওসমূহত যিমান পশুধন আছিল, সেই পশুধন কমি আহিছে। গাওঁসমূহৰ গোঁহালীত গৰু, ম'হ নোহোৱা হৈ আহিছে। সেই পশুধন বিলাকক পশুসম্পদ কৰি স্বাৱলম্বী হোৱাৰ বহুত ৰাস্তা আছিল। এতিয়া গুৱাহাটী চহৰতে কিমান গাখীৰৰ চাহিদা। এই চহিদাৰ সুযোগ লৈ বহুত অসাধু ব্যৱসায়ীয়ে আজি কালি নকল গাখীৰৰ পৰিমাণ বৃদ্ধি কৰিছে। যদি গাঁৱে গাঁৱে পশুধন পশুসম্পদ কৰি পেলাই কিবা কৰিব পাৰিলো হেতেন, তেতিয়া হলে চহৰত গাখীৰৰ চাহিদা গাঁৱৰ পৰা পূৰণ হ'ব পাৰিলেহেঁনেত এইখিনি মোৰ উদ্বেগৰ কাৰণ।

আমি বিভাগে বিচাৰো যে ইমান দিনে খেতিত ইউৰিয়া ব্যৱহাৰ কৰি আছিল। ইউৰিয়া ব্যৱহাৰ কৰোতে কৰোতে এতিয়া এনেকুৱা এটা পৰ্য্যায় পাইছে, আমি যদি খেতিত ইউৰিয়া নিদিওঁ, তেতিয়া হলে শস্য নহয়। গতিকে এতিয়া বিশেষ অৰ্থনৈতিক পেকেজ ঘোষণা কৰিব লাগে কৃষক আৰু গোঁ-পালকৰ বাবে। কাৰণ we have to reverse the process, যে মাটিৰ যি গুণগত মানদণ্ড কমি আহিছে, গতিকে ইয়াৰ কাৰণে যথেষ্ট পৰিমানে অৰ্থৰ প্ৰয়োজন হ'ব।

তাৰোপৰি, কৃষক আৰু গোঁ-পালক সকলক আকৰ্ষিত কৰিবৰ কাৰণে চৰকাৰৰ ফালৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। তাৰোপৰি, আমাৰ নতুন প্ৰজন্মক আকৰ্ষিত কৰিবৰ কাৰণে শিক্ষা বিভাগৰ ফালৰ পৰাও পাঠ্যপুথিত Rural economy এটা বিষয় হ'ব, তেতিয়াহে আকৰ্ষণটো বাঢ়ি আহিব। Rural economy বিষয়টোৱে গাঁৱৰ খেতিবাতি আৰু গৰু, ম'হ পালন এনেকুৱা ধৰণৰ ব্যৱস্থাৰ পৰা কিমান অৰ্থনৈতিক ভাৱে সবল হ'ব পাৰে, সেইটো বুজি পাব।

মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক জনাব বিচাৰিছো যে বৃটিছ যেতিয়া ভাৰতলৈ

আহিছিল, তেতিয়া দেখিছিল যে ভাৰতৰ জনসাধৰণে কিয় আমাক গুৰুত্ব নিদিয়ে, তেতিয়া তেওঁলোকে প্ৰমাণ পালে যে গাঁৱত খেতি ভাল হয় আৰু সেই সময়ত গৰু, ম'হৰ খুটি আছিল। গতিকে সেই অৰ্থনৈতিক ব্যৱস্থা ধ্বংস কৰিবৰ কাৰণে গৰু, ম'হ সমূহ তেওঁলোকে জব্দ কৰিলে আৰু খেতিমাটি বিলাক বাজেয়াপ্ত কৰিলে। গতিকে সেই একে ব্যৱস্থাত এতিয়া আমি মুখামুখি হ'বলৈ গৈ আছো নেকি? আমি economic জেহাদৰ ফালে গৈ আছো নেকি? কাৰণ এতিয়া বহুত দাম দি খেতি মাটি বিলাক বহিৰাগত মিঞাই কিনি আহিছে। এই পৃষ্ঠপোষকতা ক'ৰ পৰা পাইছে। ইমান পইচা ক'ৰপৰা পাইছে। গতিকে ইয়াৰ এটা তদন্ত হ'ব লাগে আৰু এতিয়া শাক-পাছলি, মাছ আদি ক'ত যাব, সেইটো আজি বহিৰাগত বেপাৰীয়ে আজি control কৰে লগতে তাৰ মূল্য কিমান হ'ব, সেইটোও তেওঁলোকে control কৰে। বিলাসী গাড়ীত গৰু চোৰ কৰে। গতিকে economy ধ্বংস কৰিবৰ কাৰণে এইটো এটা planning । গতিকে আমি এতিয়াই সাবধান হ'ব লাগিব। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ যি সপোন যে আমাক economically self sufficient, আমাৰ খিলঞ্জীয়াৰ স্বাৰ্থৰ কাৰণে অব্যাহত ৰাখিবৰ কাৰণে কৃষি বিভাগৰ অতিকৈ সহযোগ লাগিব।

**মাননীয় অধ্যক্ষ** ঃ কৃষি বিভাগৰ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, কৃষি বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয়া সদস্যা শ্ৰীমতী সুমন হৰিপ্ৰীয়া ডাঙৰীয়নিক মই ধন্যবাদ জনাইছো, তেখেতে অসমৰ গাঁৱৰ অৰ্থনৈতিক ব্যৱস্থা আৰু কৃষি আৰু পশুপালনৰ জৰিয়তে শীৰ্ষক বিষয়টোৰ ওপৰত বিভাগীয় মন্ত্ৰী হিচাপে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে আৰু আজি তেখেতে আলোচনাত অংশ লৈ যিটো কবিতা আবৃতি কৰিছে "শুৱনি আমাৰ গাঁওখনি অতি শুৱনি গছৰে ভৰা, ডাল ভৰি ভৰি ফল ফুল লাগে, ক'ত পাওঁ তল সৰা" , সেই প্ৰাইমেৰি স্কুলত পঢ়া দিনলৈ আমাৰ মনত পৰিছে। হয়, আমাৰ ৰাজ্যখনত গৰিষ্ঠ সংখ্যক ৰাইজে কৃষক। আমাৰ ৰাজ্যখন এখন কৃষি প্ৰধান ৰাজ্য। কিন্তু আমাৰ ৰাজ্যখনৰ কৃষক সকল হৈছে উপান্ত কৃষক আৰু আমি গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ অধিক শক্তিশালী কৰিব পাৰিম, যদিহে আমি কৃষি আৰু আনুসংগিক খণ্ডৰ ওপৰত গুৰুত্ব আৰোপ কৰো।

অসমৰ ৰাইজ পৰম্পৰাগতভাৱে কৃষি আৰু আনুসংগিক খণ্ডৰ লগত জড়িত, গৰু, গাই, ম'হ, ছাগলী, গাহৰি, হাঁহ-পাৰ, এইবিলাক পো-পালন কৰে। ঠিক তেনেকৈ অসমৰ বেছিভাগ মানুহে ধান, সৰিয়হ আদিৰ খেতি কৰে। কিন্তু বৰ্তমান সময়ত মাননীয় মূখ্যমন্ত্ৰী মহোদয়ৰ দূৰদৰ্শী নেতৃত্বত বাণিজ্যিক মূল্য থকা খেতিত আত্ম নিয়োগ কৰিছে। তাৰ কাৰণে আমাৰ চৰকাৰখনে কৃষক সকলক যথেষ্ট support দিছে। কেন্দ্ৰীয় চৰকাৰৰ RKVY, NFSM, HMNEH, MOVCD এনেদৰে বিভিন্ন আঁচনিৰ জৰিয়তে কৃষকসকলক উপকৃত কৰিছে। আটাইতকৈ ডাঙৰ কথা যে দেশৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই দেশখনৰ কৃষক ৰাইজৰ আৰ্থিক পৰিবৰ্তন আনিবৰ কাৰণে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। তাৰ ভিতৰত আপোনালোকে জানে যে তেখেতে তৃতীয় বাৰৰ বাবে প্ৰধানমন্ত্ৰী হোৱাৰ পিছত প্ৰথম চহী কৰা ফাইলটোৱে হ'ল PM Kisan। ইয়াৰ পৰা আমাৰ ৰাজ্যখনেও উপকৃত হৈছে। ১৭ তম কিস্তিত অসমৰ ১৭লাখতকৈও অধিক খেতিয়কে প্ৰায় ৩৪১ কোটি টকা DBT ৰ জৰিয়তে নিজৰ account ত লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও, প্ৰধানমন্ত্ৰীৰ ফচল বীমা যোজনাৰ জৰিয়তে আমাৰ কৃষকসকল উপকৃত হৈছে আৰু বিভিন্ন আঁচনিৰ জৰিয়তে কৃষিখণ্ডলৈ এক যোগান্তকাৰী পৰিবৰ্তন আহিছে।

মাননীয়া সদস্যা গৰাকীয়ে কেতবোৰ কথা কৈছে, যিবিলাক কথা আমাৰ উদ্বেগৰ বিষয়।

আমি তেখেতক আশ্বস্ত কৰি এই সন্মানীয় সদনত ক'ব খোজে যে মাননীয় মূখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সবল নেতৃত্বত ৰাজ্যখনত এক তেজস্বীক কৰ্ম সংস্কৃতি আৰু কৰ্মচাঞ্চল্যৰ সৃষ্টি হৈছে। সেই কৰ্ম সংস্কৃতি আৰু কৰ্মচাঞ্চল্যই আমাৰ ৰাজ্যখনত কৃষক আৰু পশুপালক সকলক উপকৃত কৰিছে। মূখ্যমন্ত্ৰী ডাঙৰীয়াৰ সপোন যে আমাৰ ৰাজ্যখন দেশৰ অগ্ৰনী পাঁচখন ৰাজ্যৰ তালিকাত অন্তৰ্ভূক্ত হ'ব লাগে আৰু তাৰ বাবে তেখেতে বিশেষভাৱে কৃষি আৰু আনুসংগিক খণ্ডৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এতিয়া শেহতীয়াকৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি আঁচনিৰ কথা ঘোষণা কৰিছিল, AAA আমি দেখিলো যে সেই আঁচনিত অন্তৰ্ভূক্ত হ'বৰ বাবে ৰাজ্যখনৰ বেছিভাগ যুৱক-যুৱতীয়ে কৃষি আৰু আনুসংগিক খণ্ডতে আবেদন কৰিছে। তাৰ কাৰণে যিখিনি তেওঁলোকক প্ৰশিক্ষণ লাগে তাৰ ব্যৱস্থাও মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৰিছে। ইয়াৰ জৰিয়তে তেওঁলোকে জীৱন আৰু জীৱিকাৰ সন্ধান কৰিবলৈ আগবাঢ়িছে।

মাননীয় অধ্যক্ষ মহোদয়, আটাইতকৈ ডাঙৰ কথা যে আমাৰ কৃষকসকলে যাতে আমাৰ ৰাজ্যখনত প্ৰথম শ্ৰেণীৰ নাগৰিকৰ মৰ্য্যদা লাভ কৰে, তাৰ কাৰণে কৃষক সকলে উৎসাহিত কৰিবলৈ অসম গৌৰৱ বা বিভিন্ন উপাধিৰে বিভূষিত কৰিছে। তাৰ উপৰিও, চিৰাং জিলাৰ খৰ্গেশ্বৰ বসুমতাৰীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱাৰ লগতে নাৰী শক্তিৰ প্ৰতীক শোণিতপুৰ জিলাৰ জয়মতী কৃষক উৎপাদন সমিতিক ৰাষ্ট্ৰীয় অটল গৌৰৱ সন্মানৰে বিভূষিত কৰা হৈছে। ইয়াৰ উপৰিও, মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন প্ৰাকৃতিক দূৰ্য্যোগত ক্ষতিগ্ৰস্ত কৃষকে যাতে ক্ষতি পূৰণ সময়মতে লাভ কৰে, তাৰ বাবে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ ৰূপায়নত অগ্ৰাধিকাৰ ভিত্তিত গুৰুত্ব আৰোপ কৰিছে। অকল ২০২৪ বৰ্ষৰ খৰালি বতৰতে আমি দেখিছো যে ৫,৩০,০০০ কৃষকে ফচল বীমা যোজনাৰ অধীনত নিজৰ নাম পঞ্জীয়ন কৰিছে। ২০২৩ বৰ্ষত খাৰিফ বতৰলৈ প্ৰধান মন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত মুঠ ১৬৮ কোটি ৮৮ লাখ টকা ক্ষতিগ্ৰস্ত সকলে লাভ কৰিবলৈ সক্ষম হৈছে. বানপানীয়ে আমাৰ ৩৪ জিলাত ক্ষতি কৰিছে আৰু বানপানীৰ সময়ত জোৰা মাৰিব পৰাকৈ প্ৰত্যেক বছৰে বানপানী তাৰ কাৰণে community নাৰ্চাৰী কৰা হৈছিল আৰু ইয়াৰ উপৰিও ৪৯ হাজাৰ হেক্টৰ কৃষিভূমিত ল'ব পৰাকৈ বানপানীত খহনজাত বীজ যেনে-নুমলী, বীনা -10, বীনা-11 এনেধৰণৰ। মাননীয় অধ্যক্ষ মহোদয়, climate change টো আমাৰ কাৰণে ডাঙৰ প্ৰত্যাহ্বান তাৰ কাৰণে বিভিন্ন ব্যৱস্থাও লৈছো যাতে flood tolerent কৃষি বিশ্ববিদ্যালয় ইতিমধ্যে উদ্ভাৱন কৰি উলিয়াইছে আৰু land holding কথাটো শ্ৰীমতী সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানিয়ে কৈছিল আৰু এইক্ষেত্ৰত আমি এই সমস্যাৰ দূৰীকৰণৰ কাৰণে আমি যথেষ্টা গুৰুত্ব আৰোপ কৰিছো আৰু APART, NABARD ৰ জৰিয়তেও ৰাজ্যখনত FPC যিহেতু আমাৰ কৃষকসকলৰ কথা মই উল্লেখ কৰি গৈছো। খেতিয়ক সকল আৰু উপান্ত খেতিয়ক সকল তেওঁলোকে যাতে সংগঠিত ৰূপত যাতে তেখেতসকলে কাম কৰিব পাৰে, আগবাঢ়িব পাৰে আৰু আটাইতকৈ ডাঙৰ কথা আমি Agri Export ত যথেষ্ট সফল হৈছো। কাৰণ Assam Lemon State food হিচাপে ঘোষণা কৰাৰ পিছত আমি দেখিছো যে বিদেশৰ বজাৰতো চাহিদা হৈছে। ঠিক তেনেকৈ ভোট জলকীয়া, ৰঙালাও, লিচু, আনাৰস, আদা, হালধি এইবিলাকো আমি প্ৰেৰণ কৰিবলৈ সক্ষম হৈছো আৰু পূৰ্বৰ তুলনাত ৮৫ শতাংশ বৃদ্ধি পাইছে আৰু এপেডাই কৈছে যে ১০ হাজাৰ কোটি টকা কৃষিজাত সামগ্ৰী আমি ২০২৬-২৭ চনত আমি export কৰিবলৈ সক্ষম হ'ম। ইয়াৰ উপৰিও KVK গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। তেখেতে কৈছে যে সাৰৰ সুষম ব্যৱহাৰত আমি গুৰুত্ব দিছো যিখিনি মাটিৰ উৰ্বৰতাৰ কথা কৈছে Neno Urea ব্যৱহাৰত আমি গুৰুত্ব আৰোপ কৰিছো। Soil

Health Card দিছো আৰু এনেধৰণৰ নতুন প্ৰযুক্তিয়ে কৃষক সকলৰ মনত আশাৰ সঞ্চাৰ সৃষ্টি কৰিছে। আমি শেহতীয়াকৈ Digital Crop Survey ২৯ খন জিলাত আমি আৰম্ভ কৰিছো আৰু এই digital crop survey ৰ জৰিয়তে ৰাজ্যখনৰ কৃষক সকলে বছৰটোৰ কোনটো সময়ত কি শস্যৰ খেতি কৰি আছে। Animal Husbandry Sector ৰ তেখেতে দুটামান কথা কৈছে এইখিনি ক'লে ভাল পাম। আমি সকলোৱে জানো যে, মাছ, মাংস, কণী উৎপাদনত আমাৰ ৰাজ্যখন স্ব-নিৰ্ভৰশীল হোৱা নাই। স্ব-নিৰ্ভৰশীল হ'বৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছো। কিন্তু এতিয়া দেখা গৈছে যথেষ্ট পৰিমাণে গাখীৰ উৎপাদনত আমি স্ব-নিৰ্ভৰশীল হ'ব পাৰিছো। আমাৰ ৰাজ্যখনত ২৯ লাখ লিটাৰ দৈনন্দিন গাখীৰ উৎপাদন হয় আৰু অতিৰিক্ত ১০ লাখ লিটাৰ গাখীৰ উৎপাদন কৰিবৰ কাৰণে NDDB ৰ লগত বুজাবুজি হৈছে। NDDB য়ে ইতিমধ্যে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ১ লাখ লিটাৰকৈ process কৰিব পৰাকৈ কেইবাটাও processing plan নিৰ্মাণ কৰিছে তাৰ কাৰণে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ উপৰিও কণী, মাংস উৎপাদনৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনে যথেষ্ট আগবাঢ়িবলৈ সক্ষম হৈছে। মই ইয়াত যিখিনি note কৰিছিলো মই সদনত lay কৰি দিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি lay কৰি দিব। মাননীয় সদস্য শ্ৰী বিশ্বজিৎ ফুকন। ২ মিনিটত আপোনাৰ কথাখিনি ক'ব।

**শ্ৰী বিশ্বজিৎ ফুকন, (সৰুপথাৰ) ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, মই ক্ৰীড়াৰ ক্ষেত্ৰত বিশেষ কথা এটা ক'ব বিচাৰিছো। কথাটো যে ক্ৰীড়াৰ যিবিলাক সংগঠন আছে, এই সংগঠন বিলাকে আমাৰ গাঁৱে-ভূঞে প্ৰত্যেকটো অঞ্চলৰ পৰা ক্ৰীড়া প্ৰতিভাসমূহ উলিয়াই আনিব লাগে। কিন্তু সংগঠন বিলাকৰ যিটো সাংগঠনিক কাঠামো, এই বিষয়টো সমানুপাতিক নহয়। আজি Olympic Association য়ে কোন কোন জিলাৰ ক্ৰীড়া সংস্থাক affiliation দিছে সেই কথাটো আলোচনা হয়। কাৰণ Olympic ৰ জৰিয়তে খেলিবলৈ যায়। কৰবাত দেখা যায় যে কোনোবা এখন মহকুমা, যি মহকুমাক লৈ যি ক্ৰীড়া সন্থা গঠন হৈছে, সেই মহকুমাটোক তেওঁলোকে স্বীকৃতি দিছে আৰু কোনোবা ঠাইত মহকুমা ভিত্তিত জিলা ক্ৰীড়া সন্থাবিলাকক স্বীকৃতি দিয়া নাই। এই কথাটো ক্ৰীড়া সন্থা সমূহৰ বেলেগ বেলেগ ক্ৰীড়া সন্থাৰ কথা যেতিয়া আমি চাওঁ, আজি Football Association য়ে অসমৰ প্ৰত্যেকটো মহকুমাভিত্তিত জিলা ক্ৰীড়া সন্থাক তেওঁলোকে affiliation দিছে তেওঁলোকৰ inter district football competition হয়। কিন্তু ক্ৰিকেট প্ৰতিযোগীতাত জিলা ভিত্তিত বুলি কোৱা কাৰণে বহুক্ষেত্ৰত এনেকুৱা হয় যে জিলা সদৰত থকা মহকুমাটোক লৈ যিটো ক্ৰীড়া সন্থা গঠন হয়, গোটেই জিলাখনত প্ৰতিনিধিত্ব নকৰে, সেই মহকুমাটোৱে affiliation টো পায় কাষৰ মহকুমাকেইটাই নাপায়। উদাহৰণ স্বৰূপে আজি গোলাঘাটৰ ক্ষেত্ৰত যদি চাওঁ, গোলাঘাটৰ ৩ খন জিলাত ক্ৰীড়া সন্থা আছে বোকাখাত, গোলাঘাট আৰু ধনশিৰী। কিন্তু গোলাঘাট মহকুমাভিত্তিত গোলাঘাট জিলাই ক্ৰীড়া সন্থাই তেওঁলোকৰ নামটো গোলাঘাট হোৱাৰ কাৰণে Olympic, Cricket Association সকলোতে তেওঁলোকে affiliation পায়। কিন্তু ধনশিৰীৰ ক্ৰীড়া সন্থাই কিছুমান ক্ৰীড়া সন্থাত affiliation পায়। তাত খেলিব পাৰে। এতিয়া cricket খেলিবলৈ হ'লে গোলাঘাট ক্ৰীড়া সন্থালৈ যাব লাগে যিটো সম্ভৱ নহয়, তথাপিটো ধনশিৰী যিহেতু ক্ৰীড়াৰ প্ৰতিভা, সৰুপথাৰ যিহেতু ক্ৰীড়াৰ প্ৰতিভাৰ কেন্দ্ৰস্থল, গোলাঘাট জিলাৰ ক্ৰীড়া সন্থাৰ মাজেৰে গৈ inter district cricket club competition ত district champion অনাৰ সৰুপথাৰ দল হৈছে। আজি লাভলীনা বৰগোঁহাইৰ কথা আমি

কওঁ, নয়নমনিৰ কথা কওঁ যিসকলে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত সৰুপথাৰৰ পৰা প্ৰতিনিধিত্ব কৰি উজ্বলি উঠিছে তেওঁলোকে কিন্তু সৰুপথাৰক প্ৰতিনিধিত্ব কৰিব পৰাকৈ সৰুপথাৰৰ ক্ৰীড়া সন্থাক স্বীকৃতি আৰু আবেদন কৰাৰ পাছতো athletics য়েই হওক, cricket য়েই হওক, olympic য়েই হওক এইবিলাকৰ affiliation ৰ ক্ষেত্ৰত সমস্যা হৈছে। গতিকে এই বিষয়টো সমানুপাতিক এটা uniform decision হ'ব লাগে। মই ক্ৰীড়া মন্ত্ৰীক এইটোৰেই অনুৰোধ জনাও যে মহকুমাভিত্তিত হওঁক নহ'লে জিলা ক্ষেত্ৰতো যদি হয়, প্ৰত্যেকখন জিলাত জিলাভিত্তিত ক্ৰীড়া সন্থা হওক। নহ'লে নতুনকৈ আমাৰ সমজিলা হ'ব বা co-district হ'ব সকলোৰে ক্ৰীড়াত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister.

**শ্ৰীমতী নন্দিতা গৰ্লোচা, ক্ৰীড়া মন্ত্ৰী ঃ** Hon'ble Speaker Sir, it has been well defined by the Hon'ble MLA itself only. The Department of Sports and Youth Welfare Government of Assam is not the competent authority to affiliate and recognized the District Sports Association in the State. The reason is the Ministry of Youth Affairs and Sports Government of India has issued National Sports Development code in 2011 where the guidelines for recognition and affiliation of National Sports Federation have been detailed. It since that at the National Level, there will be only one recognized federation for each discipline of sport. Only one State or Human Territorial Association from each State or Human Territory shall be admitted as a member of the federation. Provided it has a minimum of 50% of the District Level Associations affiliated to it. Hence, the seat Level Associations which are affiliated to the National Sports Federation should have a minimum number of the affiliated District Level Associations. So, the State Sports Association have the own Constitutions and Rules for the smooth functioning and according to the Article 7.1.1 of the Constitution the Assam Olympic Association affiliates the State Sports Association of the Olympic recognized sports which he also have mentioned it and as per Article 7.2.1 at the Constitution, the Assam Olympic Association is the authority to recognized the District Association of the Sports discipline approved by the Indian Olympic Association. So, when the cricket has been mentioned, it is not under the ambit of the Sports Department. Hence, the matter of affiliation of the District Sports Association does not fall within the purview of the Department of the State and Youth Welfare, Government of Assam. Thank you.

**মাননীয় অধ্যক্ষ ঃ** Thank you. মাননীয় সদন আমাৰ বিল আছে, আৰু Private Members

resolution ৰ motion আছে। গতিকে যদি continue কৰো সোনকালে শেষ হ'ব। fkvdlg আজি আমাৰ ১১.৩০ বজা ত adjourment as per the rule.

**শ্ৰী পীয়ুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি নালাগে। আমাৰ যেতিয়া session হ'ব, তেতিয়া পৰা শুকুৰবাৰটো Rule Committe ত decision হৈছে continue কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, কেৱল lay কৰক। আজি সময়ো নাই।

**শ্ৰী পীয়ুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি দি দিয়ক আগৰ system তে যাওঁক।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আপুনি lay কৰিছে বুলি কওঁক, adjournment মই announce কৰিম।

**শ্ৰী হেমাংগ ঠাকুৰীয়া, (পলাশবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই lay কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Lay কৰিছো বুলি কওক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থঃ(উত্তৰ কৰিমগঞ্জ সমষ্টি)ঃ**— অধ্যক্ষ মহোদয়, আমি ধন্যবাদ জানাই মুখ্যমন্ত্ৰীকে জাগিরোডে সেমি কন্ডাক্টর ইন্ডাস্ট্রি করার জন্য। বরাক ভ্যালিতেও যাতে এরকম একটা ইন্ডাস্ট্রি হয় প্রায় ৩০০০ মিটার জায়গা নিয়ে তারজন্য মুখ্যমন্ত্ৰীর বিচক্ষনতা চিন্তাধারা যাতে এগিয়ে নিয়ে যায় সেটাই কামনা করছি।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। The House is adjourned till 2.00 PM.

**মাননীয় অধ্যক্ষৰ আসনত মাননীয় উপাধ্যক্ষ উপবিষ্ট।**

**শ্ৰী হেমাঙ্গ ঠাকুৰীয়া, বিধায়ক (পলাশবাৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰশ্ন এটা উত্থাপন কৰিছিলো, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰটো বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী যোগেন মোহন, মাননীয় মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদ, মাননীয় বিধায়ক হেমাঙ্গ ঠাকুৰীয়াই এটা প্ৰশ্ন উত্থাপন কৰিছিল। যিসকল ব্যক্তিৰ ৪৫ বছৰ ধৰি বসবাস কৰি আছে সেইখিনি স্পেচিয়েল ফ্ৰী চিলিং গ্ৰাউণ্ডত আছে। আমি আজি এখন Fixation of Land Holding ৰ Bill আনিম। সেইখন পাচ হৈ গ'লেই এই সমস্যাটো সমাধান হ'ব। তেওঁলোক মোৰ ওচৰলৈও আহিছে। এই ৫০০ বিঘা মাটিত বসবাস কৰি থকা পৰিয়ালৰ সংখ্যা ২৫০ টা। আমি টি পীৰিয়ডিক মাটিৰ কোৰ্টত ক্লাচ চেঞ্জ কৰিব নোৱাৰো। ক্লাচ চেঞ্জৰ আইনখন অহাৰ লগে লগে তেওঁলোকৰ সমস্যাটো সমাধান হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই কমলাক্ষ্য দেৰৰ উত্তৰটো দিব।

**শ্ৰী বিমল বৰা, মাননীয় মন্ত্ৰী, উদ্যোগ ইত্যাদি বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য কমলাক্ষ্য দেৱে পাঁচগ্ৰামত থকা কাছাৰ কাগজ কলৰ সম্পৰ্কত এটা প্ৰশ্ন উত্থাপন কৰিছে। হিন্দুস্থান পেপাৰ কৰ্পোৰেশ্যন লিমিটেডৰ দুটা কাগজ কলৰ এটা হ'ল নগাওঁ পেপাৰ মিল আৰু আনটো হ'ল কাছাৰ পেপাৰ মিল। বিভিন্ন কাৰণত ভাৰত চৰকাৰৰ এই সংস্থা দুটা লোকচানৰ সন্মুখীন হোৱাৰ ফলত এই কল দুটাৰ সম্পত্তি Liquidate কৰিবৰ বাবে NCLAT লৈ হস্তান্তৰ কৰা হয়। পৰৱৰ্তী সময়ত এই সম্পত্তিখিনি নিলাম কৰিলে। তেতিয়া অসম চৰকাৰে নগাওঁ পেপাৰ মিল, কাছাৰ পোপৰ মিল আৰু কলিকতাত অৱস্থিত কৰ্পোৰেট হেডকোৱাৰ্টাৰ এই সকলোখিনি অসম চৰকাৰে প্ৰায় ৩৭৫ কোটি টকাৰে ক্ৰয় কৰিলে। এই কাগজ মিল সমূহত কৰ্মৰত যিসকল

ব্যক্তি আছে তেওঁলোকৰ যি অভাৱ-অভিযোগ আছিল সেইখিনি দূৰ কৰিবলৈ অতিৰিক্ত প্ৰায় ৪৩৫ কোটি টকা ব্যয় কৰি গোটেই সমস্যাটো সমাধান কৰিলে। পৰৱৰ্তী সময়ত পাঁচগ্ৰাম কাগজ কলৰ অসম চৰকাৰে প্ৰায় ২৯১৬ বিঘা মাটি মাটি ক্ৰয় কৰিলো। এই মাটিৰ ৮১৮ বিঘা সমতল ভূমি, ৯৯৮ বিঘা অৰ্ধ পাহাৰীয়া, ১১০০ বিঘা মাটি সম্পূৰ্ণৰূপে পাহাৰীয়া মাটি। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দূৰদৰ্শী সিদ্ধান্তৰ কথা আপোনালোক সকলোৱে জানে। Industry Policy এমেণ্ডমেণ্ট কৰি Customized Policy লৈ ৰূপান্তৰিত কৰিছে। য'ত এশ কোটি টকা বিনিয়োগ কৰিলো আৰু দুশ এমপ্লয়মেণ্ট জেনেৰেট কৰা হ'ল। আমি বিনিয়োগকাৰী সকলৰ লগত কথা-বাৰ্তা পাতি তেওঁলোকক অসমত উদ্যোগ স্থাপন কৰিবলৈ সহাৰি আগবঢ়াওঁ। তাৰ ফলত আমাৰ অসমত বহু বিনিয়োগকাৰীৰ আগমণ ঘটিছে। আমি প্ৰায় ২৫ টা বৃহৎ বিনিয়োগকাৰীৰ লগত অসম চৰকাৰে MOU চুক্তি স্বাক্ষৰ কৰিছো। তাত প্ৰায় ১৩৯১৭ কোটি টকাৰ বিনিয়োগ অসমলৈ আহিছে। পোনপটীয়াকৈ প্ৰায় ৬৫৭ জনৰ এমপ্লয়মেণ্ট পাব আৰু প্ৰত্যক্ষ ভাৱে ১১৯২৫ জনে কৰ্মসংস্থাপন পাব। এই বিনিয়োগসমূহ বিভিন্ন পৰ্য্যায়ত আছে। নগাওঁ পেপাৰ মিলৰ মাটিত ইতিমধ্যে চেমি কণ্ডাক্টৰৰ কাম আৰম্ভ হৈছে। সেইটোৱে আগন্তুক দিনত অসমত নবজাগৰণৰ সূচনা হ'ব। তাৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী মহোদয় আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি উদ্যোগ গ্ৰহণ কৰিলে সেইটো অসমৰ ইতিহাসত চিৰদিনৰ বাবে লিপিবদ্ধ হৈ থাকিব। আমাৰ বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থদেৱে পাঁচগ্ৰামৰ মাটিত আমি কি কৰিম সেই সম্পৰ্কে জানিব বিচাৰিছে। আমি প্ৰায় ১৩৪ বিঘা মাটি নুমলীগড় ৰিফাইনেৰীক যোৱা তিনি মে' তাৰিখে আবণ্টণ দিছো। তাত Rail Filled Product Terminal তাত স্থাপন কৰিব। ইতিমধ্যে তেওঁলোকে জৰীপৰ কাম আৰম্ভ কৰিছে। এই প্ৰকল্পটো প্ৰায় ২০৫ কোটি টকাৰ পুঁজি সাপেক্ষে নিৰ্মাণ হ'ব আৰু এই প্ৰকল্পটো হ'লে পোনপটীয়াকৈ ৩০০ লোকৰ বাবে কৰ্মসংস্থাপনৰ সৃষ্টি হ'ব। কাগজ কল বন্ধ হোৱাৰ পিছত আমাৰ বাঁহ খেতিয়ক সকলে বাঁহ বিক্ৰীৰ ক্ষেত্ৰত সমস্যাত পৰিছিল। কিন্তু এতিয়া আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰামৰ্শ অনুসৰি এটা উদ্যোগৰ লগত কথা পাতিছো য'ত ২০০০ কোটি টকা ব্যয় সাপেক্ষে প্ৰায় ১৮৯০০ মান লোকৰ কৰ্ম সংস্থাপন সৃষ্টি হ'ব পৰাকৈ Bamboo to Ethanol (BTM) উদ্যোগ প্ৰতিষ্ঠা কৰাৰ কথা চলি আছে। ঠিক তেনেদৰে ২১২ বিঘা মাটিত মাল্টি মডেল ল'জিষ্টিক পাৰ্ক স্থাপন কৰা হ'ব। য'ত ৰেল পথ, পথ পৰিবহন, আভ্যন্তৰীণ জলপৰিবহন সংযোগ হ'ব। কাৰণ পাঁচগ্ৰামৰ লোকেশ্যন খুব সুন্দৰ। তাৰ কাষেৰে ৰেলৰে লাইন গৈছে। ৬০ বিঘা মাটিত আমি MSME ৰ এটা টেক্‌ন'লজি চেণ্টাৰ এটা স্থাপন কৰিবলৈ প্ৰয়াস কৰি আছো। মই ভাৱো এই আটাইবোৰ হৈ উঠিলে পাঁচগ্ৰাম অঞ্চলটো এটা ঔদ্যোগিক বাতাবৰণ গঢ়ি উঠিব। জাগীৰোড পেপাৰ মিলৰ মাটিত আমি যিধৰণে কাম কৰি আছো তেনেকুৱা ধৰণৰ বাতাবৰণ এটাৰ সৃষ্টি হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কৰ্য্যসূচী নং-১৯ । বিশেষ প্ৰস্তাৱ Under Rule 138. এই বিশেষ প্ৰস্তাৱটো মাননীয় সদস্য শ্বেৰমান আলী আহমেদ ডাঙৰীয়াৰ নামত আছে। তেওঁক প্ৰস্তাৱটো সদনত উত্থাপন কৰি ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

**Sherman Ali Ahmed, Hon'ble Member (Baghbar):** Hon'ble Deputy Speaker Sir,Under Rule 138,I do hereby move that keeping in view the following anomolies as reflected in the Independent Auditor's report Contained in the Thirty Sixth Annual Report Of Assam Min-

eral Development Coporation Limited for the yerar 2019-20 laid on the Table of the House on 26th Feb,2024 by the Minister of Mines and Minerals:-

(I) In respect of sale of core mercantile item.i.e coal, to the approved customers, the controlling mechanisim for selection of customers is not adequate, for which the Company may affect itself in revenue generation by hindering the entrance of new customers who can buy at higher rate, to which the reply of the management, that is "The area of oparation for local extraction is heavily infested with extremists is factual untrue;

(II) 'Deboters amounting to Rs. 37,76,247/ are very old and do not appear to be realizable.

(III)'The corporation has made a provision of Rs. 30,51,790/- against CSR activities, without actually incurring any expenditure even though it is legally required to do so under Section-135 of the Companies Act,2013 and

(IV) 'The EFPO admin charges is 0.50% w.e,f,01/06/2018.However, the Corporation has been paying the same @ 0.65%.

This House express its serious concern over the above mentioned anomolies and urge upon the Government to take appropriate action against those responsible for such anamolies and also to take effective steps to avoid occurrence of such anomolies in future."

মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত যি কেইটা ইছ্যু উত্থাপন কৰা হৈছে তাৰে যিটো প্ৰথম ইছ্যু অতি গুৰুত্বপূৰ্ণ। যিকেইটা বিষয় ইয়াত উত্থাপন কৰা হৈছে তাৰ ভিতৰত প্ৰথম যিটো বিষয় অত্যন্ত গুৰুত্বপুৰ্ণ । ইয়াত অডিটৰ ৰিপোৰ্টত ৰিফ্লেক্ট হৈছে যি কাষ্টমাৰ চিলেকচনৰ ক্ষেত্ৰত department did not act probably and for that the revenue of the department might have been affected. The reply of the department is very surprising. বিভাগে ৰিপ্লাই দিলে The area for properation for coal extraction is havily infected with extremist under the situation the corporation have been taking utmost care in selecting approve customers. Company has stopped salling land stock. এতিয়া মাননয়ী উপাধ্যক্ষ মহোদয়, আমাৰ যিখিনি মাইনচ্ এণ্ড মিনাৰেলচ্ আছে আমি ভাবো এইখিনি ইনভেন্টৰী যদি প্ৰপাৰ হয়, শুদ্ধ উপায়েৰে যদি এইখিনি বিক্ৰীৰ ব্যৱস্থা কৰা হ য় তেতিয়াহ'লে আমাৰ ৰাজ্য খনে যথেষ্ট ৰাজহ পাব । কিন্তু এই কয়লাৰ ক্ষেত্ৰত অকল ২০১৯-২০ ৰ বছৰেকীয়া প্ৰতিবেদনতেই নহয় ২০২০-২১ ৰ বছৰেকীয়া প্ৰতিবেদনতেই একেই উত্তৰ । সেই অঞ্চলটোৰ য'ৰ পৰা কয়লা খনন হয় যথেষ্ট সেই অঞ্চলটো উগ্ৰপন্থীৰে পৰিবিস্তৃত হৈ থকাৰ কাৰণে আমি কিছু কিছু চিলেক্টিভ কাষ্টমাৰকহে বিক্ৰী কৰিছো । মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বহু সময়ত ঘোষণা কৰি আহিছে যে আমাৰ

অসম এত্তিয়া উগ্রপন্থী মুক্ত। তেনে ক্ষেত্রত আপুনিও কাৰ্বি আংলংৰ। কাৰ্বি আংলংৰ সেই কয়লা বিক্রী কৰোটে কেনেকৈ উগ্রপন্থীৰ দ্বাৰা প্ৰভাৱন্বিত হয় তেওঁলোকে বেছিকৈ গ্ৰাহক আনি তেওঁলোকৰ তাত কয়লা খিনি বিক্রী কৰিব নোৱাৰিলে এইটো এটা ডাঙৰ প্ৰশ্ন। মই ভাবো হয়তো এটা চিণ্ডিকেট। আপুনি ভালকৈ জানিব তাত কিমান উগ্রপন্থী আছে। উগ্রপন্থীৰ কাৰণে কয়লা বিক্রী কৰিব পাৰিছেনে পৰা নাই আৰু বছৰৰ পিছত বছৰৰ কিয় থাকিব এইটো একেটাই উত্তৰ। গতিকে মই ভাবো এই উগ্রপন্থীৰ নাম লৈ আসাম মিনাৰেল ডেভেল'পমেন্ট কৰ্পোৰেশ্যনে হয়তো কিছুমানক চিণ্ডিকেট চলাবলৈ সুবিধা দিছে । নিৰ্দিষ্ট কিছু গ্ৰাহককহে কয়লা বিক্রী কৰি আছে আৰু তাৰ ফলত অসমে অডিটৰে বাৰে বাৰে কৈ আহিছে যে অসমে বহু পৰিমানৰ ৰাজহ হেৰুৱাইছে । গতিকে উপাধ্যক্ষ মহোদয়, এইটো বহুত গুৰুত্বপুৰ্ণ বিষয় । আশাকৰো যিহেতু আপোনাৰ জিলাৰে এইটো সেই কাৰণে মই আৰু দুটামান পইন্ট আছে কৈ লৈ আপোনাৰ পৰা ৰুলিং বিচাৰিম । তৃতীয় যিটো কথা ক'ব খুজিছো এইটো মাত্ৰ Independence Auditor Report. This is not the report of the Comptroller and Auditor General হে Comptroller and Auditor General বোৰে আমাৰ কমাৰ্চিয়েল আণ্ডাৰটেকিং চেক্টৰৰ ক্ষেত্ৰত অকল পৰিপুৰক হিচাপ নিকাচ কৰে আৰু এই অডিটত বাৰে বাৰে কৈ আছে মেটেৰিয়েল উইকনেচ, চাৰ্টাৰ্ড একাউন্ট জনে ৰিপোৰ্টটো দিওঁতে তেওঁ নিজকে দোষ মুক্ত কৰি কৈছে যে যিখিনি মেটেৰিয়েল তেওঁলোকে চাবমিট কৰিব লাগিছিলে আৰু যাৰ ফলত মই সম্পুৰ্ণ যিটো ৰিপোৰ্ট দিলো, অডিটৰে কৈ আছে এইটো ত বিভিন্ন ধৰণৰ ভুল তথ্য থাকিব পাৰে । অৰ্থাৎ এই Assam Mineral Development Corporation ত financial management is very poor. Accounting procedure has not been done properly and thats why perhaps the Auditor has been observing continosly that there is material weakness for which I do not guaranty that there may be mismatch in the financial statement or the obsevation of the independent auditor. তৃতীয় গুৰুত্বপুৰ্ণ কথাটো হ'ল- CSR activity. As per Company Act, 2013 প্ৰত্যেকটো কম্পানীয়ে চি এছ আৰু এক্টিভিটিৰ কাৰণে দুই শতাশ টকা খৰচ কৰিব লাগে । ইয়াত তেওঁলোকৰ ২০১৯-০২ চনৰ ৰিপোৰ্টত ওলাইছে যে ৩৫ লাখ টকা চিএছআৰ ৰ সেইখিনি খৰচ কৰা নাই । কিন্তু ইণ্ডিপেনডেন্ট অডিটৰৰ ৰিপোৰ্টত আৰু এটা কথা কোৱা হৈছে আচলতে চিএছ আৰ এমাউন্টো কিমান হ'ব লাগে । তাৰ কাৰণে উপযুক্ত তথ্য আমাৰ ওচৰত দাঙী নধৰাৰ কাৰণে আমি ক'ব নোৱাৰো আচলতে ৩৫ লাখ নে ৭০ লাখ নে ১ কোটি। So, House may visualize the amount of financial mismanagement that is happening in Assam mineral development corporation. ইয়াৰ উপৰিও মাননীয় উপাধ্যক্ষ মহোদয় এই চি এছ আৰৰ ক্ষেত্ৰত তেখেত সকলৰ এই বছৰৰ ৰিপোৰ্ট এটাত আকৌ একে কথাকে কৈছে । ১৫ লাখ টকা আমি চি এম ৰিলিফ ফাণ্ডত দিলো, ৫ লাখ টকা কাউঞ্চিলত দিলো কিন্তু মাননীয় উপাধ্যক্ষ মহোদয় ২০২০ চনত ক'ভিডৰ সময়ত There was a special provision that whatever amount to be given Prime Minister Relief Fund that may be treated as CSR activity but not in other type and not for any fund given to other sources. উদাহৰণস্বৰূপে তেওঁলোকে টি পোন্ধৰ লাখ টকা চি এম ৰিলিফ ফাণ্ডত দিয়া বুলি কৈছে দহ লাখ টকা লেণ্ড শ্লাইডৰ কাৰণে দিয়া বুলি কৈছে স্বায়িত্ব পৰিষদক । এই

গোটেই খিনি চি এছ্ আৰ এক্টিভিটি নহ'ব আচলতে । অৰ্থাৎ প্ৰথম কথা হ'ল চি এছ্ আৰ ত কিমান টকা খৰচ কৰিব লাগে সেইটো নিৰ্ধাৰণ কৰা হোৱা নাই অডিটৰে কৈছে । দ্বিতীয় কথা এই টকাখিনি প্ৰত্যেক বাৰ বৰ্ড মিটিংত তেওঁলোকে কয় এইটো কৰিম সেইটো কৰিম তাৰ কিছুদিন পিছত সেই সিদ্ধান্ত কাৰ্য্যকাৰী নহয় । আকৌ এটা সিদ্ধান্ত লয় এইটো কৰিম সেইটোও কাৰ্য্যকাৰী নহয় । এই ধৰণে মই ভাবো নিয়ম হ'ল য'ৰ পৰা এক্সট্ৰাকশ্যন কৰা হয়, ৰাইজৰ আশেপাষে থকা ৰাইজৰ উন্নয়নৰ কাৰণে আৰ্থ-সামজিক উন্নয়নৰ কাৰণে mainly to ameliorate the ill affects of extraction of mining activity এইখিনি কৰিব লাগিছিল কিন্তু নাই কৰা উপাধ্যক্ষ মহোদয় । মই ভাবো আপোনাৰ কাৰণে গুৰুত্বপুৰ্ণ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য আপুনি যে কাৰ্বি-আংলংৰ কথাটো কৈছে কাম হোৱা নাই বুলি বিশেষভাবে তাত উল্লেখ কৰিছে নেকি কাৰণ I am the member of the District Mineral Foundation মোৰ সমষ্টিত তাত ড্ৰিকিংঙ ৱাটাৰৰ কাৰণে ১.৬৭ কোটি টকা প্ৰজেক্টৰ কাম চলি আছে, স্কুলৰ বাউণ্ডেৰীৰ কামো চলি আছে আৰু বিলিডিং ও বনোৱা বনোৱা হৈ বিশেষকৈ শুদ্ধ কৰি দিছো।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** চাৰ এইটো হ'ল তাত এনেবুৰ ৰিপোৰ্টত দিয়া কথা । কয়লাটো যিহেতু কাৰ্বি-আংলংত খনন হয় সেই কাৰণে মই কাৰ্বি-আংলংৰ নামটো উল্লেখ কৰিছো । মাননীয় উপ্াধ্যক্ষ মহোদয় মোৰ দুটা পইন্ট । এটা হ'ল যে মিনাৰেল ডেভেল'পমেন্ট কৰ্পোৰেশ্যনে উলিয়াই দিয়া স্বত্বেও তোমালোকে কাষ্টমাৰ বিলাক প্ৰুডেন্টলি যদি চিলেক্ট কৰিলেহেতেন হয়তো আৰু বেছি আয় হ'লহেতেন আৰু এইটো অধিক গুৰুত্বপুৰ্ণ বিষয় । সৰু এটা কোম্পানী আসাম মিনাৰেল ডেভেল'পমেন্ট কৰ্পোৰেচন এই কোম্পানীটোত দেখা গৈছে যে ৩৭ লাখ টকা খিনি কোনোবা কয়লা কিনা ৰোয়েলিটি মানুহে দিব বাকী থাকিলে । কয়লা দি দিলে অথচ তেওঁলোকৰ বকেয়া টকাখিনি দিয়াটোত ব্যৰ্থ হ'ল। মই লেটেষ্ট ৰিপোৰ্টটো চাইছো তেওঁলোকে পাব্লিক আণ্ডাৰটেকিংত প্ৰপোজেল দিম যাতে এইখিনি যাতে ৰাইট অফ কৰা হয় । This is a loss to the state... In view of all these, no.1 - the activity of the Department in selecting the customers of the minerals so that the Department gains a huge revenue.No.2, CSR activity has not been done properly, the amount has not been stood for CSR activities. No.3 for these small companies, Rs.37,76,000 has become sundry expenditure.This is really because of the negligence.

উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এটা অনুৰোধ জনাব খুজিছো, সেইদিনাখনো এনেকুৱা এটা Public Undertaking ৰ কথা মই আনিছিলো এই CSR ৰ খেলিমেলিৰ ওপৰত। মই আপোনাৰ যোগেদি এটা অনুৰোধ কৰিব খুজিছো যদি হাউচ agree হয়, এটা House Comittee যদি কৰি দিয়া হয়,ভাল। আমাৰ ৰাজ্যখনৰ ইমান টকা পইচা নাই কিন্তু উন্নতিৰ দিশত যাবলৈ আমাক বহুত টকা পইচাৰ প্ৰয়োজন। যদি প্ৰতিটো Public Sector বা Private sector undertaking তেওঁলোকে খৰছ কৰিবলীয়া CSR খিনি ভালদৰে খৰছ কৰে, তেতিয়াহ'লে মই ভাৱো আমাৰ ৰাজ্যখনৰ Development indices ৰ ক্ষেত্ৰত যথেষ্ঠ উন্নতি হ'ব আৰু সেই স্বাৰ্থ আগত ৰাখিয়ে মই মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাক অনুৰোধ কৰিব বিচাৰিছো যে যদি এটা House Comittee গঠন কৰি দিব লাগে যাতে আমাৰ

ৰাজ্যৰ যিখিনি Public Sector undertaking বা Private sector undertaking বা তেওঁলোকৰ CSR খিনি ভালদৰে খৰছ হৈছে নে নাই, সেইটো চাব পাৰে বা ৰাজহ উপাৰ্জনত কিবা গণ্ডগোল আছে নে নাই, সেইখিনি যাতে ভালকৈ চোৱাচিতা কৰিব পাৰে। তাৰকাৰণে আপুনি এটা Rulling দিব বুলি আশা কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। আপুনি যেতিয়া বন বিভাগত চাকৰি কৰিছিলে তেতিয়া ডিমাহাছাওতে আছিলে, নহয় জানো ? গতিকে আপোনাৰ idea বিলাক আছে। তেতিয়া কেনেকুৱা আছিল ?

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** ছাৰ, as a forest officer and as an MLA, it is different.

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে। এইটোৰ ওপৰত আৰু কোনোবাই ক'ব বিচাৰিব নেকি ? মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী যোগেন মহন, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক শ্বেৰমান আলী ডাঙৰীয়াই special motion ত যিটো আনিছে Mines and Mineral ৰ AMDCL ৰ ওপৰত, Independent Auditor's Report ৰ ওপৰত। তেওঁ এটা approved customer ৰ ওপৰত কৈছে -The approved customers have been selected through NIT. The open paper advertisement in both english and vernacular paper on 12 September, 2002 and 18 March, 2023 and the intending applicants have to submit the NOC from council. As the lands belongs to council and also Dima Hasao District in the sixth Schedule area and the tribal have right to over the mineral as per Supreme Court order. Adequate safeguards are kept as regards to the selection of approved customer with the consent of the Autonomous Councils. So, that will be the effect of revenue generation.

দ্বিতীয়তে, এই যিটো Sundry debtar ৰ কথা কৈছে -Debtors amounting to Rs.37,76,247 as per the list enclosed.Both suggested to explore if any amount could be recovered before final writting of the old and time barred by sundry debts from the books of accounts on 31 March, 2024. আমি 31 March ৰ আগত এইটো collect কৰি ল'ব লাগে।

তাৰ পাছত তেখেতে আন এটা কথা ক'লে CSR ৰ activities ৰ ওপৰত। District Mineral Fund ৰ chairman হৈছে DC সমূহ। তাত যিহেতু council আছে, তাত CEM আছে, এই ফাণ্ডটো তেওঁলোকৰ জিলাত যিমান collectionহৈ আছে, তাৰ proposal লৈ সেইখিনি invest কৰিব। CSR ৰ activities ত ২০১৯-২০ ত আমাৰ ২৫ লাখ টকা দেখুৱাইছে। ২০২০-২১ ত Nil.কাৰণ income ৰ ওপৰত 2% CSR

লৈ আহে, local development ৰ কাৰণে, ২০২১-২২ ত ৪২,৭৮,৪৫৬ টকা, ২০২২-২৩ ত ১,০৫,০৩,৪০১ টকা আৰু ২০২৩-২৪ ত ৩১,৫৬,১২১ টকা । এই activity ক'ত ক'ত খৰছ হৈছে annexure ত দিয়া আছে। তিনিখন স্কুল বাছ provide কৰিছে AMDCL য়ে আৰু ২৭ জন ছাত্ৰ-ছাত্ৰীক scholarship প্ৰদান কৰিছে উমৰাংচুত। CSR ৰ activities একেবাৰে যে হোৱা নাই এইটো নহয়। তাতো উপাধ্যক্ষ ডাঙৰীয়াৰ এটা ধুনীয়া project চলি আছে।

আপুনি আন এটা আনিছে যে EPFO ৰ ওপৰত। ইয়াত ০.৫০শতাংশ ল'ব লাগে। However, the corporation has been paying the 0.65%. এইটো কিহৰ কাৰণে হ'ল, এই যে notification খন আছে, সেইখন ৬ মাহ পিছত পাইছে। 6 months only in 2018, due to late received of the notification.For reduction in charges AMDCL have paid the nominal differnces amount of Rs. 10,608 only for the above priod due to non received of the notification on the time.After received of the notification,only 0.5% is being paid by the AMDCL as EPFO. এতিয়া সেইখিনি adjust হৈ গ'ল। ইয়াৰ উপৰিও AMDCL য়ে বিশেষকৈ গৰম পানী Mining from Garam Pani Coal extraction Project, mining plan is approved.তাৰ উপৰিও কয়লাজান coal mine,Karbi Anglong District has been alloted to AMDCL by Ministry of Coal. আন এটা হৈছে Brinda Coal Mine, ঝাৰখণ্ডতো এটা Coal Mine Central Government য়ে approve কৰিছে। তাতো ১৫ মিলিয়ন মেট্ৰিকটন coal পায়। সেইবিলাকত যদি AMDCL য়ে ভালদৰে কামবিলাক কৰে, নিশ্চয় এটা ভাল ফাণ্ড আহিব। এইটো ফাণ্ড বঢ়া মানে আমাৰ CSR fund বাঢ়িব। তেতিয়া আমি স্থানীয় মানুহক সহায় কৰিব পৰা কাম কিছুমান কৰিব পাৰিম আৰু approved customer টো সম্পূৰ্ণৰূপে advertise দিয়ে কৰা হয়। যিহেতু land subject টো council ৰ matter আৰু NOC নহ'লে activities কৰাত কিছু অসুবিধা হয়। গতিকে মই ভাৱো আমাৰ সন্মানীয় সদস্য জনে কথাখিনি এতিয়া কথাখিনি clear হৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য আপুনি আপোনৰ প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে ?Rule 130(A) মতে কিন্তু debate নহয়।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ ছাৰ, as per rule 284, movers reply will conclude the motion.

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য আপুনি Rule 130 apply কৰিছে। মন্ত্ৰী ডাঙৰীয়াৰ reply ত হে conclude হ'ব।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ ছাৰ, আপুনি rule 284 ত চাওঁক, ---interruption ---

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য আপুনি দেৰি নকৰিব, যিমান সোনকালে পাৰে আপোনৰ point টো raise কৰক।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ হ'ব ছাৰ। ১ নম্বৰতে, তেখেতে যিটো টেণ্ডাৰিঙৰ কথা কৈছে এইটো ২০০২ চনৰ উদ্ধৃতি দিছে। কিন্তু তেখেতৰ বিভাগে দিয়া এই annual report 2019-20 আৰু ২০২০-২১ ৰ। দুয়োটা report তে একেই কথা কোৱা হৈছে যে, এক্সট্ৰিমিষ্ট ইনফেক্টেড - তাৰ কাৰণে আমি টেণ্ডাৰিঙ কৰিব পৰা নাই । বাচি বাচি কেইজনমান কাষ্ট'মাৰ লৈছো । আই উড লাইক টু ৰিকুৱেষ্ট ইউ টু গো থ্ৰু ইট - মাননীয় উপাধ্যক্ষ মহোদয়, মই ক'লো - চি এচ আৰৰ কথা আৰু তেখেতে কৈ আছে - ডি এম ডি এফৰ কথা - ডিষ্ট্ৰিক্ট মিনাৰেল ডে'ভ'ল'পমেন্ট ফাণ্ড । সেইটো এটা বেলেগ কথা , তাত আমিও মেম্বাৰ আছো । চি এচ আৰটো বেলেগ । পাৰহেপচ অনাৰেব্‌ল মিনিষ্টাৰ ইজ কনফিউজড এবাউট দা ডিফাৰেন্স বিটুইন দি টু মেটাৰ ।

মাননীয় উপাধ্যক্ষ ঃ মন্ত্ৰী ডাঙৰীয়াই চি এচ আৰৰ কথা উল্লেখ কৰিছিলে ।

শ্ৰীশ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ ছাৰ, তেখেতে যিটো এক্সপেণ্ডিচাৰৰ কথা কৈছে সেইটো ডি এম ডি এফৰ কথা । ছাৰ এইটোতো মোৰ ৰিপোৰ্ট নহয়, তেখেতে দিয়া ৰিপোৰ্ট ।

মাননীয় উপাধ্যক্ষ ঃ অনাৰেবল মিনিষ্টাৰ আপুনি চি এচ আৰ আৰু ডি এম ডি এফৰ ওপৰত কওঁক।

শ্ৰীযোগেন মহন ঃ খনি ও খনিজাত সামগ্ৰী ইত্যাদি ঃ অধ্যক্ষ মহোদয়, আই উইল লুক আফটাৰ দা মেটাৰ ।

মাননীয় উপাধ্যক্ষ ঃ ধন্যবাদ

শ্ৰীশ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ চাৰ, আপোনাক মই এটা ৰিকোৱেষ্ট কৰিলো যে এই বিষয়ে এটা হাউচ কমিটি কৰি দিয়ক ।

মাননীয় উপাধ্যক্ষ ঃ নালাগে, মিনিষ্টাৰে এচুৰেঞ্চ দিছে । এতিয়া আপুনি প্ৰস্তাৱটো প্ৰত্যাহৰ কৰিবনে ?

শ্ৰীশ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ ছাৰ, মই আপোনাক এটা হাউচ কমিটি বনাবলৈ অনুৰোধ জনাই প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো ।

মাননীয় উপাধ্যক্ষ ঃ যিহেতু মাননীয় সদস্য শ্ৰীশ্বেৰমান আলি ডাঙৰীয়াই প্ৰস্তাৱটো প্ৰত্যাহৰ কৰিছে গতিকে প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰাৰ অনুমতি দিয়াত সদনৰ সমৰ্থন আছেনে ? সদনৰ সন্মতি সাপেক্ষে প্ৰস্তাৱটো প্ৰত্যাহৰ কৰা হ'ল । এতিয়া কাৰ্য্যসূচী নং - ২০ এতিয়া সংকল্প প্ৰস্তাৱ এটা শ্ৰী হাফিজ বছিৰ আহমেদ আৰু আমিনুল ইছলাম জ্যেষ্ঠ তেখেতসকলৰ নামত আছে যিকোনো এজনক সংকল্প প্ৰস্তাৱটো সদনত উত্থাপন কৰি ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো ।

শ্ৰীআমিনুল ইছলাম, ধিং (জ্যেষ্ঠ) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমি এটা অতি গুৰুত্বপূৰ্ণ বিষয়ত সংকল্প প্ৰস্তাৱ সদনত উত্থাপন কৰিব বিচাৰিছো । এই বিষয়টো হ'ল গাওঁ পঞ্চায়ত আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদ সমষ্টিৰ পুনৰ গঠন প্ৰক্ৰিয়া । এই যিটো পুনৰ গঠন প্ৰক্ৰিয়া চলি আছে আমি ইয়াত কিছুমান কথা অসামঞ্জস্যপূৰ্ণ হোৱা দেখিছো । আৰু এইটো যুক্তিপূৰ্ণ হোৱা নাই । আমি ভাবো যে গাওঁ পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তবিলাক গঠন কৰোতে এতিয়া যি প্ৰক্ৰিয়া বনাব সেইটো বহু দিনলৈ থাকিব গতিকে জনসাধাৰণৰ যাতে অসুবিধা নহয় আৰু তেখেতসকলে সেৱাবিলাক পোৱাৰ সুবিধা হয় তাৰ কাৰণে অলপ চিন্তা-চৰ্চা কৰি প্ৰক্ৰিয়াটো বনালে

**এটা ভাল উপকাৰ হ'ব । প্ৰথম কথাটো হ'ল যোৱা বিধান সভা সমষ্টিসমূহৰ পুনৰ গঠন যেনেকৈ হৈছিলে এ, বি, চি কেটেগৰি হিচাপে সমষ্টিবিলাকত তিনি লাখতকৈ বেছি ভোটাৰ সোমাইছে । কিছুমান ডেৰ লাখ ভোটাৰ সোমাইছে । এনেকৈ অসামঞ্জস্য হৈ সমষ্টিবোৰ পুনৰ গঠন হৈছে । এতিয়াও ঠিক তেনেকৈ এ, বি, চি কেটেগুৰ বনাই এটা ভাৰসাম্যপূৰ্ণ জনসংখ্যা ভিত্তিত এনেকুৱা কিছুমা নীতি লোৱা হৈছে যিটো যুক্তিপূৰ্ণ নহয় ।ইয়াত এ কেটেগৰি ডিষ্ট্ৰিক্ট বুলি যি কৈইটা কৈছে তাত দহ হাজাৰৰ পৰা তেৰ হাজাৰ আঠশলৈকে জনসংখ্যাৰে একোটা পঞ্চায়ত হ'ব । 'বি' কেটেগৰীত আছিলে ৮ ৰ পৰা ১২ হাজাৰ । ঠিক তেনেকৈ ' চি ' কেটেগৰীতো দিয়া হৈছিল । কিন্তু দূৰ্ভাগ্যজনকভাৱে জনসংখ্যাৰ এই কাউন্টিংটো কৰা হৈছে ২০০১ চনৰ লোক পিয়লৰ তথ্যৰ আধাৰ অনুসৰি ২০০১ ৰ পৰা ২০২৩ চনলৈ ২৩ বছৰ পাৰ হৈ গ'ল । এই তেইশ বছৰত জনসংখ্যা বহু সলনি হ'ল । উপাধ্যক্ষ মহোদয়, গাওঁ পঞ্চায়তৰ বহু গাওঁ নদীৰ বুকুত বিলীন হৈ গ'ল । তাত গঢ়াখহনীয়াত মানুহখিনিয়ে বেলেগ ঠাইত আশ্ৰয় ল'লে । সেই মানুহখিনিক অন্য গাওঁ পঞ্চায়তত ধৰা হৈছে । কিন্তু এতিয়াও সেই হিচাপটো ২০০১ চনৰেই হৈ আছে । কোনোবা গাওঁ পঞ্চায়তত এনেকুৱা হৈছে যে, দহটা ৱাৰ্ডৰ ভিতৰত ন টা ৱাৰ্ডে নাই । কিন্তু এতিয়া এই গাওঁ পঞ্চায়তত দহটা ৱাৰ্ডৰ জনসংখ্যাই কাউন্ট হ'ব । কাৰণ সেই ৯ টা ৱাৰ্ডৰ মানুহখিনি বেলেগ বেলেগ গাওঁ পঞ্চায়তত গৈ আশ্ৰয় লৈছে । এইটো সম্পূৰ্ণ এটা অযুক্তিকৰ সিদ্ধান্ত যে, ২৩ বছৰ পূৰ্ব্বৰ ডাটাৰ ওপৰত এই গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদসমূহ পুনৰ গঠন কৰিব বিচৰা হৈছে । আমাৰ কথাটো হ'ল যে, যদি ২০২১ চনৰ শেহতীয়া চেনচাচটো পালো হয় কিন্তু ২০২১ চনৰ চেনচাচটো ক'ভিডৰ পৰিবেশৰ বাবে কৰিব পৰা নাছিল । এতিয়াহে কাম আৰম্ভ হৈছে । যিহেতু আমাৰ হাতত বৰ্তমানে ২০১১ চনৰ তথ্য আছিল গতিকে সেই তথ্যটো ল'লে অন্তত আমি ১২ বছৰ পূৰ্ব্বৰ তথ্যৰ ওপৰত গাওঁ পঞ্চায়তবিলাক বনাব পাৰিলোহেঁতেন । ১২ বছৰ পূৰ্ব্বৰ এই তথ্যটো লোৱাৰ এটা যুক্তি আছিল । কিন্তু ২৩ বছৰ আগৰ তথ্য অনুসৰি বৰ্তমানে এই গাওঁ পঞ্চায়তবিলাকত ভোটাৰৰ সংখ্যাই অধিক গতিকে আমি এই কথাটো বুজি পোৱা নাই যে চৰকাৰে কিয় ২০১১ চনৰ তথ্য হাতত থকাৰ পিচতো ২০০১ চনৰ তথ্যক আধাৰ কৰি ল'লে । এইটো এটা সম্পূৰ্ণ আন চান্টিফিক সিদ্ধান্ত হৈছে। প্ৰত্যেকটা সমষ্টিত এটা বা দুটা ব্লক বনাব বিচৰা হৈছে । যদিহে ১৭খনতকৈ** অধিক গাওঁ পঞ্চায়ত থাকে তেন্তে তাত এটা ব্লক হ'ব । আৰু তাতকৈ অধিক গাওঁ পঞ্চায়ত হ'লে দুটা ব্লক হ'ব। ৩৪ টাতকৈ অধিক ওপৰত গ'লে **৩** টা ব্লক হ'ব। কিন্তু বৰ্তমান নতুন বিধান সভা সমষ্টি যেনেধৰণে বনোৱা হৈছে তাৰ জিঅ'গ্ৰাফিকেল লোকেশ্যনটো চালে দেখিব যে কিছুমান সমষ্টিত এটা চুকৰ পৰা আনটো চুকলৈ এশ কি.মি হৈছে । বেলেগ সমষ্টিৰ মাজত কিছুমান নদীৰ ইপাৰে সিপাৰে চৰৰ মাজেৰে গৈছে । উদাহৰণস্বৰূপে চেঙা সমষ্টি , চৰ চাপৰিৰ পৰা বৈ গৈ গোৱালপাৰাৰ ওচৰ পালে। আমাৰ ৰূপহীহাট সমষ্টিত ধিং সমষ্টিৰ এটা পাৰ্ট বটদ্ৰবাৰ এটা পাৰ্ট নগৰ সদৰৰ পাৰ্ট আৰু জুৰীয়া মৌজাৰ মাজত **৮** কি.মি নাই । মাজত চামগুৰি সমষ্টি **৮** কি.মি জপিয়াই গৈ বৰগুলি আৰু ভূৰবন্ধা আৰু কলিয়াবৰৰ সমষ্টিৰ কথা কেশৱ মহন্ত মন্ত্ৰী ডাঙৰীয়াই ভালকৈ জানিব । তাৰ মানে তাৰ পৰা দুটামান গাওঁ পঞ্চায়ত এৰি মাজতে যেন দ্বীপ এটাৰ নিচিনাহে হৈছে । এই যে এনেকৈ অযুক্তিকৰ বিধান সভা সমষ্টিবিলাক বনোৱা হ'ল , দুটা ব্লক কোনো সমষ্টিতে দিব নোৱাৰে । এটা ব্লক দিলে সেই ভূৰ বন্ধাৰ মানুহে চামগুৰি সমষ্টিৰ পৰা **৮** কি.মি পাৰ হৈ আহি ইয়াত কোনোবা এটা ব্লক অফিচত আহিব লাগে । এনেকৈ আলগাপুৰ সমষ্টিতো হৈছে।

**শ্ৰীমানৱ ডেকা, লক্ষিমপুৰ ঃ** উপাধ্যক্ষ মহোদয়, তেখেতে যিবিলাক কথা কৈ আছে- ইলেকশ্যন কমিশ্যন অব ইণ্ডিয়া এটা কনষ্টিটিউশ্যনেল বডি , ইয়াত অলৰেজি প্ৰভিজন কৰা হৈছে ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, কৰিমগঞ্জ উত্তৰ ঃ** উপাধ্যক্ষ মহোদয়, বিধান সভাত যা-তা কথা ক'লে নহয় ।

....সদনত হুলস্থূল..(শাসকীয় দলৰ প্ৰতিবাদ)

**মাননীয় উপাধ্যক্ষ ঃ** প্লিছ .... আপোনালোক বহক --- তেখেতক ক'বলৈ দিয়ক ...। আপুনি কওঁক।

শ্ৰীআমিনুল ইছলাম(জ্যেষ্ঠ) ধিং ঃ উপাধ্যক্ষ মহোদয়, আপুনি ৰুলিং দিয়ক ।বিধান সভাত কেনেকৈ ক'থা ক'ব লাগে ৰুলবিলাক তেওঁলোকক শিকিব দিয়ক ।ৰুল নজনাকৈ আহি বিধান সভাত কথা ক'লে নহয় ।

**মাননীয় উপাধ্যক্ষ ঃ** প্লিছ ... আপুনি শেষ কৰক। মিনিষ্টাৰে ৰিপ্লাই দিব ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, কৰিমগঞ্জ উত্তৰ ঃ** ছাৰ, তেখেতে যিটো কৈছে- আমাৰো ৰিপ্লাই দিয়াৰ দায়িত্ব আছে- অধিকাৰ আছে ।

..সদনত হুলস্থূল..

**মাননীয় উপাধ্যক্ষ ঃ** হ'ব ...হ'ব ....বহক ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** কোনোবা সদস্যই কিবা কলে আমাৰো দায়িত্ব আছে কথাখিনি কোৰাৰ।

**মাননীয় উপাধ্যক্ষ** ঃ Please.

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ট, ধিং)** ঃ উপাধ্যক্ষ মহোদয়, মোৰ কথাটো সকলোৱে অলপ শুনি বুজি লবলৈ চেষ্টা কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ আপুনি আকৌ জোকাই আছে কেলেই ?

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ, ধিং)** ঃ মই কৈ আছো যে লোকেচনটোৰ কথা, এনেকুৱা geographical locationত এতিয়া দুটা ব্লক বনাব, মই ব্লকৰ কথা কৈ আছো। ব্লক বনোৱাতে মই কৈছো যে এনেকুৱাও কিছুমান প্ৰশ্ন এটা সমষ্টিৰ য'ত বিচ্ছিন্ন ভাৱে বেলেগ সমষ্টিৰ সিপাৰে পৰি গ'ল, তাত এটা বা দুটা জি পি আছে। এতিয়া দুটা জি পি তটো ব্লক নহয়। ইফালে দুটা ব্লক বনাব, সেই জি পি বিলাকৰ কাৰণে কিন্তু, সেইটো এটা সমস্যাটো কৈ আছো। যে সকলোৱে অলপ বুজিবলৈ চেষ্টা কৰিব লাগে। এতিয়া আমি ব্লক বোৰ বনোৱাতে সাংঘাটিক মই নিজেও মেপটো চাইছো বা তেওঁলোকে যেনেকৈ দাএগ্ৰাম বনাইছে, আচলতে মিলাব পৰা তেনেকুৱা ধৰণৰ নাই। এতিয়া এই ক্ষেত্ৰত আমি দেখিছো কিছুমান সমষ্টিত হয়তো তিনিটা ব্লকো বনাব লাগিব। নহ'লে এটা ব্লকত কোনো পঞ্চায়তৰ পৰা মানুহ এজন ৫০/৬০ কি.মিটাৰ দূৰত এটা ব্লক অফিচত যোৱাতো যুক্তি সংগত কথা নহয়। গতিকে সেই সমষ্টিবিলাকত হয়তো তিনিটাও বনাব লাগিব। কিন্তু গাইড লাইন যিটো বনাইছে যে দুটা ব্লকৈ বনাব, দুটা ব্লকৈ হওঁক বেছি হোৱাতোও ঠিক নহয়। কিছুমান সমষ্টিত এনেকুৱা geographicalৰ প্ৰয়োজন আছে। এই কথাটো বিবেচনা কৰিব লাগিব। আৰু এটা কথা হ'ল যে জিলা পৰিষদ সমষ্টি বিলাক হৈ আছে, জিলা পৰিষদ সমষ্টি জেনেৰেলি প্ৰত্যেক সমষ্টিত ৪ টা কৈ জিলা পৰিষদ সমষ্টি বনোৱাৰ কাৰণে instruction দিয়া হৈছে। আৰু চি ই অ', চাৰ্কোল অফিচাৰে যিটো task force এটা টীম বনাইছে, টীমৰ চেয়াৰমেন চাৰ্কোল অফিচাৰ আৰু বি ডি অ' সকলক তেওঁলোকে exercise কৰি আছে। তাত জিলা পৰিষদ সমষ্টিৰ in-

struction দিয়া হৈছে যে প্ৰত্যেক সমষ্টিত জেনেৰেলি ৪ টা হ'ব। কিন্তু যি বিলাক সমষ্টিত টাউন কমিটী বা মিউনিচিপালিটি আছে তাত কোৱা হৈছে ৩০ হাজাৰ জনসংখ্যা বিপৰীতে এখনকৈ জিলা পৰিষদ সমষ্টি হ'ব। এতিয়া আমি দেখিছো কোনোবা এটা সমষ্টিত যদি আঢ়ৈ লাখ জনসংখ্যা আছে আৰু তাত যদি টাউন কমিটী বা মিউনিচিপালিটি আছে ধৰি ললো তাত ৪০ হাজাৰ বা ৫০ হাজাৰ জনসংখ্যা টাউন কমিটীয়ে সামৰি লৈছে, বাকী দুই লাখ জনসংখ্যা গ্ৰাম্য এৰিয়াত আছে। ৩০ হাজাৰত যদি এটাকৈ জিলা পৰিষদ সমষ্টি হয়, এই সমষ্টিটোত হ'ব ৬ টা বা ৭ টা জিলা পৰিষদ হ'ব। আৰু যিটো সমষ্টিত টাউন কমিটী নাই, মিউনিচিপালিটি নাই তাত জেনেৰেলি ৪ টা বনাব দিছে। তাত ৪ টা হলে কিছু হিচাপ কৰিব দিছো কিছুমান সমষ্টিত ৭০/৮০/৯০ হাজাৰলৈকে জনসংখ্যাৰ বিপৰীতে এটা জিলা পৰিষদ সমষ্টি হ'ব। এটা জিলা পৰিষদ সমষ্টিত ৮০/৯০ হাজাৰ জনসংখ্যা থাকিব আৰু য'ত টাউন কমিটী বা মিউনিচিপালিটি আছে তাত ৩০ হাজাৰ জনসংখ্যাত এটা জিলা পৰিষদ সমষ্টি হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি কথাটো এইদৰে ৰিপিট কৰি দীঘল হৈ গৈছে। গতিকে আপুনি চমু কৰক, আপুনি ঘুৰাই ঘুৰাই কৈ আছে। চমু কৰক।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** তেওঁলোকে টাউন কমিটী কলে আৰু ৬/৭ টা জিলা পৰিষদো পালে। বাকী সমষ্টিত টাউন কমিটীও পোৱা নাই আৰু জিলা পৰিষদ মুঠে ৪ টা পালে। এই কথা বিলাক অসামঞ্জস্যপূৰ্ণ হৈছে। তাৰ লগতে আৰু এটা কথা হ'ল আঞ্চলিক পঞ্চায়ত গঠনৰ ক্ষেত্ৰত আগতে আমাৰ এক্ট যিটো পাছ হ'ল মই সেইটোৰ কথা কোৱা নাই। যে ৱাৰ্ড মেম্বাৰে বাহিৰত ইলেক্চন খেলিব, ৱাৰ্ড মেম্বাৰৰ পৰা আহি জি পি ৰ প্ৰেচিডেন্ট, ৱাৰ্ড মেম্বাৰত এক শতাংশও আমি কৰিব লগীয়া নাই, তেওঁলোকে আহিব। কিন্তু আঞ্চলিক পঞ্চায়ত ঘটনাৰ ক্ষেত্ৰত এই দুটা দুটা জিলা পৰিষদ সমষ্টি লগ লগাই এখনকৈ আঞ্চলিক পঞ্চায়ত গঠন কৰিব দিয়া হৈছে। কিন্তু কিছুমান সমষ্টিত আমি দেখিছো জিলা পৰিষদৰ দুখন জিলা পৰিষদক এটা ব্লক কৰাতকৈ হয়তো কৰবাত আধা জিলা পৰিষদো আনিব লাগিব, নহলে চাইজটো geographical বহুত হৈ যায়। আমাৰ ইয়াত পি এণ্ড আৰ ডি ৰ মন্ত্ৰী মহোদয় আছে গতিকে এই বিষয় বিলাক যাতে বিবেচনা কৰি এটা সামঞ্জস্যপূৰ্ণ আৰু ভাৰসাম্য পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদ সমষ্টি হয় এই বিষয়ে পদক্ষেপ ল'বলৈ অনুৰোধ জনাই মোৰ বক্তব্য ইমানতে সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। আমিনুল ইছলাম (কনিষ্ঠ), আপুনি ২ মিনিট মান কব। কাৰণ আপোনাৰ দলৰ তেখেতে গোটেই খিনি details কলে। তেখেতে এৰি যোৱা পইন্ট কিবা আছে যদি কওক।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ, মানকাচৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিষয়টো অত্যন্ত serious, এই কাৰণে এতিয়া মোৰ সমষ্টিত ৩ লাখ ভোটাৰ, পঞ্চায়ত এক্টে কৈছে ৪ টা জিলা পৰিষদ থাকিব। আজিৰ দিনটোত ৫ টা জিলা পৰিষদ আছে। সেইদিনাখন আমি কৃপা ডাঙৰীয়াৰ লগত বহিছিলো যে এতিয়া বাকী খিনি চাৰ্কোল অফিচাৰে ঠিক কৰিব। আমাৰ জ্যেষ্ঠ বিধায়ক ৰাজেদ আলী চৌধুৰী ডাঙৰীয়া আছে, তেখেতৰ সমষ্টিৰ পৰা ৭ টা জি পি কাটি মোৰ সমষ্টিত আহিছে ভোটাৰ হৈছে ৩ লাখ। তাত এটা ব্লক আছে, এতিয়া কৈছে ব্ল'কটো abolish হ'ব। যদিও তাত ১৭ টা কৈ এটা ব্ল'কত আহে তাত এবোভ দুটা তিনিটা জি পি হৈ যায় তাৰ পিছতো কৈছে যে ব্ল'ক দুটাই হ'ব, তাতে দক্ষিণ শালমাৰা পাৰ্টৰ পৰা অহা যিটো ব্ল'ক আছিল, ব্ল'কটো abolish হৈ যায়। সেইটো একেটা ব্ল'কৰে ফকিৰগঞ্জ এৰিয়াত যিকেইটা জি পি আছিল সেই কেইটা জামাদাৰ

হাতত মাৰ্জ হৈ যায়, মাজত আমাৰ এটা development block নোহোৱা হৈ যায়। যিটো সময়ত বহাব লাগে তাত  কমি গৈ আছে। এগেইন আমাৰ দক্ষিণ শালমাৰাত এটা চাৰ্কোল অফিচ আছে সেই চাৰ্কোল অফিচতো এতিয়া তেখেত সকলে কৈছে যে সমষ্টিত এটাই চাৰ্কোল অফিচ হ'ব। এতিয়া আমাৰ সমষ্টিৰ ভোটাৰ ৩ লাখ। আৰু এইটো আমাৰ বালাদোবা চেভেটাৰী জি পি বা দক্ষিণ শালমাৰা জি পি ৰ পৰা মোৰ মানকাছাৰ বা মানকাছাৰৰ লাষ্ট কানকাছৰ টাউনত যিটো আমাৰ চাৰ্কোল অফিচ আছে it is around 70 K.M. গতিকে সৰু সুৰা কামৰ কাৰণে সদায় চাৰ্কোল অফিচত যাব লাগে। এই ৭০ কি.মিটাৰ তেখেত সকলে চাৰ্কোল অফিচত যাব কিন্তু তালৈ যোৱা কোনো পথ নাই। এই চাৰ্কোল অফিচৰ পৰা বালাদোবা চেভেটাৰীৰ পৰা দক্ষিণ পাৰ্টৰ পৰা মানকাছাৰ চাৰ্কোল অফিচলৈ যাবলৈ ৭০ কি.মিটাৰ। আৰু এইটোত যাব লাগিব ৫০ কি.মিটাৰ মেঘালয়ৰ মাজেৰে। অসমৰ কোনো পিনে ৰাস্তা নাই। এই বিষয়বিলাক দক্ষিণ শালমাৰা পাৰ্টৰ কাৰণে পথৰ যোগাযোগ এতিয়ালৈকে বনোৱা নাই। District Head quarter বিলাকো তাতে জেদ পিচিত এটা চাৰ্কোল অফিচাৰৰ এটা development blockৰ হৈ পথ নাই এইটো দিপেণ্ড কৰিব লাগে মেঘালয়ৰ ওপৰত। দ্বিতীয় কথাটো হৈছে, জি পি ৰ ক্ষেত্ৰত যি কথাখিনি কোৱা হৈছে বা যি খিনি কথা তেখেতে আনিছে মই অলপ ক্লিয়াৰ কৰিব বিচাৰিছো এই কাৰণে, ঠিক আছে আমি বুজিলো আমাৰ মানৰ ডেকা ডাঙৰীয়াই এটা কথা ধৰিছে আৰ পি  এক্ট ১৯৫০ আছে, delimitation Act. 2002 আছেই, এইটো Constitutional Body আছে, সেইটো কাৰণে আমি এইটো কৰিব পৰা নাই, delimitation টো সমষ্টিৰ ক্ষেত্ৰত যিটো হৈছে সেইটো বেলেগ কথা। Panchayat Delimitation is done by State Election Commission. এইটোৰ কাৰণে আমি আৰ পি এক্টৰ ৰিলেটেদ নহয়, এইটোৰ কাৰণেটো delimitation Act. 2002 ৰিলেটেদ নহয়। যদি delimitation Act. 2002 ৰিলেটেড নহয় আৰু আৰ পি এক্ট নহয়  আমি কিয় তেতিয়াহলে ২০১১ চনৰ চেনচাচৰ ওপৰত বেছ নকৰি আমি কিয় ২০০১ চনৰ চেনচাচটো বেছ কৰি আছো মই গ্ৰাউণ্ডটো বিচাৰি পোৱা নাই। মই ৰিজনটো বিচাৰি পোৱা নাই যে কিহৰ ভিত্তিত আমি ২০১১ টো গ্ৰহণ কৰা নাই? ২০১১ টো কি ৰাজ্য চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত নহয় নেকি? আৰু দ্বিতীয় কথা কব বিচাৰিছো আমাৰ যদি জিলা পৰিষদ ৪ টা হয় as per the panchayat Act. তাত ৪ টা জিলা পৰিষদ হৈছে প্ৰতিটো সমষ্টি ৪ টা জিলা পৰিষদ। ৪ টা জিলা পৰিষদ হলে মোৰ সমষ্টিৰ জিলা পৰিষদত average ভোট আহিব ৮০ হাজাৰ আৰু কিছু সমষ্টিৰ নাম নকওঁ কিছু সমষ্টিত মুঠ ভোট আছে ১ লাখ ৪৮ হাজাৰ, এক লাখ ৫২ হাজাৰ, মানে মোৰ আধা ভোট। সেইবিলাকত এটা জিলা পৰিষদত হ'ব ৪০ হাজাৰ আৰু যদি আৰ্বান হয় তেতিয়া হলে টাউন কমিটী থাকিবই, ৰিমেনিং  পাৰ্টটোত আমাৰ দেখা যাব যে ৩০ হাজাৰত জিলা পৰিষদ হ'ব। গতিকে এই এক্টটো সংশোধন কৰাৰ প্ৰয়োজন আছে আৰু জিলা পৰিষদ বা পঞ্চায়তৰ নিৰ্বাচনৰ আগত বোৰ্ডৰ ক্ষেত্ৰত, জিলা পৰিষদৰ ক্ষেত্ৰত, চাৰ্কোল অফিচৰ ক্ষেত্ৰত যি খিনি সিদ্ধান্ত ল'ব লাগে judiciary ল'ব লাগে, টাৰ্গেতলি যাতে চেন্ট্ৰেল যিটো ৰেচন কমিচনাৰ কৰিছে আৰ পি এক্ট ১৯৫০, চেকচন ৮, আৰু delimitation Act. 2002 চেকচন ১০, এই দুটা টানি আনি যেতিয়া পঞ্চায়তত আকৌ বৈষম্যতা নহয় কাৰণ আমি অনুভৱ কৰি আছো, আজিৰ দিনত আপোনালোকে লক্ষ্য কৰিব আজি ইয়াত ৩১ জন মুছলমান বিধায়ক আছো।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি হিন্দু মুছলমানৰ কথা কি কয়? মূল কথাখিনি কওঁক।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** Injustice আমাৰ প্ৰতি হ'ব নালাগে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্যা নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, (বকো)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, delimitationৰ ক্ষেত্ৰত প্ৰথম কথা এটা জানিব বিচাৰিছো, যেতিয়াই এই বিষয়টো উঠিছে বিধান সভাত, এই বিষয়টো ইলেকচন কমিচনাৰৰ বিষয় বুলি শাসক দলৰ পৰা কথাটো আহিছে। মই জানিব বিচাৰিছো যদি এইটো ইলেকচন বিষয়ৰ লগতে জড়িত বুলি শাসক দলৰ পৰা কথাটো আহিছে। মই জানিব বিচাৰিছো উপাধ্যক্ষ মহোদয়, মই নাজানো যে এইটো election বিষয়ৰ লগতে জড়িত। Election Commisssion ৰ লগত জড়িত, বিষয়টো ইয়াতে আমাৰ business ত আহিল কেনেকৈ? প্ৰথমতে মই বিষয়টো নাজানো কাৰণে জানিব বিচাৰিছো। দ্বিতীয়তে জিলা পৰিষদৰ ক্ষেত্ৰত জানিব বিচাৰিছো।

**উপাধ্যক্ষ মহোদয়ঃ** আপুনি নাজানে যদি কেনেকৈ দ্বিতীয়টো আহিব?

**শ্ৰীমতী নন্দিতা দাস, সদস্যঃ** ছাৰ যদি আলোচনা হৈছে মই অলপ অংশগ্ৰহণ কৰো । দ্বিতীয় কথাটো হৈছে, জিলা পৰিষদ যে ৩০ হাজাৰৰ তলত ZPC এটা কৰিব দিছে, তেনেকুৱা বহুত সমষ্টিত not less than 30,000 বুলি কৈছে তাৰ মানে It can exceed above 30,000। কাৰণ তেনেকৈ হ'বলে হলে এটা এটা জিলা পৰিষদত কেতিয়াবা ৭০-৮০ হাজাৰও হৈ যাবগৈ পাৰে। তেতিয়া এটা সমষ্টিত যদি ৪ খন জিলা পৰিষদক কৰিব দিছে তেতিয়াহলে যদি আমি এটা জিলা পৰিষদ ক'ৰবাত ৩০ হাজাৰৰ ভিতৰত বনাও, কৰবাত আকৌ ৮০ হাজাৰৰ ভিতৰত বনাও,তেতিয়া সেই জিলা পৰিষদৰ যিখিনি সুবিধা থাকিব, allotment of money থাকিব 15th Finance হওঁক বা যি Plan ৰ পৰা হওঁক এইটো জানো এটা irregularities নহব। সেইটো ক্ষেত্ৰত এইটো অলপ চাব লাগে। তৃতীয়তে, ছাৰ মোৰ এটা কথা আছে যে ছমৰীয়া সমষ্টিত, ছমৰীয়া Circle Officer ও নাই, office ও নাই, ছমৰীয়া ব্লক ও নাই। মাননীয় মন্ত্ৰী মহোদয়ে অলপ মান মনোযোগ দিলে অলপ মান ভাল পালো হয়। এইটো important কথা। ছমৰীয়া সমষ্টি নাম কিন্তু ছমৰীয়া পঞ্চায়ত খন ছমৰীয়া সমষ্টিত নাই। ছমৰীয়া circle office ও নাই আৰু চক্ৰবিষয়াৰ কাৰ্য্যালয় খনো বাহিৰত। ছমৰীয়া Development Block খনো ছমৰীয়াৰ বাহিৰত, তেনে ক্ষেত্ৰত কিবা নতুন নামাকৰণেৰে তাতে Block হ'ব নেকি? এই কথাটো জানিব বিচাৰিছো।

**উপাধ্যক্ষ মহোদয়ঃ** ধন্যবাদ ঙ্গ চমুকৈ কব যি খিনি Point আছে ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ উপাধ্যক্ষ ডাঙৰীয়া, ৰাজ্যত পঞ্চায়তৰ সীমা পুনৰ নিৰ্দ্ধাৰণৰ কাম ইতিমধ্যে চলি আছে আৰু ই অতিকৈ গুৰুত্বপূৰ্ণ এটা বিষয় আজি আলোচনা কৰাৰ সুবিধা দিয়াৰ বাবে অধ্যক্ষ লগতে আপোনাক ধন্যবাদ জনাইছো । কাৰণ যেতিয়া পঞ্চায়তৰ Delimitation ৰ প্ৰথম draft যিটো ওলাৰ তাৰ পিছত ৰাজ্য খনত বহুত প্ৰশ্ন আহিব এই বিলাকক লৈ আৰু তাৰ আগতে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ আগত আমি কথাবোৰ যদি কিছু আলোচনা কৰি কিছু সমস্যাৰ সমাধান বিধায়ক সকলৰ ওচৰত আহি আছে সমাধাণ কৰিব পাৰিলে ভাল। সেই কৰণে মই আপোনাক অনুৰোধ জনাম অকণ মান সময় হলেও এই বিষয়ে আলোচনা কৰিলে পৰবৰ্তী সময়ৰ কাৰণে ভাল হব। যেতিয়া কোনো নিৰ্বাচন হয়,নিৰ্বাচন আয়োগৰ লগত দেশৰ পঞ্জীয়ন থকা ৰাজনৈতিক দল সমূহৰ কথা জড়িত হৈ পৰে । আমি দেখিছো যে নিৰ্বাচন আয়োগে সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধি সকলক এই বিষয়ে কথা পাতি বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰে । গতিকে মই প্ৰথম মাননীয় মন্ত্ৰী ডাঙৰীয়া এই বিষয়ে আহ্বান জনাম আৰু এটা আমাৰ পৰাৰ্মশ

থাকিব কংগ্ৰেছ বিধায়নী দলৰ ফালৰ পৰা যে আঞ্চলিক পঞ্চায়ত গঠনৰ ক্ষেত্ৰত যি SoP ওলাইছে Delimitation ৰ, তাতে বিধায়ক সকলক সদস্য কৰিছে । বিধায়ক সকলক সদস্য কৰিছে কিন্তু তাত ৰাজনৈতিক দলৰ কোনো প্ৰতিনিধিক সদস্য তাত কৰা নাই। গতিকে আমাৰ পৰামৰ্শ থাকিব যে Delimitation ৰ ক্ষেত্ৰত যি কেইটা কমিটি হৈছে সকলো ৰাজনৈতিক দলৰ এজন এজন সদস্য প্ৰত্যেকখন জিলাত থাকিব লাগে। এতিয়া বৰপেটাৰ উদাহৰণেই মই কৈছো । এতি য়া বৰপেটাত চেঙা সমষ্টিৰ পাকাবেটবাৰী, মন্দিয়া আৰু বৰপেটা গোটেই কেইটা সমষ্টিত আমি AIUDF আৰু কংগ্ৰেছ দলৰ বিধায়ক । তাত আঞ্চলিক পঞ্চায়তৰ লগত আমি যেতিয়া কথা পাতিম তাত গণ পৰিষদ, বিজেপি দলৰ প্ৰতিনিধি সকল উপস্থিত নাথাকে বা বেলেগ যি কোনো জিলা সমূহত যাওঁ তাতে এজিপি, বিজেপি বিধায়ক কংগ্ৰেছ বা AIUDF ৰ কোনো প্ৰতিনিধি নাথাকে। গতিকে এইটো ক্ষেত্ৰত এই যিটো কমিটি কৰিছে তাত ৰাজনৈতিক দলৰ কোনো প্ৰতিনিধি এজন এজন ৰাখিব পাৰি নেকি। এই ক্ষেত্ৰত এইটো আমাৰ দাবী আৰু মন্ত্ৰী ডাঙৰীয়াক আমি আহ্বান জনাইছো। দ্বিতীয় কথা হ'ল ইয়াতে তিনিটা Category কৰিছে। Category A, Category B, Category C । Category A ইয়াত দিছে যে lower range ত population 10,200 আৰু upper range ত দিছে 13,800. এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়া হয়টো প্ৰত্যেক জিলাৰ জিলা আযুক্ত সকলে বা AI লগত জড়িত বিষয়া সকলক তলৰ পৰা জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়াক, Circle Officer সকলক কথাটো ইতিমধ্যে জনোৱা আছে যে ইয়াত যিধৰণে দিছে, যেতিয়া ছাৰ এইখিনি কৰিবলৈ যাব, এই range ত বহুত অসুবিধা পাব। ক'ৰবাত ক'ৰবাত এই range মিলাবলৈ কি কি অসুবিধা হ'ব? ৩-৪ খন গাওঁ মিলাব লাগিব। মিলাবলৈ গ'লে গাওঁ ভাগ কৰিবলৈ দিয়া নাই, গাৰত যিমান Population আছে, বেলেগ এখন গাওঁৰ লগত লগাব লাগিব। এতিয়া বেলেগ বেলেগ দুখন গাওঁ মিলাই যদি ১০ হাজাৰৰ তলত থাকে, আকৌ ৩ নং গাওঁখন যদি লগ লগাবলৈ যায়, তাত যদি ৪-৫ হাজাৰ Population থাকে,তেতিয়া Upper limit সেইটো পাৰহৈ যাব। গতিকে তেনেকুৱা ধৰণৰ যেতিয়া অসুবিধা হয়, তেতিয়া দুখন গাওঁ ৰাখিবলগীয়া হয়। তেতিয়া ৮০০০- ৭০০০ য়ো কেতিয়াবা হৈ যায়। কেতিয়াবা১৫০০০ য়ো হৈ যায়। গতিকে এনেকুৱা ধৰণৰ এটা অসুবিধা আছে। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াৰো মই দৃষ্টি আকৰ্ষণ কৰিলো। মোৰ ৩ নং কথা হৈছে যে ধৰক বৰপেটা জিলা,বৰপেটা জিলাত মই জিলা আযুক্তৰ লগত কথা পাতিছিলো, তেখেতে কৈছে যে আমাক ৪ টা বিধান সভা সমষ্টি মিলি ৯৮ টা পঞ্চায়ত কৰিব দিছে। এতিয়া ৯৮ টা পঞ্চায়ত যেতিয়া কৰিব, সেই পঞ্চায়ত কি ধৰণে কৰিব? কোনটো বিধান সভাত কিমানটাকৈ দিব? এই কথা বিলাক যেতিয়া প্ৰশ্ন কৰে ৰাইজে, বা প্ৰাক্তন পঞ্চায়ত প্ৰতিনিধিসকলে, আমিও যেতিয়া কৰো, বিভাগে ভালকৈ উত্তৰ দিব নোৱাৰে। এতিয়া পকাবেতবাৰীত ২,৬৬,০০০ population আছে ২০০১ মতে। আকৌ কোনোবা এটা সমষ্টিত আছে ১,৯০,০০০ Population. এতিয়া পঞ্চায়ত যেতিয়া কৰিবলৈ যাব, যদি সমানে সমানেও কৰে,তাতকৈ আৰু আকাৰ বেছি হব। বা আকৌ এটা কথা তেওঁলোকে কৈছে যে GP Office য'ত য'ত বেছি আছে, সেইমতে পঞ্চায়ত হব। এতিয়া কোনাবা এখন গাৱত GP Office আছে, delimitation ৰ সময়ত এই গাওঁখনো তাত থাকি গ'ল বাকী ৩ খন গাওঁ থকা বেলেগ এটা পঞ্চায়তৰ লগত একত্ৰিকৰণ হব বা বেলেগ এটা পঞ্চায়তত অন্তৰ্ভূক্ত হব। এনেকুৱা ধৰণে যদি হয়, তাত যথেষ্টখিনি সমস্যা হব। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি আহ্বান জনাম এনেকুৱা আসোৱাহ কি কি আছে, ইয়াৰ কাৰণে যথেষ্টখিনি অধ্যয়নৰ দৰকাৰ।

এই কথা বিলাক পৰ্যবেক্ষণ কৰিব লাগে আৰু population যিটো কৈছে, জিলাভিত্তিতেই কৰক বা অসম ভিত্তিতেই কৰক, যাতে পঞ্চায়ত যিটো aversge, এটা পঞ্চায়তত যদি ৭০০০ বেলেগ এটা পঞ্চায়তত ১৪০০০ এনেকুৱা হব নালাগে, aversge টো যাতে সঠিকভাৱে হয়, এইটোকে মই অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ৰাজেত আলি চৌধুৰী।

**শ্ৰী ৰাজেদ আলী চৌধুৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই যিটো সংকল্প প্ৰস্তৱ উত্থাপন কৰিছে, ইয়াৰ ওপৰত মোৰ সমষ্টিৰ কিছু সমস্যা আছে। সেইখিনি কথা কবলৈ ওলাইছো। ছাৰ, মোৰ সমষ্টিত ৯০ শতাংশ চৰ অঞ্চল। প্ৰতিবছৰে গড়াখহনীয়া হৈ থাকে। এক চৰৰ পৰা আৰু চৰত যায়। আকৌ পুণৰবাৰ এই চৰ উঠে। আকৌ back কৰি আহে। এনেকুৱা এটা পৰিস্থিতিত population টোত অলপ পাৰ্থক্য হৈ যায়। ২০০১ চনৰ population মতে এটা চৰত, এটা পঞ্চায়তত population কম আছিল, যাৰ ফলত ২০০১ চনৰ population ৰ ভিত্তিত এই পঞ্চায়ত গঠন কৰাৰ ক্ষেত্ৰত দেখা গ'ল মোৰ সমষ্টিৰ পৰা ৪ টা পঞ্চায়ত abolish হৈ গ'ল। ইতিমধ্যে খবৰ পোৱামতে। কিন্তু ২০১১ ৰ population মতে যদি এই delimitation টো হয়, তেতিয়াহলে আমাৰ গোটেইকেইটা পঞ্চায়ত থাকিব। যাৰ কাৰণে আমাৰ ৪ টা পঞ্চায়ত abolish হৈ গ'ল, অকল ২০০১ ৰ population মতে delimitation হোৱাৰ কাৰণে আৰু এটা কথা ৪ টা জিলা পৰিষদ যদি এটা সমষ্টিত, যদি নাজানো, মই শুনিছিলো, জিলাৰ ভিতৰত যিমান জিলা পৰিষদ আগত আছিল , সেই গোটেইকেইটাই থাকিব। সেই হিচাপে যদি হয় তেতিয়াহ'লে হয়তু মোৰ সমষ্টিত ৪ টাৰ ঠাইত ৫ টা হ'ব। কাৰণ মোৰ সমষ্টি আটাইতকৈ ধুবুৰী জিলাৰ ভিতৰত ডাঙৰ। ৪১ টা পঞ্চায়ত আছিল। ৪১ টাৰ ভিতৰত এতিয়া, আমাৰ নতুন সমষ্টি হিচাপে ৪১টা পঞ্চায়ত, তাৰ ৪ টা বাদ গলে ৩৭ পঞ্চায়ত এতিয়াও আছে। দুটা Development Block দি মোৰ সমষ্টিত সমস্যাৰ সমাধান নহব। কাৰণ উত্তৰ পাৰ, দক্ষিণপাৰ, চৰ-চাপৰি, বিভিন্ন অঞ্চল। গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয় অনুৰোধ জনাইছো যে মোৰ সমষ্টিত অতি কমেও ৫ টা জিলা- পৰিষদ কৰিব লাগিব আৰু ৩ টা উন্নয়ন খণ্ড দিব লাগিব। এইখিনিয়ে মোৰ কবলগা আছিল। ধন্যবাদ।

মাননীয় উপাধ্যক্ষ ঃ ধন্যবাদ। এতিয়া নুৰুল হুদা।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী নুৰুল হুডা।

**শ্ৰী নুৰুল হুডা, বিধায়ক, ৰূপহীহাট ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়ত বিধি মতে delimitation ৰ যি প্ৰচেচ কৰা হৈছে Task force, District Level Committee আৰু District Delimitation Commission.Task force আৰু District Delimitation Committee non political,District Level Committee টো পলিটিকেল। তাত বিধায়ক সকল সদস্য আৰু আমাৰ Incharge Minister জন চেয়াৰমেন। য'ত এনেকুৱা জিলা আছে, সকলো দলৰ বিধায়ক সকলো জিলাত নাই।

**মাননীয় উপাধ্যক্ষ ঃ** এই বিষয়ে মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়াই ক'লে।

**শ্ৰী নুৰুল হুডা, বিধায়ক, ৰূপহীহাট ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিটো ক্ৰাইটেৰিয়া কৰিছে যে A category ৰ ১০,২০০ ৰ পৰা ১৩,৮০০, হুB category ত ২৮,৫০০ ৰ পৰা ১১,৫০০, C category ৰ ৬০০০ ৰ পৰা ৯,২০০। কিন্তু কোনোবা এটা পঞ্চায়ত ৬০০০ ত হ'ব আৰু কোনোবা এটা পঞ্চায়ত ১৩.৮০০ হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** এইখিনি আপুনি ৰিপ্লাইটো পালে গম পাই যাব। আপুনি কথাখিনি ৰিপিট কৰি কিয় আছে।

**শ্ৰী নুৰুল হুডা, বিধায়ক, ৰূপহীহাট ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ ৰূপহীৰ পৰা গৈ চামগুৰি পাব লাগিব, চামগুৰিৰ পৰা কলিয়াবৰ পাব লাগিব আকৌ কলিয়াবৰৰ পৰা গৈ ৰূপহী লাগিব। এনেকুৰা এটা কৰিছে। এটা কৰিডৰ বনাই কলিয়াভোমোৰা ব্ৰীজ পোৰাই দিছে।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি আপোনাৰ ৰিপ্লাইটো পাব। এতিয়া মাননীয় সদস্য শ্ৰী আশ্ৰাফুল ইছলাম। ২ মিনিটত পইণ্টটো ক'ব। ৰিপিট নকৰিব।

**শ্ৰী আশ্ৰাফুল ইছলাম, বিধায়ক, চেঙা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে চৰকাৰে এটা গাইড লাইন প্ৰস্তুত কৰিছে বা tentative সময় সীমা প্ৰস্তুত কৰিছে আৰু তাত কথাটো কোৱা হৈছিল যে ৩০ আগষ্টৰ ভিতৰত ড্ৰাফটো যাব। তেওঁলোকে যিটো SOP প্ৰস্তুত কৰিছিল সেই SOP মতে জিলা পৰিষদ কেতিয়া হ'ব, আঞ্চলিক পঞ্চায়ত কেতিয়া হ'ব, GP delimitation কেতিয়া হ'ব, hearing কেতিয়া হ'ব তেওঁলোকে সকলোখিনি দিছে। কিন্তু দেখা গৈছে ৱাৰ্ড সমূহৰো delimitation ৰ প্ৰয়োজনীয়তা আছে। এই বিষয়টো ক'তো উল্লেখ কৰা নাই। তাৰ পিছত মাননীয় উপাধ্যক্ষ মহোদয় মোৰ সমষ্টিৰ specific এটা কথা কৈছো যে ২০০১ চনত মোৰ সমষ্টিৰ বৰ্তমান চেঙা সমষ্টি, পূৰ্ব্বৰ বাঘবৰ সমষ্টিৰ মানিকপুৰ গাওঁ পঞ্চায়ত যিখিনি এলেকা চেঙা সমষ্টিত পৰিছে তাত ৭১০ জন population দেখা গৈছে। কিন্তু আজিৰ দিনত ৭১০ জন জনসংখ্যা থকা এলেকাত ভোটাৰ হ'ল ৩৪০৯ জন। তাৰ কাৰণটো হৈছে যে ১৯৯৬ চনত সেই গাওঁ কেইখন গৰাখহনীয়াত গুছি গৈছে কিন্তু ভোটটো তেওঁলোকে আঁতৰাই আনি ২০০১ চনৰ নিৰ্ব্বাচনত তেওঁলোকে ভোটটো আঁতৰাই অনা নাছিল। যিহেতু census টো তাত হোৱা নাছিল। এনেকুৰা পৰিস্থিতি চেঙা সমষ্টিৰ প্ৰায় বিলাক গাওঁ পঞ্চায়তেতে আছে। আপোনালোকে জানে যে অসমৰ ভিতৰত আটাইতকৈ দূৰ্গম দুটা সমষ্টি হৈছে তাৰ ভিতৰত এটা বিছিংজৰুৱা আৰু আনখন হ'ল চেঙা সমষ্টি। চেঙা সমষ্টিৰ এফালে মুকালমুৱাৰ পৰা নলবাৰী জিলা আৰম্ভ হয় আৰু পঞ্চৰত্নত গৈ শেষ হয়। নদীৰ দুয়োপাৰে এই সমষ্টিখন হৈছে। এতিয়া যদি পপুলেশ্যন আমি ভাগ কৰো নদীৰ মাজৰ অংশটোত প্ৰায় ২০-২৫ হাজাৰ পপুলেশ্যন হ'ব আৰু নদীৰ এটা পাৰে ৮০ হাজাৰ আৰু ইপাৰে প্ৰায় ১ লাখ পপুলেশ্যন হ'ব। Georaphically এনেকুৰা হোৱা দেখা গৈছে। গতিকে চেঙা যিটো সমষ্টি আছে এই সমষ্টিত এখনো ব্লক নাই। চেঙা ব্লক বা চেঙা চাৰ্কোলখনো চেঙা সমষ্টিৰ মানচিত্ৰৰ ভিতৰত থকা এলেকা নহয়। গতিকে ইতিপূৰ্ব্বে চেঙা সমষ্টি যিটো পুৰণি সমষ্টি আছিল তিনিখন ব্লক চেয়াৰ কৰিছিল। তাৰে দুটা ব্লক চেঙা সমষ্টিৰ ভিতৰত আছিল। অহা দিনত আমি আশা ৰাখিম যে তিনিখন ব্লক যদি এই সমষ্টিৰ ভিতৰত গঠন কৰা হয়, নিয়মত দুটা পোৱা যাব ১৭ খন কৈ যদি এখন কৰা যায়। কিন্তু দীঘল আৰু backward সমষ্টি, ৰাস্তা-ঘাটৰ অভাৱ গতিকে এই ঠাইখন অলপ বিবেচনাৰে চাব লাগে আৰু জিলা পৰিষদৰ ক্ষেত্ৰতো একেই সমস্যা। চাৰিখন জিলা পৰিষদ হ'ল এতিয়া চেঙা সমষ্টিত প্ৰায় ২ লাখ ৬০ হাজাৰ মান ভোটাৰ আছে। ধৰি ললো চাৰিখন হ'লে প্ৰায় ৬০-৭০ হাজাৰ ভোটৰৰ ভিতৰত আমি কৰিব পাৰিলো হয়। কিন্তু নদীৰ সিপাৰে যেতিয়া আমি ১ লাখ ভোটাৰ ধৰিম ইপাৰে যেতিয়া ডেৰ লাখ ধৰিম তেতিয়া ১ লাখত দুটা জি পি গঠন কৰিব লাগিব আৰু ডেৰ লাখত দুটা জিলা পৰিষদ গঠন কৰিব লাগিব। চেঙা সমষ্টিৰ কাৰণে এইটো কৰিব পৰা যাব নেকি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই কথাটোত যাতে গুৰুত্ব প্ৰদান কৰে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়তৰ delimitation ৰ ওপৰত যিটো বিষয় উত্থাপন হৈছে এইক্ষেত্ৰত মোৰ সমষ্টিৰ ক্ষেত্ৰতো কিছুমান complication আহিছে যে দুটা সমষ্টি লগলাগি এটা সমষ্টি হৈছে। পূৰ্ব্বতে মোৰ সমষ্টিত চাৰিটা জিলা পৰিষদ আছিল আৰু এতিয়া ৫ টা জিলা পৰিষদ হ'ল। এতিয়া তিনিটা ব্লক ও হ'ল। সৰুপেটাৰ ব্লক ও মোৰ সমষ্টিত অন্তৰ্ভুক্ত হ'ল। গোৰৰ্দ্ধনা ব্লক, চকচকা ডেভেলপমেণ্ট ব্লক, বৰভাগ ব্লক আছে। এই ব্লক বিলাকক লৈ পেলাই জিলা পৰিষদ গঠন কৰাৰ কাৰণে আমি সমষ্টিৰ delimitation ৰ সময়তে কৈছিলো যে continous এলেকাক লৈ নহ'ল, continous এলেকা যিহেতু নাই জিলা পৰিষদ গঠনত যদি পঞ্চায়তত continous এলেকা নাথাকে আৰু যদি ৪ খন জিলা পৰিষদ এটা সমষ্টিতে হয় তেতিয়া হ'লে মোৰ ৫ টা জিলা পৰিষদ হ'ব। গতিকে জিলা পৰিষদ গঠন কৰাৰ ক্ষেত্ৰত যদি continous এলেকাবোৰ নাথাকে বা কৰা নাযায় তেতিয়াহ'লে যথেষ্ট পৰিমাণে অসুবিধা হ'ব। এইক্ষেত্ৰত উল্লেখ কৰিব বিচাৰিছো যে হৈ যোৱা পঞ্চায়তৰ delimitation ৰ ক্ষেত্ৰত মোৰ এটা পঞ্চায়তত এটা জিলা পৰিষদ আছিল সেইটো হৈছে গোৰৰ্দ্ধনা জিলা পৰিষদ। এতিয়া অৱশ্যে সজাব পৰা যাব। কিন্তু continuty নথকাৰ বাবে অলপ অসুবিধা হ'ব। গতিকে এই বিষয়টোৰ ওপৰত যাতে গুৰুত্ব আৰোপ কৰে আৰু এই continuty টো থাকে।

**শ্ৰী নিজানুৰ ৰহমান, (গৌৰীপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ গৌৰীপুৰ সমষ্টিত বিলাসীপাৰা টাউনৰ পৰা আৰম্ভ কৰি ছাগলীয়া, বক্সিৰহাট লৈকে সীমা পাইছে। ইফালে আমাৰ শ্ৰীৰামপুৰৰ পৰা বাগদোৰা লৈ পাইছে আৰু তাত এতিয়া ৩৬ টা জি পি হ'বলৈ গৈ আছে। ভৌগোলিক ভাৱে গংগাধৰ নদীৰ দুয়োপাৰে মোৰ তাত কোনো ICDS project নাই। মোৰ তিনিটা ব্লকেই BTAD ত গুছি গৈছে। এতিয়া মোৰ সমষ্টিত ব্লক নোহোৱা হৈ আছে। ধুবুৰী জিলাত ২৪ টা জিলা পৰিষদ আছে আৰু তাত ৫ টা সমষ্টি আছে। এতিয়া তাত এটা সমষ্টি abolished হৈ গৈ বিলাসীপাৰা পশ্চিম হৈছে। এতিয়া ৪ টা জিলা পৰিষদৰ যিহেতু বেলেঞ্চ থাকি গ'ল মই ২ লাখ ৯৩ হাজাৰ জনসংখ্যাৰে দ্বিতীয় বৃহৎ সমষ্টি হিচাপে বহন কৰি আছো। গতিকে মোৰ সমষ্টিত যাতে ৪ টা জিলা পৰিষদৰ ঠাইত ৬ টা হয়, তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰি নেকি? বিলাসীপাৰা পশ্চিম abolished হৈ গ'ল। BTC ৰ পৰ্ব্বতঝোৰা আৰু বান্ধোনগুৰি সমষ্টিৰ যিটো পঞ্চায়ত আছিল সেইটো এতিয়া নাই। ২৪ টা জিলা পৰিষদ থাকি গ'ল আৰু পঞ্চায়তৰ ক্ষেত্ৰত ভোগোলিক ভাৱে নদীৰ দুয়োপাৰে যিটো আছে সেইটো এনেকুৱা হৈ আছে যে......

**মাননীয় উপাধ্যক্ষ ঃ** নদীৰ ইপাৰ সিপাৰ সকেলাৰে আছে। এতিয়া মাননীয় মন্ত্ৰী মহোদয়।

**ড° ৰফিকুল ইছলাম, জনিয়া ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোক এক মিনিট সময় ক'বলৈ দিয়ক। জনিয়া আৰু বাঘবৰ সমষ্টি লৈ নৱগঠিত মন্দিয়া সমষ্টি হৈছে। তাত দুটা ব্লক আৰু দুটা চাৰ্কোল আছে আৰু ৬০-৭০ ত যি চাৰ্কোল বিলাক হৈছে তেতিয়া মাননীয় ফখৰুদ্দিন আলী আহমেদ চাৰ বিধায়ক আছিল। পৰৱৰ্ত্তী সময়ত তেখেত ৰাষ্ট্ৰপতি হয়। জনগণে বহুত কষ্ট কৰি এই চাৰ্কোল আৰু ব্লক বিলাক বনাইছে। এটা সমষ্টিত যদি এটা চাৰ্কোল হয়, বাঘবৰ ৰেভিনিউ চাৰ্কোল মন্দিয়াত আৰু কলগাছিয়া ৰেভিনিউ চাৰ্কোল কলগাছিয়া দুয়োটায়ে থাকিব। এটা হ'লে মানুহখিনিৰ যিহেতু চেন্টিমেন্ট জড়িত হৈ আছে, কেৱল আমাৰ সমষ্টিত নহয় অন্যান্য সমষ্টিতো এই অনুষ্ঠান বিলাক কৰোতে বহুত পৰিশ্ৰম জনগণে কৰিছে। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক

অনুৰোধ কৰিম যে এই সমষ্টি বিলাকত চাৰ্কোল দুটায়ে থাকিব লাগিব। বাঘবৰ ৰেভিনিউ চাৰ্কোল মন্দিয়াত আৰু কলগাছিয়া ৰেভিনিউ চাৰ্কোল কলগাছিয়া আৰু জি পি বিলাক যাতে সঠিক ভাৱে A ,B,C ৰ মাজত সোমাই নাথাকি অলপ flexible হৈ সঠিক ভাৱে যাতে কৰে তাৰ বাবে অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী মহোদয়,

**শ্ৰী ৰণজিৎ কুমাৰ দাস, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰী হাফিজ বছিৰ আহমেদ আৰু শ্ৰী আমিনুল ইছলাম(জ্যেষ্ঠ) এই দুই গৰাকীয়ে সংকল্প প্ৰস্তাৱ আনিছিল। এই সংকল্প প্ৰস্তাৱটোৰ মূল বিষয়টো আছিল যে This House urges upon the Government to reconsider of village panchayat, Anchalik panchayat and Zile parishad on the basis of 2011 census. এই বিষয়টোৰ লগত আনুসঙ্গিক বহু বিষয় আহিছে। সেইখিনিৰ উত্তৰ মই প্ৰদান কৰিম। এতিয়া ২০১১ ৰ সলনি আমি Act কিয় আনিলো। তাৰ justification লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, আমি কিছুদিন আগতে লোক সভাৰ ১৪ টা আৰু বিধান সভাৰ ১২৬ টাৰ যি delimitation কৰিলো বা election commissioner য়ে কৰিলে আৰু সেইটো কৰাৰ পিছত তেওঁলোকৰ দুটাকৈ যি direction আছিল তাৰ এটা আছিল তেওঁলোকৰ চিঠি ২৭ ডিচেম্বৰ, ২০২২ Election Commision of India তেওঁলোকে লিখিছিল আছিল as mandated under Article 170 of the Constitution census figure 2001 shall be use for purpose re-adjustment of Parliament and Assembly Constituencies in the State.তাৰ পৰৱৰ্ত্তী সময়ত তেওঁলোকক পুনৰ ১১ আগষ্ট ২০২৩ দিলে for the delimitation of Parliament and Assembly Constituency in the State on the basis of the relevant published figure of 2001 census in the extra ordinary issues of the gazette of India and in Assam state gazette on 20 June, 2023 যিহেতু এই দুটা তেওঁলোকৰ বিধানসভাত delimitation হৈছিলে এইটো আমি base হিচাপে লৈ যাত মানুহৰ মনত এটা satisfaction থাকিব লাগিব যে কিছুদিন আগত বিধানসভা অহা আমাৰ Election Commission ৰ পৰা direction অহা নাই যাৰ কাৰণে এই বিষয়টো লৈছো 2001 চনৰ census under ত আমি লৈছো আৰু সেইটো যাতে মূলগত ভাৱে লৈছো।

After re-organization of the boundaries of the Assembly Constituencies of the State by Election Commssion of India, it has become necessary to redefine the boundaries of Gaon Panchayats, Anchalik Panchayats and Zilla Parishads for administrative convenience and to make the Panchayati Raj System more effective. Delimitation is a complex process that needs to maintain consistency across different levels of Governance. The use of 2001 census data for delimitation of Gaon Panchayats , Anchalik Panchayats and Zilla Parishads in Assam has been done to maintain consistency with previous delimitations. The Election Commission of India has re-

organised the boundaries of Assembly Constituencies on the basis of 2001 census. Hence, 2001 census has been taken as the basis for the delimitation of Gaon Panchayats , Anchalik Panchayats and Zilla Parishads in order to maitain proportionate balance between the Assembly constituencies and Panchayati Raj Institutions. Using the 2001 census data ensures that the boundaries align with those established during previous exercises that als relied on this data.

In view of the above, Census 2001 has been preferred over 2011 census for delimitation of Gaon Panchayats , Anchalik Panchayats and Zilla Parishads. এতিয়া কথাটো হৈছে যে এইটো কাৰণে ইতিমধ্যে যিহেতু এটা Constituential area আৰু ইয়াতে সম্পূৰ্ণৰূপে আমাৰ যি delimitation হৈছে সেইবাবে আমাৰ District Commissioner সকলক আমি চেয়াৰমেন, জিলা পৰিষদ বিলাকক মেম্বাৰ চেক্ৰেটাৰী আৰু ইলেক্চন অফিচাৰক আমি মেম্বাৰ হিচাপে দিছো। ইয়াৰ পৰৱৰ্ত্তী সময়ত যাতে সকলোৰে সহমত ল'ব পাৰো তেওঁলোকে এইখিনি ড্ৰাফ্ট এটা বনাই দিয়াৰ পাছতে বা এটা structure বনাই দিয়াৰ পাছত আমাৰ যি District লেভেলৰ সমিতি আছে সেই District লেভেলৰ সমিতিত আমাৰ Guardian Minister হ'ব Chairman, Hon'ble MLA of District তাতে সকলোৰে মেম্বাৰ, District Chairman এগৰাকী মেম্বাৰ আৰু জিলা পৰিষদৰ CEO গৰাকী হৈছে মেম্বাৰ চেক্ৰেটাৰী এই যে আমি MLA সকলক ৰাখিছো এইটোৰে সূচাইছে আমাৰ মাজত এইটো লৈ পেলাই কোনো transparency নাই কাৰণ কিয় আমি সমষ্টিৰ পুনৰ গঠন কৰাৰ পিছত mandatory আৰু যাতে এইটো without malafide intention নোহোৱাকৈ bonafide intention লৈ আমি কৰিব খুজিছো , এইকাৰণে আজি অলপ আগতে গৌৰীপুৰৰ বিধায়ক ডাঙৰীয়াই ক'লে , চেঙাৰ বিধায়ক ডাঙৰীয়াই ক'লে যে এতিয়া যিটো তেওঁৰ সমষ্টি তাত এটাও ব্লক নাই । তাৰোপৰি আমাৰ সৰভোগৰ বিধায়কে ক'লে যে এতিয়া যিটো সমষ্টি ভবানীপুৰ, সৰভোগত তিনিটা ব্লক হৈছে। গতিকে আমি সিদ্ধান্ত লৈছো যে কোনো এটা সমষ্টিত যাতে ব্লক নথকাকৈ নাথাকে । মোক এই বিধানসভাতে কৈছিল যে বদৰপুৰ সমষ্টিতো এনেকুৱা এটা সমষ্টি য'ত এটা ব্লকো নাই। মানুহে যিহেতু connectivity ৰ কাৰণে Administration Unit DC অফিচে হওঁক SDO or SDC আমাৰ ব্লক অফিচ, মানুহক সহয় কৰাৰ কাৰণেহে এই ব্লক স্থাপন কৰা হয়। গতিকে আগন্তুক দিনত মানুহক যাতে আমি সকাহ দিব পাৰো যাৰ কাৰণে each and every constituency ত এটাকৈ mandatory থাকিব । তাৰ মাজত যেনেকৈ জনিয়া সমষ্টি, জনিয়া বুলি ক'লে এইফালে আমাৰ মন্দিয়া পৰে, সেইফালে ৰূপচী কলগছিয়া পৰে আকৌ পাই গৈ মন্দিয়া পৰে গতিকে এইফালে কলগছিয়া হৈ সৰভোগ কাষৰ পৰা গৈ বৰপেটা। তাত আমি যদি মানুহক জোৰ-জবৰদস্তি আনি পেলাই মন্দিয়াৰ পৰা আমি কলগছিয়াত আনো মানুহক শক্তি দিয়া যেন হ'ব। গতিকে স্বাভাৱিকতে যিটো দুটা ব্লক আছে এই ব্লকটো আমি কিয় ভঙাৰ কোনো প্ৰয়োজন নাই। যদি দেখিছো যে administrative setup য'ত আছে তাত আমি preferably ৰখাতো ১০০ শতাংশ নিশ্চিত কৰিছো। য'ত নাই সেইটো আমি আগন্তুক দিনত নিশ্চিত কৰাৰ চিন্তা কৰিছো। এতিয়া আমি চিন্তা কৰিছো যেনেকৈ ভবানীপুৰ সৰভোগ সমষ্টিত তিনিটা ব্লক আছে। এতিয়া ব্লক এটা উঠাই দিয়াৰ লগে লগে

মানুহৰ এটা sentiment ৰ কথাটো আহি পৰে। গতিকে আমি সৰুপেটাৰ ব্লকটো ৰাখিব লাগিব আৰু ইপিনে যিটো আমাৰ নোনতলাত যিটো আছে সেইটো ৰখাৰ চেষ্টা কৰিব লাগিব। আমি ৰাইজৰ সুবিধৰ্থে এইটো কৰি আছো গতিকে ইয়াত এনেকুৱা ধৰণৰ কথা নাহে। আপোনালোকক লৈ পেলাই যিহেতু আমি সমিতি কৰিছো তাৰ পিছত সেই সমিতিৰ আপোনালোকে সন্মানীয় সদস্য হিচাপে নিজস্বৰূপে তাত যদি কিবা সংশোধন ডিলেচন এডিচন কিবা কৰিবলগীয়া আছে সেইটো আপোনালোকে কৰিব পাৰে। তাৰ পিছত আমি কৈছো একোটা জিলা পৰিষদৰ পূৰ্বতে বিভিন্ন ধৰণৰ structure চাই জিলা পৰিষদ বনাইছিল। এতিয়া সৰভোগ সমষ্টিত গোবৰ্ধনা বুলি জিলা পৰিষদ এটা আছে তাতে ১২০০ নে ১৫০০ ভোট । ১২০০০ ভোট আছে তাতো জিলা পৰিষদ এটা । গতি কে সেইটো নকৰি আমি কৈছো যে ৪টাকৈ জিলা পৰিষদ প্ৰতিটো সমষ্টিতে যাতে কৰিব পাৰো আমি প্ৰচেষ্টা চলাইছো আৰু এইখিনি কৰিবলৈ যাওতে বা পঞ্চায়ত গঠন কৰিবলৈ যাওতে আমাৰ A category, B category ৰ কথা বহুতে কৈছে কিন্তু এইটো হৈছে হ'ব, পাৰে আমি এটা base ল'ব দিছো, চৰকাৰে DC সকলক কৈছো যে য'ত density বেছি আছে, তাত তেনেকৈ ল'ব দিছো। এইটো mandatory নহয়। আমি এইটোও কৈছো ২০০১ ৰ যিটো census ৰ আধাৰত যিটো population of the District and divided by the number of Panchayat prevailing on the District. কোনোবা জিলাত যদি পঞ্চায়ত ৫০ টা আছে, ২০০১ চনৰ survey মতে যদি তাত ধৰক আমি ১০ লাখ ধৰো তেতিয়াহ'লে যিমানটা পঞ্চায়ত আছে সেই পঞ্চায়তৰে আমি ভাগ কৰিব দিছো। গতিকে এনেকুৱা নহয় যে পঞ্চায়ত কমি নাযায়। আমাৰ জিলা পৰিষদ কমি নাযায় বা পঞ্চায়ত বাঢ়ি নাযাব, ক'ৰবাত এটা সৰু সমষ্টি হয়তো আছে,আগতে হয়তো ২০ টা পঞ্চায়ত আছিলে তাৰে হয়তো এটা পাৰ্ট গুছি গৈ অন্য এটা সমষ্টিত লগ লাগিছে আৰু য'ত লগ লাগিছে তাত হয়তো গৈ ১০ টা পঞ্চায়ত গুচি গৈছে। তাতে যদি আগৰ অংক টো কৰি থাকে মোৰ ইমাননটা জিলা পৰিষদ হ'ব আগতে ইমানটা আছিল। large portion এটা গুছি গৈছে, অন্য এখন জিলাত। য'ত গুছি গৈছে তাত আকৌ বাঢ়ি গ'ল গতিকে এনেকুৱাকৈ ৰাইজৰ সুবিধাৰ্থে এইখিনি কৰিছো আৰু ইয়াত কোনো কথা নাই। ২০০১ চনৰ বেচটো এই কাৰণেই লৈছো আমাৰ যিহেতু ২০০১ চনৰ পঞ্চায়তত census data আছে আৰু সেইকাৰমে Election Commission ৰ যিহেতু instruction থ delegation কৰিলে, Parliament বা বিধান সভাত কোনো বিতৰ্ক নাথাকে। সেয়েহে পঞ্চায়তৰ ক্ষেত্ৰতো আমি সেইটো কৰিছো যাতে তাতে কোনো বিতৰ্ক নাথাকে। আমি বিচাৰিছো যে মানুহক যাতে আমি সকাহ দিব পাৰো। কাৰণে পঞ্চায়তত আমি যিমানবিলাক ব্যৱস্থা লাহে লাহে কৰি আছো আগন্তুক দিনত আমাৰ কেবিনেট sub committee আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে গঠন কৰিছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মনৰ ইচ্ছা হৈছে যে যিবোৰ বজাৰ আছে, সেই বজাৰত মানুহে অতিৰিক্ত টেণ্ডাৰ মাৰি ৰেটটো বঢ়াই লোৱাৰ ফলস্বৰূপে পানীলাউ যদি বিক্ৰী কৰিব যায় ৫ টা তাত আমি খাজনা দিব লাগে ৩০টকাৰ পাই ১০০ টকা। খাজনামুক্ত আমাৰ গ্ৰাম্য বজাৰ কৰাৰ কাৰণে আমি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰচেষ্টাৰে গৈ আছো এই ক্ষেত্ৰত মানুহৰ কোনো অসুবিধা নোহোৱাকৈ কোনোবা ব্লকৰ ক্ষেত্ৰত আজি আপোনালোকে যি suggestion দিলে সেইখিনি আমি নিশ্চিতৰূপত

কাৰণ আজি আমাৰ আলুপুতি চৰে হওঁক , এই চেঙা বুলি ক'লে, কিমান বৃহৎ, তেওঁৰ সমষ্টিত তিনিটা আছিলে এতিয়া এটাও নাই। আমি যদি এখন নানিলোহেতেন তেওঁ এটাও ব্লক নাপাব। যদি

আমি এইখন নানোতে এটাও ব্লক নাপাব সেইকাৰণে আগন্তুক দিনত আমি আনৰ সুবিধা বোৰাৰ স্বাৰ্থত connectivity ৰ স্বাৰ্থত আমি যাতে সেৱা আগবঢ়াব পাৰো তাৰ কাৰণে আনি এইটো কৰিছো। কাৰণ আমাৰ বদৰপুৰৰ বিধায়কে ইয়াত কৈছে যে ব্লক নাছিলে । সেইখিনি সকলোৰে যাতে ব্লক থাকে সকলো মানু হে যাতে সহায় পায় তাৰ কাৰণে আমি সেইখিনি কৰিছো। আশা কৰিম যে সংকল্প প্ৰস্তা ৱটো উঠাই ল'ব।

**শ্ৰী শ্বেৰমান আলি, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা পইন্ট । আপুনি যিটো ক'লে পঞ্চায়তবোৰ ইফাল সিফাল কৰিব। কিন্তু মাননীয় মুখ্যমন্ত্ৰীয়ে শুনিলে ভাল, গাঁওবোৰ ভাগ কৰিব দিয়া নাই। মোৰ তাত এখন গাঁও আছে সত্ৰকণৰা যাৰ এখন গাঁৱৰ জনসংখ্যা ৩২,০০০এচ পাৰ ২০১১ চেনচাচ। এতিয়া এখন গাঁৱৰ ৩২,০০০ জনসংখ্যা লৈ এটা পঞ্চায়ত গঠন হ'ব। ক'ৰবাত ১০-১২ হাজাৰ জনসংখ্যাৰে গঠন হ'ব, এই গোটেই কথাবোৰ আপোনালোকে চাব। গাইডলাইনমতে ৰাজহ গাওঁ ভাগ কৰিব দিয়া নাই। কিন্তু ২০১১ চনৰ লোকপিয়ল অনুসৰি সত্ৰখনত ৩২০০০ জনসংখ্যা আছে, গতিকে পঞ্চায়তখন ডাঙৰ হৈ যাব। এইটো অলপ বিবেচনা কৰিব। দ্বিতীয়তে, চেঙাৰ কথা যিটো ক'লে, সেই অনুসৰি চৰত পাৰিলে এটা ব্লক দিব লাগে। নহ'লে মানুহখিনিৰ চৰৰ পৰা উজীৰেচৰ, কদমতলাৰ পৰা গোমাফুলবাৰীৰ পৰা চেঙাত আহিবলৈ বহুত অসুবিধা হ'ব। গ্ৰাম্যৰ কাৰণে এটা আৰু চৰৰ কাৰণে এটা কৰিলে চৰৰ মানুহখিনিৰ সুবিধা হ'ব। আপুনি বিধায়কবোৰ সদস্য বুলি যিটো ক'লে, আমি কেৱল Block Delimitation ৰ ক্ষেত্ৰতহে সদস্য। Panchayat Delimitation ৰ ক্ষেত্ৰত যদি বিধায়কসকলক সাঙুৰি দিয়ে তেন্তে ভাল হ'ব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কমলপুৰ ব্লকটো নতুনকৈ পুনৰ গঠন হ'ব। এটা বেজেৰা ব্লক আছে আৰু এটা কমলপুৰ ব্লক হ'ব। কমলপুৰ ব্লকটো আগতে মাজত আছিল। এতিয়া কমলপুৰ ব্লকত ৬ টা আৰু বেজেৰাত ৬টা। প্ৰায় ৫০ বিঘাৰ অধিক মাটি কমলপুৰ ব্লকত আছে। মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যাতে এইটোৰ সুবিচাৰ কৰে। কাৰণ তাৰ মানুহখিনিয়ে বিচাৰিছে আৰু আমিও বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। মজিবুৰ ৰহমান ........interruptions...

**শ্ৰী নিজানুৰ ৰহমান, (গৌৰীপুৰ )ঃ** চাৰ এটা কথা include কৰিব বিচাৰিছো। মোৰ গৌৰীপুৰ সমষ্টিটো ১১০ কিঃমিঃ দীঘল, ছাগলীয়া আৰু বক্সিৰহাটলৈকে, এফালে শ্ৰীৰামপুৰলৈকে আৰু বিলাসীপাৰা টাউনলৈকে। মই এটা কথা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে ৩ টা ব্লক কৰিলেহে সুবিধা হ'ব আৰু কমেও ৬টা জিলা পৰিষদ লাগিব, যিহেতু বিলাসীপাৰা (পশ্চিম) সমষ্টি abolish হৈ বাকী থকা জিলা পৰিষদ .......interruptions....

**মাননীয় অধ্যক্ষঃ** আপুনি personally লিখিত ভাৱে দিব। ধন্যবাদ। মজিবুৰ ৰহমান।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাওঁ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত যিহেতু কোনো block বৃদ্ধি নকৰে, জিলা পৰিষদৰ সংখ্যা বৃদ্ধি নকৰে, পঞ্চায়তৰ সংখ্যা বৃদ্ধি নকৰে, এতিয়া অসমৰ ভিতৰত যদি আপোনালোকেনম্বৰ দিব লাগে.....interruptions...

**মাননীয় অধ্যক্ষঃ** Debate নহয়। সন্মানীয় সদস্যসকলে resolution আনিছে, আপোনাৰ যি ক'বলগীয়া আছে স্পষ্টভাৱে কৈ দিয়ক .....interruptions....

**শ্ৰী মজিবুৰ ৰহমান, (দলগাওঁ)ঃ**চাৰ, অসমৰ ভিতৰত মানকাছাৰৰ আমিনুল ডাঙৰীয়াই .......in-

terruptions..... মোৰ তাত ৩ লাখ ৫ হাজাৰ ....interruptions... চাৰ কথাখিনি ক'বলৈ দিয়ক .....interruptions...

**মাননীয় অধ্যক্ষঃ** এতিয়া সন্মানীয় সদস্য হাফিজ বছিৰ আহমেদ আৰু আমিনুল......interruptions...

**শ্ৰী মজিবুৰ ৰহমান, (দলগাওঁ):**চাৰ, মোক ক'বলৈ দিয়ক......interruptions...

**মাননীয় অধ্যক্ষঃ** আপুনি লিখি দিয়ক। ইয়াত decision নহয়। এতিয়া Resolution ৰ ওপৰত আলোচনা হৈ আছে। মন্ত্ৰীয়ে উত্তৰ দিয়াৰ পিছত কিবা যদি থাকে তেন্তে to the point ক'ব। বাকী কিবা থাকিলে লিখি দিব। মন্ত্ৰী ডাঙৰীয়াই সেইমতে বিবেচনা কৰিব।

**শ্ৰী মজিবুৰ ৰহমানঃ** হ'ব চাৰ।

**মাননীয় অধ্যক্ষঃ** আমিনুল ইছলাম ডাঙৰীয়া, সংকল্প প্ৰস্তাৱটো উঠাই ল'ব নে?

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো সংকল্প প্ৰস্তাৱ আছিল, এই বিষয়টোৰ লগত প্ৰত্যেকজন বিধায়কে concern। বহুতে এই প্ৰস্তাৱৰ আলোচনাত অংশগ্ৰহণ কৰিলে, তাৰ বাবে সকলোকে মই ধন্যবাদ জনাইছো। ২০০১ চনৰ লোকপিয়লৰ তথ্যখিনি কিয় আধাৰ হিচাপে লোৱা হ'ল আৰু ২০১১ চনৰ লোকপিয়লৰ তথ্য কিয় আধাৰ হিচাপে লোৱা নহ'ল, সেই সম্পৰ্কত মাননীয় মন্ত্ৰী মহোদয়ে নিৰ্বাচন আয়োগৰ গাইডলাইনটো পঢ়ি দিছে। Delimitation Committee ২০০২ চনত হৈছিল। আনহাতে আমাৰ ইয়াত বিধান সভা সমষ্টিৰ Delimitation যোৱা বছৰ হৈছিল। ২০০১ ৰ লোকপিয়ল ল'ব লাগে বুলি Delimitation Committee য়ে সিদ্ধান্ত লৈছিল। কিন্তু এইটো ২৪ বছৰ পিছতহে কাৰ্য্যকৰী হৈছিল। গাওঁ পঞ্চায়ত, জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত পুনৰ গঠনৰ বিষয়টো ভাৰতীয় নিৰ্বাচন আয়োগৰ বিষয় নহয়। ই সম্পূৰ্ণ ৰাজ্য চৰকাৰৰ কৰ্তৃত্ব বিষয়। ৰাজ্য চৰকাৰেহে তেওঁলোকৰ সুবিধামতে গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত বনাব, নিৰ্বাচন পাতিব। নিৰ্বাচন আয়োগে বিধান সভা নিৰ্বাচন বা লোকসভাৰ সমষ্টিবোৰ পুনৰ গঠনৰ বাবে ২০০১ চনৰ লোকপিয়লৰ আধাৰত কৰাৰ যি গাইডলাইন দিছিল সেইটো ২৪ বছৰ পিছত আমি গাই থকাৰ অৰ্থ নাই। ৰাজ্য চৰকাৰে ২০১১ চনৰ লোকপিয়ল ল'লে ২০১১ চনৰ মতে হ'ব, ২০২১ৰ ল'লে, সেইমতেই হ'ব। সেয়েহে, মই ভাৱো মন্ত্ৰী মহোদয়ে বিষয়টো বিবেচনা কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰস্তাৱটো উঠাই লৈছে নে?

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** নাই লোৱা। এইটো মানি ল'বলৈহে কৈছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য হাফিজ বছিৰ আহমেদ ডাঙৰীয়া আৰু শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াৰ সংকল্প প্ৰস্তাৱটো সদনত দাঙি ধৰিলো।

যিসকল সপক্ষে আছে কওঁক হয়, যিসকল বিপক্ষে আছে কওঁক নহয়,

(সদনে অসন্মতি জনায়)

মই ভাৱো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে

সংকল্প প্ৰস্তাৱটো নাকচ হ'ল।

এতিয়া কাৰ্য্যসূচী নং ২১।

ৰাজভৱনৰ পৰা এটা বাণী পঠিয়াইছে । মই বাণীটো পঢ়ি দিছো- Under the provision of Article 207 (3) of the Constitution of India, I, Shri Lakshman Prasad Acharya, Governor of Assam, recommend that ' The

Assam Rights to Public Services (Amendment) Bill, 2024' be taken into consideration by the Assam Legislative Assembly.

এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam Rights to Public Services (Amendment) Bill, 2024' খন চৰকাৰী সংশোধনীৰ সৈতে বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া আলোচনা।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা)ঃ** অধ্যক্ষ মহোদয়, চৰকাৰে যি 'The Assam Rights to Public Services (Amendment) Bill, 2024' বিলখন আনিছে, সেইটো ভাল হৈছে। কিন্তু, Sir, Clause 10 (e) ত দিয়া আছে- provision for a chapter on Right to Public Service in High school text book shall be introduced. ইয়াত 'in High school'ৰ সলনি 'Govt. and Non-Govt. High School' লিখিলে ভাল হয় । কাৰণ আমাৰ চৰকাৰী হাইস্কুলো আছে আৰু বেচৰকাৰী হাইস্কুলো আছে। Rights to Public Services বুলি হাইস্কুলত এটা chapter হ'ব। ই অসমীয়া, ইংৰাজী আৰু হিন্দী ভাষাত হ'ব। সেয়েহে মই চৰকাৰক অনুৰোধ কৰিব বিচাৰো যে এইটো বড়ো স্কুলবোৰত বড়ো ভাষাত, মিচিং স্কুলবোৰত মিচিং ভাষাত, কাৰ্বি স্কুলত কাৰ্বি ভাষাত, ডিমাচা, ৰাভা, টিৱা সকলোৰে স্থানীয় ভাষাত প্ৰকাশ কৰিব লাগে। কেৱল ইংৰাজী, অসমীয়া বা হিন্দী হ'লে সকলো মানুহে বুজি নাপাব। এইখিনিয়ে মোৰ ক'বলগীয়া।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আৰু কোনোবাই ক'ব নেকি?

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** চাৰ, চৰকাৰে ইয়াত যিখিনি সংশোধনী আনিছে, তাত আমাৰ ক'বলগীয়া নাই। আমাৰ সন্মতি আছে। কিন্তু Rights to Public Services Act খন pass হোৱাৰ পিছত সেইখন প্ৰণয়ন কৰাৰ সময়ত বহুত গাফিলতি হয়। RTI Act লৈ মানুহ যথেষ্ট সজাগ। এমাহৰ ভিতৰত তথ্য পাব লাগে। কিন্তু এমাহৰ ভিতৰত ৰাইজে তথ্য নাপায়, ফাইল ঘূৰি থাকে। ৰাইজে service টো কিন্তু ভালদৰে পাই থকা নাই। সেয়েহে চৰকাৰক মই অনুৰোধ জনাওঁ যে RTI Act লৈ ৰাইজ যিদৰে সজাগ, এই Act খনৰ ক্ষেত্ৰতো ৰাইজক সজাগ কৰাৰ বাবে পদক্ষেপ ল'ব লাগে আৰু অফিচাৰ সকলক বাধ্য কৰিব লাগে যে এমাহৰ ভিতৰত Act মতে ৰাইজে service পায়।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী আপুনি reply দি দিয়ক।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ভৰত নৰহ ডাঙৰীয়াই আচলতে সংশোধনী অনা নাছিল।

**মাননীয় অধ্যক্ষঃ** এইটো এটা সাধাৰণ আলোচনা।

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

৩ নং দফাত মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱ আছে।

তেখেত অনুপস্থিত। গতিকে ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।
৪ নং দফাত মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱ আছে।
তেখেত অনুপস্থিত। গতিকে ৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।
৫ নং দফাত কোনো সংশোধনী নাই।
মই এতিয়া ৫ নং দফাটো সদনৰ ভোটৰ বাবে ৰাখিলো।
প্ৰশ্নটো হ'ল ৫ নং দফাটো বিধেয়কখনৰ অংশ হ'ব
যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
৫ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।
৬ নং দফাত মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱ আছে।
তেখেত অনুপস্থিত। গতিকে ৬ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
৬ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।
৭ নং দফাত মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱ আছে।
তেখেত অনুপস্থিত। গতিকে ৭ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
৭ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।
৮ নং দফাত মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱ আছে।
তেখেত অনুপস্থিত। গতিকে ৮ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
৮ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।
৯ নং দফাত মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ সংশোধনী প্ৰস্তাৱ আছে।
তেখেত অনুপস্থিত। গতিকে ৯ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
৯ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

১০ নং দফাত কোনো সংশোধনী নাই।
মই এতিয়া ১০ নং দফাটো সদনৰ ভোটৰ বাবে ৰাখিলো।
প্ৰশ্নটো হ'ল ১০ নং দফাটো বিধেয়কখনৰ অংশ হ'ব
যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
১০ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।
১১ নং দফাত মাননীয় মূখ্যমন্ত্ৰী মহোদয়ৰ নামত চৰকাৰী সংশোধনী আছে।
গতিকে সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ মই অনুৰোধ জনালোঁ।

**শ্ৰীপীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Right to Public Services (Amendment) Bill, 2024 after section 10 (e), the following shall be inserted, namely repeal and section 23 (1) Assam Right to Public Services (Amendment) Ordinance, 2024 is hereby repealed. Not withstanding such a repeal, any thing done or any action taken under the said Act shall be deemed to have been validly done or taken under the corresponding provisions of this Act.

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া চৰকাৰী সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰাৰ বাবে সদনত দাঙি ধৰিলো।

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
চৰকাৰী সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হ'ল।
এতিয়া ১১ নং দফাটো বিধেয়কখনৰ অংশ হ'ব
যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
সংশোধনী সহ ১১ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

মই এতিয়া ১ নং দফা, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনাম সদনত ভোটদানৰ বাবে ৰাখিলো।

প্ৰশ্নটো হ'ল ১ নং দফা, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
১ নং দফা, অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনাম বিধেয়কখনৰ
অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী মহোদয়ক বিধেয়কখন পাৰিত কৰাৰ কাৰণে অনুৰোধ কৰিলো।

**শ্ৰীপীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ "The Assam Right to Public Services (Amendment) Bill, 2024 পাৰিত কৰণৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে বিধেয়কখন পাৰিত কৰা হওঁক।
যিসকল সপক্ষে আছে, কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
প্ৰস্তাৱটো গ্ৰহণ কৰা হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং ২২, ৰাজভৱনৰ পাৰ এটা বাণী আছে, বাণীটো হ'ল -

"Under the provision of Article 207(3) of the Constitution of India, I, Shri Lakshman Prasad Acharya, Governor of Assam recommend that "The Assam Motor Vehicle Taxation (Amendment) Bill, 2024" be taken into consideration by the Assam Legislative Assembly.

মন্ত্ৰী ডাঙৰীয়া

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, পৰিবহন ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Motor Vehicle Taxation (Amendment) Bill, 2024" সদনত বিবেচনাৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ মন্ত্ৰী মহোদয়।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উক্ত বিলখনৰ section 4 ত মাননীয় মন্ত্ৰী ডাঙৰীয়াই উল্লেখ কৰিছে যে যান -বাহনৰ first registration ত ১ শতাংশ এটা motor transport worker ৰ social security ৰ বাবে ৰাখিব। আমাৰ কথাটো হ'ল যে কোন সকল motor transport worker? তেঁওলোক কোন কোন পৰিব আৰু social security য়ে কি কি বিষয় সামৰি ল'ব?

দ্বিতীয়তে, মই সুধিব বিচাৰিছো যে section 6, ইয়াত তেখেতে one time tax ৰ কথা কৈছে। চাৰি চকীয়া বাহানৰ কথা কৈছে যে upto 3 lakhs 4% ল'ব, above 3 lakhs 6%, above 5 lakhs 10%, above 20 lakhs 14% tax ল'ব। আমাৰ কথাটো হ'ল যে এই percentage টো যে ঠিক কৰিছে, সেইটো কিহৰ ভিত্তিত ঠিক কৰা হৈছে। কি ধৰণে তেওঁলোকে নিৰ্ধাৰণ কৰিছে।

আৰু এটা section 7, ইয়াত sleeper bus ৰ কথা কৈছে। per seat তেওঁলোকে ৩ হাজাৰ কৈছে, আৰু এটাত কৈছে per seat ১ হাজাৰ কৈছে। তাৰ লগে লগে per berth এটাত ৫ হাজাৰ কৈছে আৰু আন এটাত ২ হাজাৰ কৈছে। এতিয়া আগত কোনটো আছিল, এতিয়া কোনটো কৰিব বিচাৰিছে, ইয়াত কোনো উল্লেখ নাই। গতিকে এই কথাখিনি মন্ত্ৰী ডাঙৰীয়াই

অলপ clear কৰি দিলে ভাল হয়।

**মাননীয় অধ্যক্ষঃ** আৰু কোনোবাই ক'ব ?

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো vehicle ৰ tax ৰ কথা কৈছে মোৰ বোধেৰে এই tax টো যথেষ্ট বেছি হৈছে। 3 lakhs ৰ 4% above 3 lakh 6%, above 5 lakh 10%, above 20 lakh 14%. আজিকালি যিবিলাক গাড়ী কিনা হয়, এই গাড়ীবিলাক বেছিভাগৰেই ২০ লাখৰ ওপৰতেই থাকে। 14% tax লাগিলে যদি ২০ লাখৰ হয়, 14% tax টো যথেষ্ট পৰিমাণৰ বেছি tax আৰু এই tax টো তেওঁলোকে one time কৰিবলৈ বিচাৰিছে মই এইটো ভাৱো, এই যিটো percentage দিছে, সেইটো কমাব লাগে। দ্বিতীয়তে, Motor transport workers 1% cess ল'ব যিটো মাননীয় সদস্য জাকিৰ হুছেইনয়েও কৈছে। এইটো মই জানিব বিচাৰিছো মটৰ শ্ৰমিক কল্যাণ এখন আইন আছে। এতিয়া মটৰ শ্ৰমিকৰ কল্যাণ, সেই মটৰ শ্ৰমিকৰ কল্যাণৰ ক্ষেত্ৰত 1% cess লাগিলে মোৰ আপত্তি নাই। কাৰণ পইচাটো মটৰ শ্ৰমিক সকলৰ কেতিয়াবা যদি accident হয়, কেতিয়াবা গাড়ী চলাব নোৱাৰা হয়, অৱসৰত যায়, তেওঁলোকৰ পেঞ্চন দিয়া ব্যৱস্থা চৰকাৰৰ নিশ্চয় আছে। সেই ধৰণে আমি পূৰ্বতে বিধান সভাত আলোচনা কৰিছিলো। তেতিয়াহ'লে 1% cess লোৱা মই আপত্তি নকৰো। কিন্তু taxation ৰ ক্ষেত্ৰত মোৰ আপত্তিটো আছে, সেইটো বহুত বেছি হৈছে। যিটো taxation হৈছে সেইটো স্বাভাৱিকতে যিসকলে গাড়ী ক্ৰয় কৰিব তেওঁলোকৰ বাবে বহুত যথেষ্ট কষ্টদায়ক।

**মাননীয় অধ্যক্ষ** ঃ আৰু কোনোবাই ক'ব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিশেষকৈ মই ক'ব নিবিচাৰো যিটো taxation ৰ কথা কোৱা হৈছে মই মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিম ইতিমধ্যে আমি দেখিছো যে, বৰ্তমান চৰকাৰে বহুতখিনি easy way ত কেনেকৈ কৰিব পৰা যায় তাৰ কাৰণে পদক্ষেপ হাতত লৈছে। যিবিলাক টুকটু কি আছে বা যিবিলাক অট' আছে সেইবিলাকৰ কিছুমানৰ tax লগোৱা হয় বা বাহিৰৰ পৰা tax কাটিব লাগে। তেওঁলোকৰ ক্ষেত্ৰত কিবা relaxation হ'ব নেকি? মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰীকেশৰ মহন্ত, (পৰিবহণ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে নিশ্চয় এই সংশোধনীকেইটা সংশোধনী নহয়, আচলতে সেইটো consideration stage ত আছে গতিকে amandment নিশ্চয় আছে, দফাই দফাই amendment আছে। এই সময়তে মই কেইটামান কথা দাঙি ধৰিব বিচাৰিছো যে Motor Vehicle Tax ৰ ক্ষেত্ৰত এই যিখন amendment অনা হৈছে এই গোটেই পৰিৱেশ পৰিস্থিতি টো চাইয়ে অনা হৈছে। এইকাৰণে যে অকনমান আগতে কমলাক্ষ ডাঙৰীয়াই কৈ গ'ল এই সৰু সৰু vehicle বিলাকৰ সমস্যা শেষ কৰিব পাৰি নেকি? এতিয়া আমি এই সৰু Battery Rickshaw, three wheeler, goods wheeler, passenger wheeler যিয়েই নহওঁক, এই আটাইখিনিৰে সমস্যা আমি দূৰ কৰিব বিচাৰিছো আৰু প্ৰথমতে মই chess ৰ কথা কওঁ 1% cess.এইটো হৈছে যিবিলাক আমাৰ মটৰ শ্ৰমিক সন্থা আছিল, মটৰ শ্ৰমিক সন্থা সমূহে ইতিমধ্যে বহু আন্দোলন কৰা আপোনালোকে দেখিছে যে তেখেতসকলৰ কোনো ধৰণৰ বিশেষকৈ Driver আৰু Handyman ৰ ক্ষেত্ৰত কেনো ধৰণৰ সা-সুবিধা, যেনে-দুৰ্ঘটনা বা অন্য হওঁক, তেনেকুৱা সময়ত তেওঁলোকৰ সা-সুবিধা কৰাৰ উপায়

নাছিল। কিন্তু এতিয়া আমাৰ Labour Department য়ে এটা ঠিক কৰিছে যে Motor Transport Worker Social Security Scheme আৰু আঁচনিৰ অধীনত Motor Transport Worker Welfare Fund হ'ব। গতিকে এই টকাটো এই fund টোলৈ যাব Motor Transport Worker Welfare Fund আৰু এই fund টোত গৈ এই যিসমূহ scheme বনাব, সেইটো Labour Department য়ে এই আঁচনিৰ জৰিয়তে দুৰ্ঘটনায়েই হওঁক, অন্য সাহায্যয়েই হওঁক, চিকিৎসাৰ সাহায্যয়েই হওঁক সকলো ধৰণৰ সাহায্য এই ড্ৰাইভাৰ হেন্দিমেন সকলৰ কাৰণে প্ৰথমবাৰৰ কাৰণে আৰম্ভ হ'ব আৰু 1% cess টো গোটেই গাড়ীখনৰ দামটোৰ ওপৰত নহয়। গাড়ীখনে যিটো tax দিব, কোনোবাই ২০ হাজাৰ টকা tax দিছে, সেই tax টোৰহে 1%. গতিকে এইটো খুব বেছি টকা নহয়, কিন্তু এনেধৰণে এই tax ৰ পৰা টকা উঠিলেও এইটো এটা ভাল fund হ'ব আৰু এইটো আমাৰ সদনে আজি মটৰ শ্ৰমিক সকলক এটা ডাঙৰ সিদ্ধান্ত লোৱা বুলি ভাৰি আৰু সদনৰ পৰা আজি গলে এইটো আমাৰ কাৰণে এটা খুব ভাল সিদ্ধান্ত হ'ব। তাৰপাছতে বাকী যিকেইটা কথা অলপ আগতে সিকদাৰ ডাঙৰীয়াই কৈছিল যে tax টো 4% বাঢ়িছে। মই এতিয়া কওঁ শুনক আজিৰ দিনটোত 4.5% আছিল। আমি point 5% কমাই 4% কৰিছো। আজিৰ tax তকৈ বঢ়া নাই। ঠিক তেনেকৈ next slap টো আছিল 7%. এইটো আমি 1% কমাই 6% কৰিছো। Next step টো আছিল 10%. আমি 10% টো 10% ৰাখিছো। Next টো আছিল 14%, সেইটো 14% আছে। গতিকে tax টো ইয়াত কমিছে এঠাইত 1% কমিছে, এঠাইত point 5% কমিছে। আজি যিসকলে কম পইচাৰে গাড়ী ল'ব, তেখেতসকলৰ tax টো কম। আমি আৰু এটা ভাল সিদ্ধান্ত লৈছো বুলি ভাবিছো আজি সদনে এটা ভাল সিদ্ধান্ত ল'ব বুলি মই আশা কৰিছো সেইটো হৈছে যিটো অলপ আগতে বাকী গাড়ীখিনিৰ কথাও কৈ গ'ল Clause-6 ত থকাখিনি বা অন্যান্য খিনি আমি এতিয়া আজিৰ দিনটোত tax লোৱা system টো এনেকুৱা আছিল যে, ধৰি লওঁক কেইটামান উদাহৰণ দি ক'লে ভালকৈ বুজি পাব সেইটো হৈছে ধৰক, E-Rickshaw ৰ ক্ষেত্ৰত E-Rickshaw এখনত আমি যিটো আমি বছৰেকীয়া fix tax এটা লওঁ। বছৰত ৬ শ টকা আৰু এতিয়া আমি মাত্ৰ তাত ল'ব বিচাৰিছো 4% tax. এইটো ১৫ বছৰৰ কাৰণে life tax. এবছৰত শেষ নহয়। এই 4% যদি tax দিয়ে, তেতিয়া তাত ২ হাজাৰ ৫ শ টকা হ'ব আৰু যদি ১৫ বছৰৰ কাৰণে tax দিয়ে তেতিয়া ৯ হাজাৰ টকা হ'ব। ঠিক তেনেকৈ মই যদি কওঁ three wheeler passenger, তেওঁলোকে এতিয়া মাহে ডেৰ হাজাৰৰ পৰা ৩ হাজাৰ টকা দিয়ে passenger ৰ চিটটো চায়। ৬ টা নে ১০ টা চিটৰ এইসমূহ চায়। তাত যদি ১৫ বছৰৰ tax হয়, ৪৫ হাজাৰ টকা tax হ'ব। এতিয়া তাত মাত্ৰ 4% tax দিব লাগে। 4% tax দিলে ১৮ হাজাৰ টকা হ'ব life tax হ'ব। ইয়াত আৰু কোনো ধৰণৰ অসুবিধা নাই। Enforcement য়ে বিচাৰি নাযায়, কোনেওঁ বিচাৰি নাযায়, ৰাষ্টাত গাড়ী ধৰি tax নিবিচাৰে। গতিকে তাৰ ভিতৰত মই আৰু এটা কথা ক'লে আপোনালোকে ভালকৈ বুজি পাব। ধৰি লওঁক, এজন E-Rikshaw ৰ মানুহে প্ৰথম বছৰ গাড়ীখন কিনোতে ৬ শ টকা tax দিলে, পিছৰ বছৰ কিবা কথাত তেওঁ tax নিদিলে আজিৰ আইন খনত কি আছে, যে এদিন যদি তেওঁ tax দিয়া দেৰি কৰে তেতিয়াহ'লে তেওঁৰ ১০ টকা fine হ'ব। আকৌ তেওঁ যদি fitness ৰ কাৰণে এদিন দেৰি হয় তেতিয়াহ'লে তাত ৫০ টকা fine হ'ব। মই এটা বছৰৰ হিচাপ কৰি দেখিছো কিন্তু বহুত বছৰ আছে। বহুত বছৰ ধৰি tax নিদিয়াকৈ আছে। তেতিয়া ইয়াত কি হৈছে যে আমি যদি ধৰক এবছৰ এজন E-Rickshaw ৰ মানুহে tax fail কৰিলে। তেতিয়া তেওঁৰ

৩,৬৫০ টকা fine হ'ব এবছৰত আৰু তেওঁৰ fitness ৰ কাৰণে fine হ'ব ১৮ হাজাৰ ২৫০ টকা। ২২ হাজাৰ ৫ শ টকা এক বছৰত কেনেবাকৈ যদি fail হ'ল আৰু এক বছৰ নহয় ৩, ৪, ৫, ৬ বছৰত fail হয় য'ত Rickshaw ৰ দামতকে tax বেছি হৈ যায়।

মাননীয় অধ্যক্ষ মহোদয়, ২৫০০ টকা দিলে আমি ১৫ বছৰলৈ দিব নালাগে। ইমানখিনি সুবিধা এই সংশোধনীত আনি দিয়া হৈছে। এইবাৰ সংশোধনী টেক্স বঢ়াবলৈ নহয়। এইবাৰ বিশেষকৈ ই-ৰিক্সা, অট' চালক, মেজিক বা সৰু সৰু চাৰিচকীয়া বাহন এই সকলোৰে বাবে ভাগ ভাগকৈ এই সংশোধনীত দিয়া হৈছে। মই আমাৰ হাতত থকা দুই-এটা তথ্য লৈ আহিছো। ই-ৰিক্সা এখনৰ মই তথ্য দিব বিচাৰিছো। AS-01ER0154 নম্বৰৰ এই ই-ৰিক্সাখনৰ এৰিয়াৰ বকেয়া হৈ আছিল ৩০০০ টকা। টেক্সৰ ফাইন আছিল তেওঁলোকৰ ৮৯৭০ টকা। এই দুটা মিলাই ১১৯৭০ টকা হ'ল। তাৰ পিছত Fitness Fine হৈ আছিল ৯৫৭৫০ টকা আৰু মুঠ Offence fine হৈ আছিল ৮০০০ টকা। এই ই-ৰিক্সা খন যদি মুক্ত হ'বলগীয়া হয় তেন্তে তেওঁ ১১৫৭২০ টকা দিব লাগিব। এনেকুৱা বহুতো বাহন আছে। মই কেৱল এটা উদাহৰণহে দিছো। এই ই-ৰিক্সাখনৰ দামতকৈ ফাইন বহু বেছি হৈ গ'ল। যাৰ কাৰণে তেওঁ ৰিক্স খন নিব নোৱাৰা হ'ল। এই কথাটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিবেচনা কৰি আছে। এই আইনখন পাচ হোৱাৰ পিছত যিসকলে এনেধৰণে উলিয়াই আনিব পৰা নাই তেওঁলোকৰ বাবে ইয়াৰ পিছৰ আইনখনত ব্যৱস্থা কৰা হ'ব। আইন মতে ডি টি অ' অফিচলৈ গ'লে তেওঁৰ ফাইন সমূহ মাফ দিব নোৱাৰে। মাফ দিলে আমি চৰকাৰে দিব লাগিব। গতিকে এই কামখিনি কেনেধৰণে কৰিব পৰা যাব তাৰ বাবে বিচাৰ বিবেচনা কৰি থকা হৈছে। কিন্তু আজিৰ পৰা যেতিয়া আইনখন হাউচত পাচ কৰা হ'ব আৰু নোটিফিকেশ্যন আহিব সেই দিনাৰ পৰা যাতে এনেকুৱা সমস্যা নাথাকে। এই কথাটো যেনেকৈ আমি ই-ৰিক্সাত লৈছো ঠিক তেনেকৈ এইবোৰ আমি তিনিচকীয়া বাহন, পেচেঞ্জাৰ বাহন, মালবাহী বাহন, চাৰিচকীয়া বাহন এই সকলোবোৰতে এটা গোটেই জীৱনৰ বাবে অতি কমতে আদায় দিব পাৰিব। ১৫ বছৰত যদি তেওঁ ১ লাখ টকা দিবলগীয়া হ'লহেঁতেন এতিয়া ২০-২৫ হাজাৰ টকা দিলেই হ'ব। ঠিক তেনেদৰে গোটেই সংশোধনীখিনি অনা হৈছে। আমি আশা কৰিম যে এই সংশোধনীখিনি ভালকৈ গ্ৰহণ কৰিব। এই গোটেই বিষয়টো আমি সদনত আগবঢ়াইছো যাতে সদনে এই সংশোধনীখিনি আদৰি লয়। ইয়াৰোপৰি আৰু এটা কথা শেহতীয়াভাৱে আহিছিল যে আমি নাইট চুপাৰ বা যিবোৰ ডাঙৰ ডাঙৰ গাড়ীত যাওঁ তাৰ এটা চিটৰ টেক্স এবছৰত আছিল ৬০০০ টকা। আমি এতিয়া এইটো তিনি হাজাৰ কৰি দিছো। শ্লীপাৰৰ টেক্স ১০০০০ ৰ পৰা আধা কৰি ৫০০০ কৰি দিয়া হৈছে। গতিকে সকলোতে টেক্স কমোৱা হৈছে। ইয়াত টেক্স বৃদ্ধি কৰা হোৱা নাই। বিশেষকৈ ই-ৰিক্সা, অট' ৰিক্সা আৰু ভাড়া লোৱা চাৰিচকীয়া বাহনৰ এই সকলোৰে এটা লামচাম লাইফ টেক্স লোৱা হ'ব আৰু ১৫ বছৰলৈকে টেক্সৰ পৰা মুক্ত থাকিব। ৰাস্তাত কোনো ধৰণৰ গাড়ী ধৰাধৰি নহ'ব। চালক আৰু বিষয়া সকলোৱে শান্তিত থাকিব আৰু চৰকাৰেও যি টেক্স পাম একেবাৰে পাম। আজিকালি ই-ৰিক্সা, অট' ৰিক্সা ধৰিলেও এৰুৱাই দিবলৈ বিধায়ক সকলৰ ওচৰলৈ যায়। কিন্তু নিয়ম মতে বিষয়াসকলে ফাইন নোহোৱাকৈ এৰুৱাই দিব নোৱাৰো। এনেকুৱা ধৰণৰ যিখিনি সমস্যা আমি দেখিছো সেইখিনি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ তত্বাৱধানতাত এই সংশোধনীৰ জৰিয়তে উঠাই ল'বলৈ সিদ্ধান্ত লৈছো।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা স্পষ্টীকৰণ আছিল। মই Cess টো সমৰ্থন কৰিছো। Cess টো লাগিব। কিন্তু মোৰ এটা অনুৰোধ আছে আৰু আজি

ইয়াত শ্ৰম মন্ত্ৰী মহোদয়ো উপস্থিত আছে। Motor Vehicle ত Motor Transport Worker ৰ যি Social Funding ৰ কথা কৈছে এইক্ষেত্ৰত মোৰ অনুৰোধটো হৈছে ই-ৰিক্সা, E-Cart, তিনিচকীয়া যাত্ৰীবাহী বাহন আৰু মালবাহী বাহন সমূহকো মটৰ শ্ৰমিকৰ আওতালৈ আনিব লাগে। তেওঁলোকেওঁ যিহেতু ৰাস্তাতে গাড়ী চলায় আৰু তেওঁলোকৰো দুৰ্ঘটনা আদিৰ বিভিন্ন সমস্যা থাকে। এওঁলোককো মটৰ শ্ৰমিকৰ কল্যাণমূলক আঁচনিত অন্তৰ্ভূক্ত কৰিলে তেওঁলোকৰ বেনিফিট হ'ব। এতিয়া ই-ৰিক্সাসমূহে দুই শতাংশ টেক্স দিয়ে। ইয়াৰোপৰি পৌৰসভা সকলে এণ্টি টেক্স দৈনিক ১০ টকাকৈ লগায়। এইটো অতি ভয়ঙ্কৰ কথা হৈছে, এইটো বন্ধ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী সঞ্জয় কিষাণ, (মন্ত্ৰী, শ্ৰম কল্যাণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ পৰামৰ্শটো আমি বিবেচনা কৰিব পাৰো। তেওঁলোকক আওতালৈ অনা হোৱা নাই।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী, পৰিবহন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখিনি শ্ৰম বিভাগৰ দ্বাৰা কৰা হ'ব। আমি টকাটো উঠাই তেওঁলোকক দিম। আজি আপুনি সদনত ভাল কথা এটা উত্থাপন কৰিছে যে ড্ৰাইভাৰ হেণ্ডিমেন বুলি ক'লে তেওঁলোককো অন্তৰ্ভূক্ত কৰিব লাগে। ইয়াৰ ৰেজিষ্ট্ৰেশ্যনৰ বাবে কি ব্যৱস্থা আছে, তাৰ বাবে শ্ৰম বিভাগে ব্যৱস্থা ল'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰদেৰৰ কথাখিনি মই সমৰ্থন কৰিছো। সামাজিক সুৰক্ষাৰ কাৰণে যিখিনি টেক্স কাটিব সেইটো গুৰুত্বপূৰ্ণ আৰু ইয়াৰ প্ৰয়োজন আছে। কিন্তু সমস্যাটো হৈছে যে যেতিয়া শ্ৰম কল্যাণ বিভাগলৈ পইচাটো দিব বিচৰা হৈছে তেতিয়াহে মনত হাজাৰ প্ৰশ্ন আহিছে। শ্ৰমকিসকলৰ কল্যাণৰ কাৰণে কনট্ৰেক আবণ্টন দিওঁতে তেওঁলোকৰ পৰা পইচা কাটি ৰাখিছো। বহু কোটি টকা এতিয়াও জমা হৈ পৰি আছে। কিন্তু কাম কৰা নাই। মাননীয় মন্ত্ৰী মহোদয়, মই অলপ দিন আগতে তথ্যখিনি চাই দেখিছো যে আপোনালোকে প্ৰকৃতাৰ্থত শ্ৰমিকৰ কল্যাণৰ বাবে কাম কৰিব পৰা নাই। তেনে ক্ষেত্ৰত আপোনালোকে মটৰ শ্ৰমিকলৈ দায়িত্ব বঢ়াই এই কামখিনি কৰিব পাৰিব নে নাই সেই কথাটো স্পষ্ট কৰিব। নহ'লে এই পইচাখিনি পৰিবহন বিভাগতে ৰখা হওঁক। আমাৰ তেওঁলোকৰ ওপৰত বিশ্বাস আছে। দ্বিতীয় কথাটো হ'ল, যিহেতু ইয়াত শ্ৰমিকৰ কথা আছে, কিছুদিন আগতে শ্ৰমিকৰ পইচা নি শিক্ষা বিভাগত ব্যৱহাৰ কৰা মোৰ হাতত তথ্য আছে। শ্ৰমিক সকলৰ ল'ৰা-ছোৱালী পঢ়াৰ বাবে ফাণ্ড শিক্ষা বিভাগত ডাইভাৰ্ট কৰা হৈছিল। এইটো ভাল কথা কিন্তু শ্ৰমিক সকলে য'ত ডাইৰেক্টলি নিজে সুবিধা পোৱা নাই, দিনে-ৰাতিয় ৰাস্তা-ঘাটত কাম কৰি বেনিফিট পোৱা নাই এই ক্ষেত্ৰত মাননীয় শ্ৰমমন্ত্ৰী মহোদয়ে স্পষ্ট কৰক।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰমমন্ত্ৰী ডাঙৰীয়াই কথাটো বিবেচনা কৰিব বুলি ইতিমধ্যে কথা দিছে।

**শ্ৰী সঞ্জয় কিষাণ, (মন্ত্ৰী, শ্ৰম কল্যাণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে শ্ৰম বিভাগৰ কথা কৈ সদনক ভুল পথত পৰিচালিত কৰিব নোৱাৰে। আপোনালোকে অলপ ভালকৈ অধ্যয়ণ কৰি লওক। আমি Cess লৈছো, সেইখিনিৰে আমি কি কি কৰিছো তাৰ তথ্য মই আজি অনা নাই। মই আপোনাক তথ্যখিনি দিব পাৰিম আৰু আপোনাৰ সমষ্টিতো কি কি কৰিছো তাৰ তথ্য দিম।

**মাননীয় অধ্যক্ষ ঃ** আমি এতিয়া বিলখন Takeup কৰিম।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়াও অসংগঠিক শ্ৰমিকৰ কাৰণে তাৰ কাৰণে লেবাৰ ডিপাৰ্টমেন্টত সকলো ব্যৱস্থা আছে কেৱল মটৰ শ্ৰমিক সকলৰ ইয়াৰ আওতালৈ অহা নাছিল । আমি যেতিয়া মটৰ শ্ৰমিকৰ কাৰণে লম এইটো কেৱল মটৰ শ্ৰমিকৰ কাৰণে এইটো তেওঁলোকৰ কল্যাণৰ কাৰণে ব্যৱহাৰ হ'ব। এইটো কথা মই ভালদৰে জানো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । মই এতিয়া সদনত প্ৰস্তাৱটো ভোটদানৰ বাবে ৰাখিলো ।

মই এতিয়া বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিলো।
প্ৰশ্নটো হ'ল—
বিধেয়কখন বিবেচনা কৰাত সদনৰ সন্মতি আছেনে ?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল।
এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব।
২ নং দফাটোত শ্ৰী অখিল গগৈৰ সংশোধনী প্ৰস্তাৱ আছে তেখেত অনুপস্থিত
২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
২ দফাটো বিধেয়কখনৰ অংশ হ'ল।
৩ নং দফাটোত কোনো সংশোধনী প্ৰস্তাৱ নাই
৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।
৪ নং দফাটোত শ্ৰী অখিল গগৈৰ সংশোধনী প্ৰস্তাৱ আছে তেখেত অনুপস্থিত
৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
৪ দফাটো বিধেয়কখনৰ অংশ হ'ল।
৫ নং দফাটোত কোনো সংশোধনী প্ৰস্তাৱ নাই
৫ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
৫ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।
৬ নং দফাটোত শ্ৰী অখিল গগৈৰ সংশোধনী প্ৰস্তাৱ আছে তেখেত অনুপস্থিত
৬ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
৬ দফাটো বিধেয়কখনৰ অংশ হ'ল।
মই এতিয়া ১ নং দফা, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোণাম সদনত ভোটদানৰ বাবে ৰাখিলো ।প্ৰশ্নটো হ'ল।
১ নং দফা, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোণাম বিধেয়কখনৰ অংশ হ'ব।
এতিয়া প্ৰশ্নটো হ'ল,
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
১ নং দফা, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোণাম বিধেয়কখনৰ অংশ হ'ল।
এতিয়া মাননীয় মন্ত্ৰী

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Motor Vehicle Taxation (Amendment) Bill, 2024" বিধেয়কখন পাৰিতকৰণৰ বাবে উত্থাপন কৰিলো ।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো।
প্ৰস্তাৱটো হ'ল—
"The Assam Motor Vehicle Taxation (Amendment) Bill, 2024"
বিধেয়কখন পাৰিত কৰা হওঁক।
যিসকল সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
প্ৰস্তাৱটো গৃহীত কৰা হ'ল।
বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া Item no. 23 মাননীয় মন্ত্ৰী ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Fixation of ceilling and Land holding (Amendment) Bill, 2024" বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ভৰত চন্দ্ৰ নৰহ ।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** চাৰ, চৰকাৰে Assam Fixation of ceilling and Land holding Amendment আনিছে এই সংশোধনীত তাত বিশেষকৈ In the Principal Act, in sub-section (2), in seventh line, after the word and figure "Act 1970" appearing at the end, the following shall be inserted, namely- "and such owner or tenant shall not transfer, sale, lease or gift such land for any other purposes except for special cultivation of tea and purposes ancillary thereto, in future and if so transferred, such land shall automatically become government land on the date of such transfer" কোনোবাই যদি চাৰ special cultivation ৰ মাটি যদি non-tea garden ৰ মাটি টি গাৰ্ডেললৈ ট্ৰেঞ্চফাৰ কৰে এইটো কৈছে যে such land shall automatically become government land কিন্তু আপোনাক কৈছে যে special cultivation এতিয়া যদি কোনোবাই বদলি কৰিব বিচাৰে এইটো চৰকাৰৰ অনুমোদন লৈ কৰে । সেই কাৰণে মই ইয়াতে কৈছে যে if so transferred ইয়াত without approval of governement এই শব্দটো থাকিব লাগিছিলে । যদি চৰকাৰৰ এপ্ৰোভেল নথকাকৈ special cultivation ৰ মাটি কোনোবাই যদি ব্যৱহাৰ non special ব্যৱহাৰ কৰে তেতিয়াহে সেইটো চৰকাৰী মাটি বুলি লিখিছে। সেইটো লৈ আপোনালোকে এই পেৰেগ্ৰাফটো সংযোজন কৰিছে । চাৰ ইয়াত এটা কথা হ'ল যে special cultivation লেণ্ডটো automatically ট্ৰেঞ্চফাৰ হৈ চৰকাৰী লেণ্ড হ'ব বুলি কৈছে কিন্তু ইয়াত চৰকাৰী অনুমোদন হ'লে কি হ'ব আৰু চৰকাৰী অনুমোদন নহ'লে কি হ'ব এই কথাটো উল্লেখ নাই । দ্বিতীয়তে , In the Principal Act, Section 34, after sub-section (2), the following new sub-section shalll be inserted, namely:- Whoever contravenes the provision of sub-section (2) of section 4 of Act shall be punishable with rigorous imprisonment which may extend upto 3 years and with fine which may extend upto five lakhs. যদি চাৰ, Section 4 টোৰ sub-section (2) টো যদি উলংঘা কৰে তেতিয়া এজন মানুহে তিনি বছৰ কাৰদণ্ড খাব লাগে আৰু পাচ লাখ টকালৈ জৰিমনা হ'ব । সেই কথাটো Section 34 নতুনকৈ সংযোজন কৰিছে । কিন্তু চাৰ এই যে স্পেচিয়েল কাল্টিভেশ্যনৰ মাটি নন-কাল্টিভেশ্যনত ট্ৰেঞ্চ ফাৰ কৰিলে ক্ৰমান্বয়ে চৰকাৰী মাটি হৈ যাব । সেইটো চাৰ এটা শাস্তি হ'ব । আৰু কৈছে যদি সেইটো নামানে তিনি বছৰ জেল খাটিব লাগিব আৰু পাচ লাখ টকা জৰিমনা দিব লাগিব । কিন্তু চাৰ এটা কেচত দুটা শাস্তি হ'ব নোৱাৰে আইন মতে । মোৰ স্পেচিয়েল কাল্টিভেশ্যনৰ মাটি কিবা বিশেষ কাৰণত চৰকাৰৰ পাৰ্মিচন লৈ ট্ৰেঞ্চফাৰ কৰিলো তেতিয়া মোৰ মাটিতো চৰকাৰে লৈ ল'লে সেইটো চৰকাৰৰ হৈ গ'ল, সেইটো এটা শাস্তি হ'ল । কিন্তু আৰু কৈছে তিনি বছৰ জেল হ'ব আৰু পাচ লাখ টকা জৰিমনাও হ'ব । মোৰ

মতে এই দুটাৰ এটা হ'ব লাগে হয় তিনি বছৰ জেল নহ'লে সেইটো চৰকাৰী মাটি হ'ব লাগে আৰু চাৰ এই বিলটোৰ যি সংশোধনী আনিছে চৰকাৰে ইয়াতে চৰকাৰে লিখিছে ৩১ ডিচেম্বৰ ২০২২ চনৰ আগতে যিবিলাক টি-গাৰ্ডেনৰ মাটি লিজত দিলে, গ্ৰান্ট কৰিলে, চেল কৰিলে, গিফ্‌ট কৰিলে মৰ্টগেজ কৰিলে তাৰ কাৰণে চেল ডিড কৰিলে সেই বিলাক চৰকাৰে সেইবিলাক ৰেগুলাৰাইজ কৰিব বিচাৰিছে।৩১ ডিচেম্বৰ ২০২২ চনৰ আগতে যিবিলাক মালিকে এইটো কৰিলে। গভাৰ্ণমেন্টৰ এটা ষ্টেনডিং অৰ্ডাৰ বিধান সভাত দিলে ভাল হয় । আপোনালোকে যে ৩১ ডিচেম্বৰ ২০২২ চনৰ আগতে যিবিলাক স্পেচিয়েল কাল্টিভেশ্যনৰ মাটি বেলেগ পাৰ্পাজট দিয়াৰ কাৰণে চেল ডিড হৈ গ'ল লিজত দিলে, গ্ৰান্ট কৰিলে, চেল কৰিলে, গিফ্‌ট দিলে এইবিলাক ৰেগুলাৰ কৰিম বুলি কৈছে আজি ইয়াতে । চাৰ চৰকাৰে জনাব লাগে টোটেল টি-গাৰ্ডেনৰ চেল ডিড হৈ গ'ল ৩১ ডিচেম্বৰ ২০২২ চনৰ আগতে । আৰু তেনেকৈ কিমান টি-গাৰ্ডেন বিক্ৰী হৈ গ'ল আৰু কোন ব্যক্তি বা কোম্পানীয়ে এই টি-গাৰ্ডেন বিলাক লৈছে, এই কোম্পানী বিলাকৰ নাম আৰু ব্যক্তি সকলৰ নাম যিটো লিজত, গ্ৰান্ট, গিফ্‌ট হিচাপে ট্ৰেঞ্চ ফাৰ হৈ চেল ডিড হ'ল । যিটো আপোনালোকে ৰেগুলাৰ কৰিব বিচাৰিছে । এই চেল ডিড বিলাক কৰোটে কি কি পাৰ্পাজত ল'লে? ইউনিভাৰচিটি বনাবৰ কাৰণে নে ফাইভষ্টাৰ বনাবলৈ নে কি ইণ্ডাষ্টিৰ কাৰণে লৈছে । আমাক বিধান সভাত চৰকাৰে আপটুডেট জনাব লাগে । ষ্টেটমেন্টৰ লগত এটা পৰিপুৰক টোকা গাঠি দিব লাগে। সেইটো দিয়া নাই চৰকাৰে ইয়াত । সেই কথাখিনি মই জানিব বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্বেৰমান আলী আহমেদ ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** The Amendment may kindly be consider to have been moved. মোৰ কথাটো হ'ল special cultivation ৰ কাৰণে যিবোৰ মাটি লিজত দিছিলে, তেনেকুৱা বহুত ঠাই আছে, যেনে-খাৰঘুলী, ৰামচাই আদিত। ডেৰশ দুশ বছৰ আগতে special cultivation ৰ কাৰণে লিজত দিছিলে, তাৰ পিছত সেইখিনি গোটেই বিক্ৰী কৰা হ'ল, ঘৰবাৰী বনোৱা হ'ল আৰু বিক্ৰী কৰোতেDC ৰ permision লৈহে বিক্ৰী কৰিছিল বা কিনোতাই কিনিছে। তাৰ পিছত নামজাৰী হ'ল, sell deed হ'ল আৰু সেই কিনোতাই যিটো stamp duty হওক বা government fees হওক, সেই গোটেইখিনি ভৰিলে with the permision of the Government. এতিয়া আকৌ তাত premium লগোৱাৰ কথাটো কৈছে। সেই কাৰণে মোৰ প্ৰস্তাৱটো হ'ল যে চৰকাৰী অনুমতি সাপেক্ষে যিখিনি নামজাৰী হ'ল, sell deed হ'ল, stamp duty দিলে, government fees দিলে চৰকাৰী নিয়ম মতে, চৰকাৰে ২০২২ চনতহে বেচা কিনাটো বন্ধ কৰিলে, গতিকে সেইখিনি মানুহক আৰু বেছি punishment দিব নালাগে। সেইকাৰণে premium টো উঠাই দিবলৈ কৈছো without any premium the sells will be regularised to KP patta.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই just এটা clarification বিচাৰিছিলো। মাননীয় বিধায়ক ডাঙৰীয়াই যিখিনি কথা ক'লেযে tea garden আমাৰ স্বাভিমান হয়। Tea garden সমূহ ভালকৈ সুচাৰুৰূপে চলিবৰ কাৰণে এই বিলখন অনা হৈছে আৰু accordingly মই ভাৱো যে চাহ বাগিছাসমূহ যেনেকৈ দখল কৰা হৈছে এইক্ষেত্ৰত এনেকুৱা এখন বিলৰ প্ৰয়োজন। ২০২২ ৰ আগতে এইখিনি regularised হ'ব। কিন্তু আমাৰ কথাটো হৈছে যে চাহ বাগিছাৰ মাটি কিনি সেইখিনি পিছত বেলেগ কামত ব্যৱহাৰ কৰা হয়।

যেতিয়া এই আইনখন কঠোৰ হ'ব তেতিয়া মানুহে এই কাম কৰিবলৈ ভয় খাব। সেয়েহে মই ভাৱো যে আমি যিমানবিলাক বিধায়ক আছো আমি tea garden ক লৈ আৰু কোনো compromise কৰিব নালাগে। আমি আইনখন কঠোৰ কৰিব লাগে আৰু আমি যাতে আমাৰ চাহ বাগিছাখিনি ভালদৰে ৰাখিব পাৰো সেইটো চেষ্টা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অশোক সিংহাল, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অলপ introding কৰিব খুজিছো আপোনাৰ অনুমতিত। এই এক্টটো urban area ৰ লগত এটা ডাঙৰ relation আছে। Relation টো হ'ল যে অসমত বহুত নগৰ আৰু চহৰ অঞ্চলত বিশেষকৈ ক'ব গলে ডিব্ৰুগড় চহৰত ঘৰ আছে, মানুহে নিজৰ ঘৰ বনাইছে, কিন্তু মাটিটো বাগানৰ। সেইবোৰ আজি বা যোৱা ৮ বছৰত বনোৱা নহয়, যুগ যুগ ধৰি হৈ আহিছে। এতিয়া এই construction বোৰ illegal. Municipality য়ে তেওঁলোকৰ পৰা টেক্স ল'ব নোৱাৰে, কোনো বিল্ডিং law নমনাকৈ এইবিলাক চলে। সেইকাৰমে এটা কথা ওলালে যে এবাৰ এইসমূহ সলনি কৰিব লাগে আৰু তাৰ পাছত নিয়মবোৰ ইমান কঠোৰ কৰিব লাগে যাতে ভৱিষ্যতে চাহ বাগিছাৰ ভূমি কোনেও কাকো দিবও নোৱাৰে, বিক্ৰী কৰিব নোৱাৰে। মই ভাৱো যে এইটো আহিলে backlog ত যিবিলাক legacy problem আছে, সেইবিলাক resolve হ'ব আৰু এতিয়া বহুত কঠোৰ provision অনা হৈছে, পেনেল provision, punishment সকলোবিলাক আছে। ডিব্ৰুগড়তো আপুনি মাটি কিনি সাংবিধানিকভাৱে Assam Building by Law মানি ঘৰ বনাব নোৱাৰে কাৰণ permission য়ে ল'ব নোৱৰে। Tea land ত permission নাপায় আৰু যোৱা ৮ বছৰত কোনো permission দিয়াই নাই। কিন্তু এই সমস্যাবিলাক আজিৰ নহয়। যুগ যুগ ধৰি যিবিলাক সমস্যা চলি আছে, আজি ৰাজহ মন্ত্ৰীয়ে এই বিলখন আনি এই সমস্যাসমূহ নিস্পত্তি কৰি নগৰ অঞ্চলত যিখিনি অসুবিধা আছে, সেইখিনি সমাধান হ'ব বুলি মই আপোনাৰ মাধ্যমেৰে সদনক জনাইছো।

**শ্ৰী বিমল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে এই বিলখন অনাৰ কাৰণে অশোক সিংহাল ডাঙৰীয়াই যিটো সমস্যাৰ কথা কৈছে,এই ডাঙৰ সমস্যাটো শেষ হ'ব। গাওঁ অঞ্চল সমূহতো কিছু মপচলীহ চহৰ গঢ় লৈ উঠিছিলে, বিশেষকৈ মোৰ সমষ্টিতে ৰাজগড় নামেৰে এটুকুৰা ঠাই আছে, তাত ৰাজগড় হায়াৰ চেকেণ্ডাৰী প্ৰতিষ্ঠা কৰাৰ পাছত বহু শিক্ষকে তাত ঘৰ বাৰী বনাই তেখেত লোক আছিলে। মাটিৰ পট্টা নোহোৱাৰ কাৰণে তেওঁলোকে একো কাম কৰিব পৰা নাছিল। আজি এই আইনে নিশ্চয় তেখেতসকলক যথেষ্ঠ উপকাৰ কৰিব। মই তাৰবাবে আপোনাক ধন্যবাদ জনাইছো আৰু আমাৰ ৰাজহ বি ভাগকো ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী যোগেন মহন, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ৰাজহ বিভাগে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত কেইবাবাৰো আলোচনা কৰাৰ পাছত এই বিলখন অনা হৈছে আৰু এই বিলখনত আপোনালোকে নিশ্চয় সকলোৱে জানে যে মিছন বসুন্ধৰা ৩.০ ইতিমধ্যে আৰম্ভ কৰিম। মিছন বসুন্ধৰা ২.০ ত ১৩ লাখ মানুহে আবেদন কৰিলে। কিন্তু আমি ১,২৯,০০০ মানুহক দিব পাৰিলো। আমি কিয় নোৱাৰিলো কাৰণ এনেকুৱা ধৰণমৰ tea garden ৰ মাটিত আমি settlement দিব নোৱাৰো। এনেকুৱা যিসকল মানুহে আজি ৪০-৫০ বছৰ ধৰি তেনেকুৱা ঠাইত বসবাস কৰি আহিছে, বিভিন্ন গাওঁ বা চহৰেই হওক কিছুমান মানুহে tea garden ৰ মাটিত ঘৰ বনাই আছে

বা ব্যৱসায় বাণিজ্য চলাই আছে। কিন্তু তেওঁলোকৰ আজিলৈকে মাটিৰ পট্টা নাই। আজি শিমলুগুৰি হওক বা নাজিৰা বা গৰগাওঁ হওক, মূল ৰাষ্ট্ৰীয় ঘাই পথৰ কাষত তেওঁলোকে ৬০-৭০ বছৰ ধৰি ঘৰ বনাই আছে, কিন্তু মাটিটো tea garden ৰ হয় কাৰণে তেওঁলোকক কোনো ধৰণৰ settlement দিব পৰা নাই। পট্টা নোহোৱাৰ কাৰণে তেওঁলোকে কোনো লোন ল'ব নোৱাৰে বা লৰা-ছোৱালীৰ পঢ়া শুনাৰ কাৰণে কোনো সা-সুবিধা কৰি দিব নোৱাৰে। তেনেকুৱা বিভিন্ন ধৰণৰ অসুবিধা তেওঁলোকৰ আছিলে। সেই অসুবিধাসমূহ আমি এতিয়া solve কৰিব বিচাৰিছো। এই এক্টখনে এই মানুহখিনিক এতিয়া সহায় কৰিব। এইখনৰ জৰিয়তে বহু মানুহে মিছ্ন বসুন্ধৰা - ৩ ত এতিয়া সুবিধা পাব। সেইকাৰণে কৈছো যে শ্বেৰমান আলী ডাঙৰীয়াই যিটো premium টো ৰেহাই দিয়াৰ কথা কৈছে সেইটো একেবাৰে free কৰিলে বেয়া হ'ব। কি premium হ'ব সেইটো এতিয়ালৈকে ঠিক কৰা নাই। গতিকে আমি কিবা এটা হলেও premium ল'ব লাগিব এই কথাটো মই তেখেতক clear কৰি দিছো। যিহেতু এই বিশেষ ম্যাদী পট্টালৈ ইয়াক transfer কৰা হ'ব, এখন amendment ত আহিছিলে, ইয়াক অৱশ্যে কথাটো নাই, তথাপি মই কৈছো যে ১০ বছৰলৈকে কিনা বেচা কৰিব নোৱাৰিব বুলি আইনখনত আনিব লাগিব বুলি কৈছিলে, সেইটো নহ'ব। আমি ইতিমধ্যে 19 policy ত 10(A) ত আগতে যিটো ১৫ বছৰ আছিলে, সেইটো আমি withdraw কৰি দিলো। Settlement হোৱাৰ পাছতে মাটি বিক্ৰী কৰিব পাৰিব, সেইখন আইন আনিলে। এইখন আইনতো এই provision টো ৰখা হৈছে। মই ভাৱো এইখন আইন আহিলে আমাৰ বহু ৰাইজে চহৰে হওক বা গাৱেঁই হওক বহুত সহায় হ'ব। ২০২২ ৰ পাছত যদি কোনোবাই এনেকুৱা দখল কৰিছে, তেতিয়াহ'লে আমি ৩ বছৰ জেইল আৰু ৫ লাখ টকা ফাইন কৰিছো। এনেধৰণৰ কঠোৰ আইন প্ৰৱৰ্তন কৰি আমি চাহ বাগিছাসমূহ ৰক্ষা কৰিবই লাগিব। ২০২২ চনৰ আগৰখিনি আমি regularised কৰিবই লাবি সেইকাৰণে আমি এইখন আইন আনিছো। ইয়াত দুই তিনিটা amendment আছিলে মই ভাৱো এইখিনি সকলোৱে বুজি পাইছে। ধন্যবাদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা অকণমান ভুল বুজাবুজি হৈ আছে। দুটা category আছে, এটা হ'ল tea garden ৰ special cultivation land ক কোনোবাই দখল কৰি আছে সেইটো বেলেগ কথা আৰু এটা category হৈছে যিটোত কিনোতা আৰু বিক্ৰেতাই permission ৰ কাৰণে DC ৰ ওচৰত আবেদন কৰিছে, permission দিছে, sell deed হৈছে, ম্যাদীও হৈছে। এতিয়া অকল প্ৰয়োজন শ্ৰেণীৰ পৰিৱৰ্তন। Tea Periodic patta ৰ ঠাইত এতিয়া হ'ব KP patta. মই এটা উদাহৰণ দিলো ৰামচাই হিল। সেই মাটি টুকুৰা কিনোতে ইতিমধ্যে চাৰি পাঁচ লাখ টকা stamp duty দিলে, চৰকাৰে permission দিলে, DC য়ে নামজাৰীও কৰি দিলে, পট্টাও দিলে,এতিয়া মাত্ৰ শ্ৰেণীৰ পৰিৱৰ্তনহে হ'ব। গতিকে তেনেকুৱা ক্ষেত্ৰত premium টো দুবাৰকৈ punishment দিব নালাগে আৰু premium টো ৰেহাই দিব লাগে।

**শ্ৰীযোগেন মহন, মন্ত্ৰী ৰাজহ ইত্যাদি ঃ ক্লাচিফিকেশ্যন পাৰ্মিশ্যন আইনত ডিচিসকলে দিবই নোৱাৰে কঠোৰভাৱে আইনত লিখাই আছিল কিন্তু এইটো হৈ গৈছে ক'ৰবাত - উই উইল এক্সামিন। ডাবল যাতে দিবলগীয়া নহয় তেওঁলোকৰ কাৰণে স্পিচিয়েলী আমি ৰুলচত আনিব লাগিব । ধন্যবাদ**

**মাননীয় অধ্যক্ষ ঃ ভৰত নৰহ ডাঙৰীয়া ।**

**শ্ৰীভৰত নৰহ, (নাওবৈছা) ঃ** ছাৰ , মাননীয় মন্ত্ৰী মহোদয়ে এইটো নক'লে - মই এইটো কৈছো যে, চেকশ্যন- ৪ টো এমেণ্ডমেন্ট কৰি তাত এটা পেৰাগ্ৰাফ নতুনকৈ ইনচাৰ্ট কৰিছে । প্ৰিঞ্চিপুল এক্টত চেকশ্যন- ৪ আছিল এতিয়া এমেণ্ডমেন্টত ৪ ক্ল'চটো চাব চেকশ্যন-২ত - নতুনকৈ এটা পেৰাগ্ৰাফ সুমুৰাইছে ইয়াত লিখিছে যে- এনি চাচ ওৰনাৰ চেলনট ট্ৰেন্সপাৰ - চেল, লীজ, গিফ্ট, চাচ লেণ্ড ফৰ এনি আদাৰ পাৰপোজেচ একচেপ্ট স্পিচিয়েল কাল্টিভেশ্যন অব টি এণ্ড পাৰপোজেচ অক্সিলাৰী ডেয়াৰ টু ইন ফিউচাৰ ইফ চো ট্ৰেন্সফাৰ - এইটো আসাম ফিক্সেশ্যন অব চিলিং লেণ্ড - অকল এইটোৱে নহয় বেলেগ এটা আছে । লেণ্ড চেলিং এক্টৰ এমেণ্ডমেন্টৰ কথাটো কৈছো- তাত কৈছে যে যদি ট্ৰেন্সফাৰ কৰে তেনেহ'লে চাচ লেণ্ড শ্বেল অটোমেটিকেলী বিকাম গৰ্ভমেন্ট লেণ্ড , তাৰমানে মই যদি মোৰ গাৰ্ডেনটো যদি বেলেগ কাৰণত ট্ৰেন্সফাৰ কৰো , কাৰোবাক দিও তেতিয়াহ'লে মোৰ মাটিটো অটোমেটীকেলি আৰু মোৰ নহয় গৰ্ভমেন্টৰ হৈ যাব । মোৰ গোটেই মাটিটো ২হাজাৰ বিঘা, ৩ হাজাৰ বিঘা অটোমেটিকেলী গৰ্ভমেন্ট লেণ্ড হৈ গ'ল । মোৰ এতিয়া মাটি নায়েই । চৰকাৰে লৈ গ'ল- ৰাতিৰ ভিতৰতে চৰকাৰী মাটি হ'ল । এইটো এটা পানিচমেন্ট । এইটো ভূল কৰা বাবে মোৰ ওপৰত এইটো পানিছমেন্ট । কিন্তু তাৰ পিচত আপুনি আকৌ- চেকশ্যন ৩৪ ত এমেণ্ডমেন্ট কৰিছে আৰু ক্ল'জ - ৩ ত কৈছে - হু এভাৰ কনটিডেন্স দি প্ৰভিজন অব চাব চেকশ্যন ২ অফ দা চেকছন ৪ অফ দা এক্ট - চেল বি পানিছেৰল উইথ ৰাইগ'ৰাছ প্ৰিজনমেন্ট থ্ৰি ইয়েৰচ অৰ ফাইভ লাখ । তাৰ মানে মোৰ মাটিটো গুছি গ'ল - মোৰ এতিয়া মাটি নাই কিন্তু তাৰ পিচতো আৰু মই তিনি বছৰ জেইল থাকিব লাগিব আৰু ৫ লাখ টকা জৰিমনা দিব লাগিব । দুটা পানিছমেন্ট য'ত কনট্ৰাডিক্টৰী হয় । আইনত লিখা আছে এটা ক্ৰাইমৰ বাবে এটাই পানিছমেন্ট হ'ব পাৰে । কিন্তু মই যিটো ক্ৰাইম কৰিলো তাৰ বাবে চৰকাৰে মোক কিয় দুটা পানিছমেন্ট দিচে এই কথাটো মই ক'ব বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেব্ ল মিনিষ্টাৰ , তেখেতৰ যিটো কনফিউজন আছে ক্লিয়েৰ কৰিলে ভাল হয় ।

**শ্ৰীভৰত নৰহ, নাওবৈচা ঃ** অধ্যক্ষ মহোদয়, **৩১** ডিচেম্বৰ, **২০০২** - পিচত যদি অহৈধভাৱে এনেধৰনে দখল কৰিছে টি গাৰ্ডেনৰ মাটি তেওঁলোকৰ মাটি জব্দ হ'ব আৰু একজিচটিং প্ৰভিজনমতে তিনি বছৰ জেইল আৰু **৫** লাখ টকা ফাইন হ'ব । একজিষ্টিং ৰুল মতে মাটিখিনি গৰ্ভমেন্ট লেণ্ড হৈ যাব । গৰ্ভমেন্ট ইছ গোয়িং টু বি ষ্ট্ৰিক্ট ভবিষ্যতে যাতে কোনোৱে এনেকুৱাকৈ মাটি ট্ৰেন্সফাৰ কৰিব নোৱাৰে । এইখন এখন কঠোৰ আইন অনা হৈছে ।

**মাননীয় অধ্যক্ষ ঃ** নৰহ ডাঙৰীয়া বিল খনত আছে সঁচা এতিয়া আপুনি মানে নে নাই আপোনাৰ কথা । মন্ত্ৰীয়ে কৈছে ডাবল পানিছমেন্ট । সুবিধা অসুবিধাটো আপুনি কওক - যিটো লিখা আছে সেইটো সঁচা ।

**শ্ৰীভৰত নৰহ, (নাওঁবৈচা) ঃ** এটা ক্ৰাইমত ডাবল পানিছমেন্টৰ ব্যৱস্থা কৰিছে , এইটো হ'ব নালাগে এইখিনিহে মই ক'ব বিচাৰিছো - সেই কাৰণে ছাৰ- আপোনালোকে কেবিনেটত এটা ডিচিশ্যন লৈ এচেম্বলীত পাচ কৰাৰ আগতে এডভোকেট জেনেৰেলৰ ভিউটো ল'ব লাগে । অকল কেবিনেটত পাচ কৰি এচেমব্লীত আনিলে কিছু খুঁত থাকি যায়।

**শ্ৰীযোগেন মহন, মন্ত্ৰী ৰাজহ ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, জুডি চিয়েৰী- এডমিনেষ্ট্ৰেটিভৰ ভিউ লোৱাৰ পিচতহে কেবিনেটত পাচ হৈ এচেমব্লীত আহিছে । গোটেইবিলাক ফৰ্মেলিটিছ হৈ আহিছে ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে - এতিয়া প্ৰশ্নটো হ'ল যে - দি আসাম ফিকচেশ্যন অব চেলিং অন লেণ্ড এমেণ্ডমেন্ট বিল,২০২৪ বিধেয়কখন বিবেচনাৰ বাবে লোৱা হওঁক ।

**" যিসকল সপক্ষে আছে , তেওঁলোকে কওক "হয়" যিসকল বিপক্ষে আছে তেওঁলোকে কওক " নহয়" । মই ভাবো "হয়ৰ সপক্ষে " "হয়ৰ সপক্ষে " "হয়ৰ সপক্ষে "** প্ৰস্তাৱটো গৃহীত কৰা **হ'ল।** এতিয়া প্ৰস্তাৱটো সদনত দফাই দফাই বিবেচনা কৰাৰ বাবে ৰখা হ'ল । **২** নং দফাটোত মাননীয় সদস্য শ্বেৰমান আলি আহমেদ আৰু অখিল গগৈৰ সংশোধনী প্ৰস্তাৱ আছিল - অখিল গগৈ এবচেন্ট আছে - গতিকে শ্বেৰমান আলি আহমেদ উইড্ৰ কৰিলে গতিকে সেই কাৰণে **২** নং দফাটো বিধেয়কখনৰ অংশ হ'ব । **" যিসকল সপক্ষে আছে , তেওঁলোকে কওক "হয়" যিসকল বিপক্ষে আছে তেওঁলোকে কওক " নহয়" । মই ভাবো "হয়ৰ সপক্ষে " "হয়ৰ সপক্ষে " "হয়ৰ সপক্ষে "** **২** নং দফাটো বিধেয়কখনৰ অংশ হ'ল । **৩** নং দফাত কোনো সংসোধনী নাই । **৩** নং দফা বিধেয়কখনৰ অংশ হ'ব ।**" যিসকল সপক্ষে আছে , তেওঁলোকে কওক "হয়" যিসকল বিপক্ষে আছে তেওঁলোকে কওক " নহয়" । মই ভাবো "হয়ৰ সপক্ষে " "হয়ৰ সপক্ষে " "হয়ৰ সপক্ষে "** **৩** নং দফাটো বিধেয়কখনৰ অংশ হ'ল । মই এতিয়া **১** নং দফাৰ অধিনিয়ম , প্ৰস্তাৱনা আৰু শিৰোনাম সদনত ভোট দানৰ বাবে ৰাখিলো । **১** নং দফাৰ অধিনিয়ম , প্ৰস্তাৱনা আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ'ব । **" যিসকল সপক্ষে আছে , তেওঁলোকে কওক "হয়" যিসকল বিপক্ষে আছে তেওঁলোকে কওক " নহয়" । মই ভাবো "হয়ৰ সপক্ষে " "হয়ৰ সপক্ষে " "হয়ৰ সপক্ষে "** **১** নং দফাৰ অধিনিয়ম , প্ৰস্তাৱনা আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ'ল । এতিয়া অনাৰেবল মিনিষ্টাৰ

**শ্ৰীযোগেন মহন, মন্ত্ৰী , ৰাজহ ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, মই দা আসাম ফিক্সেশ্যন অৱ চিলিং অন লেণ্ড হোল্ডিং এমেণ্ডমেন্ট বিল- **২০২৪** পাৰিতকৰণৰ বাবে সদনত উত্থপান কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে পাৰিত কৰা হওঁক । **" যিসকল সপক্ষে আছে , তেওঁলোকে কওক "হয়" যিসকল বিপক্ষে আছে তেওঁলোকে কওক " নহয়" । মই ভাবো "হয়ৰ সপক্ষে " "হয়ৰ সপক্ষে " "হয়ৰ সপক্ষে "** প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখনো পাৰিত কৰা হ'ল । এতিয়া আইটেম নং- **২৪** অনাৰেবল মিনিষ্টাৰ ।

**শ্ৰীযোগেন মহন, মন্ত্ৰী , ৰাজহ ইত্যাদি ঃ** আসাম এগ্ৰিকালচাৰেল লেণ্ড ৰেগুলেশ্যন অৱ ৰিক্লাচিফিকেশ্যন এণ্ড ট্ৰেন্সফাৰ - ফৰ নন এগ্ৰিকালচাৰেল পাৰপোজ এমেণ্ডমেন্ট বিল , **২০২৪** বিবেচনাৰ বাবে মই সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় ভৰত নৰহ ।

**শ্ৰীভৰত নৰহ, (নাওঁবৈচা) ঃ ছাৰ, ইয়াতো এটা প্ৰব্লেম আছে । গৰ্ভমেন্টে যিটো বিল আনিছে তাত কৈছে যে, এগ্ৰিকালচাৰ মাটি যদি ৰিক্লাচিফাইড কৰি কৰ্মাচিয়েল কৰে তেতিয়া প্ৰিমিয়াম দিব লাগিব । ক্ল'জ ৭ত আপুনি লিখিছে । ক্লজ ৭ - চাব ক্ল'জ- ৩ তাত আপুনি কৈছে যে, ৰিক্লাচিফিকেশ্যন-প্ৰিমিয়াম মিনচ প্ৰিমিয়াম চাৰ্জ এণ্ড ৰিয়েলাইজড বাই দি ষ্টেট ফ্ৰম দি অৰনাৰ অব দা চেলচ অব দা লেণ্ডচ- যে আপুনি প্ৰিমিয়াম ল'ব বিচাৰিছে । কিন্তু ছাৰ মই ইয়াত ক'ব বিচাৰিছো - তিনিটা কেটেগৰিৰ মানুহে এগ্ৰিকালচাৰ লেণ্ড কৰ্মাচিয়েল লেণ্ড কৰিব বিচাৰে । ১ নম্বৰ মাইন'ৰ ইণ্ডাষ্ট্ৰি - এটা মিডিয়াম ইণ্ডাষ্ট্ৰি - আনটো মেজৰ ইণ্ডাষ্ট্ৰি । এতিয়া মেজৰ আৰু মিডিয়াম ইণ্ডাষ্ট্ৰিৰ কাৰণে যিবিলাক মাটি কনভাৰ্ট কৰিব বিচাৰিছে কৰ্মাচিয়েল কৰিব বিচাৰিছে তাৰ বাবে প্ৰিমিয়াম লওক অসুবিধা নাই । কাৰণ এইবিলাক ডাঙৰ ইণ্ডাষ্ট্ৰি । কিন্তু যিবিলাক মাইন'ৰ ইণ্ডাষ্ট্ৰি - ছাপ'জ এজন**

**খুদ্ৰ চাহ খেতিয়াক বা বা কেইজনমান খুদ্ৰ চাহ খেতিয়কে মিলি পেলাই এটা ইণ্ডাষ্টিৰ খুলিব বিচাৰিছে , মাটিটো তেওঁলোকৰে হয় - ছয় বিঘা মাটিত তেওঁলোকে , এগ্ৰিকালচাৰল মাটিটো কৰ্মাচিয়েল কৰিব বিচাৰিছে তাৰ কাৰণে ৰিক্লাচিফিকেশ্যনৰ বাবে তেওঁলোকে এপ্লাই কৰিছে। আপুনি কৈছে যে তেওলোকেও প্ৰিমিয়াম দিব লাগিব । মই কৈছো যে এই তিনিটা শ্ৰেণীৰ অন্তত মাইন'ৰটো আপোনালোকে একাজেমনট কৰক । তাতে মাইন'ৰ ইণ্ডাষ্টিৰ বাবে তেওঁলোকে যাতে কোনো প্ৰিমিয়াম দিব নালাগে । তেওঁলোকে ৩ বিঘা-৫ বিঘা বা ৬ বিঘাত এটা সৰু ইণ্ডাষ্ট্ৰি কৰিব গতিকে তেওঁলোকক ৰেহাই দিয়ক। মেজৰ বা মিডিয়ামৰ কাৰনে মাটি বেছি লাগিব তেওঁলোকৰ পৰা লওঁক । ২ নং ছাৰ ছেকশ্যন ৮ ত কৈছে যিবোৰ মাটিত ১০ বছৰ ধৰি খেতি হোৱা নাই ।**
Clause 8 ত আছে আপুনি কৈছে যে where there has been no agriculture activity for atleast 10 years, সেই মাটি বোৰ কমাৰ্চিয়েললৈ Reclassification কৰিব বিচাৰিছে। ইয়াত এইটো লিখা আছে। কিন্তু ইয়াত এটা কথা আছে যে agricultural Land 10 years খেতিবাতি নোহোৱাৰ কাৰণে সেই মাটিটো কমাৰ্চিয়েললৈ Reclassification কৰা হ'ব। আকৌ তাৰ পিছত লিখিছে যদি তাত উদ্যোগ নহয় সেই মাটিবোৰ আকৌ Reclassification কৰি Agricultural কৰা হ'ব। ইয়াত লিখা আছে। এইটো কেনেকৈ হ'ব পাৰে ছাৰ। সেই মাটিটো ১০ বছৰ খেতি নোহোৱাৰ কাৰণে কমাৰ্চিয়েল কৰা হ'ল, তাৰ পিছত দেখিলে যে ইয়াত কমাৰ্চিয়েলো নহয় উদ্যোগো নহয় আকৌ এইটো Reclassification কৰি আকৌ এগ্ৰিকালচাৰ কৰিম। সেইটো এটা Contradictory কথা হয়। ১০ বছৰ খেতি নোহোৱাৰ কাৰণে মাটিটো আপুনি কমাৰ্চিয়েল কৰিলে, তাৰ পিছত কৈছে যে যদি Reclassified non agricultural land if became unfit for the purpose for which it was reclassified soon further the Reclassified or Reclassification can be transfered to agricultural land. আকৌ তেতিয়া Agricultural মাটিলৈ কনৰ্ভাট কৰিব সেইটো পচিব'ল নেকি? ১০ বছৰ খেতি নোহোৱাৰ কাৰণে আপুনি কমাৰ্চিয়েল কৰিলে দেখিলে যিটো কাৰণত মই কমাৰ্চিয়েল কৰিছিলো সেইটো কাৰণ বোলে ইয়াত নহ'ব সেইকাৰণে আকৌ মই কৃষিলৈ মই ঘুৰাই নিলো। সেইটো এটা Contradictory হয়। আৰু মই আপোনাক কৈছো এই যে ডি চি ক যে আবেদন দিব যে মোৰ কৃষিৰ মাটিটো কমাৰ্চিয়েল কৰক বুলি সেই আবেদনখন কিমান দিন disposalৰ কাৰণে কিমান দিন লাগিব? আপুনি সেইটোৰ specific তাৰিখ দিব লাগে কাৰণ কিয় আজি যেনেকৈ মুখ্যমন্ত্ৰীয়ে ইয়াত Right to Public Service, ৰ কথা কৈছে সেই প্ৰকাৰৰ কথা আছে, যে মই যেতিয়া এখন আবেদন দিম মই মাত্ৰ সৰু উদ্যোগ এটা বনাম মোৰ মাটিটো কমাৰ্চিয়েল কৰি দিব লাগে সেই কাৰণে আবেদন দিছো, সেই আবেদনখন যদি পেলাই থৈ দিয়ে বহুদিনলৈ, সেইটোৰ কাৰণে specific তাৰিখ এটা দিলে ভাল হয়। কিয়নো এইটো Right to Public Service, আৰু Industry department য়ে যিটো Ease of Doing Businessতো আপোনালোকে কৈছে যে এইটোৰ specific সময় থাকিব সেইটো আপোনালোকে চাব লাগে। তাৰপিছত ছাৰ, বাকী কেইটা চেকচন ৯ তো এইখিনি আছে যে আপোনাৰ ইয়াতো দিয়া নাই তাৰিখটো specific কিমান দিনৰ ভিতৰত দিচপোছ কৰিব আবেদনখন। আৰু চৰকাৰে এই যিটো মাইনৰ industry ৰ কথাটো কলো যে পেমেন্ট ল'ব নালাগে, চৰকাৰে যিহেতু অসম চৰকাৰে industry ৰ কাৰণে বহুত ইনচেনটিভ দিছে, গতিকে আপোনালোকে মাইনৰ উদ্যোগীক বিলাকৰ কাৰণে প্ৰিমিয়ামটো এই ইনচেনটিভ হিচাপে ৰেহাই দিব পাৰে।

**শ্ৰীআমিনুল ইছলাম, (জেষ্ঠ,ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, The Assam Agricultural Land Regulation of Reclassification and Transfer for Non-Agricultural purpose (Amendment) Bill 2024, এই খনৰ ওপৰত আমাৰ কব লগীয়া কথা এইখিনিয়ে যে ইয়াত মাটিৰ ক্লাচিফিকেচন ৰিক্লাচিফিকেচনৰ আইন বিলাক অনা হৈছে, ইয়াৰ মূল উদ্দেশ্য হ'ল যাতে এগ্ৰিকালচাৰেল মাটি বোৰ যধে মধে মানুহে তাত উদ্যোগ কিবা কিবি পাতি এগ্ৰিকালচাৰ মাটিবোৰ যাতে নাইকিয়া নহয় দেশত যাতে কৃষি উৎপাদনটো কমি নাযায় সেই কাৰণে আচলতে সেই প্ৰথমৰ পৰা আইন বিলাক অনা হৈছিল। আচল কথাটো এইটো। যে এগ্ৰিকালচাৰেল মাটি বোৰ সংৰক্ষিত থাকিব লাগে যধে মধে তাত উদ্যোগ হ'ব নালাগে। কিন্তু এইখন বিল যিটো অনা হৈছে এই বিলত এটা দফাত এটা সাংঘাটিক কথা আছে আৰু এই কথাটো কিন্তু এই ক্লাচিফিকেচন ৰিক্লাচিফিকেচনৰ যিটো moto ইয়াৰ বিপৰীত ইয়াত আছে Amendment of Section 5, Clause 9 (ii), Sub Clause 2 ত আছে No person shall use Agricultural Land without reclassifying the same and no Non-Agricultural land shall be used without reclassifying the safe land to agricultural use or any other class of Non- Agricultural use without payment of the fees for the Reclassification. ইয়াতে প্ৰথম বাক্যটো ঠিক আছে যে কোনোবাই এগ্ৰিকালচাৰেল মাটিটোক তেওঁলোকে একো নোহোৰাকৈ ননএগ্ৰিকালচাৰেল হিচাপে ব্যৱহাৰ কৰিব নোৱাৰিব। ক্লাচিফাই কৰি ৰিক্লাচিফাই কৰাৰ পিছতহে এগ্ৰিকালচাৰ লেণ্ডটোক ননএগ্ৰিকালচাৰেল বা উদ্যোগৰ পাৰপাচত ব্যৱহাৰ কৰিব পাৰিব। কিন্তু কোনোবাই যদি কোনো এটা মাটি ৰিক্লাচিফাই কৰিছে ননএগ্ৰিকালচাৰেল লেণ্ড হিচাপে তেনেহলে তাতটো এগ্ৰিকালচাৰেল একো কৰ্ম কৰিব নোৱাৰিব। এতিয়া আমাৰ কথা হ'ল কোনোবাই এটা মাটি ৰিক্লাচিফাই কৰিছে তাত কিবা উদ্যোগ কৰিব বা বেলেগ কৰিব, কিন্তু সেইটো আৰম্ভ কৰাৰ বাবে দুবছৰ দেৰি আছে বা তেওঁৰ পইচা কমি আছে, সেই বছৰটো মাটিটো এনেই পৰি থকাতকৈ তাত কিবা কৃষি কৰিলে এইটোত বাধা দিব নালাগিছিল। কাৰণ মাটিটো ৰিক্লাচিফিকেচন কৰিছেই যে ননএগ্ৰিকালচাৰেল এক্টিভিটি কৰিব, কিন্তু এনেই মাটিটো পৰি আছে ১/২ বছৰ, ১/২ বছৰ যদি কিবা কৃষি কৰে এইটোতো ভাল কথা। কৃষি ভূমি বোৰ চেভ কৰাৰ কাৰণে আইন বোৰ হৈ আছে। এইটো ৰিক্লাচিফাই হ'ল কাৰণে প্ৰজেক্টটো আৰম্ভ কৰাৰ আগতে কৃষি কৰিব নোৱাৰিব এইটো মোৰ মতে থাকিব নালাগে। এই বাক্যটোৰ আমি এমেণ্ডমেন্ট আনিছো। এই বাক্যটো উঠাই দিব লাগে, যে No Non- Agricultural land shall be used without reclassifying the same land to agricultural use, এইটো পুনৰ ৰিক্লাচিফাই নকৰাকৈকে তাত খেতি কৰিব নোৱাৰিব এইটো বাক্য থাকিলে মোৰ মতেই গোটেই আইনৰ উদ্দেশ্যৰ ৰ বিপৰীতে যায় গতিকে এই বাক্যটো উঠাই দিলে বাকী আগৰ পিছৰখিনি ঠিক আছে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। আৰু কোনোবাই কব, কি কব?

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ অধ্যক্ষ মহোদয়, District Level Reclassification কমিটী এখন আছে, মই একেবাৰে এটা সৰু কথা কম বেছি কথা নকও, কথাটো হৈছে কি ইতিমধ্যে আমি ডিবেট বহুখিনি শুনা পালো, অধ্যক্ষ মহোদয়, এগ্ৰিকালচাৰৰ পৰা কমাৰ্চিয়েল লেণ্ড যিটো বদলিকৰণ কৰা হয়, ৰিক্লাচিফিকেচন যিটো কৰা হয় এনেই সাধাৰণতে মানুহে কম কৰে, আমি ইতিমধ্যে দেখা পালো যে NHI DCL ৰ যেতিয়া ভাৰত মালা, অসম মালাৰ যি

কোনো প্ৰকল্প যেতিয়া আৰম্ভ হৈছে তেতিয়াই দেখা পালো যে এই সংখ্যাটো আহিব লাগে এইটো কমাৰ্চিয়েল লেণ্ড কৰিব লাগে। সেইটোৰ কাৰণে কৰিব লাগে যে যোনে হয়তোবা ২০ লাখ টকা পাব সেইটো কমাৰ্চিয়েল লেণ্ড হয় ১ কোটি টকা পাব। সেইটোৰ কাৰণে মই আজিৰ দিনত এইটোৰে কব বিচাৰিছো যে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম এই যে ৰিক্লাচিফিকেচন যিটো, মানুহে উদ্দেশ্য কৰি এইটো কিছুমানে কৰি থাকে। আজি ভৰত নহৰ ডাঙৰীয়াই কৈছে যে যদিবা ক্ষুদ্ৰ উদ্যেগ হিচাপে কৰি থাকে সেইবিলাকত আমাৰ কব লগা নাই, জেনুইন আছে যিখিনি কৰিব লাগে। কিন্তু এই যি অসাধু ব্যক্তি আছে যি খিনিৰ উদ্দেশ্য ভাল নহয়, তেখেত সকলৰ উদ্দেশ্য হৈছে যে ৰিক্লাচিফিকেচন কৰি দিলে যাতে টকা পইচাটো ঘুৰাই দিয়া। এই ক্ষেত্ৰত চৰকাৰ যাতে কঠোৰ হয় আৰু মই ভাৱো যেতিয়া আইনখন কঠোৰ হ'ব তেতিয়া এই যিবিলাক দূৰ্নীতি কৰি আছে এই মানুহ সকলৰ পৰা আমি ৰক্ষা পাই থাকিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নি) ঃ** ছাৰ, এই বিল খনৰ বাবে মাননীয় অসমৰ মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনোৱাৰ লগতে মাননীয় অসমৰ ৰাজহ মন্ত্ৰীকো খুৰতাং ধন্যবাদ জ্ঞাপন কৰিছো। মই বিশেষ ভাৱে অনুৰোধ জনাইছো মৰিয়নি সমষ্টিৰ মৰিয়নি নগৰ খনৰ কাৰণে জনাজাত। বিশেষকৈ জংছন আছে ৰেলৱেৰ আৰু কাষতে সকলো বাগান। এদোখৰ মাটি আছে বিৰলাকোম্পানীৰ পৰা ক্ষমা বিচাৰিছো বিৰলা কোম্পানীয়ে লিজত লৈছিল ১০০ বছৰৰ কাৰণে, লিজৰ ম্যাদ শেষ হৈ গ'ল সেই মাটিটো মই যিমানদূৰ জানো প্ৰায় ৬০ বছৰ ৭০ বছৰ এশ বিঘামান মাটি টাউনৰ কিনাৰতে এনেই পেলাই ৰাখি থৈছে। বিশেষভাৱে এই আইনখনৰ যোগেদি এনে পৰিত্যক্ত মাটি চৰকাৰে কেনেবাকৈ লৈ তাত industrial state কাৰণ ইতিমধ্যে উদ্যোগ মন্ত্ৰীয়ে মাটি বিচাৰি আছে উদ্যোগৰ কাৰণে সেই গতিকে মন্ত্ৰী মহোদয়ে মাটি বিচাৰি আছে যিহেতু উদ্যোগ প্ৰতিষ্ঠা কৰাৰ কাৰণে আৰু উদ্যোগ এতিয়া অসমত আহিব ধৰিছে সেই কাৰণে মই অনুৰোধ জনাম এনে মাটি যিবোৰ পৰিত্যক্ত অৱস্থাত আছে চৰকাৰে লৈ তাত চৰকাৰী ভাৱে বিভিন্ন উদ্যোগ প্ৰতিষ্ঠা কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বিশেষ ভাৱে আইন এখনৰ যোগেদি এনে পৰিত্যক্ত মাটি চৰকাৰে লৈ তাত industriale state কৰিব লাগে, ইতিমধ্যে মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই উদ্যোগৰ বাবে মাটি বিচাৰি আছে। এতিয়া অসমত উদ্যোগ আহিব ধৰিছে। সেইকাৰণে মই অনৰোধ জনাইছো যে এনে ধৰণৰ পৰিত্যক্ত মাটিবোৰ চৰকাৰে লৈ চৰকাৰী ভাৱে তাত বিভিন্ন উদ্যোগ প্ৰতিষ্ঠা কৰাৰ বাবে ব্যৱস্থা কৰিব লাগে। ধন্যবাদ।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই যিটো কথা কৈছে যে small industry ৰ প্ৰিমিয়াম ল'ব নালাগে যদি re-classification কৰে। মাননীয় অধ্যক্ষ মহোদয়, মিনিমাম এটাটো ল'বই লাগিব। Industry এটা কৰিলে নিশ্চয় আমাৰ industrial policy আছে তাত incentive পাব। সেইটো বেলেগ চেপ্তাৰ। কিন্তু মাটিৰ re-classification তে যদি মিনিমাম প্ৰিমিয়ামটো নলওঁ সেইটো মোৰ মতে ঠিক নহয়। মিনিমাম এটা বহুত টো লোৱা নহয়, re-classification কৰিলে মিনিমাম এটা ল'বই লাগে। নহ'লে মাননীয় অধ্যক্ষ ডাঙৰীয়া কি হ'ব যে বহুত মানুহে খেতিৰ মাটি বেছি ৰাখিবই। আমাৰ চিলিং এক্টত খেতিৰ মাটি ৫০ বিঘাৰ বেছি হ'লে চিলিং এক্টত যাব। যেতিয়া প্ৰিমিয়াম দিব নালাগিব বহুত মানুহে ৫ বিঘা ৫ বিঘা কৈ ৫০ বিঘা মাটি industrial কৰি ল'ব। তাৰ পিছত আকৌ ৫০ বিঘা খেতিৰ মাটি লৈ ল'ব। মানুহজনৰ মাটি ১০০ বিঘা হ'ল কিন্তু চিলিং

এক্তত ও নহ'ল। এইটো এটা ডাঙৰ ঘটনা হ'ব মাননীয় অধ্যক্ষ ডাঙৰীয়া। মই আকৌ কৈছো চিলিং এক্তত ৫০ বিঘাৰ ওপৰত যদি মাটি যায়, ধৰি লওঁক মোৰ ৬০ বিঘা মাটি আছে, মোৰ ১০ বিঘা চিলিং এক্তত গুছি যাব। এতিয়া মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে মই এটকাও প্ৰিমিয়াম নিদিয়াকৈ ৫ বিঘা ৫ বিঘা কৈ এটা উদ্যোগ গঢ়িম বুলি মাটিৰ re-classification কৰি ল'ম। তেতিয়া মই মাটি ও ৰাখিলো আৰু চৰকাৰক পইচা ও নিদিলো। গতিকে এইটো কোনোপধ্যে মানি ল'ব নোৱাৰি। দ্বিতীয়তে, তেখেতে যিটো কথা কৈছে যে Agriculture land ৰ পৰা ১০ বছৰত যদি agricultural activity নহয় তেতিয়া industry কৰিব পাৰি। এইটো existing আমাৰ নিয়ম। এইটো আগৰ চৰকাৰৰ দিনৰে। ১০ বছৰ যদি খেতি নহ'ল তেতিয়া কোনোবাই এইটো industry কৰিব পাৰে। তাৰপিছত আমি এইটোও আনিছো যে industry ও যদি নহ'ল তেতিয়া commercial ও কৰিব পাৰে। মাননীয় অধ্যক্ষ মহোদয়, এইটো মাটিৰ মালিকৰ choice ৰ ওপৰত। এতিয়া আমি আনিব খুজিছো যে তাত industry নহয় কিন্তু দোকান-পোহাৰ হৈ যায়। গতিকে commercial কৰিব পাৰিব। এইটো নিয়ম মতে অত্যন্ত ভেলিড পইন্ট বুলি ভাবো। সেইটো আমাৰ বিলখনত আছে আৰু এইটো মানি ল'ব লাগে। তৃতীয় কথাটো হৈছে যে তেখেতে কৈছে যে re-classification টো এটা stipulated time period ত হ'ব লাগে। সেইটো নিশ্চয় কৰিম। মাননীয় উদ্যোগ মন্ত্ৰী আছেই। আজিকালি আমি এইটো portal কৰো আৰু each of doing ত আমাৰ কাৰণে এইটো বহুত important.কিমান সময়ৰ ভিতৰত আমাৰ উদ্যোগ এটা বনাব এইটো অত্যন্ত জৰুৰী। নহ'লে উদ্যোগ কিয় আহিব? কিন্তু মাননীয় অধ্যক্ষ মহোদয়, industry আনিবলৈ প্ৰথম কামটোৱে হ'ল re-classification. এইটো মাননীয় মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰখন এই ক্ষেত্ৰত অতিকৈ সতৰ্ক যে কোনোবাই যদি re-classification ৰ কাৰণে এপ্লাই কৰিছে within a stipulated time period it will be given the clearence. তেখেত আৰু এটা কথা কৈছে no premium. তাৰমানে তেখেতে কৈছে যে industry ক incentive যেনেকৈ দি আছো no premium কেনেকৈ হ'ব, no premium দিলেই বহুত ডাঙৰ গণ্ডগোল হ'ব। No premium মানে মই আকৌ কৈছো যে আপোনাৰ টো ৫০ বিঘা খেতিৰ মাটি আছেই, আপোনাৰ আছে মোৰো আছে মই অস্বীকাৰ নকৰো। মই ৬০ বিঘা তেনেকৈ কৰি ল'ম। এইটো নহওঁক। গতিকে এইকেইটা change হ'ব নালাগে বুলি মই আহ্বান জনাইছো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, নাওবৈচা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ে কোৱাৰ আগতে মই ক'ব খুজিছো। মাননীয় আমাৰ Parliamentary Affairs Minister ডাঙৰীয়াই যিখিনি কথা কৈছে বা যিখিনি তেখেতে সন্দেহ কৰিছে আঁচলতে সেইটো কোনো মানুহেই ৫০ বিঘা, ১০০ বিঘা Agriculture ৰ মাটি re-classification কৰি কৰ্মাচিয়েল নকৰে। মই কৈছো মাইন'ৰ ৰ কথা। মাইন'ৰ, মিডিয়াম, মেজৰ তিনিটা ক্লাচ আছে। মই মাইন'ৰৰ কথা কৈছো। তিনি বিঘা বা ৫ বিঘা মাটিয়েই মাইন'ৰ বিলাকে Agriculture ৰ মাটি re-classification কৰি কৰ্মাচিয়েল কৰিব খোজে। মাটিখিনিটো তেনেকৈ পেলাব নোৱাৰে। তেওঁলোকে industry যেতিয়া কৰিব তেতিয়া গাওঁ পঞ্চায়তৰ পৰা NOC ল'ব লাগে, APDCL ৰ পৰা ট্ৰেন্সফৰ্মাৰৰ কাৰণে চেংচন ল'ব লাগে আৰু তেখেতে DIC ত তেখেতে registration কৰিব লাগিব। এজন মানুহে বিনা উদ্দেশ্যত নিজৰ মাটিটো ৰাখিবৰ কাৰণে industrial ৰ পৰা কৰ্মাচিয়েল লৈ কনভাৰ্ট কৰিব নোখোজে। মই যিটো কৈছো যে মাইন'ৰ industry বিলাকৰ কাৰণে যিবিলাকৰ বাজেট ১

কোটি টকাৰ তলত ২৫-৩০ লাখ টকাৰে ব্যৱসায় কৰিব খোজে সেই সকলৰ প্ৰিমিয়াম টো ৰেহাই দিয়াৰ কথা কৈছো। মেজৰ আৰু মিডিয়ামৰ মাটি ও বেছি হ'ব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো মানি ল'বই নোৱাৰি। এইটো ডাঙৰ কেলেংকাৰী হ'ব। ৫০ বিঘাৰ ওপৰত, ১০ বিঘা, ২০ বিঘা, ৫০ বিঘাৰ ওপৰত আৰু ৫০ বিঘা। তেতিয়া সকলোৱে কি কৰিব যে ৫ বিঘা ৫ বিঘা কৈ ১০ টা industry ৰ বাবে registration কৰাই মাটিখিনি লৈ থব। গতিকে এইটো হ'বই নোৱাৰে। কম প্ৰিমিয়াম দিয়ক কাৰণ প্ৰিমিয়ামটো অতি জৰুৰী। প্ৰিমিয়াম নিদিয়াকৈ সৰু, মধ্যম বা ডাঙৰ কোনো উদ্যোগৰ classification হ'বই নোৱাৰে। হ'লে ডাঙৰ কেলেংকাৰী হ'ব।

**শ্ৰী অশোক সিংহল, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টোৰ ওপৰত মই নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী হিচাপে ক'ব বিচাৰিছো যে এতিয়া অসমৰ প্ৰায় ৭৫ টা মিউনিচিপাল বোৰ্ডৰ লগতে সৰু সৰু মিউনিচিপাল বোৰ্ডৰ ও master plan হৈ গৈছে। মাষ্টাৰ প্লেন যেতিয়া হয় it is a very extensive exercise which is taken up involving all the stakeholders majority of the departments are included there.It is given to public for consultation, objection, claims আৰু তাৰ পিছত ৬ মাহৰ প্ৰক্ৰিয়া এটা আছে আৰু তাৰ পিছতহে মিউনিচিপাল বোৰ্ড বা ডেভেলপমেন্ট অথ'ৰিটিৰ মাষ্টাৰ প্লেনটো ফাইনেল কৰা হয়। তাত ৰেভিনিউ, public representative, local MLA ও থাকে আৰু সকলোৱে বহি মাষ্টাৰ প্লেনটো ফাইনেল কৰে আৰু land re-classification টো মাষ্টাৰ প্লেন হৈ যায়। ফলত লেণ্ডৰ ইউজ প্লেনটো এটা মাষ্টাৰ প্লেনত আহি যায় যে ক'ত আপুনি উদ্যোগ কৰিব পাৰিব, ক'ত আপুনি ৰেচিডেঞ্চিয়েল কৰিব পাৰিব, ক'ত আপুনি কমাৰ্চিয়েল কৰিব পাৰিব, ক'ত মিক্সদ ইউজ কৰিব পাৰিব, ক'ত পাবলিক ইউটিলিটি হ'ব। মাষ্টাৰ প্লেনৰ এই গোটেইখিনি land ৰ define হৈ যায় আৰু তাৰপিছত ৰাজহ বিভাগে মাষ্টাৰ প্লেনটো follow কৰে। মাষ্টাৰ প্লেনত যদি দেখুওৱা আছে যে residential বুলি তেতিয়া ৰাজহ বিভাগে industrial কৰি দিলেও নহ'ব। ইয়াত সমস্যাটো হয় যে মাষ্টাৰ প্লেন এৰিয়াত যদি আপুনি joining টো residential দেখুৱাইছে আৰু গুৱাহাটী ডেভেলপমেণ্ট অথ'ৰিটিৰ ভিতৰৰ বহু অঞ্চলত

GMDA ৰ মাষ্টাৰ প্লেন আছে। ১৯৮৫ চনতেই যেতিয়া মাষ্টাৰ প্লেন বনোৱা হৈছিল তেতিয়া এই অঞ্চলবোৰত residential অঞ্চল হিচাপে দেখুৱাই ৰাখিছে। গতিকে ৰাজহ বিভাগৰ জৰিয়তে এই code correction নহয়।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কোডটো কেৱল নগৰ অঞ্চলৰ বাবে আনিছে নেকি ?

**শ্ৰী অশোক সিংহল,মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, নহয়। কথাটো আপুনি বুজি লওঁক নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী হিচাবে মোৰ কথাখিনি মই কৈ আছো। গুৱহাটীৰ আজাৰা, ধাৰাপুৰ, গৰল এইবোৰ অঞ্চলৰ বহুবোৰ ঠাই residential অঞ্চল হিচাপে দেখুওৱা আছে। তেখেত সকল GMDA ত আহে আৰু GMDA ৰ পৰা বিল্ডিঙৰ পাৰমিশ্যন লয় আৰু পঞ্চায়তৰ পৰাও বিল্ডিঙৰ পাৰমিশ্যন লয়। তাৰপিছত তেওঁলোকে বিল্ডিঙৰ নিৰ্মাণৰ কাম কৰে। কিন্তু শ্ৰেণীৰ পৰিবৰ্তনৰ কাৰণে ৰাজহ বিভাগত যাব লাগিব। গতিকে এইবোৰ খেলিমেলিৰ কাৰণে এই বিলখন আহিছে আৰু এইটো খুব ভাল হৈছে যে এটা regulated system ত master plan যিবিলাক অঞ্চলত আহিছে তাত প্ৰত্যেক জন বিধায়কেই নিজৰ নিজৰ development ৰ অঞ্চলত বহুত

consultation ৰ পিছত এই master plan বোৰ বনাই আমাক দিলে আপোনালোকে এটা sensitive পাব যে এইবোৰ ক্ষেত্ৰত বৈধতা আহিব আৰু এই master plan মতে নগৰ বোৰৰ উন্নয়ন হ'ব। re-classification ৰ যেতিয়া আৰম্ভ হয় আৰু ৰাজহ বিভাগে যেতিয়া খেতি-বাতি কৰা অঞ্চলত উদ্যোগৰ বাবে অনুমোদন দিয়ে তেতিয়া প্লেন বোৰৰ উন্নয়ন নহয়। প্লেনৰ উন্নয়ন নহ'লে কৃত্ৰিম বানপানী হ'ব বা বস্তুবোৰ দেখনিয়াৰ নহ'ব। মই ভাবো অহা দিনবোৰত প্লেন উন্নয়নৰ স্বাৰ্থত নগৰ এলেকাত যিটো land classification হৈছে সেইমতে ৰাজহ বিভাগে সলনি কৰিব।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, নাওবৈচা ঃ** মাননীয় অধ্যক্ষ মহোদয়, নগৰ উন্নয়ন মন্ত্ৰী ডাঙৰীয়াই নগৰ এলেকাৰ কথাখিনি কৈছে। কিন্তু মই নগৰ এলেকাৰ কথাখিনি কোৱা নাই। মই কৈছো গ্ৰাম্য অঞ্চলত য'ত মানুহে কৃষি ৰ মাটি উদ্যোগৰ কাৰণে re-classification কৰিব খোজে.............

....interruptions...

**শ্ৰী অশোক সিংহল, মন্ত্ৰী, নগৰ আৰু গৃহ পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, আজিকালি development area ১০০ বৰ্গ কিঃমিঃ আছে। দুই-তিনি মাহ আগত ডিব্ৰুগড়ৰটো approve হৈ গ'ল। গতিকে development area ত বহুতখিনি হৈছে... .....interruptions...

**মাননীয় অধ্যক্ষঃ** হ'ব। মাননীয় মন্ত্ৰী আপুনি উত্তৰ দিয়ক।

**শ্ৰী যোগেন মহন, মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াই যিটো কথা কৈছিল যে ৩ বছৰলৈকে খেতি কৰা কৃষি ভূমিখিনি যদি re-classification কৰি industrial **কৰি** দিয়ে, সেইটো ৩ বছৰলৈকে পাৰিব। আমাৰ principal Act খন আছেই নহয়। এইখন Amendment হে। Principal Act খনত লিখাই আছে যে যেতিয়ালৈকে re-classification নহয়, কিন্তু ৩ বছৰতকৈ বেছি ৰাখিব নোৱাৰিব। ৩ বছৰলৈকে খেতি কৰি থাকিব পাৰিব....interruptions...

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কিন্তু লিখা আছে যে without re-classification as Agricultural land, তাত খেতি কৰিব নোৱাৰিব। এই কথাটোৱে Principal Act খনক contradict কৰিছে। Principal Act খনৰ মতে ৩ বছৰলৈকে পাৰিব।সেয়েহে মই ভাৱো এই বাক্যটো উঠাই দিব লাগে .........interruptions...

**শ্ৰী যোগেন মহন, মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, Principal Act খনত আছিল যে কৃষি ভূমিৰ পৰা industry বা business বা residentially re-classification কৰিলে আকৌ ঘূৰাই ল'ব নোৱাৰে। কিন্তু, এতিয়া আমি কেই টকামান দি আকৌ ঘূৰাই industry টো agriculture কৰি ল'ব পৰা ব্যৱস্থা টো আনিছো। সেইটো online ত Mission Basundhara ত কৰি ল'ব পাৰিব। আমি এই Act খন কিয় আনিছো, অসমৰ ৰাইজৰ সুবিধাৰ্থে আনিছো যাতে তেওঁলোকৰ ভূমিৰ অধিকাৰ সুৰক্ষিত হয়। আগতে মানুহে এইবোৰ কাৰণতে suffer কৰিবলগীয়া হৈছিল যে মাটিখিনি industrial কৰি দিলে, কিন্তু খেতি কৰি আছে, আকৌ agricultural কৰিবলৈ আগতে provision টো নাছিল। কৃষি ভূমিত ৰাজহ ৫০ টকা দিব লাগে, কিন্তু industry হ'লে ৫০০০ টকা দিব লাগিব। এই গোটেই কথাখিনি Act খনত অনা হৈছে। মই ভাৱো অসমৰ ৰাইজে যথেষ্ট ভাল পাব, মাটিৰ অধিকাৰ পাব। মিছন বসুন্ধৰা-২ত যিখিনি দিব পৰা নাছিলো, এইখিনিৰ ক্ষেত্ৰত Act খনে বহুখিনি সহায় কৰিব। ধন্যবাদ ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

মই এতিয়া সদনত প্ৰস্তাৱটো ভোটদানৰ বাবে ৰাখিলো।

প্ৰশ্নটো  হ'ল যে-

"The Assam Agricultural Land (Regulation of Re classification and Transfer for Non-Agricultural Purpose) (Amendment) Bill, 2024" বিধেয়কখন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়', যিসকল বিপক্ষে আছে কওঁক 'নহয়',

(সদনে সন্মতি জনায়)

মই ভাৱো 'হয়'ৰ সপক্ষে,  'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া সদনত বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল।

২ ৰ পৰা ৮ নং দফাত কোনো সংশোধনী নাই।

প্ৰশ্নটো হ'ল যে

২ ৰ পৰা ৮ নং দফা কেইটা বিধেয়কৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়', যিসকল বিপক্ষে আছে কওঁক 'নহয়',

(সদনে সন্মতি জনায়)

মই ভাৱো 'হয়'ৰ সপক্ষে,  'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

২ ৰ পৰা ৮ নং দফা কেইটা বিধেয়কখনৰ অংশ হ'ল।

৯ নং দফাত মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়া আৰু সহযোগীসকলৰ সংশোধনী প্ৰস্তাৱ আছে। আপুনি উত্থাপন কৰিব।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কোৱা  upto 3 years কথাটো অন্তৰ্ভুক্ত কৰিলে শুদ্ধ হৈ যাব ......interruptions...

**মাননীয় অধ্যক্ষঃ** তেখেতে কৈছে Principal Act ত upto 3 years আছেই। ইয়াত হ'ল ....interruptions...

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** ইয়াত কৈছে নোৱাৰিব, তাত কৈছে পাৰিব। গতিকে contradict হৈ গ'ল .......interruptions...

**মাননীয় অধ্যক্ষঃ** Industry বা Commercially  set up  হোৱাৰ পিছত যদি ব্যৱহাৰ নকৰে, তেন্তে  agricultutre লৈ re classification নকৰিলে খেতি কৰিব নোৱাৰে।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মিলাই ল'লে হ'ল যাতে অসুবিধা নাথাকে।

**মাননীয় অধ্যক্ষঃ** হ'ব । আপুনি সংশোধনী প্ৰস্তাৱটো উঠাই লৈছে নে?

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** লৈছো চাৰ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

৯ নং দফাটো বিধেয়কৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়', যিসকল বিপক্ষে আছে কওক 'নহয়',

(সদনে সন্মতি জনায়)

মই ভাৱো 'হয়'ৰ সপক্ষে,  'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

৯ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

১০ আৰু ১১ নং দফা দুটাত কোনো সংশোধনী নাই।

প্ৰশ্নটো হ'ল যে.

১০ আৰু ১১ নং  দফা দুটা বিধেয়কৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়', যিসকল বিপক্ষে আছে কওঁক 'নহয়',

(সদনে সন্মতি জনায়)

মই ভাৱো 'হয়'ৰ সপক্ষে,  'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

১০ আৰু ১১ নং  দফা দুটা  বিধেয়কখনৰ অংশ হ'ল।

মই এতিয়া ১ নং দফা, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনাম সদনত ভোটদানৰ বাবে ৰাখিলো।

প্ৰশ্নটো হ'ল যে

১ নং দফা, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনাম বিধেয়কৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওক 'হয়', যিসকল বিপক্ষে আছে কওক 'নহয়',

(সদনে সন্মতি জনায়)

মই ভাৱো 'হয়'ৰ সপক্ষে,  'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

১ নং দফা, অধিনিয়ম, সূত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনাম  বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী যোগেন মহন, মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, মই "The Assam Agricultural Land (Regulation of Re classification and Transfer for  Non-Agricultural Purpose) (Amendment) Bill, 2024" বিধেয়কখন পাৰিতকৰণৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল যে

বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়', যিসকল বিপক্ষে আছে কওঁক 'নহয়',

(সদনে সন্মতি জনায়)

মই ভাৱো 'হয়'ৰ সপক্ষে,  'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত হ'ল।

বিধেয়কখন পাৰিত কৰা  হ'ল।

সন্মানীয় সদন, মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই বাঘৰ আক্ৰমণ সন্দৰ্ভত যি বিষয় উত্থাপন কৰিছিল তাৰ বিবৃত্তিটো মই এতিয়া **মাননীয়** বন মন্ত্ৰীক দাঙি ধৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, বন ইত্যাদিঃ** অধ্যক্ষ মহোদয়, যোৱা ২৮ আগষ্ট তাৰিখে সন্ধিয়া ৫ঃ১৫ বজাত  বালিপাৰাৰ Anti poaching camp ত আমাৰ দুজন সদস্য গৈছিল। এই Anti poaching camp ৰ ৫০০ মিঃ দূৰত ধনমণি ডেকা  নামৰ Home Guard এজনক Royal Bengal Tiger য়ে আক্ৰমণ কৰি চোঁচৰাই লৈ যায়। তাৰ পিছত আমাৰ বন বিভাগৰ তৰফৰ পৰা হাতীৰে তালাচী চলোৱা হয়।  কিন্তু, ঘন জংঘল আৰু ঘোৰ অন্ধকাৰ হোৱাৰ বাবে আমি তাৎক্ষণিক ভাৱে তেওঁক উদ্ধাৰ কৰিব নোৱাৰিলো যদিও  ৰাতি ৯ঃ১৫ মান বজাত তেওঁৰ মৃতদেহটো  উদ্ধাৰ কৰিবলৈ সক্ষম হওঁ। তাৰ পিছত আমি তেওঁৰ মৃতদেহটো মংগলদৈ

অসামৰিক হস্পিতালত post mortem ৰ বাবে পঠাইছো। তেওঁৰ পৰিয়ালবৰ্গক আমি inform কৰিলো আৰু আমাৰ Forest ৰ Rule মতে তেওঁৰ প্ৰাপ্য Ex-gratia খিনি আদায় দিয়া হৈছে। মৃত ব্যক্তিজনৰ ডিঙি আৰু ভৰিৰ অলপ মাংস বাঘটোৱে ভক্ষণ কৰা বুলি সন্দেহ কৰা হৈছে। এইটো post mortem ত ওলাব। গোটেই ঘটনাটো ইমানেই। এই বিষয়টোত আমাৰ সিকদাৰ ডাঙৰীয়াই বিবৃত্তি বিচাৰিছিল, সেয়েহে মই দীঘলীয়া নকৰি বিবৃত্তিটো সদনত দাঙি ধৰিলো। ধন্যবাদ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** অধ্যক্ষ মহোদয়, Forest ৰ নিয়মমতে পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ কথা কৈছে। কিন্তু কি ক্ষতিপূৰণ দিলে সেই কথাটো স্পষ্ট হ'লে ভাল আছিল।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, বন ইত্যাদিঃ** অধ্যক্ষ মহোদয়, কোনোবা সৰ্বসাধাৰণ ৰাইজ যদি তেনেকৈ ক্ষতিগ্ৰস্ত হয়, তেন্তে চৰকাৰৰ নিয়ম অনুসৰি ৪ লাখ টকা পায়। কিন্তু বন বিভাগৰ কৰ্মচাৰীসকলৰ যদি এনেকৈ মৃত্যু হয় তেন্তে তেওঁলোকে ৩ লাখ টকাৰ Ex-gratia দিয়া হৈছে আৰু অন্যান্য মানৱীয়তা দৃষ্টি ভংগীৰে আমি যিমান পাৰো তেওঁৰ পৰিয়ালক সহায় সহযোগীতা আগবঢ়াম। সেইকাৰণে আমাৰ PCCF (Wildlife)ক মই যোৱাকালি পঠিয়াইছিলো, তেওঁ তাত গৈ গোটেই খা-খবৰখিনি কৰি আছে। বন বিভাগক আমি এইটো কথাও কৈছো যে যদি post mortem report ত বাঘটোৱে যদি মানুহৰ মাংস ভক্ষণ কৰিছে, কোনটো বাঘ হ'ব পাৰে, সেই বাঘটোক আমি চিনাক্ত কৰাৰ কাৰণে বন বিভাগৰ Wild life ক কৈছো, চিনাক্ত কৰাৰ পিছত সেই বাঘটো চিৰিয়াখানাত ৰাখিব লাগিব।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, নাওবৈছা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিব বিচাৰো যে যেতিয়া বাঘটো বনকৰ্মীজনক লৈ গ'ল, তেতিয়া তেওঁৰ লগত থকা যিবিলাক কৰ্মচাৰী, যাৰ হাতত বন্দুক আছিল, তেওঁলোকে বাঘটোক কিয় গুলিয়াব নোৱাৰিলে বা জখম কৰিব নোৱাৰিলে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বন বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই সঠিক প্ৰশ্ন কৰিছে, সেই কথাটো মই এৰাই গৈছিলো, দুই ৰাউণ্ড গুলি অন্য কৰ্মচাৰীয়ে চলাইছিল, কিন্তু বাঘটোৱে খুব জোৰকৈ গুছি যোৱাৰ কাৰণে বাঘটোৰ গাত গুলি লগা নাছিল।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধিংত যিটো বাঘৰ সন্ত্ৰাস সৃষ্টি কৰিছিল, তাত চাৰিজন মানুহ খুব গুৰুত্বভাৱে আহত হৈছিল। তেওঁলোকে মেডিকেলত চিকিৎসাধীন হৈছিল, কিন্তু তাৰে তিনিজন মানুহে ১ লাখ টকাকৈ ক্ষতি পূৰণ পালে, শেষত যিজন মানুহ আহত হৈছিল, তেওঁ নগাওঁ চিভিল হস্পিতালত চিকিৎসাধীন হৈছিল, তেওঁ কিন্তু ক্ষতি পূৰণ নাপালে। গতিকে সেইজন মানুহ বাকী আছে, তেওঁক ১ লাখ টকা ক্ষতি পূৰণ দি দিলে ভাল হয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বন বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি ৩ জন পাইছে, এজনে পোৱা নাই, তেওঁ পাব।

**শ্ৰী পৰমানন্দ ৰাজবংশী, ছিপাঝাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু দূৰ্ভগীয়া যিজন ব্যক্তি, কৰ্মচাৰী, তেওঁ মোৰ সমষ্টিৰ লগতে বন বিভাগৰ মন্ত্ৰী জনো আমাৰ অভিভাৱক মন্ত্ৰী। ইতিমধ্যে আমাক যোগাযোগ কৰি আছে, আমি কালিলৈ পুৱাই তালৈ যাব লাগিব। সেই দুখীয়া পৰিয়ালটিক অকল এটা ক্ষতিপূৰণ দিলে নহ'ব অন্তত পৰিয়ালটিক বা অন্যান্য যিখিনি সম্পৰ্কীয় ব্যক্তিক চৰকাৰৰ ফালৰ পৰা বা বন বিভাগৰ পৰা আমি তেওঁলোকক একালীন সাহাৰ্য্যৰ লগতে পৰিয়ালটি ভৰিষ্যতে যাতে চলিব পাৰে, তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে বুলি মই আজি এই পবিত্ৰ সদনত উত্থাপন

কৰিলো।

লগতে মাননীয় মন্ত্ৰী মহোদয়ক যিহেতু তেখেত আমাৰ অভিভাৱক মন্ত্ৰী, তেখেতকো আমি দুখীয়া পৰিয়ালটিৰ ঘৰলৈ যোৱাৰ কাৰণে মই বিশেষভাৱে অনুৰোধ জনালো।

**শ্ৰীপ্ৰদীপ হাজৰিকা, আমগুৰি** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা অতি চিন্তনীয় বিষয়। কিয় মানুহ মাংস খোৱা নোখোৱাটো কথা নহয়। সেই বাঘটোৱে মানুহ তেজটোতো খাইছে। এবাৰ যদি বাঘৰ মুখত মানুহৰ তেজ লাগিলে, সি তেতিয়া হলে he will go after human beings again, সেই কাৰণে যিকোনো সময়ত সেই হাবিখনত বন ৰক্ষীয়ে হওঁক বা যিকোনো মানুহ সেই বাঘটোৱে আক্ৰমন কৰিবই। সেই কাৰণে মই ভাৱো যে এইটো অতি গুৰুত্বপূৰ্ণ বিষয়। গতিকে সেই বিষয়টো অলপ গুৰুত্বসহকাৰে লৈ বাঘটো যাতে চিনাক্ত কৰি ধৰিব পাৰে তাৰ ব্যৱস্থা অতি সোনকালে কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বন বিভাগৰ মন্ত্ৰী**ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কলো যে বন বিভাগৰ wild life ক কৈছো যে প্ৰথমতে বাঘটো চিনাক্ত কৰিব লাগে, চিনাক্ত কৰাৰ পিছত বাঘটোক tranquilize কৰি চিৰিয়াখানাত ৰাখিব লাগিব, তাৰ বাহিৰে অন্য কোনো ৰাস্তা নাই।

আৰু সন্মানীয় সদস্য শ্ৰী প্ৰদীপ হাজিৰকা ডাঙৰীয়াই কোৱা কথাটো সত্য। আমি জানো যে এবাৰ মানুহৰ তেজ যদি বাঘৰ মুখত লাগে, the animal become man-eater আৰু তাৰ কাৰণে Jim-Corbett ত বহুত লিখনি আছে। Man-eaters of Kumaon বা তেনেকুৱা ধৰণৰ লিখনি বোৰ আমি আগতে পঢ়িছো।

আমাৰ স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশী ডাঙৰীয়াই যিটো কথা কৈছে, আচলতে বাঘটোৱে যে এনেকৈ আক্ৰমন কৰিব, মই নাজানো। কিন্তু অহা কালি মই নাথাকো, আমাৰ মাননীয় মূখ্যমন্ত্ৰীয়ে অহা কালি সন্মানীয় মন্ত্ৰী শ্ৰী ৰঞ্জিৎ দাস ডাঙৰীয়া আৰু মোক আমাৰ আগৰ ৰাজ্যপাল গৰাকীক সম্বৰ্ধনা জনোৱাৰ বাবে চণ্ডিগড়লৈ যোৱাৰ নিৰ্দেশ দিছে। আপোনালোকে অহা কালিলৈ যাব খুজিলে যাব, মই চণ্ডিগড়ৰ পৰা ঘুৰি অহাৰ পিছত তেওঁলোকৰ ঘৰলৈ যাম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

এতিয়া কিছু ঘোষণা আছে। মই এতিয়া বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ ৰাজ্যিক উপদেষ্টা পৰিষদৰ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰিবলৈ লৈছো। পদ আৰু প্ৰাৰ্থীৰ সংখ্যা একে হোৱা ৩ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হয়। এই পৰিষদলৈ নিৰ্বাচিত হোৱা নিম্ন লিখত মাননীয় সদস্য তিনি গৰাকীৰ নাম ঘোষণা কৰা হ'ল।

১) সন্মানীয় সদস্য শ্ৰী জিতু গোস্বামী,

২) সন্মানীয় সদস্য শ্ৰী কৃষ্ণ কুমাৰ তাঁতী

৩) সন্মানীয়া সদস্যা শ্ৰীমতী নন্দিতা দাস।

অসম বিধান সভাৰ অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ সমিতিৰ সামূহিক ভাৱে খালী হোৱা দুটা সদস্য পদৰ বিপৰীতে নিৰ্বাচনৰ বাবে মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে যোৱা ইং ২২ আগষ্ট, ২০২৪ তাৰিখে অসম বিধান সভাৰ মজিয়াত এটা প্ৰস্তাৱ উত্থাপন কৰিছিল। এক সংক্ৰমনীয় ভোটেৰে অনুপাতিত প্ৰতিনিধিৰ নীতি অনুসৰি সদস্য/সদস্যাসকলৰ মাজৰ পৰা সদনত দ্বাৰা এই সমিতিৰ সদস্য/সদস্যা সকলক নিৰ্বাচিত কৰা হয়। সেই মৰ্মে অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ সমিতিৰ

সামুহিক ভাৱে খালী হোৱা সদস্যৰ পদৰ বাবে ভাৰতীয় জনতা বিধায়িনী দলৰ মাননীয় সদস্য শ্ৰী সুশান্ত বৰগোঁহাই আৰু ইউ পি পি এল দলৰ মাননীয় সদস্য শ্ৰী জিৰণ বসুমতাৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। পৰীক্ষা কৰাৰ পিছত সদস্য সকলৰ মনোনয়ন পত্ৰ বৈধ বুলি বিবেচিত হয়। উক্ত সমিতিৰ সামুহিক ভাৱে খালী হোৱা পদৰ সংখ্যা আৰু প্ৰতিদ্বন্দ্বিৰ সংখ্যা একে হোৱা বাবে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ১৯৪ বিধিৰ ৩ নং উপ-বিধি আৰু ২৬০ (ছ) (১) মতে মই শ্ৰী সুশান্ত বৰগোঁহাই আৰু শ্ৰী জিৰণ বসুমতাৰীক অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ সমিতিৰ সদস্য হিচাপে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলো।

তেখেতসকলে সমিতিৰ কাৰ্য্যকালত বাকী থকা সময়ছোৱাৰ বাবে কাৰ্য্য নিৰ্বাহ কৰিব আৰু ইয়াত মই সকলো দলপতিক অনুৰোধ জনাইছো যে আমাৰ বিভিন্ন সমিতি বিলাকত সন্মানীয় সদস্য সকলে কোনোবাই কোনোবাই continously ৩ বাৰতকৈ বেছি মিটিঙত অনুপস্থিত আছে। আমাৰ নিয়ম হিচাপে ৩ বাৰতকৈ বেছি continously অনুপস্থিত থাকিলে, automatically তেওঁ সমিতিৰ disqualify হয়। বহুতে হয়তো নাজানে, গতিকে দলপতি সকলক বিধায়নি দলীয় সভাত সকলোকে উনুকিয়াই দিবলৈ অনুৰোধ কৰিলো যাতে সদস্যসকলে নিজৰ নিজৰ সমিতিৰ বৈঠকসমূহত উপস্থিত থাকে।

সন্মানীয় সদন, যোৱা ২২ আগষ্ট, ২০২৪ তাৰিখে আৰম্ভ হোৱা অসম বিধান সভাৰ শৰৎকালীন অধিৱেশন ৫ দিনীয়া চৰকাৰী তথা বে-চৰকাৰী কৰ্মসূচীৰে সম্পন্ন হোৱাৰ অন্তত আজি সামৰণি পৰিল ।

অধিৱেশনৰ প্ৰথম দিনৰ পৰাই বিধান সভাৰ নিয়মাৱলীৰ বিভিন্ন প্ৰক্ৰিয়াৰ অধীনত ৰাজ্যখনৰ জ্বলন্ত সমস্যাসমূহকে ধৰি বহু গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰা হয়।

অধিৱেশনৰ কালছোৱাত ৩ খন নতুন বিধেয়ককে ধৰি সৰ্বমুঠ ১৬ খন গুৰুত্বপূৰ্ণ বিধেয়কৰ লগতে অসম বিনিয়োজন (নং III) বিধেয়ক, ২০২৪ আলোচনাৰ অন্তত পাৰিত কৰা হয় । তদুপৰি চলিত অধিৱেশনত এখন বে-চৰকাৰী বিধেয়ক উত্থাপিত হোৱাৰ লগতে আন এখন বে-চৰকাৰী বিধেয়ক বিবেচনাৰ অন্তত অগ্ৰাহ্য হয় ।

এইবাৰৰ অধিৱেশনত অসম বিধান সভাৰ নিয়মাৱলী সমিতিয়ে বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীত কিছু গুৰুত্বপূৰ্ণ সংশোধনীৰ পৰামৰ্শৰে প্ৰতিবেদন দাখিল কৰে । মই আশা ৰাখিছোঁ, সমিতিয়ে দিয়া পৰামৰ্শৱলীৰ আধাৰত সংশোধিত হোৱা নিয়মসমূহে বিধান সভাৰ কাৰ্য্য পৰিচালনাৰ দিশত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব ।

এইবাৰৰ অধিৱেশনত ৰাজ্যিক প্ৰেক্ষাপটৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰসঙ্গ, যেনে- ইতিহাসপ্ৰসিদ্ধ চৰাইদেউ মৈদামে UNESCO বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ কৰা; ৰাজ্যখনৰ উদ্যোগ ক্ষেত্ৰখনত যুগান্তকাৰী পদক্ষেপেৰে অসমৰ জাগীৰোডত ছেমিকণ্ডাক্টৰ প্ৰকল্প নিৰ্মাণৰ কাম আৰম্ভণি ইত্যাদি প্ৰসঙ্গ — অধ্যক্ষৰ আসনৰ পৰা উল্লেখ কৰি উক্ত ঘটনাৰাজিৰ মূল পৃষ্ঠপোষক তথা কৃতিত্বৰ অংশীদাৰ ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী, UNESCO কৰ্তৃপক্ষ, অসমৰ মাননীয় মুখ্যমন্ত্ৰী, দেশৰ অন্যতম উদ্যোগী প্ৰতিষ্ঠান টাটা গ্ৰুপ কৰ্তৃপক্ষৰ শলাগ লৈ অভিনন্দন জ্ঞাপন কৰা হয় ।

লগতে এই আসনৰ পৰাই ৰাজ্যখনলৈ বিভিন্ন বিষয়ত পাৰদৰ্শিতাৰ সন্মান তথা বঁটাৰে

বিভূষিত ব্যক্তিসকললৈ অভিনন্দন জনাই এক প্ৰসঙ্গ উত্থাপন কৰা হয় ।

এই অধিৱেশনৰ কালছোৱাত সদনৰ কাম-কাজ সুকলমে পৰিচালনা কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে মাননীয় মুখ্যমন্ত্ৰীকে প্ৰমুখ্য কৰি মন্ত্ৰী পৰিষদৰ সকলো মাননীয় সদস্য, বিধান সভাৰ মাননীয় উপাধ্যক্ষ, বিৰোধী দলৰ দলপতিকে ধৰি সদনৰ সকলো মাননীয় সদস্যলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ ।

সদৌ শেষত অসমৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধানকে ধৰি বিধান সভা অধিৱেশনৰ লগত জড়িত চৰকাৰী বিষয়া-কৰ্মচাৰী সকলৰ লগতে বিধান সভা সচিবালয়ৰ সচিব তথা সমূহ বিষয়া-কৰ্মচাৰী, প্ৰচাৰ মাধ্যমৰ বন্ধুসকলকে আদি কৰি সকলো পক্ষলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি আগন্তুক কৰম পূজা, ফাতেহা-ই-দোৱাজ-দহম, শাৰদীয় দুৰ্গা পূজা, শ্ৰীমন্ত শংকৰদেৰৰ জন্ম উৎসৱ আৰু কাতি বিহুৰ আগতীয়াকৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ। ধন্যবাদ।

ইয়াৰ পিছত সদনত অসমৰ জাতীয় সংগীতেৰে শৰৎকালীন অধিবেশন বিয়লি ৫.১০ বজাত সামৰণি পৰে আৰু সদন অনিৰ্দিষ্ট কাললৈ স্থগিত হয়।